ND24
newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in




RN-11989/65 । ৬২ বছৰ । ৭৮ সংখ্যা, ৬ কাতি, শনিবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 78। GUWAHATI, SATURDAY, OCTOBER 24, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)



*গৰুহালৰ বিকল্প হ'বগৈ নেকি হস্তী? গোলাঘাটৰ মূৰফুলনিত 'নিবনুৱা' হাতীক সংস্থাপনেৰে ভূমি চহ কৰাৰ দৃশ্যই আকৰ্ষণ কৰিছে সকলোকে। ফটো ঃ ৰোহিত গগৈ*

প্ৰস্তাৱিত চিয়াং জলবিদ্যুৎ প্ৰকল্পৰ বিৰোধিতা

হাজাৰ হাজাৰ লোকৰ পথ অৱৰোধ ■ তিনিওখন জিলাতে সৰ্বাত্মক বন্ধ, প্ৰতিবাদকাৰীলৈ আৰক্ষীৰ কন্দুৱা গেছ প্ৰয়োগ ■ পাছিঘাটত ভয়ংকৰ পৰিস্থিতি, নিশালৈকে প্ৰতিবাদ অব্যাহত



## ১২ ঘণ্টীয়া বন্ধত উত্তপ্ত অৰুণাচলৰ ৩ জিলা সংঘৰ্ষত আহত অৰ্দ্ধশতাধিক, জ্বলিল ৫খন বাহন

দৈনিক অসমৰ প্ৰতিনিধি

**জোনাই/বান্দৰদেৱা, ২৩ অক্টোবৰ ঃ** অৰুণাচল প্ৰদেশৰ প্ৰস্তাৱিত ছিয়াং আপাৰ বহুমুখী প্ৰকল্পৰ বিৰোধিতাৰে আজি আহ্বান জনোৱা ১২ ঘণ্টীয়া বন্ধৰ সময়ত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত সংঘটিত সংঘৰ্ষত পাঁচগৰাকী মহিলা প্ৰতিবাদকাৰীসহ বহু লোক আহত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰে। আদি বানে কেবাং ইউনাইটেড য়ুথ উইং, ছিয়াং আপাৰ মাল্টিপাৰপাছ প্ৰকল্পৰ দ্বাৰা প্ৰভাৱিত এলেকাৰ যুৱ সংস্থা, ছিয়াং ইণ্ডিজেনাছ ফাৰ্মাৰ্ছ ফ'ৰামৰ যুৱ *৬ পৃষ্ঠাত চাওক*





ডঃ ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় বঁটা উষা মংগেশকাৰলৈ



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** সুধাকণ্ঠ ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ সন্মানাৰ্থে ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা ডঃ ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় বঁটা এইবাৰ প্ৰথমবাৰৰ বাবে *৬ পৃষ্ঠাত চাওক*

বন বিষয়াৰ বদলিৰ প'ৰ্টেল মুকলি কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ বিস্ফোৰক মন্তব্য

# ৰাজ্যত চলি আছে শিলৰ অবৈধ কুৰেৰী

'বনাঞ্চল সুৰক্ষাৰ বাবে প্ৰথমেই বন্ধ কৰিব লাগিব বেদখল' ■ হোজাইৰ ডি এফ অ'ক তৎকালে নিলম্বনৰ নিৰ্দেশ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** ৰাজ্যত অবৈধ শিল খনন চলি থকা বুলি স্বীকাৰ কৰি আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বন বিষয়াক তৎকালে নিলম্বনৰ নিৰ্দেশ দিছে। বন বিভাগৰ অনলাইন বদলিকৰণৰ প'ৰ্টেল এটা আনুষ্ঠানিকভাৱে মুকলি কৰি শিলৰ অবৈধ কুৰেৰী চলি থকাৰ কথা অকপটে স্বীকাৰ কৰে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত আজি কয় যে বন বিভাগৰ সকলো অবৈধ খনন বন্ধ হ'ব লাগিব। অবৈধ কাম প্ৰতিৰোধ *৬ পৃষ্ঠাত চাওক*



আই টি বি পিৰ সঞ্চালক প্ৰধান শত্ৰুজিৎ কাপুৰৰ মন্তব্যত তোলপাৰ দেশ

চৰকাৰৰ বিৰুদ্ধে সৰৱ কংগ্ৰেছ, দেশক অন্ধকাৰত ৰখাৰ অভিযোগ



## চীনা সৈন্যৰে যুঁজিবলৈ অসমৰ্থ ভাৰতীয় সেনা

**নতুন দিল্লী, ২৩ অক্টোবৰ ঃ** সামৰিক শক্তিৰ দিশৰ পৰা ভাৰততকৈ বহুদূৰ আগুৱাইছে চুবুৰীয়া চীন। ভাৰতৰ সৈতে সংঘাতপূৰ্ণ সম্পৰ্ক অব্যাহত থকা দেশখনৰ সামৰিক কৌশল ভাৰততকৈ আধুনিক আৰু শক্তিশালী। যাৰ বাবে সীমান্তত ভাৰতীয় সেনাৰ বাবে পুৰণি প্ৰযুক্তি-কৌশলেৰে চীনৰ সামৰিক আগ্ৰাসনৰ সৈতে মোকাবিলা কৰাটো কঠিন হৈ পৰিছে। এই চাঞ্চল্যকৰ মন্তব্য কৰিছে ইণ্ডো-তিবেতান ব'ৰ্ডাৰ পুলিচ ফ'ৰ্চ (আই টি বি পি)ৰ সঞ্চালকপ্ৰধান শত্ৰুজিৎ কাপুৰে। ভাৰত-চীন সীমান্তত এতিয়াও চীনৰ সামৰিক আগ্ৰাসন অব্যাহত থকা বুলি চাঞ্চল্যকৰ তথ্য সদৰি কৰি কাপুৰে কৰা মন্তব্যই দেশত তীব্ৰ *৬ পৃষ্ঠাত চাওক*

এতিয়াৰ পৰা মিচিং-সোণোৱাল কছাৰী পৰিষদৰ সদস্যয়ো পাব বিধানসভাৰ সদস্যৰ মৰ্যাদা

## ডাঃ হৰ্ষ ভট্টাচাৰ্যলৈ অসম বৈভৱ, ৪গৰাকীলৈ অসম সৌৰভ, ১০গৰাকীলৈ অসম গৌৰৱ

দুটা সংস্থালৈও অসম গৌৰৱ ■ শ্ৰীমন্ত শংকৰদেৱ বঁটাৰ ধন ১৫ লাখ টকালৈ বৃদ্ধি, ৰঙিয়াত উদ্যোগ স্থাপনৰ বাবে ৩০৩.৬৯ কোটি টকা বিনিয়োগত অনুমোদন





দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ সন্মানাৰ্থে এটা ৰাষ্ট্ৰীয় বঁটা প্ৰৱৰ্তন, শ্ৰীমন্ত শংকৰদেৱ বঁটাৰ ধনৰাশি ১৫ লাখ টকালৈ বৃদ্ধি আৰু ২০২৫ চনৰ অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটাপ্ৰাপকৰ তালিকাত অনুমোদনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱত আজি অসম কেবিনেটে অনুমোদন জনায়। লোকসেৱা ভৱনত আজি অনুষ্ঠিত কেবিনেট বৈঠকৰ সিদ্ধান্তৰ বিষয়ে *৬ পৃষ্ঠাত চাওক*

শীঘ্ৰে মোকলাই দিব বৃদ্ধ পেন্সন

ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব অসম আৰক্ষী-বন বিভাগত নিযুক্তি প্ৰক্ৰিয়া

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** ২০২৭ চনৰ এক ফেব্ৰুৱাৰীৰ পৰা অসম আৰক্ষীৰ ৫,৭৩৪টা পদত নিযুক্তিৰ বাবে সাক্ষাৎকাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি নিশা ফেচবুক লাইভযোগে এই কথা ঘোষণা কৰে। তেওঁ কয় যে অসম আৰক্ষীৰ এই পদসমূহৰ বাবে ১০ লাখতকৈও অধিক নিবনুৱাই আবেদন কৰিছে। যিহেতু আবেদন প্ৰক্ৰিয়া শেষ হৈছে, সেয়ে ১ ফেব্ৰুৱাৰীৰ পৰা সাক্ষাৎকাৰ *৬ পৃষ্ঠাত চাওক*

ম'বাইলত ছিম সংলগ্ন নাথাকিলে ব্যৱহাৰ কৰিব নোৱাৰিব হোৱাটছএপ-টেলিগ্ৰাম

## হোৱাটছএপৰ নতুন নিয়ম জানুৱাৰীৰ পৰা

**নতুন দিল্লী, ২৩ অক্টোবৰ ঃ** ম'বাইলত নিৰ্দিষ্ট ছিম কাৰ্ড সংযোগ নকৰাকৈ হোৱাটছএপ, টেলিগ্ৰামৰ দৰে এপ ব্যৱহাৰৰ সুবিধাৰ পৰা বঞ্চিত হ'ব গ্ৰাহক। অহা পহিলা জানুৱাৰীৰ পৰা 'ছিম বাইণ্ডিঙ'ৰ ব্যৱস্থা বাধ্যতামূলক কৰা হ'ব। ডিপাৰ্টমেণ্ট অব টেলিকমিউনিকেচন্‌ছ (ডি অ' টি)-এ এই সম্পৰ্কীয় নতুন নিয়মৰ বিষয়ে স্পষ্ট কৰি দিছে। ডি অ' টিয়ে উল্লেখ কৰা অনুসৰি অহা পহিলা জানুৱাৰীৰ পৰা হোৱাটছএপ, টেলিগ্ৰামৰ দৰে মেছেজিং এপ ব্যৱহাৰ কৰিবলৈ হ'লে নিৰ্দিষ্ট নম্বৰটো পৰীক্ষিত, অৰ্থাৎ ভেৰিফাইড *৬ পৃষ্ঠাত চাওক*



পিতৃৰ দোকানলৈ নিয়াৰ ছলনাৰে শিশুটিক অপহৰণ কৰিছিল ৰফিকুল ইছলামে

## পৰ্বতঝোৰাত ভাগিনক অপহৰণ কৰি ৬ লাখ মুক্তিপণ দাবী

দৈনিক অসমৰ প্ৰতিনিধি

**পৰ্বতঝোৰা, ২৩ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত ছাতাগুৰিত কালি আবেলি এটি শিশুক দেউতাকৰ দোকানলৈ লৈ যোৱাৰ ছলনাৰে সম্পৰ্কীয় মোমায়েকে *৬ পৃষ্ঠাত চাওক*

আৰক্ষীৰ অভিযানত অপহৃত শিশু উদ্ধাৰ, তিনি অপহৰণকাৰীক গ্ৰেপ্তাৰ

হোটেল জাহ্নৱী ৰিজেন্সী কৰ্তৃপক্ষই তথ্য গাপ দিয়াৰ অভিযোগ

## ৰহস্যঘন হৈ পৰিছে ডি এছ পি খৰ্গেশ্বৰ ৰাভাৰ মৃত্যুৰ ঘটনা

মুখ্যমন্ত্ৰীক ৰহস্য উদ্‌ঘাটনৰ আহ্বান পত্নীৰ ■ ন্যায়ৰ দাবীত সৰৱ আৰছুকে ধৰি দল-সংগঠন

দৈনিক অসমৰ প্ৰতিনিধি

**বঙাইগাঁও, ২৩ অক্টোবৰ ঃ** বঙাইগাঁও চহৰৰ মাজমজিয়াৰ হোটেল জাহ্নৱী ৰিজেন্সীত কালি ৰহস্যজনকভাৱে মুখ্যমন্ত্ৰী তদাৰকী কোষৰ উপ-আৰক্ষী অধীক্ষক খৰ্গেশ্বৰ ৰাভাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ উচিত তদন্তৰ দাবী জনাইছে বঙাইগাঁৱৰ বিভিন্ন দল-সংগঠনে। *৬ পৃষ্ঠাত চাওক*





অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত ওলাই আহিল বৰহোলা বাগিচাৰ শ শ শ্ৰমিক

## যুৱকক দলবদ্ধ প্ৰহাৰক লৈ পথ অৱৰোধ-থানা ঘেৰাওৰে তিতাবৰত উত্তপ্ত পৰিস্থিতি

ভিক্টৰ বৰা নামৰ এজন লোকৰ নেতৃত্বত ১০-১২জনীয়া দলৰ প্ৰহাৰত গুৰুতৰভাৱে আহত হৈছিল ৰেছৱ তুৰী

দৈনিক অসমৰ প্ৰতিনিধি

**তিতাবৰ, ২৩ অক্টোবৰ ঃ** এজন যুৱকৰ প্ৰহাৰত গুৰুতৰভাৱে আহত হোৱা ঘটনাক কেন্দ্ৰ কৰি তিতাবৰৰ বৰহোলাত সৃষ্টি হৈছে তীব্ৰ উত্তেজনাময় পৰিস্থিতিৰ। বৰহোলা চাহ বাগিচাৰ ৰেছৱ তুৰী নামৰ যুৱকজনক ভিক্টৰ *৬ পৃষ্ঠাত চাওক*

কাঁহুদী



— সময় নাই, সময় নাই। হোটেলত ডেড বডী, এপাৰ্টমেণ্টত ডেড বডী, হোমষ্টে'ত ডেড বডী...!

বিশেষজ্ঞৰ সৈতে সাক্ষাৎ কৰক - এপ'ল', চেন্নাই
জেনেৰেল চাৰ্জাৰী ক্লিনিক
Apollo HOSPITALS CHENNAI
সমস্যা / লক্ষণ:
- থাইৰয়ড
- পিত্তথলীৰ পাথৰ
- হাৰ্নিয়া
- স্তনৰ ৰোগ
- এপেণ্ডিচাইটিছ
- পেটৰ কৰ্কট ৰোগ
- পেপটিক আলচাৰ
- গুৰুতৰ গ্ৰন্থিৰ টিউমাৰ
- অন্যান্য সাধাৰণ অস্ত্ৰোপচাৰ

ডঃ কে জে ৰঘুনাথ
MS, FRCS(Eng), FRCS (Edin), FRCS(Glas)
জেনেৰেল চাৰ্জন
এপ'ল' হস্পিতাল, চেন্নাই



১ নৱেম্বৰ ২০২৬ দুপৰীয়া ১২ বজাৰ পৰা বিয়লি ৩ বজালৈ
এপ'ল' হস্পিতাল, চেন্নাই
ইনফৰমেচন চেন্টাৰ - দদৰা
দদৰা, কামৰূপ, অসম
For appointments Call: 7099116710 / 8939232505

## সামুদ্ৰিক খণ্ডৰ বাবে উৎসৰ্গিত ভাৰতৰ প্ৰথম অ-বেংকিং বিত্তীয় কোম্পানী

# সাগৰমালা ফাইনেন্স কৰ্প'ৰেচনৰ কাৰ্যালয় উদ্বোধন সোণোৱালৰ



নতুন দিল্লী, ২৩ অক্টোবৰ ঃ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীৰ ইনষ্টিটিউট ফৰ ষ্টাডিজ ইন ইণ্ডাষ্ট্ৰিয়েল ডেভেলপমেণ্টত সাগৰমালা ফাইনেন্স কৰ্প'ৰেচন লিমিটেডৰ কাৰ্যালয় উদ্বোধন কৰাৰ দ্বাৰা সামুদ্ৰিক খণ্ডৰ বাবে উৎসৰ্গিত অ-বেংকিং বিত্তীয় কোম্পানীয়ে নিজৰ স্থায়ী ঠিকনা লাভ কৰিলে। চলিত বৰ্ষৰ ৩০ ছেপ্টেম্বৰলৈকে এছ এম এফ চি এলে ১১,৫৬৩ কোটি টকাৰ বিত্তীয় সাহায্য মঞ্জুৰ কৰিছে, ইয়াৰে ৫,১০৭ কোটি টকা বৰ্তমানলৈকে অনুমোদন দিয়া হৈছে। অনাগত দিনত এই পুঁজিৰ ব্যৱহাৰৰ যোগেদি সামুদ্ৰিক ক্ষেত্ৰৰে সম্পৰ্ক থকা বিভিন্ন প্ৰকল্পৰ সঠিক ৰূপায়ণত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ৰিজাৰ্ভ বেংকৰ নিয়মাৱলী আৰু ইয়াৰ ধনৰাশি অনুপাতৰ সমৰ্থনৰ সৈতে সংগতি ৰাখি সংস্থাটিৰ লক্ষ্য হৈছে অনাগত ২০৩১ বিত্তীয় বৰ্ষৰ ভিতৰত মুঠ ৬০,২০৫ কোটি টকাৰ অনুমোদন লাভ কৰা। সৰ্বানন্দ সোণোৱালে কয়— সামুদ্ৰিক খণ্ডত ভাৰতৰ প্ৰথমটো উৎসৰ্গিত অ-বেংকিং বিত্তীয় কোম্পানী হিচাপে এছ এম এফ চি এলে বন্দৰ উন্নয়নৰ বাবে দীৰ্ঘম্যাদী পুঁজি সংগ্ৰহ, জাহাজ নিৰ্মাণ আৰু সাগৰীয় উপকূলীয় অঞ্চলসমূহৰ সংযোগ বৃদ্ধি কৰা তথা সামুদ্ৰিক অৰ্থনীতিৰ সামগ্ৰিক বৃদ্ধি আৰু প্ৰসাৰ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সপোন বাস্তৱায়িত কৰাৰ দিশে ভাৰতৰ সামুদ্ৰিক অৰ্থনীতিক বিশ্বৰ আগশাৰীৰ ৰাষ্ট্ৰসমূহৰ শাৰীলৈ নিয়াৰ ক্ষেত্ৰত এই সংস্থাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। 'সামুদ্ৰিক উন্নয়ন পুঁজি' দুটা পৃথক পুঁজিৰ দ্বাৰা গঠন কৰা হৈছে, ইয়াৰে এম আই এফ পুঁজিৰ বাবে 'এছ বি আই ভেন্সাৰ্ছ লিমিটেড'ক চৰকাৰী পুঁজি প্ৰবন্ধক হিচাপে নিয়োগ কৰা হৈছে। উক্ত প্ৰবন্ধকে নৱেম্বৰ মাহৰ শেষৰ ফালে বিকল্প বিনিয়োগ পুঁজি হিচাপে ছেবিৰ সৈতে পঞ্জীয়ন হ'ব। লগতে ২০২৭ চনৰ জানুৱাৰী মাহৰ ভিতৰত ৫,০০০ কোটি টকাৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। সুদ প্ৰেৰণামূলক পুঁজি (IIF)-এ ইতিমধ্যে ইয়াৰ অনলাইন প'ৰ্টেল www.iifmdf.in কাৰ্যক্ষম হে উঠি এতিয়ালৈকে প্ৰায় ৪,৫০০ কোটি টকাৰ ঋণৰ বাবে সঁহাৰি পাইছে। ঋণ গ্ৰহণ কৰা সংস্থাসমূহে মূল পৰিশোধ কৰা সুদৰ বিপৰীতে প্ৰায় ২৫ কোটি টকাৰ সুদৰ ৰেহাই কৰা হৈছে। ভাষণ প্ৰসংগত সোণোৱালে কয়— প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত 'সামুদ্ৰিক অমৃত কাল ভিজন-২০৪৭'ৰ অধীনত ভাৰতবৰ্ষই এক শক্তিশালী, আত্মনিৰ্ভৰশীল আৰু বিশ্বৰ সকলো দেশৰ লগত প্ৰতিযোগিতা কৰিব পৰা সামুদ্ৰিক খণ্ড নিৰ্মাণ কৰিছে। সাগৰমালা ফাইনেন্স কৰ্প'ৰেচন লিমিটেডে বৰ্তমান পৰিচালনা কৰা আঁচনিসমূহে এটা সামুদ্ৰিক প্ৰকল্পক প্ৰাথমিক ধাৰণাৰ পৰা আৰম্ভ কৰি অন্তিম ঋণৰ প্ৰক্ৰিয়ালৈ সাঙুৰি লৈছে। সাগৰমালা ফাইনেন্স কৰ্প'ৰেচন লিমিটেডৰ জৰিয়তে সামুদ্ৰিক বিনিয়োগ পুঁজিলৈ ভাৰত চৰকাৰৰ তৰফৰ পৰা ৯,৮০০ কোটি টকাপৰ্যন্ত অৱদান আগবঢ়ায়; আনহাতে পুঁজিৰ ব্যৱস্থাপক হিচাপে নিৰ্বাচিত কৰা এছ বি আই প্ৰতিষ্ঠানে এই পুঁজিলৈ পেছাদাৰী ব্যৱস্থাপনা আগবঢ়ায়।



## বড়িগোগৰ বিৰাজ চৌধুৰীৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি
বৰভাগ, ২৩ অক্টোবৰ ঃ নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত সানেকুছি নিবাসী বিশিষ্ট ব্যৱসায়ী তথা পশ্চিম বড়িগোগ মৌজাৰ মৌজাদাৰ বিৰাজ চৌধুৰী (৫৭)ৰ যোৱানিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। বিভিন্ন সামাজিক তথা ধৰ্মীয় অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত চৌধুৰী যোৱা কিছুদিন আগতে মহানগৰীৰ এখন বেচৰকাৰী চিকিৎসালয়ত চিকিৎসাধীন হৈছিল। তাতে চিকিৎসা কৰি তেওঁ কিছু পৰিমাণে সুস্থ হৈছিল আৰু চিকিৎসালয়ৰ পৰা ওলাই মহানগৰীৰ ভাড়াঘৰত আছিল। তাতে হঠাতে অসুস্থ হোৱাত তেওঁক জি এম চি এইচত ভৰ্তি কৰোৱা হৈছিল। আজি পুৱা তেওঁৰ নশ্বৰ দেহ সানেকুছিৰ নিজ গৃহ পোৱাৰ লগে লগে অজস্ৰ গুণমুগ্ধই শেষ শ্ৰদ্ধা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। চৌধুৰীৰ মৃত্যুত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, বৰিয়াৰ বিধায়ক ভৱেশ শইকীয়া, বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকাকে আদি কৰি বহুতো বিশিষ্ট লোকে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ বৃদ্ধ মাতৃ, পত্নীসহ দুই পুত্ৰ-কন্যা, দুই জ্যেষ্ঠ আৰু দুই কনিষ্ঠ ভাতৃ সমন্বিতে অজস্ৰ গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

# হাজোৰ গেৰুৱাত পাইপ ফুটি তেল নিৰ্গত, বাল্টি-গেলন লৈ ৰাইজৰ হেতা-ওপৰা

দৈনিক অসমৰ প্ৰতিনিধি
হাজো, ২৩ অক্টোবৰ ঃ কামৰূপ জিলাৰ হাজোৰ গেৰুৱাত নিশা এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। অইল ইণ্ডিয়া লিমিটেডৰ তেল পৰিবাহী পাইপ ফুটি প্ৰচুৰ পৰিমাণে খাৰুৱা তেল নিৰ্গত হোৱাৰ ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নাহৰকটীয়াৰ পৰা হাজো হৈ বাৰাউনীলৈ যোৱা অইল ইণ্ডিয়াৰ মূল তেল পৰিবাহী পাইপলাইনটো গেৰুৱাৰ পথাৰত ফুটা হৈ যায়। পাইপ ফুটাৰ সুযোগ গ্ৰহণ কৰি এটা দুষ্ট চক্ৰই তেল চুৰিৰ চেষ্টা চলোৱাৰো অভিযোগ উত্থাপন হৈছে। পাইপৰ পৰা তেল নিৰ্গত হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে নিশাই ঘটনাস্থলীত একাংশ পুৰুষ-মহিলাই তেল নিবলৈ ভিৰ কৰে। হাতে হাতে বাল্টি, গেলন, ড্ৰাম আদি লৈ তেল সংগ্ৰহ কৰিবলৈ লোকসকলৰ মাজত হেতা-ওপৰাৰ সৃষ্টি হয়। তেল সংগ্ৰহক কেন্দ্ৰ কৰি ঘটনাস্থলীত এক অভাৱনীয় পৰিস্থিতিৰ উদ্ভৱ হয়। ইফালে, ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে যদিও একাংশ লোকে তেল নিয়াত ব্যস্ত থাকে। আনহাতে, একাংশ স্থানীয় সচেতন ৰাইজে এই বিষয়টোক লৈ অত্যন্ত চিন্তিত হৈ কোনো ধৰণৰ বিপজ্জনক ঘটনা যাতে আগন্তুক সময়ত সংঘটিত নহয় তাৰবাবে বিভাগীয় কৰ্তৃপক্ষক যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি সমগ্ৰ অঞ্চলটো সুৰক্ষিত কৰিবলৈ আহ্বান জনায়। নিশাৰ ভাগত কামৰূপ জিলা আৰক্ষীৰ শীৰ্ষ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ বুজ লোৱাৰ লগতে অইল ইণ্ডিয়াৰ লোক ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ বিষয়টো পৰ্যৱেক্ষণ কৰে। কি কাৰণত পাইপলাইনটো ফুটিল আৰু ইয়াৰ আঁৰত প্ৰকৃততে কোনো দুষ্ট চক্ৰ জড়িত আছে নেকি, সেয়া আৰক্ষীৰ তদন্তৰ পিছতহে পোহৰলৈ আহিব।

## কাজিৰঙা পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি
বোকাখাত, ২৩ অক্টোবৰ ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলৰ সমীপৰ হাৰমতিত আজি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰবেগী ট্ৰাকৰ খুন্দাত থিতাতে নিহত হয় এজন লোক। নিহত লোকজন হাৰমতিৰ ৰছিদ আলী বুলি জানিব পৰা গৈছে। স্থানীয় লোকে দিয়া তথ্যমতে, এ এছ-২৭ চি-৭৪৮১ নম্বৰৰ ট্ৰাকখনৰ চালকজনে সুৰাসক্ত হৈ ওলোটা দিশেৰে অন্য গাড়ী অতিক্ৰম কৰিবলৈ লওঁতেই এই ঘটনা সংঘটিত হয়। চিকন্দৰ মণ্ডল নামৰ সুৰাসক্ত চালকজনক ইতিমধ্যেই আটক কৰিছে বাগৰি আৰক্ষীয়ে।

### গিটচাক নাকানা, ৰাকথামিকথিছ আনচি নামৰ দুটা মাছৰ প্ৰজাতি আৱিষ্কাৰ



# পুনৰ দৃশ্যমান হ'ল ২০৪ বছৰে অদৃশ্য হৈ থকা বিৰল উদ্ভিদ আৰ্ডিছিয়া ক'লৰাটা





দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ২৩ অক্টোবৰ ঃ ২০৪ বছৰ কাল অদৃশ্য হৈ থকা 'আৰ্ডিছিয়া ক'ল'ৰাটা (Ardisia colorata) নামৰ উদ্ভিদ অসমত পুনৰ আৱিষ্কাৰ হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই খবৰ ৰাজহুৱা কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি ফেচবুক পোষ্টযোগে কয়, 'অসমৰ প্ৰকৃতিৰ বুকুৰ পৰা আহিছে এক অত্যন্ত আনন্দৰ খবৰ। ২০৪ বছৰ ধৰি সন্ধানহীন হৈ থকা 'আৰ্ডিছিয়া ক'ল'ৰাটা' উদ্ভিদ পুনৰ আৱিষ্কাৰ আৰু গোৱালপাৰাৰ নাদৰ গভীৰতাত বিজ্ঞানৰ বাবে নতুন দুটা মাছৰ প্ৰজাতি গিট্‌চাক নাকানা (Gitchak Nakana) আৰু ৰাকথামিকথিচ আনচি (Rakthamichthys Anchi)ৰ সন্ধানে অসমক জৈৱ-বৈচিত্ৰ্যৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে পুনৰ উজলাই তুলিছে। মুখ্যমন্ত্ৰীয়ে কয়, 'আমাৰ চহকী প্ৰাকৃতিক সম্পদ আৰু জৈৱ-বৈচিত্ৰ্যৰ এই অনন্য নিদৰ্শনসমূহে আমাক গৌৰৱান্বিত কৰিছে। প্ৰকৃতিৰ সুৰক্ষা আৰু প্ৰাকৃতিক বাসস্থানৰ সংৰক্ষণৰ জৰিয়তে অসমৰ এই অমূল্য ঐশ্বৰ্য ভৱিষ্যৎ প্ৰজন্মৰ বাবেও সুৰক্ষিত কৰি ৰখাৰ দিশত আমি দৃঢ়প্ৰতিজ্ঞ।'

**PUBLIC NOTICE**

Sworn before Judicial Magistrate 1st Class, Tezpur, on 15.10.2026, I, RAJU BARHOI, S/o Kashiram Barhoi, Village No.1 Ghagra, Khelmati Basti, P.O. Bindukuri, P.S. Tezpur, Sonitpur, Assam, Pin 784502, declare my correct name RAJU BARHOI (EPIC No. BPJ1552701) is wrongly recorded as RAJEN BARHOI in Aadhaar No. 7581 6751 0544. Both names identify me. I am an Indian citizen by birth.
DA/PN/1476/1

■ শ্ৰীভূমিৰ বগাৰগোলত উত্তপ্ত পৰিস্থিতি ■

# তিনিদিনে নাবালিকাক বন্দী, ৰাইজে জ্বলালে অভিযুক্তৰ ঘৰ

## ছোহেল আহমেদৰ বিৰুদ্ধে গোচৰ ৰুজু হ'ব ঃ এছ এছ পি লীনা দলে

দৈনিক অসমৰ প্ৰতিনিধি
হাইলাকান্দি, ২৩ অক্টোবৰ ঃ বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ বগাৰগোলত এগৰাকী নাবালিকা সন্ধানহীন হোৱা ঘটনাক লৈ উত্তেজনাৰ সৃষ্টি হৈছে। আৰক্ষী প্ৰশাসনে ইতিমধ্যে অতিৰিক্ত নিৰাপত্তাৰক্ষী মোতায়েন কৰিছে। তিনি দিন ধৰি বন্দী হৈ থকা নাবালিকাগৰাকীক অৱশেষত কালি উদ্ধাৰ কৰা হয় যদিও উত্তেজিত জনতাই নাবালিকাগৰাকীক বন্দী কৰি ৰখাৰ অভিযোগত ছোহেল আহমেদ নামৰ ব্যক্তিজনৰ দুটা ঘৰত জুই লগাই দিয়ে। জানিব পৰা মতে দুৰ্গাপূজাৰ নৱমীৰ নিশাৰ পৰাই নাবালিকাগৰাকীক ছোহেল আহমেদ নামৰ যুৱকৰ ঘৰত বন্দী কৰি ৰখাৰ অভিযোগ উত্থাপন হৈছে। কালি নাবালিকাগৰাকী উদ্ধাৰ হোৱাৰ পাছতে পৰিস্থিতি উত্তপ্ত হৈ পৰে। ক্ষুব্ধ ৰাইজে ঘৰটোত জুই লগাই দিলে। ভস্মীভূত হয় দুটাকৈ ঘৰ। আনহাতে শ্ৰীভূমি জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলেই কয় যে বৰ্তমান পৰিস্থিতি নিয়ন্ত্ৰণত আছে। এই ঘটনাক লৈ ছোহেল আহমেদৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হ'ব বুলিও তেওঁ কয়।

## পিতৃ পৰিয়ালৰ বিস্ফোৰক অভিযোগ

# দ্ৰোপাঙত ৰহস্যজনক অৱস্থাত মহিলাৰ মৃতদেহ উদ্ধাৰ

দৈনিক অসমৰ প্ৰতিনিধি
বান্দৰদেৱা, ২৩ অক্টোবৰ ঃ লখিমপুৰ জিলাৰ শিমলুগুৰি আৰক্ষী চকীৰ অন্তৰ্গত দ্ৰোপাঙত ৰহস্যজনক অৱস্থাত মৃতদেহ উদ্ধাৰ হোৱা মহিলাৰ পিতৃ পৰিয়ালে নিজ কন্যাৰ মৃত্যুক লৈ বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। পৰিয়ালৰ মতে, সেয়া এক পৰিকল্পিত হত্যাকাণ্ড আছিল। চাৰি বছৰ পূৰ্বে শিমলুগুৰি আৰক্ষী চকীৰ অন্তৰ্গত সোণাজুলী নিৱাসী পূৰ্ণকান্ত দাসৰ কন্যা পম্পী দাস (২১) দ্ৰোপাঙৰ ৰাজেন কোচৰ পুত্ৰ ব্ৰজেন কোচৰ লগত গন্ধৰ্ব প্ৰথামতে বিবাহপাশত আবদ্ধ হৈছিল। দুৰ্ভাগ্যজনক কথা যে যোৱা ১৯ অক্টোবৰৰ দিনা দুপৰীয়া স্বামী গৃহৰ গা-ধোৱা ঘৰৰ কাষত ৰহস্যজনক অৱস্থাত পম্পীৰ মৃতদেহ উদ্ধাৰ হয়। ইতিমধ্যে ঘটনাৰ উচিত তদন্ত বিচাৰি পম্পী দাসৰ মাতৃ কণমাই দাসে শিমলুগুৰি আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। দুৰ্ভগীয়া পম্পীৰ মাতৃ কণমাই দাসে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, ঘটনাৰ দিনা পুৱা ১০ বজাত সুস্থিৰভাৱেই পম্পীয়ে মাতৃৰ লগত ফোনত কথোপকথন কৰি আছিল আৰু দ্ৰোপাঙৰ বেংকৰ পৰা তেওঁৰ ঘৰলৈ যোৱা কথা আছিল। কিন্তু তেওঁ দ্ৰোপাঙত থাকোঁতেই কন্যাৰ বেয়া খবৰটো পাই লগে লগে কন্যাৰ গৃহত উপস্থিত হৈ এখন চকীত কন্যাৰ অচেতন দেহাটো প্ৰত্যক্ষ কৰে। যিটো ঘটনাক কোনোপধ্যেই মাতৃগৰাকীয়ে মানি ল'ব পৰা নাই। আনহাতে, পিতৃ পূৰ্ণকান্ত দাসে জানিবলৈ দিয়া মতে, পম্পীৰ স্বামী ব্ৰজেনে বিভিন্ন সময়ত টকা-পইচা বিচাৰি হাৰাশাস্তি কৰি আহিছিল। সাধ্যানুসৰি যিমান পাৰে সহায়- সহযোগ কৰি আহিছিল বুলিও সংবাদ মাধ্যমক জানিবলৈ দিয়ে। অকল সেয়াই নহয়, বিভিন্ন সময়ত পম্পীক শাৰীৰিক আৰু মানসিকভাৱে হাৰাশাস্তি কৰি অহাত পূৰ্বে দুবাৰ কৈ ব্ৰজেনৰ বিৰুদ্ধে আৰক্ষীক অভিযোগ দিয়ে। অৱশ্যে আৰক্ষীয়ে উক্ত ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীৰ সঠিক তদন্তৰ পাছতহে ঘটনাৰ প্ৰকৃত তথ্য পোহৰলৈ আহিব।

# জামুগুৰিহাটত সোণৰ চেইন কাঢ়ি পলাল দুই বাইক আৰোহী

দৈনিক অসমৰ প্ৰতিনিধি
জামুগুৰিহাট, ২৩ অক্টোবৰ ঃ শোণিতপুৰ জিলাৰ জামুগুৰিহাটত পুনৰ সংঘটিত হৈছে চিলনী চোৰৰ ঘটনা। ঘটনা অনুসৰি আজি চিলনী চোৰে এগৰাকী মহিলাৰ ডিঙিৰ পৰা থপিয়াই নিলে সোণৰ চেইন। অঞ্চলটোৰ কৰতিপাৰত আজি বিয়লি সংঘটিত হৈছে এই ঘটনা। জানিব পৰা মতে, গাঁওখনৰ কেতেকী বৰুৱা নামৰ মহিলাগৰাকী ঘৰৰ পৰা নামঘৰলৈ বুলি ওলাই আহোঁতেই বাইকত অহা দুজন যুৱকে মহিলাগৰাকীৰ ডিঙিৰ পৰা থপিয়াই নিয়ে সোণৰ চেইনডাল। ঘটনা সংঘটিত কৰিয়েই তীব্ৰবেগে পলায়ন কৰে বাইকত অহা দুৰ্বৃত্তই। ঘটনাৰ বিষয়ে জামুগুৰি আৰক্ষীক অৱগত কৰোৱা হৈছে। উল্লেখ্য যে জামুগুৰিহাটত ইতিমধ্যেই সংঘটিত হৈছে অনুৰূপ কেইবাটাও ঘটনা।

## আজিৰ ৰাশিফল

**৬ কাতি, শনিবাৰ, ২৪ অক্টোবৰ**

**মেষ ঃ** সম্পত্তি লাভৰ যোগ। যোগাযোগত শুভ। ধন বৃদ্ধি আৰু সঞ্চয় হ'ব। প্ৰেম আৰু বিবাহৰ ক্ষেত্ৰত সফল হ'ব। পাৰিবাৰিক জীৱন শুভ হৈ থাকিব।

**বৃষ ঃ** সুস্বাস্থ্য লাভৰ যোগ। পদমৰ্যাদা লাভ। হঠাৎ ধন লাভ হ'ব পাৰে। ব্যৱসায়-বাণিজ্যত উন্নতি। সম্পত্তি, যান-বাহন লাভ হ'ব। বিবাহ ভংগৰ যোগ। প্ৰেমাস্পদৰ মাজত মনোমালিন্যৰ কাৰক। সমস্যাই ভাৰাক্ৰান্ত কৰিব।

**মিথুন ঃ** শাৰীৰিক কষ্টৰ যোগ। যান-বাহনৰ পৰা ভয়। গৃহকন্দল, অশান্তি হ'ব পাৰে। ব্যৱসায়ত অশুভ। আত্মবিশ্বাস আৰু ব্যস্ততা বৃদ্ধি হ'ব। প্ৰেম-প্ৰণয়ত কু-প্ৰভাৱ পৰিব। প্ৰশংসা লাভৰ কাৰক।

**কৰ্কট ঃ** বন্ধুৰ সমাগম। উদ্বেগ বৃদ্ধিৰ কাৰক। মানসিক চাপ বৃদ্ধি। ধন অপচয়। অসুস্থতাত ভোগাব। স্বামী-স্ত্ৰীৰ মাজত ভুল বুজাবুজি, মনোমালিন্য হ'ব পাৰে। আয়-উপাৰ্জন বৃদ্ধিৰ যোগ।

**সিংহ ঃ** মানসিক কষ্ট। নানা দিশত ক্ষতিৰ শংকা। অপমানৰ ভয়। স্বাস্থ্যজনিত কাৰণত বিদ্যাহানিৰ যোগ। সৰু-সুৰা বেমাৰ হ'ব পাৰে। প্ৰেম-প্ৰণয়ত মধ্যম।

**কন্যা ঃ** ব্যয় বহুলতা। অনৰ্থক চিন্তাৰ কাৰক। কৰ্মক্ষেত্ৰত শুভ। নতুন ব্যৱসায় আৰম্ভ কৰাৰ ক্ষেত্ৰত শুভ। জ্ঞানী আৰু জ্যেষ্ঠ লোকৰ পৰামৰ্শ গ্ৰহণ কৰাটো অতি আৱশ্যক। বৈবাহিক জীৱন শুভ।

**তুলা ঃ** ভয়ৰ সঞ্চাৰ। অপযশৰ ভয়। কৰ্মত অগ্ৰসৰ। স্বাস্থ্যৰ ক্ষেত্ৰত সাৱধান থকা অতি দৰকাৰ। শিক্ষাৰ ক্ষেত্ৰত পৰিশ্ৰম অধিক হ'ব। ব্যৱসায়ত লোকচানৰ যোগ।

**বৃশ্চিক ঃ** উদৰ পীড়াৰ যোগ। যোগাযোগত শুভ। সম্পত্তি লাভ হ'ব। ধন বৃদ্ধি আৰু সঞ্চয় হ'ব। প্ৰেম আৰু বিবাহৰ ক্ষেত্ৰত সফল হ'ব পাৰব। পাৰিবাৰিক জীৱন শুভ হৈ থাকিব।

**ধনু ঃ** সহায় লাভ। পদমৰ্যাদা লাভ। হঠাৎ ধন লাভ। ব্যৱসায়ত উন্নতি। সম্পত্তি, যান-বাহন লাভ। বিবাহ ভংগৰ যোগ। প্ৰেমাস্পদৰ মাজত মনোমালিন্য। সমস্যাই ভাৰাক্ৰান্ত কৰিব। কৰ্মব্যস্ততা।

**মকৰ ঃ** নানা দিশত ক্ষতিৰ যোগ। কৰ্মত সুখ্যাতি। পুত্ৰ-কন্যাৰ পীড়া। শত্ৰু নাশ হ'ব। নিজ চেষ্টাত খুঁত থাকিব আৰু বিফল হোৱাৰ যোগ। শুভ কৰ্মত বাধা আহিব। পাৰিবাৰিক অশান্তিৰ যোগ।

**কুম্ভ ঃ** বন্ধুৰে মিলন। কৰ্মব্যস্ততা। স্বাস্থ্য ভংগৰ যোগ। ব্যৱসায়ত লোকচান দেখা যায়। ছাত্ৰ-ছাত্ৰীসকল বিপথগামী হোৱাৰ আশংকা। বিদেশ বা দূৰত থাকি পঢ়া-শুনা কৰা বিদ্যাৰ্থীৰ কাৰণে শুভ।

**মীন ঃ** সাংসাৰিক বিবাদৰ যোগ। চক্ষুপীড়াত কষ্ট হ'ব। কৰ্ম তৎপৰতা বৃদ্ধি পাব। ব্যৱসায়ত শত্ৰুতাই দেখা দিব। বদহজমীৰ সমস্যাই দেখা দিব। শিক্ষাৰ ক্ষেত্ৰত শুভ ফল লাভ।

## বিজ্ঞাপন সেৱা

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(Classified Advertisement)
প্ৰকাশৰ বাবে কাৰ্যালয়ৰ নিম্নোক্ত ব্যক্তিসকলৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—
**97060 21101** (অনুপমা দত্ত, মাৰ্কেটিং হেড)
**98642 63627** (লক্ষী দাস, সহকাৰী মেনেজাৰ)
**91015 17218** (মানস প্ৰতিম বৰা)

■ বিদ্যালয় শিক্ষা ব্যৱস্থাৰ গুণগত মান উন্নয়নৰ পদক্ষেপ ■

# শোণিতপুৰ-বিশ্বনাথ জিলাত ঃ চিটিইএফৰ সজাগতা অভিযান

দৈনিক অসমৰ বাতৰি
গুৱাহাটী, ২৩ অক্টোবৰ ঃ কাউন্সিল ফৰ টিচাৰ এডুকেচন ফাউণ্ডেচন চমুকৈ চি টি ই এফৰ অসম শাখাই ২০০০ চনৰ পৰা বিদ্যালয় শিক্ষা আৰু শিক্ষকসকলৰ গুণগত মান উন্নয়নৰ বাবে স্বেচ্ছাই সেৱা আগবঢ়াই আহিছে। সংগঠনটোৱে ইয়াৰ লগতে প্ৰয়োজনভিত্তিক প্ৰশিক্ষণ, নিৰ্দেশনা আৰু পৰামৰ্শদানৰ ব্যৱস্থাও কৰি আহিছে। প্ৰাথমিক স্তৰৰ পৰাই শিক্ষাৰ্থী, শিক্ষক, অভিভাৱকসকলৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা আৰু উভয়ৰে দক্ষতা বিকাশৰ ক্ষেত্ৰতো সংগঠনটোৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰূপায়ণৰ পৰিপ্ৰেক্ষিতত সংগঠনটোৰ অসম শাখাই অলপতে শোণিতপুৰ জিলাৰ তেজপুৰ মহাবিদ্যালয়ৰ সহযোগত 'মিছন কলাবৰেচন'ৰ প্ৰথম পৰ্যায়ৰ আৰম্ভ কৰে। ইয়াৰ দ্বিতীয় পৰ্যায় যোৱা ১৬ অক্টোবৰত বিশ্বনাথ জিলাত বিশ্বনাথ কলেজ অব টিচাৰ এডুকেচন, কলাবাৰী মহাবিদ্যালয় আৰু ছয়দুৱাৰ মহাবিদ্যালয়ৰ সহযোগত আৰম্ভ কৰা হয়। চি টি ই এফৰ অসম শাখাৰ অধ্যক্ষ অধ্যাপিকা নীলিমা ভাগৱতীৰ উদ্যোগত ছিংগাপুৰৰ পৰা অহা সমল ব্যক্তি ডঃ দীপক এল ৰাইকাৰে এই প্ৰতিষ্ঠানসমূহত শৈক্ষিক মত-বিনিময় তথা উপস্থাপনৰ কাৰ্যসূচী পৰিচালনা কৰে। ইয়াৰ মূল উদ্দেশ্য আছিল একবিংশ শতিকাৰ শিক্ষাৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ দেশৰ প্ৰথম ৰূপান্তৰমুখী ৰাষ্ট্ৰীয় শিক্ষানীতিৰ তাৎপৰ্য আৰু ইয়াৰ ফলপ্ৰসূ ৰূপায়ণৰ প্ৰয়োজনীয়তা সম্পৰ্কে শিক্ষক আৰু শিক্ষাৰ্থী সমাজক সজাগ কৰি তোলা। ডঃ ৰাইকাৰে প্ৰকল্পভিত্তিক শিক্ষণ সম্পৰ্কে উপস্থাপন কৰে। এই শিক্ষণ পদ্ধতিত মুখস্থবিদ্যাৰ পৰিৱৰ্তে অভিজ্ঞতাভিত্তিক শিক্ষণৰ জৰিয়তে বিষয়বস্তুৰ স্পষ্ট আৰু গভীৰ ধাৰণা গঢ়ি তোলাত গুৰুত্ব দিয়া হৈছে। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলে বাস্তৱ জীৱনৰ প্ৰত্যাহ্বানৰ অনুসন্ধান, বিশ্লেষণ আৰু সমাধানৰ প্ৰচেষ্টাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। অধ্যাপিকা নীলিমা ভাগৱতীয়ে প্ৰতিখন শিক্ষানুষ্ঠানৰ শিক্ষক, শিক্ষাৰ্থী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক আদৰণি জনাই ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ কয় যে এই ৰূপান্তৰমুখী শিক্ষানীতিৰ ফলপ্ৰসূ ৰূপায়ণৰ জৰিয়তেহে ভাৰতৰ শিক্ষাখণ্ডত এক নতুন জাগৰণ আৰু পুনৰুত্থান সম্ভৱ হ'ব। তেওঁ লগতে কয় যে একবিংশ শতিকাৰ শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ শিক্ষকসকলে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পৰিৱৰ্তিত স্বৰূপ বুজি পোৱাটো অত্যন্ত প্ৰয়োজনীয়। শ্ৰেণীকোঠাৰ ভিতৰত আৰু বাহিৰত শিক্ষাৰ্থীসকলৰ সক্ৰিয় অংশগ্ৰহণ, অভিজ্ঞতাভিত্তিক শিক্ষণ, সমালোচনাত্মক চিন্তা, সৃষ্টিশীলতা আৰু সমস্যা সমাধানৰ দক্ষতা বিকাশৰ বাবে শিক্ষকে উপযুক্ত পদ্ধতি গ্ৰহণ কৰিব লাগিব। 'মিছন কলাবৰেচন'ৰ পৰৱৰ্তী পৰ্যায় অসমৰ আন চাৰিখন জিলাতো আৰম্ভ কৰা হ'ব বুলি সংগঠনটোৱে জানিবলৈ দিছে।

## মৰোৱাৰ কৰুণা বৈশ্যৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি
পশ্চিম নলবাৰী, ২৩ অক্টোবৰ ঃ নলবাৰী জিলাৰ মৰোৱা গাঁওনিৱাসী সমাজকৰ্মী তথা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অৱসৰপ্ৰাপ্ত বিষয়া কৰুণা বৈশ্য (৭৮)ৰ আজি পুৱাৰ ভাগত মৃত্যু হয়। প্ৰয়াত বৈশ্যই বিগত প্ৰায় এবছৰ ধৰি হৃদৰোগ আৰু মধুমেহ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। তেওঁ মৰোৱা তথা দাঁতিকাষৰীয়া বহুকেইটা সামাজিক অনুষ্ঠানৰ সৈতে জড়িত আছিল। মৃত্যুৰ সময়ত বৈশ্যই পত্নী, এগৰাকী পুত্ৰ-বোৱাৰী, চাৰিগৰাকী জী-জোঁৱাইসহিতে বহু আত্মীয়-স্বজনক এৰি থৈ যায়।

## ডবকাৰ ভেলৌগুৰিত শিলৰ অবৈধ ব্যৱসায়

# মুখ্যমন্ত্ৰীৰ মন্তব্যৰ পাছতে বন বিভাগত হাহাকাৰ

দৈনিক অসমৰ প্ৰতিনিধি
নগাঁও, ২৩ অক্টোবৰ ঃ পাহাৰ কাটি শিলৰ অবৈধ খনন আৰু সৰবৰাহৰ ছিণ্ডিকেটক লৈ পুনৰ উত্তপ্ত হৈ পৰিছে হোজাই জিলাৰ ডবকা। আজি মুখ্যমন্ত্ৰীয়ে এখন সংবাদমেলত হোজাই জিলাত দুটাকৈ অবৈধ শিলৰ কোৱেৰী চলি থকাৰ কথা উত্থাপন কৰিছিল। জানিব পৰা মতে, নগাঁও বন সংমণ্ডল প্ৰাধিকাৰীৰ অন্তৰ্গত ডবকাৰ ভেলৌগুৰি অঞ্চলত বিগত কেইবামাহ ধৰি স্থানীয় কেইজনমান অসাধু লোকে দুটাকৈ অবৈধভাৱে শিলৰ কোৱেৰী চলাই আহিছিল। আজি স্বয়ং ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে অবৈধ শিলৰ কোৱেৰীৰ প্ৰসংগ উত্থাপন কৰাৰ পাছতে বিষয়টোৱে নতুনকৈ চৰ্চা লাভ কৰিছে। মুখ্যমন্ত্ৰীৰ মন্তব্যৰ পাছত নগাঁও বন সংমণ্ডলৰ অধীনস্থ অঞ্চলটোত বন বিভাগৰ তৎপৰতা আৰু তদাৰকী ব্যৱস্থাক লৈ বিভিন্ন মহলত প্ৰশ্ন উত্থাপন হৈছে। অভিযোগ অনুসৰি, ভেলৌগুৰি অঞ্চলত এটা চক্ৰই দীৰ্ঘদিন ধৰি দুটাকৈ শিলৰ কোৱেৰী চলাই আহিছিল। পাহাৰ কাটি শিল উলিওৱা আৰু সেই শিল স্থানীয় বিভিন্ন শিল ভঙা মিললৈ সৰবৰাহ কৰাৰ কাৰ্য চলি থকাৰ অভিযোগ স্থানীয় একাংশ লোকৰ। কিন্তু এই অবৈধ খনন কাৰ্যৰ বিৰুদ্ধে সংশ্লিষ্ট বিভাগে সময়মতে ব্যৱস্থা গ্ৰহণ কৰিছিল নে নাই, সেয়া এতিয়া এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। আটাইতকৈ আশ্চৰ্যজনক অভিযোগটো হৈছে, নগাঁও জিলাৰ কঠীয়াতলী ৰেঞ্জৰ মদাৰতলী বীট কাৰ্যালয়ৰ ঠিক পাছফালৰ পাহাৰত দিনে-নিশাই খনন চলি আহিছিল। বন বিভাগৰ নাকৰ তলতে পাহাৰ খননৰ অভিযোগ উত্থাপন হোৱাৰ পাছতো বন বিভাগৰ তদাৰকী ব্যৱস্থা যেন নিষ্ক্ৰিয় হৈ আছিল বুলি স্থানীয় একাংশৰ অভিযোগ। এক চাঞ্চল্যকৰ অভিযোগ অনুসৰি, কথিত শিলৰ ছিণ্ডিকেট চক্ৰটোৱে শাসকীয় দলটোৰ প্ৰভাৱশালী ৰাজনৈতিক নেতাৰ নাম লৈ অবৈধ খনন আৰু শিলৰ সৰবৰাহ চলাই আহিছে। প্ৰভাৱশালী ৰাজনৈতিক ব্যক্তিৰ নাম ব্যৱহাৰ কৰি প্ৰশাসনিক বাধা অতিক্ৰম কৰাৰ চেষ্টা চলোৱা হৈছিল নেকি, সেয়া এক গুৰুত্বপূৰ্ণ বিষয়। সংশ্লিষ্ট ব্যক্তিসকলৰ বক্তব্য, বিভাগীয় অনুমতি পত্ৰ আৰু খনন কাৰ্যৰ সৈতে জড়িত নথি-পত্ৰ পৰীক্ষা কৰিহে বিষয়টোৰ সত্যতা নিৰ্দ্ধাৰণ কৰিব পৰা যাব। ভেলৌগুৰিৰ পাহাৰত বিগত কেইবামাহ ধৰি অবৈধ খনন চলি থকাৰ অভিযোগৰ মাজতে আজি মুখ্যমন্ত্ৰীৰ মন্তব্যই বিষয়টোক পুনৰ চৰ্চাৰ কেন্দ্ৰলৈ আনিছে। মুখ্যমন্ত্ৰীৰ মন্তব্যৰ পাছতে নগাঁও বন সংমণ্ডলৰ ভিতৰত তৎপৰতা বৃদ্ধি পোৱা বুলি চৰ্চা চলিছে।

## মৰিগাঁৱত গৱেষণামূলক গ্ৰন্থ 'মধ্য অসমৰ গোসাঁই উলিওৱা উৎসৱ' উন্মোচন ডঃ হাকাচামৰ

# গোসাঁই উলিওৱা উৎসৱ লোক-পৰম্পৰাৰ অনন্য সম্পদ

দৈনিক অসমৰ প্ৰতিনিধি
মৰিগাঁও, ২৩ অক্টোবৰ ঃ মধ্য অসমৰ ঐতিহ্যমণ্ডিত লোক-সংস্কৃতিৰ অন্যতম উপাদান গোসাঁই উলিওৱা উৎসৱত আলোকপাতেৰে প্ৰস্তুত কৰা এখন গৱেষণামূলক গ্ৰন্থ আজি মৰিগাঁৱত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। উল্লেখ্য যে মৰিগাঁৱৰ ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ দ্বাৰা আৰু সহযোগী অধ্যাপক ডঃ পংকজ কুমাৰ ডেকাৰ সম্পাদনাত প্ৰকাশিত 'মধ্য অসমৰ গোসাঁই উলিওৱা উৎসৱ' শীৰ্ষক প্ৰায় দুশ পৃষ্ঠাৰ গৱেষণামূলক গ্ৰন্থখন অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰা হয়। ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আজিৰ গাম্ভীৰ্যপূৰ্ণ গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত বিশিষ্ট অতিথি তথা গ্ৰন্থ উন্মোচক হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক ডঃ উপেন ৰাভা হাকাচাম। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত বিশিষ্ট সাহিত্যিক তথা গৱেষকগৰাকীয়ে কয় যে মধ্য অসমৰ বিশেষকৈ মৰিগাঁও আৰু নগাঁও জিলাত ব'হাগ বিহুৰ সময়ত পালিত এই গোসাঁই উলিওৱা উৎসৱ অসমৰ লোক-পৰম্পৰাৰ এক অনন্য সম্পদ। এই গ্ৰন্থখনে ভৱিষ্যতে লোক-সংস্কৃতিৰ গৱেষক, পৰ্যটক আৰু অনুসন্ধিৎসু পঢ়ুৱৈসকলক প্ৰয়োজনীয় তথ্য যোগান ধৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ বিষ্ণুপ্ৰসাদ উপাধ্যায়ে আদৰণী ভাষণ প্ৰদান কৰা সভাখনত বিশিষ্ট শিল্পী অশোক ডেকা আৰু জ্যেষ্ঠ সাংবাদিক ডালিম ফুকনে চমু ভাষণ প্ৰদান কৰে। সভাত চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমল চন্দ্ৰ নাথ, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা, মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক খগেন মহন্ত, মহাবিদ্যালয়খনৰ দাতা সদস্য চুমি বৰুৱা প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাখনৰ আঁতধৰে সহযোগী অধ্যাপক ডঃ জিণ্টু ডেকাই। সভাৰ আৰম্ভণিতে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰাৰ লগতে প্ৰাক্তন ছাত্ৰ মোহিত পাতৰে জুবিন গাৰ্গৰ দুটি গীত পৰিৱেশন কৰে। উন্মোচিত গ্ৰন্থখনৰ সম্পাদক ডঃ পংকজ কুমাৰ ডেকাই সংবাদ মাধ্যমৰ আগত কয় যে ২০২৩ চনৰ পৰা আৰম্ভ কৰা ক্ষেত্ৰভিত্তিক কাম আৰু বিস্তৃত গৱেষণাৰ অন্তত আজি গ্ৰন্থখনে প্ৰকাশৰ মুখ দেখিছে। প্ৰায় চাৰিশ বছৰ পুৰণি এই লোক-উৎসৱৰ ঐতিহ্য নতুন প্ৰজন্মৰ লগতে সমগ্ৰ দেশবাসীৰ সন্মুখত দাঙি ধৰাই হৈছে গ্ৰন্থখনৰ মূল উদ্দেশ্য। তদুপৰি গ্ৰন্থখনৰ পাঁচটাকৈ কপি গুৱাহাটী বিশ্ববিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়কে ধৰি ৰাজ্যৰ বিভিন্ন বিশ্ববিদ্যালয়লৈ আৰু দুটাকৈ কপি বিভিন্ন মহাবিদ্যালয়লৈ বিনামূলীয়াকৈ প্ৰেৰণ কৰা হ'ব বুলিও তেওঁ সদৰি কৰে।

অসম কোষ

ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বিকাশ নিগমে প্ৰযোজনা কৰা প্ৰথমখন অসমীয়া চলচ্চিত্ৰ 'অপৰূপা'ৰ সংগীত পৰিচালনা কৰিছিল ডঃ ভূপেন হাজৰিকাই। ঊষা মংগেশকাৰে শীৰ্ষ গীতটো গোৱা ছবিখনৰ পৰিচালনা জাহ্নু বৰুৱাৰ।

# দৈনিক অসম

দিনটোৰ তাপমান (ডিগ্ৰী চেলছিয়াছ)

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২.৯ | ২১.৬ |
| ডিব্ৰুগড় | ৩৩.১ | ১৬.৪ |
| যোৰহাট | ৩২.০ | ২২.৬ |
| শিলং | ২৩.৮ | ১৪.০ |

৬২ বছৰ। ৭৮ সংখ্যা, গুৱাহাটী, ৬ কাতি, শনিবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 78। GUWAHATI, SATURDAY, OCTOBER 24, 2026




২০১৮ চনত ৰাজ্যৰ ৪৪খন নদী প্ৰদূষিত বুলি ঘোষণা কৰিছিল চি পি চি বিয়ে

# তালিকাৰ পৰা বাদ পৰিল ৩৫ প্ৰদূষিত নদীৰ নাম



## সচেতন ৰাইজৰ প্ৰশ্ন ঃ নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থা নোহোৱাকৈ কেনেকৈ প্ৰদূষণমুক্ত হ'ল নদীসমূহ?

দৈনিক অসমৰ প্ৰতিনিধি

**নুমলীগড়, ২৩ অক্টোবৰ ঃ** নদীৰ প্ৰদূষণ ৰোধৰ বাবে ব্যাপক শোধন ব্যৱস্থা, ঔদ্যোগিক বৰ্জ্য নিয়ন্ত্ৰণ আৰু নিয়মীয়া নিৰীক্ষণৰ প্ৰয়োজন। কিন্তু এনে ব্যৱস্থা গ্ৰহণৰ দৃশ্যমান প্ৰমাণ নোহোৱাকৈয়ে অসমৰ প্ৰদূষিত নদীৰ সংখ্যা ৪৪ৰ পৰা ৯লৈ হ্ৰাস পোৱা বুলি প্ৰকাশিত তথ্যই উত্থাপন কৰিছে একাধিক গুৰুত্বপূৰ্ণ প্ৰশ্ন। মাত্ৰ কেইটামান বছৰৰ ব্যৱধানত ৩৫খন নদী ১১ পৃষ্ঠাত চাওক

# এছ আই আৰৰ বিৰোধিতা-জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত উত্তাল চচল

পিপল এগেইনষ্ট এছ আই আৰ মঞ্চৰ উদ্যোগ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** সমগ্ৰ দেশৰ লগতে গুৱাহাটীৰ চচলতো আজি পিপল এগেইষ্ট এছ আই আৰ মঞ্চৰ উদ্যোগত বিশেষ বিস্তৃত সংশোধন প্ৰক্ৰিয়াৰ বিৰুদ্ধে আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। প্ৰতিবাদী কাৰ্যসূচীত আব্দুল মান্নান, পৰেশ মালাকাৰ, দ্বিজেন বৰ্মন, দেৱেন ভট্টাচাৰ্য, শতঞ্জীৱ দাস আদিকে ধৰি ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱী, সচেতন জ্যেষ্ঠ নাগৰিক, মহিলা, যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। তদুপৰি 'কাবিৰোধী সমন্বয় সমিতি', অসম নাগৰিক সন্মিলন, এছ এফ আই, ডি ৱাই এফ আই (DYFI), নিখিল ভাৰত গণতান্ত্ৰিক ১১ পৃষ্ঠাত চাওক




## ওদালগুৰি জিলা যুৱ মহোৎসৱত হাগ্ৰামা মহিলাৰী

# নৱপ্ৰজন্ম আমাৰ ভৱিষ্যৎ, তেওঁলোকক উৎসাহিত কৰি যাম



দৈনিক অসমৰ প্ৰতিনিধি

**ওদালগুৰি, ২৩ অক্টোবৰ ঃ** কালিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ওদালগুৰিত অনুষ্ঠিত হৈছে প্ৰথম বাৰ্ষিক ওদালগুৰি যুৱ মহোৎসৱ-২০২৬। ওদালগুৰি জিলা যুৱ বি পি এফ আৰু বড়োলেণ্ড ষ্টুডেণ্টছ্ ইউনিয়নৰ উদ্যোগত ওদালগুৰি ক্ৰীড়া ষ্টেডিয়াম আৰু ওদালগুৰি মহাবিদ্যালয়ৰ কেইবাটাও স্থানত অনুষ্ঠিত হৈ আছে এই যুৱ মহোৎসৱৰ কাৰ্যসূচী। বিভিন্ন ক্ৰীড়া, সাংস্কৃতিক অনুষ্ঠান তথা আলোচনা চক্ৰ অনুষ্ঠিত হৈছে এই মহোৎসৱত। আজি ১১ পৃষ্ঠাত চাওক

যোৰহাটত সদৌ অসম সত্ৰ মহাসভাৰ কেন্দ্ৰীয় পূৰ্ণাংগ অধিৱেশন

# দৈনিক অসমৰ সাংবাদিক হেমাংগ গোস্বামীক 'সংবাদ জ্যোতি বঁটা'

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট, ২৩ অক্টোবৰ ঃ** 'আমি সম্পূৰ্ণ আধ্যাত্মিকতা ৰক্ষা কৰি সাতদিন-সাতৰাতি ভাগৱত পাঠ কৰিছোঁ। কিন্তু আজিলৈকে ভাগৱত ব্যাখ্যা পূৰ্ণ ৰূপত হৈছেনে? ভাগৱত পাঠ আমি সকলোৱে মনোযোগ দি শুনো। কিন্তু তাৰ ব্যাখ্যা ১১ পৃষ্ঠাত চাওক




## বন্যপ্ৰাণী সংৰক্ষণত কাজিৰঙাৰ সাফল্য

# শূন্য গঁড় হত্যাৰ এহেজাৰ দিন অতিক্ৰম

বনকৰ্মী, বিষয়া, আৰক্ষীৰ ভূমিকাক স্বীকৃতি বনমন্ত্ৰীৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বোকাখাত, ২৩ অক্টোবৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে বন্যপ্ৰাণী সংৰক্ষণ ইতিহাসত প্ৰথমবাৰৰ বাবে একেৰাহে ১,০০০ দিনতকৈও অধিক সময় ধৰি উদ্যানখনত এটাও গঁড় হত্যা নোহোৱাৰ অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। আজি নিজৰ এক্স হেণ্ডেলত এই তথ্য সদৰি কৰিছে ১১ পৃষ্ঠাত চাওক

জুবিন ক্ষেত্ৰত গৌৰৱ গগৈ

# আঢ়ৈ বছৰ নাথাকে বিজেপি চৰকাৰ



দৈনিক অসমৰ বিশেষ প্ৰতিনিধি/প্ৰতিনিধি

**সোণাপুৰ, ২৩ অক্টোবৰ ঃ** সোণাপুৰৰ জুবিন ক্ষেত্ৰত আজি দিনৰ প্ৰায় ১১ বজাত উপস্থিত হয় সাংসদ তথা বিৰোধী দলপতি গৌৰৱ গগৈ। প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শেহতীয়া ন্যায় প্ৰক্ৰিয়া, বিশেষ তদন্তকাৰী দলৰ ১১ পৃষ্ঠাত চাওক

## সামাজিক মাধ্যমত দেৱী দুৰ্গাৰ প্ৰতি অশ্লীল মন্তব্য

# দৰঙত যুৱকক গ্ৰেপ্তাৰ



দৈনিক অসমৰ প্ৰতিনিধি

**দৰং, ২৩ অক্টোবৰ ঃ** সামাজিক মাধ্যমত দেৱী দুৰ্গাৰ প্ৰতি অশ্লীল মন্তব্য কৰা যুৱক এজনক আজি পুৱতি নিশা দৰং আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা যুৱকজনক খাৰুপেটীয়াৰ চাইফুদ্দিন আহমেদ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে চাইফুদ্দিন আহমেদে সামাজিক মাধ্যমত ১১ পৃষ্ঠাত চাওক


মাননীয় অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ
আদালত নং ১, কামৰূপ (মহানগৰ), গুৱাহাটী

জাননী

ফৌজদাৰী পুনৰীক্ষণ গোচৰ নংঃ ১০৬/২০২৫

এইচ.ডি.এফ.চি. বেংক লিমিটেড ......পুনৰীক্ষণকাৰী

-বনাম-

কৃতি আগৰৱাল আৰু অন্যান্য ..........বিপক্ষ পক্ষ

প্ৰতি,

১. কৃতি আগৰৱাল
শ্যাম ট্ৰেডিঙৰ স্বত্বাধিকাৰী, সেউজপুৰ, বৰপেটা ৰোড, ৮ নং ৱাৰ্ড, থানা/ডাকঘৰ- বৰপেটা ৰোড, জিলা-বৰপেটা, বি.এছ.এন.এল. কাৰ্যালয়ৰ সমীপত, পিন- ৭৮১৩১৫, আৰু

২. শ্যাম ট্ৰেডিং
স্বত্বাধিকাৰী- কৃতি আগৰৱাল, সেউজপুৰ, বৰপেটা ৰোড, ৮ নং ৱাৰ্ড, থানা/ডাকঘৰ- বৰপেটা ৰোড, জিলা-বৰপেটা, বি.এছ.এন.এল. কাৰ্যালয়ৰ সমীপত, পিন- ৭৮১৩১৫।

যিহেতু, ওপৰত উল্লেখিত পুনৰীক্ষণকাৰীয়ে আপোনালোকৰ বিৰুদ্ধে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩-ৰ ধাৰা ৪৩৮ আৰু ৪৩৯-ৰ অধীনত, এন আই গোচৰ নং- ৪৯১১/২০২৫-ৰ সন্দৰ্ভত মাননীয় ন্যায়িক দেৱানী ন্যায়াধীশ (কনিষ্ঠ বিভাগ), কামৰূপ (মহানগৰ), গুৱাহাটী, অসমে ১৫.১০.২০২৫ তাৰিখে প্ৰদান কৰা আপত্তিজনক আদেশৰ বিৰুদ্ধে এই আদালতত এখন ফৌজদাৰী পুনৰীক্ষণ গোচৰ ৰুজু কৰিছে।

সেয়েহে, আপোনালোকক উক্ত গোচৰৰ শুনানিৰ বাবে **১৭.১১.২০২৬** তাৰিখে **পুৱা ১০.৩০** বজাত এই আদালতত অৱশ্যেই উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হ'ল।

এই আদালতৰ স্বাক্ষৰ আৰু মোহৰৰ অধীনত **২০২৬ চনৰ ৬ অক্টোবৰ** তাৰিখে গুৱাহাটীত প্ৰদান কৰা হ'ল।

স্বা/-
অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ নং ১
কামৰূপ (মহানগৰ), গুৱাহাটী



भारतीय अन्तर्देशीय जलमार्ग प्राधिकरण
INLAND WATERWAYS AUTHORITY OF INDIA,
(Ministry of Ports, Shipping & Waterways, Govt. of India)
Pandu Port Complex, Pandu, Guwahati-781 012
Tel:- 0361 – 2676925, 2570099

NOTICE INVITING TENDER

E-Tender Notice No. IWAI/GHY/FJB-I/4(23)/2026-27

E-Tenders are being invited for **"Annual Afloat repair of FJB-I AND FJB-XI for the year 2026-27"** Tender can be downloaded from **24.10.2026 at 10:00 hrs. to 06.11.2026 at 15:00 hrs.** For more details refer IWAI web site www.iwai.nic.in & www.eprocure.gov.in. Further, clarification /corrigendum/ addendum if any will be published on CPP Portal / IWAI website only. E-mail: dirguw.iwai@nic.in

Director
E-mail: dirguw@iwai.gov.in



यूनियन बैंक ऑफ इंडिया Union Bank of India

ইউএমএফবি গুৱাহাটী শাখা (৯০৮৭৪৬)
২১, প্ৰথম মহলা, পানবজাৰ, এম.এল. নেহৰু ৰোড, গুৱাহাটী-৭৮১০০১

[ৰুল-৮(১)] দখল জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু, বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ (দ্বিতীয়) আইন, ২০০২ (২০০২ৰ আইন নং ৫৪) অধীনত নিম্নস্বাক্ষৰকাৰীয়ে **ইউনিয়ন বেংক অৱ ইণ্ডিয়া, ইউ এম এফ বি গুৱাহাটী শাখাৰ** কৰ্তৃত্বশীল বিষয়া হিচাপে আৰু প্ৰতিভূতি স্বাৰ্থৰ (কাৰ্যকৰীকৰণ) আইন, ২০০২ৰ ১৩(১২) অনুচ্ছেদৰ অধীনত ৰুল ৩ পঢ়ি, তেঁওৰ ওপৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ঋণী **শ্ৰীযুত মাধৱ দাস ওৰফে শ্ৰীযুত মাধৱ কুমাৰ দাস**'ক দাবী জাননীত উল্লেখ কৰা পৰিমাণৰ ধনৰাশি **৩৭,৬৭,৭৩৩.৩৯ টকা (সাতত্ৰিশ লাখ সাতষষ্ঠি হাজাৰ সাতশ তেত্ৰিশ টকা আৰু ঊনচল্লিছ পইচা)** মাত্ৰ জাননী লাভ কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনাই **১৭/০৮/২০২৬** তাৰিখে দাবী জাননী জাৰি কৰিছিল।

ঋণীসকলে উপৰোক্ত পৰিমাণৰ ধনৰাশি পৰিশোধ কৰিবলৈ সক্ষম নোহোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ দ্বাৰা ঋণীসকলক আৰু সাধাৰণ ভাৱে ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হ'ল যে নিম্নস্বাক্ষৰকাৰী বিষয়াই উক্ত আইনৰ অনুচ্ছেদ ১৩(৪)ৰ লগতে উক্ত ৰুলৰ ৰুল ৮ পঢ়ি ইয়াৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২০২৬ চনৰ ২২ অক্টোবৰ দিনা** তলত উল্লেখ কৰা সম্পত্তি দখল কৰে।

বিশেষকৈ ঋণীসকলক আৰু সাধাৰণ ভাৱে ৰাইজক উক্ত সম্পত্তিৰ ক্ৰয়-বিক্ৰয় কাৰ্যকলাপত জড়িত নহ'বলৈ ইয়াৰ দ্বাৰাই সকীয়াই দিয়া হ'ল আৰু এনে ধৰণৰ যিকোনো ক্ৰয়-বিক্ৰয় লেনদেন কেৱল ইউনিয়ন বেংক অৱ ইণ্ডিয়াই পাবলগীয়া ধনৰ পৰিমাণ **৩৭,৬৭,৭৩৩.৩৯ টকা (সাতত্ৰিশ লাখ সাতষষ্ঠি হাজাৰ সাতশ তেত্ৰিশ টকা আৰু ঊনচল্লিছ পইচা)** মাত্ৰ তাৰ ওপৰত সুদ আদায় দিয়াৰ চৰ্তত হে হ'ব।

সুৰক্ষিত সম্পত্তিখিনি পুনৰ লাভ কৰাৰ সংক্ৰান্তত ঋণীৰ হাতত থকা উপলব্ধ সময়ৰ ক্ষেত্ৰত ওপৰোক্ত আইনৰ ১৩ অনুচ্ছেদৰ উপ-অনুচ্ছেদ (৮)ৰ ব্যৱস্থাৱলীৰ প্ৰতি ঋণীৰ ধ্যান আকৰ্ষণ কৰা হ'ল।

স্থাৱৰ সম্পত্তিসমূহৰ বিৱৰণ

শ্ৰীযুত মাধৱ দাস ওৰফে শ্ৰীযুত মাধৱ কুমাৰ দাসৰ নামত ৰাজহ গাঁও - বামুনীমৈদাম, মৌজা- উলুবাৰী, ঘৰ নং ১, আকাশী নগৰ, পোঃঅঃ - বামুনীমৈদাম ঔদ্যোগিক এলেকা, থানা - চান্দমাৰী, গুৱাহাটী ৭৮১০২১, অসম, জিলা - কামৰূপ (মহানগৰ)ত থকা দাগ নং ১৩ (পুৰণি) / ৫৩৪ (নতুন), কে.পি. পট্টা নং ৫৩৩ (নতুন) ৰে আবৃত ১৫ লেচা (২.০১ আৰ) পৰিমাপৰ মাটিৰ সৈতে তাত থকা এটা আৰ চি চি অট্টালিকাৰ সকলো অংশ আৰু চাৰিসীমাৰে :- উত্তৰ : শম্ভু দাস ৰোড, দক্ষিণ : ৰাস্তা, পুব : কবিন ডেকাৰ মাটি, পশ্চিম : শ্ৰীযুত পৰেশ হালৈৰ মাটি।

তাৰিখ : ২২/১০/২০২৬
স্থান : গুৱাহাটী, অসম

কৰ্তৃত্বশীল বিষয়া
ইউনিয়ন বেংক অৱ ইণ্ডিয়া


১৪ বছৰে নিৰ্মাণ সম্পূৰ্ণ নহ'ল তৈলনগৰীৰ মূলপথ

# অইলৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয় ঘেৰাও আটাছুৰ

দৈনিক অসমৰ প্ৰতিনিধি

**দুলীয়াজান, ২৩ অক্টোবৰ ঃ** তৈলনগৰী দুলীয়াজানৰ অন্যতম ব্যস্ত আৰু মূল পথটোৰ বিগত ১৪ বছৰে নিৰ্মাণ সম্পূৰ্ণ নকৰাৰ প্ৰতিবাদত আজি আটাছুৰ দুলীয়াজান আঞ্চলিক সমিতিয়ে অইল ইণ্ডিয়া লিমিটেডৰ বিৰুদ্ধে আন্দোলন কাৰ্যসূচী ৰূপায়ণ কৰে। আজি পুৱা ৬.৩০ বজাৰ পৰা আটাছুৰ ১১ পৃষ্ঠাত চাওক

## লিখিত প্ৰতিশ্ৰুতি ঃ আন্দোলন স্থগিত



## তিনিচুকীয়া ডাক সংমণ্ডল ডিব্ৰুগড় ডাক সংমণ্ডলৰে একত্ৰীকৰণ

# কৰ্তৃপক্ষৰ বিৰুদ্ধে কৰ্মচাৰীৰ ধৰ্ণা

২৯, ৩০ অক্টোবৰত গুৱাহাটীত অনশনৰ হুংকাৰ



দৈনিক অসমৰ প্ৰতিনিধি

**তিনিচুকীয়া, ২৩ অক্টোবৰ ঃ** তিনিচুকীয়া ডাক সংমণ্ডল ডিব্ৰুগড় ডাক সংমণ্ডলৰে একত্ৰীকৰণ কৰিবলৈ লোৱা সিদ্ধান্তৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে ভাৰতীয় পোষ্টেল এমপ্লয়ীজ এছ'চিয়েচন আৰু ভাৰতীয় গ্ৰামীণ ডাক কৰ্মচাৰী সংঘৰ তিনিচুকীয়া শাখা। ডাক ১১ পৃষ্ঠাত চাওক

# খৰাং বতৰ ঃ বৰবৰুৱা পথাৰত ধানৰ উৎপাদন হ্ৰাসৰ আশংকা



জুলাই-আগষ্টত বৰষুণৰ নাটনি, বাম মাটিৰ ধাননিৰ শ্ৰীবৃদ্ধি বাধাগ্ৰস্ত; চিন্তিত কৃষক

দৈনিক অসমৰ প্ৰতিনিধি

**মৰাণ, ২৩ অক্টোবৰঃ** প্ৰকৃতিৰ খেয়ালি প্ৰভাৱত এইবাৰ ধানৰ উৎপাদনক লৈ গভীৰ অনিশ্চয়তাত ভুগিছে ডিব্ৰুগড় জিলাৰ বৰবৰুৱা অঞ্চলৰ কৃষক। খৰাং বতৰ, বৰষুণৰ নাটনি ১১ পৃষ্ঠাত চাওক


ਪੰਜਾਬ ਨੈਸ਼ਨਲ ਬੈਂਕ punjab national bank (A Govt. of India Undertaking)

পুনৰুদ্ধাৰ বিভাগ, চক্ৰ কাৰ্যালয় গুৱাহাটী
নীলগিৰি মেনছন, জি. এছ. ৰোড, ভঙাগড়,
গুৱাহাটী- ৭৮১০০৫, টেলিফোনঃ ০৩৬১-৩৫১৭৯৯২

সংশোধিত পৰিশিষ্ট-৩১ (সংশোধিত এছ. আই.-৪)

উক্ত আইনৰ ধাৰা ১৩(২)-ৰ অধীনত দাবী জাননী

তাৰিখঃ ১৪.১০.২০২৬

প্ৰতি,

শ্ৰী অনুৰাগ ৰুংটা
ঠিকনাঃ এ১, পাৰিজাত মমেন্টছ, ফৰেষ্ট গেট, নাৰেংগী, জিলাঃ কামৰূপ, অসম, পিন ৭৮১০২৬, ম'বাইলঃ ৭৫৭৮০০৩০৪৭

বিষয়ঃ সম্পত্তি নিৰাপত্তাকৰণ আৰু বিত্তীয় সম্পত্তিৰ পুনৰ্গঠন আৰু নিৰাপত্তাজনিত স্বাৰ্থ বলৱৎকৰণ আইন, ২০০২-ৰ ধাৰা ১৩(২)-ৰ অধীনত জাননী (ইয়াৰ পিছত 'আইন' বুলি উল্লেখ কৰা হৈছে)

মহাশয়/মহাশয়া,

আপোনাৰ অনুৰোধৰ ভিত্তিত, বেংকে নিজৰ নুনমাটি শাখাৰ জৰিয়তে সময়ে সময়ে বিভিন্ন সম্পত্তিৰ বিপৰীতে বিত্তীয় সাহায্য হিচাপে আপোনাক বিভিন্ন ঋণ-সুবিধা প্ৰদান কৰি আহিছে, যাৰ জৰিয়তে বেংকৰ সপক্ষে নিৰাপত্তাজনিত স্বাৰ্থ সৃষ্টি কৰা হৈছে। উক্ত ঋণ-সুবিধাসমূহৰ প্ৰাসংগিক বিৱৰণ আৰু আপোনাৰ দ্বাৰা সম্পাদিত নিৰাপত্তা চুক্তি/নথিপত্ৰসমূহৰ বিৱৰণ ক্ৰমে অনুসূচী 'ক' আৰু 'খ'-ত উল্লেখ কৰা হৈছে, অস্থাৱৰ সম্পত্তিৰ বন্ধক ব্যতীত। উক্ত চুক্তি/নথিপত্ৰসমূহৰ চৰ্ত অনুসৰি উক্ত বিত্তীয় সাহায্য পৰিশোধ কৰাৰ অংগীকাৰসহ আপুনি বিত্তীয় সাহায্য গ্ৰহণ কৰিছে।

২. আপুনি মালিকীস্বত্বৰ দলিল জমা কৰি/পঞ্জীয়নভুক্ত বন্ধকৰ জৰিয়তেও বেংকৰ সপক্ষে নিৰাপত্তাজনিত স্বাৰ্থ সৃষ্টি কৰি বন্ধক গঠন কৰিছে। এনে বন্ধকৰ সৈতে জড়িত নথিপত্ৰসমূহো অনুসূচী 'খ'-ত উল্লেখ কৰা হৈছে।

৩. নিৰাপত্তাবদ্ধ সম্পত্তিসমূহৰ প্ৰাসংগিক বিৱৰণ বিশেষভাৱে অনুসূচী 'গ'-ত উল্লেখ কৰা হৈছে।

৪. আপুনি সময়ে সময়ে বেলেঞ্চ নিশ্চিতকৰণ-পত্ৰ, ঋণ পুনৰুজ্জীৱিতকৰণ-পত্ৰ আৰু অন্যান্য নথিপত্ৰ সম্পাদন কৰি উক্ত ঋণ-সুবিধাসমূহৰ বিপৰীতে থকা দায়বদ্ধতাৰ অস্তিত্বও স্বীকাৰ কৰিছে। মূল ঋণ আৰু ইয়াৰ ওপৰত প্ৰযোজ্য সুত পৰিশোধ কৰাত আপোনাৰ দ্বাৰা কৰা খেলাপৰ পৰিপ্ৰেক্ষিতত, ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা সম্পত্তিৰ শ্ৰেণীবিভাজন সম্পৰ্কীয় নিৰ্দেশনাঙ্গ নিয়মাৱলী অনুসৰি, ২২.০৯.২০২৬ তাৰিখে উক্ত বিত্তীয় সাহায্য/ঋণ-সুবিধাসমূহৰ পৰিচালনা আৰু লেনদেন অনিয়মীয়া হৈ পৰিছে আৰু ঋণটোক অনুৎপাদনশীল সম্পত্তি হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে।

৫. উক্ত বিত্তীয় সাহায্য নিম্নলিখিত ব্যক্তিৰ ব্যক্তিগত জামিনৰ দ্বাৰাও সুৰক্ষিত কৰা হৈছেঃ

১. -----------প্ৰযোজ্য নহয়-------------

বাৰে বাৰে অনুৰোধ জনোৱাৰ পিছতো আপুনি উক্ত বকেয়া ধন/দায়বদ্ধতা পৰিশোধ কৰাত ব্যৰ্থ হৈছে আৰু অৱহেলা কৰি আহিছে।

৬. সেয়েহে, এই জাননী জাৰি কৰি বেংকে উক্ত আইনৰ ধাৰা ১৩(২)-ৰ অধীনত আপোনাক এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত তলত উল্লেখ কৰা বেংকৰ প্ৰতি থকা সমুদায় দায়বদ্ধতা সম্পূৰ্ণৰূপে পৰিশোধ কৰিবলৈ আহ্বান জনাইছে। বেংকৰ ওচৰত আপোনাৰ মুঠ বকেয়া দায়বদ্ধতাৰ পৰিমাণ হৈছে {মুঠঃ টকা ৫২,১৯,৫০০.৪৮ (বাৱন্ন লাখ ঊনৈছ হাজাৰ পাঁচশ টকা আৰু আঠচল্লিশ পইচা মাত্ৰ) = টকা ২৬,৪৫,১৮২.৮৭ (ছাব্বিশ লাখ পঞ্চল্লিশ হাজাৰ এশ বিৰাশী টকা আৰু সাতাশী পইচা মাত্ৰ) + টকা ১৬,০২,২০৩.৬৮ (যোল্ল লাখ দুই হাজাৰ দুশ তিনি টকা আৰু আঠষষ্ঠি পইচা মাত্ৰ) + টকা ৯,৭২,১১৩.৯৩ (ন লাখ বাসত্তৰ হাজাৰ এশ তেৰ টকা আৰু তিৰানব্বৈ পইচা মাত্ৰ)} ২২.০৯.২০২৬ তাৰিখৰ হিচাপত। ইয়াৰ উপৰি, উক্ত ধনৰাশিৰ ওপৰত চুক্তিবদ্ধ হাৰত ভৱিষ্যতৰ সুতৰ লগতে আনুষংগিক ব্যয়, খৰচ, মাচুল আদি পৰিশোধ কৰিবলৈও আপুনি দায়বদ্ধ।

৭. যদি আপুনি এই জাননীৰ চৰ্ত অনুসৰি উক্ত আইনৰ ধাৰা ১৩(২)-ৰ অধীনত জাননী জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত ওপৰত উল্লেখ কৰা ধন {মুঠঃ টকা ৫২,১৯,৫০০.৪৮ (বাৱন্ন লাখ ঊনৈছ হাজাৰ পাঁচশ টকা আৰু আঠচল্লিশ পইচা মাত্ৰ) = টকা ২৬,৪৫,১৮২.৮৭ (ছাব্বিশ লাখ পঞ্চল্লিশ হাজাৰ এশ বিৰাশী টকা আৰু সাতাশী পইচা মাত্ৰ) + টকা ১৬,০২,২০৩.৬৮ (যোল্ল লাখ দুই হাজাৰ দুশ তিনি টকা আৰু আঠষষ্ঠি পইচা মাত্ৰ) + টকা ৯,৭২,১১৩.৯৩ (ন লাখ বাসত্তৰ হাজাৰ এশ তেৰ টকা আৰু তিৰানব্বৈ পইচা মাত্ৰ)} ২২.০৯.২০২৬ তাৰিখৰ হিচাপত, ওপৰত উল্লেখ কৰা পৰৱৰ্তী সুত আৰু আনুষংগিক ব্যয়, খৰচ আদিসহ বেংকক পৰিশোধ কৰাত ব্যৰ্থ হয়, তেন্তে বেংকে উক্ত আইনৰ ধাৰা ১৩-ৰ উপধাৰা (৪) আৰু উক্ত আইনৰ অন্যান্য প্ৰযোজ্য বিধানসমূহৰ অধীনত উল্লেখিত অধিকাৰসমূহৰ যিকোনো এটা বা সকলো অধিকাৰ প্ৰয়োগ কৰিব।

৮. আপোনাক এইবুলিও জাননী দিয়া হৈছে যে, ধাৰা ১৩-ৰ উপধাৰা ১৩-ৰ বিধান অনুসৰি, বেংকৰ লিখিত সন্মতি অবিহনে এই জাননীৰ অনুসূচী 'গ'-ত বৰ্ণিত নিৰাপত্তাবদ্ধ সম্পত্তিসমূহ বিক্ৰী, পট্টা বা অন্য কোনো প্ৰকাৰে হস্তান্তৰ কৰিব নোৱাৰিব।

৯. আমি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ ছাৰফেইচী আইনৰ ধাৰা ১৩-ৰ উপধাৰা (৮)-ৰ বিধানৰ প্ৰতি, য'ত ঋণগ্ৰহীতা/জামিনদাতাৰ বাবে নিৰাপত্তাবদ্ধ সম্পত্তি বন্ধকমুক্ত কৰাৰ বাবে উপলব্ধ সময়সীমাৰ বিষয়ে উল্লেখ কৰা হৈছে।

১০. আপোনাৰ হৈ জাৰি কৰা আৰু প্ৰতিষ্ঠা কৰা বকেয়া বিলৰ বাট্টাকৰণ, বেংক গেৰাণ্টি আৰু ঋণপত্ৰৰ অধীনত উদ্ভৱ হ'ব পৰা দায়বদ্ধতাৰ লগতে অন্যান্য আকস্মিক দায়বদ্ধতাসমূহ পৰিশোধ কৰিবলৈ আপোনাক আহ্বান জনোৱাৰ অধিকাৰ বেংকে সংৰক্ষিত ৰাখিছে।

১১. এই জাননীৰ দ্বাৰা বেংকৰ এনে কোনো অধিকাৰ ক্ষুণ্ণ কৰা হোৱা নাই, যাৰ অধীনত বেংকে আইনখনৰ অন্য কোনো প্ৰযোজ্য বিধান অনুসৰি প্ৰয়োজনীয় বুলি বিবেচনা কৰা অন্যান্য ব্যৱস্থা গ্ৰহণ বা আইনী কাৰ্যবিধি আৰম্ভ কৰিব পাৰে।

আপোনাৰ বিশ্বাসী,
(মিলিন্দ পৰিমল, চি এম)
চক্ৰ কাৰ্যালয়, গুৱাহাটী

অনুসূচী 'ক'

| ঋণীৰ নাম | | শ্ৰী অনুৰাগ ৰুংটা | | | |
|---|---|---|---|---|---|
| ক্ৰ. নং. | ঋণ-সুবিধাৰ প্ৰকৃতি | এন. পি. এ. তাৰিখ অৰ্থাৎ ২২.০৯.২০২৬ তাৰিখলৈ সুত অন্তৰ্ভুক্তকৈ বকেয়া ধন | এন. পি. এ. তাৰিখৰ পৰা প্ৰযোজ্য আদায় নোহোৱা সুত | দণ্ডমূলক সুত (সৰল) | খৰচ/মাচুল, বেংকে বহন কৰা |
| ১ | ম্যাদী ঋণ-১<br>ম্যাদী ঋণ-২<br>ম্যাদী ঋণ-৩ | টকা ২৬,৪৫,১৮২.৮৭<br>টকা ১৬,০২,২০৩.৬৮<br>টকা ৯,৭২,১১৩.৯৩ | অধিক সুত আৰু তাৰ ওপৰত আনুষংগিক খৰচ, মাচুল | | |

অনুসূচী 'খ'

নথিপত্ৰৰ তালিকা (সকলো পৰিপূৰক নথিপত্ৰ আৰু বন্ধক সৃষ্টি হোৱাৰ প্ৰমাণস্বৰূপ নথিপত্ৰসহ নিৰাপত্তা-সম্পৰ্কীয় নথিপত্ৰৰ বিৱৰণ)

| ক্ৰ. নং. | নথিৰ নাম | প্ৰতিভূতিৰ প্ৰকৃতি | সম্পাদনৰ তাৰিখ | প্ৰতিভূত ৰাশি (টকা) |
|---|---|---|---|---|
| ১ | স্বত্বৰ দলিল জমা দি বন্ধক | ভূমিসম্পত্তিৰ ন্যায়সংগত বন্ধক | ১২.১২.২০২২ | ২৭,৫৪,৪০০.০০ |
| ২ | গৃহ ঋণৰ চুক্তি | ঋণ নথি-পত্ৰ | ২৩.১১.২০২২ | ২৭,৫৪,৪০০.০০ |
| ৩ | গৃহ ঋণৰ চুক্তি | ঋণ নথি-পত্ৰ | ০৫.০৯.২০২৩ | ১৭,৩২,৬১৪.০০ |
| ৪ | গৃহ ঋণৰ চুক্তি | ঋণ নথি-পত্ৰ | ১২.১১.২০২৪ | ৯,৭৫,০০০.০০ |

অনুসূচী 'গ'

**খণ্ড-১**
**(অস্থাৱৰ সম্পত্তিৰ ওপৰত হাইপ'থিকেচন)**
অনুগ্ৰহ কৰি নথিপত্ৰসমূহত (অনুসূচী খ) উল্লেখ কৰা কোম্পানীটোৰ হাইপ'থিকেট কৰা সকলো সম্পত্তিৰ বিৱৰণ উল্লেখ কৰক, যেনে- চলিত সম্পত্তি, যাৰ ভিতৰত মজুত সামগ্ৰী, ব্যৱসায়িক মজুত সামগ্ৰী, প্ৰাপ্য ধন, ব্যৱহাৰযোগ্য সামগ্ৰী আৰু অতিৰিক্ত যন্ত্ৰাংশ, সমুদায় চলিত সম্পত্তি আৰু হাইপ'থিকেট কৰা অস্থাৱৰ উদ্যোগ-যন্ত্ৰপাতি আদি অন্তৰ্ভুক্ত।

প্ৰযোজ্য নহয়

**খণ্ড-২**
**(স্থাৱৰ সম্পত্তিৰ সমতা-ভিত্তিক বন্ধক)**
অনুগ্ৰহ কৰি বন্ধক-সম্পৰ্কীয় নথিপত্ৰ/দলিলসমূহৰ উল্লেখসহ (অনুসূচী 'খ') বেংকত বন্ধক ৰখা স্থাৱৰ সম্পত্তিসমূহৰ বিৱৰণ উল্লেখ কৰক।

অৱাসিক ফ্লেট নং ৬এইচ-ৰে গঠিত স্থাৱৰ সম্পত্তিৰ সমতা-ভিত্তিক বন্ধক, যাৰ ছুপাৰ বিল্ট-আপ এলেকা ১৪৩৫ বৰ্গফুট, বহুমহলীয়া অট্টালিকা "পাৰিজাত মমেন্টছ"-ৰ ষষ্ঠ মহলাত অৱস্থিত, যাৰ সৈতে মুঠ ২০.১১ আৰ মাটিৰ ভিতৰত ০.৫৫ আৰ মাটিৰ অবিভক্ত আনুপাতিক অংশ সংলগ্ন, যি কে. পি. পট্টা নং ১৬৫-ৰ দাগ নং ১০৩-ৰ অধীনত আৰু ১১.৩১ আৰ মাটিৰ সৈতে সংলগ্ন, যি কে. পি. পট্টা নং ৫৫৮-ৰ দাগ নং ১০০-ৰ অধীনত অন্তৰ্ভুক্ত, ৰাজহ গাঁও নং-১, মদঘৰীয়া, মৌজা বেলতলা, দিছপুৰ ৰাজহ চক্ৰৰ অধীনত, কামৰূপ (মহানগৰ) জিলা, অসমত অৱস্থিত, লগতে উক্ত অট্টালিকাত এটা গাড়ী ৰখাৰ স্থানসহ, বিক্ৰী দলিল নং ২৬৩৯৪, তাৰিখ ০১.১২.২০২২ অনুসৰি, আৰু ফ্লেটটোৰ চাৰিসীমা তলত দিয়া ধৰণৰঃ

**কে. পি. পট্টা নং ১৬৫-ৰ দাগ নং ১০৩-ৰ অধীনত থকা ২০.১১ আৰ মাটিৰ চাৰিসীমা**
উত্তৰেঃ অইল আৰু ৰে'লৰে, দক্ষিণেঃ শ্ৰী অজয় পোদ্দাৰ আৰু শ্ৰীমতী কনকলতা পোদ্দাৰ, পূবেঃ কনকলতা পোদ্দাৰ, পশ্চিমেঃ শশীকলা পোদ্দাৰ।

**কে. পি. পট্টা নং ৫৫৮-ৰ দাগ নং ১০০-ৰ অধীনত থকা ১১.৩১ আৰ মাটিৰ চাৰিসীমা**
উত্তৰেঃ অইল আৰু ৰে'লৰে, দক্ষিণেঃ পি. ডব্লিউ. ডি. পথ, পূবেঃ জে. পি. পোদ্দাৰ আৰু শ্ৰী অজয় পোদ্দাৰ, পশ্চিমেঃ এছ. পি. শৰ্মা আৰু পৰিয়াল।

তাৰিখঃ ১৪.১০.২০২৬
স্থানঃ গুৱাহাটী

(কৰ্তৃত্বপ্ৰাপ্ত বিষয়া)

## সম্পাদকীয়

৬ কাতি, শনিবাৰ, ১৯৪৮ শক

# বিদেশত ভাৰতীয়ৰ নিৰাপত্তা

উচ্চ শিক্ষা, উন্নত জীৱন, ব্যৱসায় আৰু জীৱিকাৰ তাড়নাত প্ৰতিবছৰে আমেৰিকা, ইউৰোপকে ধৰি বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰলৈ লাখ লাখ ভাৰতীয়ই গমন কৰে। বিদেশতে আপোন ঘৰ পাতি লোৱা ভাৰতীয়সকলে নিজৰ কৰ্মদক্ষতা, মেধা আৰু সাংস্কৃতিক মূল্যবোধেৰে বিদেশৰ সমাজ আৰু অৰ্থনীতিৰ বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। কিন্তু বিগত কেইবছৰমানৰ পৰা বিদেশত বসবাস কৰা ভাৰতীয় আৰু ভাৰতীয় মূলৰ লোকসকলৰ ওপৰত বৰ্ণবিদ্বেষ, ধৰ্মীয় অসহিষ্ণুতা আৰু হিংসাত্মক আক্ৰমণৰ ঘটনা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। শেহতীয়াকৈ আমেৰিকাৰ ইলিনয় প্ৰদেশৰ মন্দিৰ এটাত হিন্দু লোকৰ নৰসংহাৰৰ পৰিকল্পনা কৰা ১৯ বছৰীয়া যুৱক এজনক আটক কৰাৰ ঘটনাই বিদেশত ভাৰতীয়সকলৰ নিৰাপত্তাৰ বিষয়টো আকৌ এবাৰ চৰ্চালৈ আহিছে। সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি, নৰসংহাৰৰ পৰিকল্পনা কৰাৰ অভিযোগত ইলিনয়ৰ পালাটাইন অঞ্চলৰ বাসিন্দা আলেক্সাণ্ড্ৰছ পাপোৰাকিছক নামৰ যুৱক এজনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। অভিযুক্তৰ বিৰুদ্ধে সন্ত্ৰাসবাদীৰ দৰে ভাবুকি প্ৰদান আৰু অবৈধভাৱে অস্ত্ৰ ৰখাৰ অভিযোগ উত্থাপন হৈছে। তেওঁৰ বাসগৃহৰ পৰা ৰাইফল, গুলী-বাৰুদ আৰু অন্যান্য সামগ্ৰী উদ্ধাৰ কৰা বুলিও আৰক্ষীয়ে প্ৰকাশ কৰিছে। গুৰুত্বপূৰ্ণ কথাটো হৈছে অভিযুক্তজনৰ এজন সহকৰ্মীয়ে মন্দিৰত শতাধিক হিন্দু লোকক গুলীয়াই হত্যা কৰিবলৈ লোৱা ষড়যন্ত্ৰৰ বিষয়ে আৰক্ষীক অৱগত কৰাৰ পাছতে সমগ্ৰ ঘটনাটো পোহৰলৈ আহে। এই ঘটনাৰ আটাইতকৈ উদ্বেগজনক দিশটো হৈছে পৰিকল্পনাটোৰ আঁৰত থকা বৰ্ণবাদী আৰু শ্বেতাংগ আধিপত্যবাদী মতাদৰ্শ। বিষয়টো কেৱল ধৰ্মীয় বিদ্বেষতে সীমাবদ্ধ নহয়, ইয়াৰ সৈতে বৰ্ণবাদী উগ্ৰবাদ আৰু নিৰ্দিষ্ট জনগোষ্ঠীৰ বিৰুদ্ধে সামূহিক ঘৃণাৰো সম্পৰ্ক আছে। এই ঘটনাই আমেৰিকাত বসবাস কৰা ভাৰতীয় মূলৰ হিন্দুসকলৰ নিৰাপত্তা সম্পৰ্কে স্বাভাৱিকভাৱেই প্ৰশ্ন উত্থাপন কৰিছে। মন্দিৰ কেৱল পূজা-অৰ্চনাৰ স্থান নহয়। ই প্ৰৱাসী সমাজৰ সাংস্কৃতিক পৰিচয়, পৰম্পৰা, সামাজিক মিলন আৰু নতুন প্ৰজন্মক নিজৰ শিপাৰ সৈতে সংযুক্ত কৰি ৰখাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ। যদি কোনো ব্যক্তিয়ে ধৰ্মীয় পৰিচয় অথবা জাতিগত গৌৰৱৰ বাবে নিৰীহ মানুহক হত্যা কৰাৰ পৰিকল্পনা কৰে, তেন্তে সেয়া গণতান্ত্ৰিক সমাজৰ মৌলিক মূল্যবোধৰ ওপৰত প্ৰত্যক্ষ আঘাত। মন্দিৰ বা যি কোনো ধৰ্মীয় স্থানলৈ যোৱা পৰিয়াল, শিশু, বৃদ্ধ অথবা সাধাৰণ ভক্তই নিজৰ জীৱনৰ নিৰাপত্তাক লৈ আতংকিত হ'বলগীয়া পৰিস্থিতি কোনো সভ্য সমাজে মানি ল'ব নোৱাৰে।

আমেৰিকাত শেহতীয়াকৈ হিন্দু উপাসনাস্থলীক লক্ষ্য কৰি ভয়ংকৰ আক্ৰমণৰ পৰিকল্পনা ফাদিল হোৱাৰ পাছতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে ঘটনাটোক ভাৰতীয় মূলৰ লোকসকলৰ বিৰুদ্ধে বৰ্ণবিদ্বেষ আৰু ভাৰতবিৰোধী ঘৃণা বৃদ্ধিৰ আশংকাৰ সৈতে সম্পৰ্কিত বুলি অভিহিত কৰিছে। ভাৰতে লগতে আমেৰিকাৰ ট্ৰাম্প প্ৰশাসনক এই ঘটনাৰ ক্ষিপ্ৰ তদন্ত কৰাৰ লগতে দোষীসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। বিদেশত ভাৰতীয় নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰাটো ভাৰত চৰকাৰৰ গুৰুত্বপূৰ্ণ দায়িত্ব। ইয়াৰ বাবে সংশ্লিষ্ট দেশৰ চৰকাৰৰ সৈতে কূটনৈতিক আলোচনা, ভাৰতীয় দূতাৱাসৰ জৰিয়তে প্ৰৱাসীসকলৰ সৈতে নিয়মীয়া যোগাযোগ আৰু বিপদৰ সময়ত সহায়ৰ ব্যৱস্থা অধিক শক্তিশালী কৰা উচিত।

## সময়ৰ শৰ



হ'লেই আঁচনিৰ ধনো মুকলি হ'ব!

❖ ❖ ❖

জলবিদ্যুৎ প্ৰকল্পৰ বাবে অৰুণাচলত পুনৰ কটা হ'ব ২৩.৪০ লাখ গছ।

**যি দেখিছোঁ, গছ কটাৰ ক্ষেত্ৰত অৰুণাচল প্ৰদেশে আমাৰ নামত থকা অভিলেখো ভাঙিব এতিয়া!**

❖ ❖ ❖

বিত্ত বিভাগে মোকলাই দিয়া নাই পুঁজি, ৰাজ্যৰ কৃষি কল্যাণ আঁচনিত স্থবিৰতা।

**চিন্তা নকৰিব— বিভাগৰ পছন্দ অনুসৰি হিতাধিকাৰীৰ তালিকা প্ৰস্তুত হ'লেই আঁচনিৰ ধনো মুকলি হ'ব!**

❖ ❖ ❖

শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পথৰ দুৰৱস্থা।

**শ্বহীদৰ নাম থকা সকলোবোৰৰে দেখোন একেই অৱস্থা— ত্যাগ-কৰ্মৰাজিৰ পৰা পথলৈকে!**

❖ ❖ ❖

অৱশেষত সামাজিক মাধ্যমত আত্মপ্ৰকাশ কংগ্ৰেছ নেত্ৰী ছ'নিয়া গান্ধীৰ।

**এতিয়া সকলোৱে লগ হৈ হোৱাই-নোহোৱাই ট্ৰল কৰাৰহে কথা!**

❖ ❖ ❖

ই-আৱৰ্জনাৰ জৰিয়তে বৃহৎ ৰাজহ সংগ্ৰহ কেন্দ্ৰীয় চৰকাৰৰ।

**কৰ-কাটলৰ জৰিয়তেই হওক বা আৱৰ্জনাৰ জৰিয়তেই হওক, ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক আন কোনেও চেৰ পেলাব নোৱাৰে!**

❖ ❖ ❖

নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছতো মুকলি নহ'ল মাহমৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

**ধৈৰ্য ধৰক, হিচাপ-নিকাচ মিলিলে কেন্দ্ৰৰ দুৱাৰ আপোনা-আপুনি খোল খাব!**

# বাতৰি কাকত পঢ়োঁ আহক

## জনমত

বৈদ্যুতিন মাধ্যম অহাৰ পাছত ঘৰে ঘৰে বাতৰি কাকত ৰখা অভ্যাস কিছু পৰিমাণে হ'লেও কমি অহা পৰিলক্ষিত হয়। বাতৰি কাকতযোগে প্ৰকাশ কৰা দৈনিক খবৰবোৰ ছবিসহ বৈদ্যুতিন মাধ্যমত দেখুওৱা হয়। সেয়েহে নিজৰ সময় অনুযায়ী টিভিত ছবিসহ বাতৰিবোৰ উপভোগ কৰে। তদুপৰি ম'বাইলযোগে বাতৰি পঢ়িবলৈ পোৱা যায়। সেয়েহে স্বাভাৱিকতে পইচা দি বাতৰি কাকত কিনি পঢ়াৰ অভ্যাস কমি আহিছে। বৰ্তমান নৱপ্ৰজন্মৰ মাজত বাতৰি কাকত পঢ়াৰ অভ্যাস নাই বুলিয়েই ক'ব পাৰি। বয়োজ্যেষ্ঠ বা মাক-দেউতাকে ঘৰত বাতৰি কাকত ৰাখিলেও ল'ৰা-ছোৱালীয়ে পঢ়িবলৈ মন নকৰে। অৱশ্যে সকলোৱেই নহয়, বেছি সংখ্যকেই নপঢ়ে। তেওঁলোকে ভাবে যে দৈনিক খবৰবোৰ টিভি, ম'বাইল বা লেপটপত পঢ়িব পাৰি তেনেস্থলত বাতৰি কাকতখন কিয়! কিতাপ পঢ়া-শুনা কৰা ল'ৰা-ছোৱালীয়ে, বিশেষকৈ নিজৰ মাতৃভাষাৰ কিতাপ পঢ়া-শুনা কৰাসকলে বাতৰি কাকত দৈনিক পঢ়িব লাগে। কিয়নো বাতৰি কাকতত কেৱল দৈনিক বাতৰিয়েই প্ৰকাশ নহয়, বাতৰিৰ উপৰি বিভিন্ন ধৰণৰ প্ৰবন্ধ, গল্প, কবিতা, ভ্ৰমণ কাহিনী, ধৰ্মবিষয়ক, বিজ্ঞান সমন্ধীয় বা ৰাজনৈতিক বিষয়ত লিখা বহু লেখকৰ লেখা প্ৰকাশ পায়, যিবোৰ বিষয়ে জানিবলৈ কিতাপ বিচাৰি ফুৰিব লগীয়া হয়।



সেয়েহে দৈনিক নিজৰ ভাষাত প্ৰকাশ পোৱা বাতৰি কাকতখন পঢ়িব লাগে। পঢ়াৰ অভ্যাস কৰিলে বৃদ্ধ বয়সলৈকে অকলশৰীয়া অনুভৱ নহয়। নিজৰ মগজু আৰু স্বাস্থ্যও সুন্দৰকৈ ৰাখিব পাৰি। তদুপৰি অলপ পইচা খৰচ কৰি কাকতখন ৰাখিলে কাকত প্ৰকাশ কৰা অনুষ্ঠানবোৰ আৰ্থিকভাৱে সজীৱ হৈ থাকে। সাধাৰণতে ৪০ বছৰৰ পাছত বেছিসংখ্যক মানুহৰ দৃষ্টি শক্তি লাহে লাহে কমি আহে। ম'বাইল, লেপটপ বা TVত পঢ়া বা চোৱা মেলা কৰা ক্ৰমাৎ অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। কিন্তু একেবাৰে বৃদ্ধ বয়সলৈকে চছমাৰ সহায়ত পঢ়া বা লিখা-মেলা কৰিব পৰা যায়। সেয়েহে বৈদ্যুতিন মাধ্যমৰ যোগেদি পঢ়া-শুনা কৰিলেও বাতৰি কাকত আৰু কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগে। নিতৌ পুৱা ঘৰত বা নিজৰ ব্যক্তিগত অনুষ্ঠানত বাতৰি কাকত ৰখা অভ্যাস কৰিব লাগে ।বাতৰি কাকত পঢ়াৰ মানসিকতা গঢ়ি তুলিবলৈ, উঠি অহা প্ৰজন্মক অনুপ্ৰাণিত কৰিব পাৰিলে ভাল হয়। আহক, আমি নিতৌ পুৱা এখন বাতৰি কাকত পঢ়োঁ আৰু আনকো পঢ়িবলৈ অনুপ্ৰাণিত কৰোঁ।

■ **পৱিত্ৰ হাজৰিকা,** উত্তৰ গুৱাহাটী, ফোন ঃ ৯৮৬৪০৯৬২৩৯



■ সৌম্যদ্বীপ দত্ত

# আমাৰ সৰু স্তন্যপায়ী বন্যপ্ৰাণীবোৰৰ সংৰক্ষণৰ গুৰুত্ব আৰু আমাৰ কৰণীয়

**প্ৰা**চীন ভাৰতত বন্যপ্ৰাণী সংৰক্ষণৰ পৰম্পৰা আছিল অত্যন্ত শক্তিশালী। প্ৰাচীন ভাৰতৰ চিন্তাশীল তথা জ্ঞানী মানুহসকলে বন্যপ্ৰাণীৰ সংৰক্ষণৰ কথাটো সমাজত কাৰ্যকৰীৰূপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে ভাৰতীয় দেৱ-দেৱীসকলৰ লগত বন্যপ্ৰাণীবোৰৰ অৱস্থান সুনিশ্চিত কৰিছিল। ফলত ভাৰতৰ সনাতন ধৰ্মৰ দেৱ-দেৱীসকলৰ লগত বহুতো বন্যপ্ৰাণী একেলগে পূজিত হ'বলৈ ধৰিলে। বন্যপ্ৰাণী কিছুমানৰ প্ৰতি সমাজখনক সহনশীল কৰি তোলাৰ এই ব্যৱস্থাটো আছিল অত্যন্ত মেধাৱী পদক্ষেপ। ভাৰতবৰ্ষত হাজাৰ হাজাৰ বছৰ ধৰি এই বন্যপ্ৰাণীবোৰৰ প্ৰতি সমাজক সহনশীল কৰাৰ প্ৰক্ৰিয়াটো চলি আছিল। ভাৰতত প্ৰাক্-বৈদিক যুগৰ পৰা চলি অহা এই প্ৰক্ৰিয়া পৰৱৰ্তী সময়ত বৈদিক যুগতো আমি প্ৰত্যক্ষ কৰোঁ। গৌতম বুদ্ধ ভাৰতত ভাৰতীয় এই প্ৰাচীন ব্যৱস্থাটো পুনৰ প্ৰতিষ্ঠা কৰাত সচেষ্ট আছিল। গৌতম বুদ্ধৰ মুখ নিঃসৃত তেওঁৰ পূৰ্বজন্মৰ কথাবোৰৰ মাধ্যমেৰে তেওঁ ভাৰতীয় সমাজত বন্যপ্ৰাণীবোৰৰ প্ৰতি প্ৰেম আৰু সহিষ্ণুতা গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। যি কথাৰ প্ৰমাণ আমি জাতকমালাৰ কথা-কাহিনীবোৰৰ মাধ্যমেৰে উপলব্ধি কৰিবলৈ সক্ষম হওঁ।

ভাৰতবৰ্ষত বন্যপ্ৰাণী নিধনৰ পৰম্পৰাৰ সূচনা হয় তেতিয়াৰ পৰা, যেতিয়া বিদেশী শত্ৰু তথা অভাৰতীয় দৰ্শন তথা চিন্তা-ভাৱনাৰ লোকবোৰে ভাৰতত প্ৰৱেশ কৰে। এই ঘটনাৰ শেষ উদাহৰণ হ'ল বৃটিছসকল। এই বহিৰাগত জাতি-ধৰ্মৰ লোকসকলে ভাৰতীয় সমাজত প্ৰৱেশ কৰি ভাৰতীয় সমাজৰ সাধাৰণ মানুহৰ সমাজত প্ৰতিষ্ঠা হৈ থকা বন্যপ্ৰাণী সংৰক্ষণৰ পৰম্পৰাটো তচনচ কৰি দিয়ে। বন্যপ্ৰাণী হত্যাৰ এই বহিৰাগত পৰম্পৰা ভাৰতবৰ্ষত প্ৰায় এহেজাৰ বছৰ ধৰি চলিছিল, যাৰ ফলত আমাৰ দেশত বন্যপ্ৰাণীৰ সংখ্যা অস্বাভাৱিক ৰূপত কমি আহে। বৃটিছবোৰৰ প্ৰভাৱত ভাৰতৰ অভিজাত ধনী আৰু সামন্ত ব্যৱস্থাৰ লগত জড়িত লোকসকলে বন্যপ্ৰাণী চিকাৰৰ পৰম্পৰাটো সহজতেই গ্ৰহণ কৰে, ফলত ভাৰতীয় প্ৰজা তথা সাধাৰণ মানুহবোৰো তাৰ দ্বাৰা প্ৰভাৱিত হয়। বৃটিছসকলে প্ৰায় তিনিশ বছৰ ধৰি ভাৰতীয় সমাজত বন্যপ্ৰাণী হত্যাৰ বাবে ভাৰতীয় লোকসকলক উৎসাহিত কৰি থাকে। বৃটিছসকলে ভাৰতত চিকাৰ কাৰ্যক 'চিকাৰ খেল'লৈ ৰূপান্তৰ কৰে। চিকাৰ খেলৰ বাবে চিকাৰ, অৰ্থাৎ বন্যপ্ৰাণীৰ প্ৰয়োজন। কোনো এটা বন্যপ্ৰাণীৰ প্ৰজাতিৰ অত্যধিক চিকাৰৰ ফলত যেতিয়া সেই বন্যপ্ৰাণীৰ সংখ্যা অত্যধিক ৰূপত কমি আহিছিল, তেতিয়া বৃটিছসকলে সেই বন্যপ্ৰাণীটোৰ সংখ্যা বৃদ্ধিৰ বাবে তাক চিকাৰ কৰাটো বন্ধ কৰিছিল। আমাৰ কিছুমান তৰলমতিৰ লেখকে বৃটিছৰ এই কাৰ্যক বন্যপ্ৰাণী সংৰক্ষণৰ লগত তুলনা কৰি বিভিন্ন স্থানত বৃটিছসকলৰ জয়গান কৰিছে। তেওঁলোকে এই সামান্য কথাটো বুজিবলৈ সক্ষম নহ'ল যে বৃটিছসকলে সেই বিশেষ বন্যপ্ৰাণীটোৰ চিকাৰ সাময়িকভাৱে বন্ধ কৰাটো আছিল তেওঁলোকৰ আনন্দৰ চিকাৰ খেল চালু ৰখাৰ স্বাৰ্থত কৰা এটা কাম। তাৰ লগত বৰ্তমানৰ বন্যপ্ৰাণী সংৰক্ষণৰ চিন্তা-চেতনা বা উদ্দেশ্যৰ কোনো মিল নাই। বাংলা অঞ্চলত বৃটিছৰ চিকাৰ খেলৰ বাবে যেতিয়া এটা খড়্গযুক্ত গঁড়ৰ সংখ্যা কমি আহিল, তেতিয়া বৃটিছে বাংলাত গঁড় হত্যা নিষিদ্ধ কৰিছিল; কিন্তু অসমত গঁড়ৰ সংখ্যা অধিক থকা বাবে অসমত গঁড় হত্যাৰ পূৰ্ণ অনুমতি আছিল। অসমত নহয়, বাংলাত বৃটিছে প্ৰথম গঁড় হত্যাত নিষেধাজ্ঞা প্ৰদান কৰিছিল চিকাৰ খেলৰ স্বাৰ্থত। বৃটিছসকলৰ চিকাৰ খেলৰ মূল লক্ষ্য আছিল অৰণ্যৰ বৃহৎ স্তন্যপায়ী প্ৰাণীবোৰ; যেনে— হাতী, গঁড়, ঢেঁকীয়াপতীয়া বাঘ, সিংহ, সুগৰী পহু, হেংগুল হৰিণ, গৌৰ, বনৰীয়া ম'হ, হিমালয়ৰ ক'লা ভালুক, নাহৰফুটুকী ইত্যাদি। সৰীসৃপৰ ভিতৰত কুম্ভীৰ আৰু ঘঁৰিয়াল চিকাৰ কৰিছিল বৃটিছসকলে। বৃটিছসকলৰ এই স্বেচ্ছাচাৰিতা, ভোগবাদী ঔপনিৱেশিক আচৰণৰ বাবে আমাৰ দেশৰ বহু বন্যপ্ৰাণী বৰ্তমান লুপ্তপ্ৰায় বন্যপ্ৰাণীৰ তালিকাভুক্ত। আমাৰ দেশৰ প্ৰকৃতি প্ৰদত্ত অৰণ্য ধ্বংসৰ মূলতেও এই বৃটিছবোৰ।

স্বাধীন আধুনিক ভাৰতত সঁচা অৰ্থত বন্যপ্ৰাণী সংৰক্ষণৰ সূচনা হয় সত্তৰৰ দশকৰ পৰা। প্ৰথমৰ ফালে আমাৰ দেশত বন্যপ্ৰাণী সংৰক্ষণৰ ধাৰণাটো অকল ডাঙৰ স্তন্যপায়ী বন্যপ্ৰাণীৰ মাজতেই মূলতঃ কেন্দ্ৰীভূত আছিল। যদিও ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইন-১৯৭২ চনত ভাৰতৰ সকলো ধৰণৰ বন্যপ্ৰাণীৰ সুৰক্ষাৰ দিশটো সামৰি লৈছিল, তথাপি আমাৰ দেশৰ সৰু সৰু বন্যপ্ৰাণীবোৰ বাস্তৱভাৱে সংৰক্ষণৰ দৃষ্টিত অৱহেলিত আছিল। তাৰ কাৰণ বোধকৰোঁ বৃটিছৰ দৃষ্টিভংগীৰ প্ৰভাৱ। আমাৰ অসমত মূলতঃ গঁড়, হাতী, বাঘ, হৰিণ, বনৰীয়া ম'হ ইত্যাদিক লৈ অধিকাংশ ক্ষেত্ৰত বন্যপ্ৰাণী সংৰক্ষণৰ কামবোৰ কেন্দ্ৰীভূত আছিল। সৰু স্তন্যপায়ী বন্যপ্ৰাণীবোৰৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান নকৰাৰ ফলত আৰু বিনাদ্বিধাত এই সৰু বন্যপ্ৰাণীবোৰ হত্যা কৰাৰ ফলত আমাৰ অসমত এই সৰু বন্যপ্ৰাণীবোৰৰ সংখ্যা বহুত কমি আছে।

আমাৰ প্ৰকৃতিত বসবাস কৰা অন্যতম এটা বন্যপ্ৰাণী হ'ল শিয়াল। এটা সময়ত আজিৰ পৰা ৪০/৪৫ বছৰ আগতে আমি নিৰ্বিচাৰে আমাৰ প্ৰকৃতিত থকা শিয়ালবোৰ হত্যা কৰিলোঁ। ৰাতি ভালদৰে চিকাৰৰ অভ্যাস গঢ়ি তোলাৰ বাবে আমাৰ বহুতেই শিয়ালবোৰ গুলীয়াই গুলীয়াই হত্যা কৰিছিল। আজিৰ প্ৰজন্মই এইবোৰ কথা গম নাপায়। আমাৰ যিবোৰ ঘৰত বন্দুক, ৰাইফল ইত্যাদি আছিল, তেতিয়া ঘৰৰ পুৰুষ সদস্যসকলে ৰাতি ৰাতি শিয়াল চিকাৰ কৰিছিল। অসমৰ বহুতেই শিয়ালৰ মাংস খাইছিল। বহুতে ভ্ৰমবশতঃ এই কথা ভাবিছিল যে শিয়ালৰ মাংসত কিবা ঔষধি গুণ আছে। আমাৰ ৰাজ্যলৈ বাহিৰৰ পৰা পূৰ্বতে কিছুমান অঘৰী মানুহৰ দল প্ৰতি বছৰে আহিছিল। এই মানুহবোৰে আমাৰ গাঁও-নগৰ, সৰু-সুৰা অৰণ্যত শিয়াল, নেউল, হাপা, কেৰ্কেটুৱা, বনৰৌ, জহামাল, বাদুলী ইত্যাদি মাৰি ফুৰিছিল আৰু সেইবোৰৰ মাংস, ছাল, অংগ-প্ৰত্যংগ ইত্যাদি সংগ্ৰহ কৰি লৈ গৈছিল। অসমৰ স্থানীয় লোকসকলে আমাৰ প্ৰকৃতিত থকা সৰু স্তন্যপায়ী বন্যপ্ৰাণীৰ ক্ষেত্ৰত ইমানেই উদাসীন আছিল যে এই অবৈধ কাৰ্যত বাধাও প্ৰদান কৰা নাছিল।

এইবোৰ কাৰণত আমাৰ প্ৰকৃতিৰ পৰা শিয়ালবোৰ প্ৰায় অদৃশ্য হৈ গৈছিল। আমাৰ প্ৰকৃতিত দুটা প্ৰজাতিৰ শিয়াল আছিল। ডাঙৰ প্ৰজাতিৰ শিয়াল, যাৰ ইংৰাজী নাম Asiatic Jackal আৰু সৰু প্ৰজাতিৰ শিয়াল, যাৰ ইংৰাজী নাম Indian Fox, যাক আমি খেক্ শিয়াল বুলি চিনি পাওঁ। খেক্ শিয়াল অতি ক্ষুদ্ৰ আকাৰৰ শিয়াল। খেক্ শিয়ালৰ দৈৰ্ঘ্য মাত্ৰ সত্তৰ ছেণ্টিমিটাৰ। ওজন প্ৰায় দুই-তিনি কেজি। শৰীৰৰ বৰণ ৰঙা ধৰণৰ বাদামী, নেজৰ আগফালে ক'লা বৰণৰ নোম আছে। খেক্ শিয়ালৰ নেজ শৰীৰতকৈ দীঘল, সেয়েহে থিয় হ'লেও মাটিত চুঁচৰি যায়। দৌৰিবৰ সময়ত ইহঁতে নেজ তুলি দৌৰে।

শিয়াল আৰু খেক্ শিয়াল— দুয়োটা প্ৰজাতিয়ে ফল, ফুল, গছৰ গুটি যিদৰে ভক্ষণ কৰে, তেনেদৰে সৰু স্তন্যপায়ী প্ৰাণী, চৰাই, সৰীসৃপ, পোক-পতংগ ইত্যাদিও ভক্ষণ কৰে; যেনে— নিগনি, হৰিণ পোৱালি, সাপ, ভেকুলী, চৰাইৰ কণী-পোৱালি ইত্যাদি। কিছু বছৰৰ পৰা শিয়াল মৰা বন্ধ হোৱাৰ ফলত অসমৰ বিভিন্ন স্থানত শিয়ালৰ সংখ্যা বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে। বৰ্তমান আমাৰ নতুন প্ৰজন্মৰ অধিকাংশ ল'ৰা-ছোৱালীয়ে শিয়ালৰ মাতেই শুনা নাই। এই শিয়াল নামৰ বন্যপ্ৰাণীবিধ আমাৰ ইমানেই ওচৰত আছিল, শিয়ালৰ লগত আমাৰ সম্পৰ্ক এনেকুৱা আছিল যে আমাৰ কথা-কাহিনী, গল্প, লোককথা আৰু সাধুকথাবোৰত শিয়ালৰ অৱস্থান আমি অত্যন্ত শক্তিশালী ৰূপত তথা জনপ্ৰিয়তাৰ আধাৰত প্ৰত্যক্ষ কৰোঁ।

আমাৰ ওচৰ-পাঁজৰত থকা আন এবিধ সৰু স্তন্যপায়ী বন্যপ্ৰাণী হ'ল 'হাপা' বা 'বনবোন্দা'। আমাৰ গাঁৱলীয়া সমাজত হাপাৰ দৰে বদনামী বন্যপ্ৰাণী বোধকৰোঁ দ্বিতীয়টো নাই। গৃহস্থৰ কুকুৰা নোহোৱা হ'লে, পাৰ নোহোৱা হ'লে, হাঁহ হেৰালে— চিধাই আঙুলি হাপাৰ ফালে। 'হাপাই খালে'— এই বদনামৰ বাবে হাপাই আমাৰ মনত সহানুভূতিৰ দৃষ্টিত কেতিয়াও স্থান পোৱা নাই। হাপা মাৰিবৰ বাবে আমাৰ গাঁওবোৰত আগতে উৎসাহ কম নাছিল। বিভিন্ন ধৰণৰ ছিটিকা পাতি আগতে মানুহে হাপা মাৰিছিল। কিছুমান বিশেষ জনগোষ্ঠীৰ মানুহক মই হাপাৰ মাংস ভক্ষণ কৰাও প্ৰত্যক্ষ কৰিছোঁ। বৰ্তমান অৱশ্যে সভ্যতাৰ পোহৰ পাই এই মানুহবোৰ হাপাৰ মাংস ভক্ষণৰ পৰা বিৰত হৈছে। আমাৰ সমাজত ৯৯ শতাংশ লোকেই প্ৰকৃতিত মুক্তভাৱে কেতিয়াও হাপা দেখি পোৱা নাই। অৰণ্যত হাপা দেখাৰ আনন্দ তেৱেঁই অনুভৱ কৰিবলৈ সক্ষম হ'ব, যিয়ে অৰণ্যত হাপাক বিচৰণ কৰি ফুৰা দেখিছে। সাধাৰণতে হাপাই গভীৰ অৰণ্যত বিচৰণ নকৰে, তুলনামূলকভাৱে কম গছ-গছনিৰ ঘনত্ব থকা অৰণ্যত সাধাৰণতে হাপা দেখা যায়। হাপাৰ প্ৰধান খাদ্য হ'ল পথাৰবোৰৰ ডাঙৰ নিগনিবোৰ। পানী এন্দুৰ (Large Bandicoot Rat), পথৰুৱা বোন্দা এন্দুৰ (Indian Mole Rat) ইত্যাদি এন্দুৰ হাপাৰ প্ৰধান খাদ্য। এই এন্দুৰবোৰক খাদ্য হিচাপে গ্ৰহণ কৰি হাপাবোৰে নিগনিৰ বংশবৃদ্ধি নিয়ন্ত্ৰণ কৰে; ফলত কৃষকসকলৰ অত্যন্ত উপকাৰ হয়। এটা হাপাই দৈনিক কমেও তিনিটাকৈ নিগনি চিকাৰ কৰি ভক্ষণ কৰে। অৰ্থাৎ বছৰত এটা হাপা বা বনবোন্দাই কমেও ১,০৯৫টা নিগনি ধ্বংস কৰে। কোনো অঞ্চলত যদি দহটা হাপা থাকে, তেনেহ'লে বছৰত ১০,৯৫০টা নিগনি বা এন্দুৰ ধ্বংস হ'ব। প্ৰাকৃতিক ব্যৱস্থাৰ মাধ্যমেৰে নিগনি নিয়ন্ত্ৰণৰ এইটো এটা স্বাভাৱিক ব্যৱস্থা। হাপা আমাৰ বনৰীয়া মেকুৰীবোৰৰ ভিতৰত অন্যতম। আমাৰ অসমৰ বহু গৃহপালিত মেকুৰীৰ পূৰ্বৰ বংশধৰ এই হাপা। প্ৰায় দুই ফুট দীঘল এই বনৰীয়া মেকুৰী প্ৰজাতিটোৰ ঠেং দীঘল আৰু নেজ তুলনামূলকভাৱে চুটি। ওজনত এই মেকুৰীবিধ প্ৰায় দহ-বাৰ কিলোগ্ৰামলৈকে হয়। এই প্ৰজাতিটোৰ শৰীৰৰ বৰণ পলসুৱা মাটিৰ বৰণ নাইবা হালধীয়া ছাইবৰণীয়া হয়। ইয়াৰ চুটি নেজডালৰ মূৰটো ক'লা আৰু নেজৰ শেষত ক'লা ক'লা আঙঠিৰ নিচিনা দাগ থাকে। এই মেকুৰীবিধৰ কাণ অলপ মামৰে ধৰা ৰঙাবিধৰ আৰু কাণৰ মূৰত অলপমান ক'লা নোম থিয় হৈ থকা দেখা যায়। হাপাৰ বুকুৰ ফালে নোম অলপ কম ঘন আৰু শৰীৰৰ বৰণৰ তুলনাত ই অলপ বেছি পাতল। কেতিয়াবা কেতিয়াবা এই মেকুৰীবিধৰ পেটৰ ফালে ক'লা ক'লা পাতল আঁচ দেখিবলৈ পোৱা যায়। এই ধুনীয়া মেকুৰীবোৰৰ কোমল ছালৰ বাবে ইহঁতক হত্যা কৰা হয় আৰু চোৰাং কাৰবাৰ কৰা হয়। কিছু বছৰ ধৰি বনবোন্দা তথা হাপা সংৰক্ষণৰ উদ্দেশ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা বাবে মানুহৰ মাজত হাপা সংৰক্ষণৰ সজাগতা বৃদ্ধি পাইছে আৰু আমাৰ অৰণ্যত থকা হাপাৰ সংখ্যা পূৰ্বৰ তুলনাত বৃদ্ধি পাইছে। অসমীয়া ভাষাত হাপা সংৰক্ষণৰ বিষয়ে বিভিন্ন কিতাপ-পত্ৰত লিখা-মেলা হৈছে। ষ্টিকাৰ, পোষ্টাৰ প্ৰস্তুত কৰি হাপা সংৰক্ষণৰ কথাবোৰ সাধাৰণ মানুহৰ মাজলৈ লৈ যোৱা হৈছে। ক্ৰমাগত প্ৰচেষ্টাৰ ফলত আমাৰ সমাজত হাপা হত্যা কৰাটো প্ৰায় বন্ধ হৈ গৈছে। বৰ্তমান অসমত হাপাৰ সংখ্যা পূৰ্বৰ তুলনাত বৃদ্ধি পাবলৈ ধৰিছে। অসমৰ মানুহে এই আপুৰুগীয়া বনৰীয়া মেকুৰীটো সংৰক্ষণৰ বাবে তেওঁলোকৰ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব।

আমাৰ ওচৰে-পাঁজৰে থকা আৰু এবিধ সৰু স্তন্যপায়ী প্ৰাণী হ'ল জহামালবোৰ। ইংৰাজীত জহামালক কোৱা হয় চিভেট (Civet)। আমাৰ অৰণ্য আৰু গাঁও-নগৰ, মহানগৰত সাধাৰণতে তিনিটা প্ৰজাতিৰ জহামাল দেখিবলৈ পোৱা যায়। ইংৰাজীত এই তিনিটা প্ৰজাতিৰ জহামালৰ নাম — Large Indian Civet, Small Indian Civet and Common Palm Civet। এই জহামালবোৰৰ স্থানীয় নাম যথাক্ৰমে গেন্দেৰা, জহামাল আৰু ভোগ জিনাৰ। ইহঁত নিশাচৰ প্ৰাণী। জহামালবোৰে সকলো ধৰণৰ আহাৰ গ্ৰহণ কৰে। চৰাইৰ পোৱালি, কণী, পোক-পতংগ, ফল, ফুল, গছৰ গুটি, আনকি শাক-পাচলি ইত্যাদিও ভক্ষণ কৰে। আমাৰ অসমৰ সকলো গাঁও আৰু নগৰ-মহানগৰ, অৰণ্য, ফলৰ বাগান, চাহ বাগিচা— সৰ্বত্ৰ এই প্ৰাণীবোৰ পোৱা যায়। ইহঁতে মানুহৰ কোনো ক্ষতি নকৰে। পুৰণি ঘৰৰ চিলিঙৰ ওপৰত বা ডাঙৰ গছৰ খোৰোঙৰ অভ্যন্তৰত দিনৰ ভাগত ইহঁতে লুকাই থাকে। অসমত থকা কিছুমান বিশেষ জনগোষ্ঠীয়ে কিছু বছৰ আগতেও জহামাল চিকাৰ কৰিছিল আৰু জহামালৰ মাংস ভক্ষণ কৰিছিল। বন্যপ্ৰাণীৰ মাংস ভক্ষণ কৰা কেতিয়াবা কেতিয়াবা মানৱ সমাজৰ বাবে অভিশাপৰূপে গণ্য হ'ব পাৰে। মানুহৰ মাজত বিয়পি পৰা কিছুমান মাৰাত্মক বেমাৰ মূলতঃ আহিছে বা মানুহৰ শৰীৰত সংক্ৰমিত হৈছে এই বন্যপ্ৰাণীৰ মাংস ভক্ষণৰ বাবে। যদিও বৰ্তমান আমাৰ দেশত বন্যপ্ৰাণীৰ মাংস ভক্ষণ কৰাটো আইনতঃ দণ্ডনীয় অপৰাধ, তথাপি কিছুমান সমাজত বন্যপ্ৰাণীৰ মাংস ভক্ষণ কৰাটো অপৰাধ বুলি বিবেচিত নহয়; এই আচৰণ সমগ্ৰ মানৱ জাতিৰ বাবে ভয়ংকৰ ৰোগৰ কাৰণৰূপে প্ৰতীয়মান হ'ব পাৰে। জহামালবোৰে অৰণ্যত বনৰীয়া গছ-গছনি তথা উদ্ভিদৰ বীজ বিচ্ছুৰণ (Seed despersion)ৰ কাম কৰি, অৰণ্যৰ সমৃদ্ধিক বিকশিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই ধুনীয়া, কৌতূহলোদ্দীপক, সৰু স্তন্যপায়ী বন্যপ্ৰাণীবোৰে আমাৰ চাৰিওফালৰ পৰিৱেশতেই বসবাস কৰে। আমাৰ সামান্য সজাগতাৰ প্ৰচেষ্টা, সামান্য আগ্ৰহ আৰু এই প্ৰাণীবোৰৰ বিষয়ে সাধাৰণ মানুহবোৰক অৱগত কৰাৰ প্ৰচেষ্টাই অসমৰ ক্ষুদ্ৰ বন্যপ্ৰাণী সংৰক্ষণৰ কামক সাৰ্থকতা প্ৰদান কৰিব।

আমাৰ চাৰিওফালৰ প্ৰকৃতিত বসবাস কৰা এটা অত্যন্ত পৰিচিত ক্ষুদ্ৰ স্তন্যপায়ী বন্যপ্ৰাণী হ'ল নেউল। নেউলৰ ইংৰাজী নাম Common Grey Mongoose। নেউলে দলবদ্ধভাৱে বসবাস কৰে। অসমত আমি তিনি প্ৰজাতিৰ নেউল দেখিবলৈ পাওঁ। এটা সৰু নেউলৰ প্ৰজাতি অসমত আছে; যাৰ ইংৰাজী নাম Small Indian Mongoose। আমাৰ অৰণ্যবোৰত, বিশেষকৈ পশ্চিম অসমৰ অৰণ্য আৰু প্ৰাকৃতিক নিজৰাবোৰৰ ওচৰ-পাঁজৰত একধৰণৰ বিশেষ প্ৰজাতিৰ নেউলে বসবাস কৰে, অসমীয়াত আমি এই প্ৰজাতিৰ নেউলক 'কেঁক্ৰা খোৱা নেউল' বুলি কওঁ। কেঁক্ৰা খোৱা নেউলৰ ইংৰাজী নাম Crab Eating Mongoose। এটা সময়ত অসমৰ বিভিন্ন স্থানৰ পৰা কিছুমান লোকে নেউল মাৰি নেউলৰ ছাল আৰু নোম সংগ্ৰহ কৰিছিল। নেউলৰ নোমৰ চাহিদা আন্তঃৰাষ্ট্ৰীয় বজাৰত আছিল যথেষ্ট অধিক। ছবি আঁকিবলৈ যে ব্ৰাছ বা তুলিকা প্ৰস্তুত কৰা হয়, তাত নেউলৰ নোমৰ ব্যৱহাৰ হৈছিল। বিদেশত নেউলৰ নোমেৰে প্ৰস্তুত কৰা, ছবি আঁকিবলৈ ব্যৱহাৰ হোৱা তুলিকাৰ মূল্য আৰু চাহিদা আছিল প্ৰচুৰ। আমাৰ স্থানীয় লোকসকল নেউল সংৰক্ষণৰ ক্ষেত্ৰত ইমানেই উদাসীন আছিল বা নেউলৰ বিষয়ে ইমানেই আগ্ৰহ কম আছিল যে মানুহে বাহিৰৰ পৰা আহি অসমৰ পৰা নেউলবোৰ মাৰি মাৰি লৈ গ'লেও তাৰ কোনো প্ৰতিৰোধ গঢ়িব পৰা নাছিল। সমাজৰ দৃষ্টি নপৰাকৈ বা আমাৰ অৱহেলাৰ বাবে বছৰ বছৰ ধৰি নেউল হত্যা আৰু নেউলৰ ছাল-নোমৰ চোৰাং কাৰবাৰ চলি থকা বাবে অসমত নেউলৰ সংখ্যা কমি আহিছিল। নেউল তথা অন্যান্য সৰু স্তন্যপায়ী বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে আমি জোৰদাৰ অভিযান চলোৱাৰ পাছত এই কাৰ্য বন্ধ হ'ল। অসমত নেউল হত্যা বন্ধ হোৱাৰ পাছত তথা নেউলৰ চোৰাং কাৰবাৰ বন্ধ হোৱাৰ পাছত লাহে লাহে বৰ্তমান অসমত নেউলৰ সংখ্যা বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে। নেউলবোৰে আমাৰ ক্ষতিকাৰক পোক-পতংগ ভক্ষণ কৰি প্ৰকৃতিত তাৰ সংখ্যা বা বৃদ্ধি নিয়ন্ত্ৰণত ৰাখে। নেউলবোৰে বিভিন্ন বিষাক্ত কীট-পোক-পতংগ ভক্ষণ কৰে; যেনে— চেলা (Centipeds), বৃশ্চিক (Scorpion), বিষাক্ত চামচেলুকা (Poisonous Ceterpiller) ইত্যাদি ভক্ষণ কৰে। আমাৰ ঘৰৰ আশে-পাশে নেউল থাকিলে এই বিষাক্ত পোকবোৰৰ সংখ্যা বৃদ্ধি হ'ব নোৱাৰে। ফলত আমাৰ উপকাৰ হয়। নেউলবোৰে সকলো ধৰণৰ সাপ চিকাৰ কৰে, ফলত আমাৰ ঘৰবোৰত বিষাক্ত সাপৰ সংখ্যা নিয়ন্ত্ৰণত থাকে। নেউল অত্যন্ত কৰ্ম-চঞ্চল, ধেমেলীয়া আৰু সুদৰ্শন বন্যপ্ৰাণী। এই ধুনীয়া বন্যপ্ৰাণীটোৰ যাতে কোনো ক্ষতি নহয়, তাৰ বাবে আমি প্ৰত্যেকেই সজাগ হৈ থকা উচিত।

আমাৰ পাহাৰীয়া অঞ্চলবোৰত ৰঙামাটিৰ প্ৰাধান্য থকা যিবোৰ অঞ্চল আছে, বিশেষকৈ অবিভক্ত গোৱালপাৰা আৰু কামৰূপ জিলাৰ বিভিন্ন গাঁৱৰ ওচৰ-পাঁজৰত অদ্ভুত ধৰণৰ এটা সৰু স্তন্যপায়ী বন্যপ্ৰাণী দেখা যায়। এই প্ৰাণীটোৰ সমগ্ৰ দেহ হালধীয়া ধৰণৰ বাকলিৰে পৰিপূৰ্ণ। পেট আৰু মুখৰ তলত বাকলি নাই, কিন্তু খহটা নোমেৰে আবৃত। ওপৰৰ পিনে বাকলিবোৰৰ মাজে মাজে সামান্য নোম দেখিবলৈ পোৱা যায়। মুখখন জোঙা, নেজ দীঘল। নেজৰ তলৰ ফালটো চেপেটা। মুখৰ পৰা নেজৰ আগলৈকে প্ৰায় দুই ফুটলৈকে হ'ব পাৰে। আঙুলিৰ নখবোৰ দীঘল দীঘল, মাটি খান্দিবৰ বাবে উপযুক্ত। ইহঁতে ভয় খালে মূৰ আৰু নেজ কোঁচাই বলৰ নিচিনা আকৃতি ধাৰণ কৰে। শৰীৰত বাকলি থকা বাবে ইহঁতৰ স্থানীয় নাম বা অসমীয়া নাম বনৰৌ। বনৰৌৰ ইংৰাজী নাম Indian Pangolin। বনৰৌৱে মাটিৰ তলত গাঁত খান্দি লুকাই থাকে। গাঁত খান্দি মাটিৰ ৯-১০ ফুট তললৈকো সোমাই যাব পাৰে। এটা সময়ত এই প্ৰজাতিটোক মানুহে মাৰি মাৰি তাৰ মাংস ভক্ষণ কৰিছিল আৰু বাকলিবোৰ বিভিন্ন টোটকা-বেজালিৰ কামত ব্যৱহাৰ কৰিছিল। অত্যধিক চিকাৰৰ ফলত বৰ্তমান বনৰৌৰ সংখ্যা অত্যন্ত কম। এই ক্ষুদ্ৰ বন্যপ্ৰাণীটো বৰ্তমান বিলুপ্তপ্ৰায় বন্যপ্ৰাণীৰ তালিকাভুক্ত হৈছে। বনৰৌৰ প্ৰধান আহাৰ হ'ল পৰুৱাজাতীয় পোক-পতংগ। এই ক্ষুদ্ৰ স্তন্যপায়ী বন্যপ্ৰাণীটোৱে উঁই পোকৰ হাফলু ভাঙি উঁই পোক, উঁই পোকৰ কণী তথা পলু ভক্ষণ কৰাৰ ফলত উঁই পোকৰ সংখ্যা বৃদ্ধি হ'ব নোৱাৰে। যিবোৰ অঞ্চলত বনৰৌ আছে, সেইবোৰ অঞ্চলত উঁই পোকৰ আক্ৰমণত মানুহৰ ঘৰ-দুৱাৰৰ ক্ষতি নহয়। বনৰৌ নিশাচৰ প্ৰাণী, ৰাতিৰ অন্ধকাৰত ইহঁতে বিচৰণ কৰাৰ ফলত বৰ এটা মানুহৰ দৃষ্টিগোচৰ নহয়। বনৰৌবোৰে ৰাতি ৰাতি আমাৰ গাঁওবোৰত উঁই পোক খায় আৰু উঁইৰ হাফলু ভাঙি উঁই পোকৰ বৃদ্ধি নিয়ন্ত্ৰণ কৰে। বৰ্তমান এই প্ৰজাতিটো সম্পৰ্কে সাধাৰণ মানুহৰ মাজত সজাগতা বৃদ্ধিৰ প্ৰচেষ্টা অব্যাহত আছে। সজাগতা বৃদ্ধি পোৱাৰ বাবে বিভিন্ন গাঁৱত এই প্ৰাণীটো উদ্ধাৰ কৰি পুনৰায় অৰণ্যত মুকলি কৰি দিয়াৰ বিভিন্ন ঘটনা পোহৰলৈ আহিছে।

যোৱা চাৰিটা দশকৰ অধিক কাল ধৰি আমি অসমৰ বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ স্তন্যপায়ী বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে আমাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ। এই কামটোত অসমৰ সাধাৰণ মানুহ তথা গাঁৱৰ জনসাধাৰণ আৰু আমাৰ ছাত্ৰ-ছাত্ৰীসকলে অভূতপূৰ্ব সহযোগিতা আগবঢ়াইছে।

আমাৰ সৰু সৰু বন্যপ্ৰাণীবোৰ আমাৰ গাঁও আৰু নগৰৰ অভ্যন্তৰত থকা সৰু গছ-গছনিপূৰ্ণ অঞ্চল, বাগিচা, চাহ বাগিচা, পিটনি, পুখুৰীৰ পাৰত থকা ঘাঁহনি, পাৰ্কৰ গছবোৰত আৰু আমাৰ ঘৰৰ চাৰিওপিনে বসবাস কৰে। আমাৰ সজাগতা, আমাৰ বন্যপ্ৰাণী সংৰক্ষণ আচৰণ আৰু ধনাত্মক প্ৰচেষ্টাৰ প্ৰতিফলন ঘটাই সহজতেই আমি বন্যপ্ৰাণী সংৰক্ষণৰ কামত অংশগ্ৰহণ কৰিবলৈ নিজকে যুক্ত কৰিব পাৰোঁ। 'আমাৰ ঘৰৰ চাৰিওফালে বহুতো বন্যপ্ৰাণীয়ে বসবাস কৰে'— এই চেতনাটো আহিলেই আমি নিজকে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত আত্মনিয়োগ কৰিবলৈ সক্ষম হ'ম।

দৈনিক অসম

৫

গুৱাহাটী, শনিবাৰ, ২৪ অক্টোবৰ, ২০২৬ | Guwahati, Saturday, October 24, 2026

সৰভোগত চি পি এমৰ সভাত সুপ্ৰকাশ তালুকদাৰ

## নব্য উদাৰবাদী কৃষি অৰ্থনীতিয়েই সাম্প্ৰতিক পৰিস্থিতিৰ মূল কাৰণ



**দৈনিক অসমৰ প্ৰতিনিধি**
**সৰুপেটা, ২৩ অক্টোবৰ ঃ** 'বৰ্তমান দেশত বিজেপি চৰকাৰে আগ্ৰাসী ৰূপত গ্ৰহণ কৰি অহা সাম্প্ৰদায়িক তথা প্ৰতিক্ৰিয়াশীল ৰাজনীতি আৰু নব্য উদাৰবাদী কৃষি অৰ্থনীতিৰ ফলতেই সম্প্ৰতি দেশ অস্থিৰ হৈ পৰিছে। দেশত বৰ্তমান নিৰনুৱা সমস্যাই গা কৰি উঠিছে। বিজেপি চৰকাৰৰ প্ৰতিক্ৰিয়াশীল তথা সাম্প্ৰদায়িক নীতিক সম্প্ৰতি দেশৰ যুৱ প্ৰজন্মই প্ৰত্যাখান কৰিছে। সংস্থাপনৰ আশাত যুৱ প্ৰজন্মই হাহাকাৰ কৰিছে। সংস্থাপনৰ বাট মুকলি হোৱাৰ ১৩ পৃষ্ঠাত চাওক

নাট্যকাৰ, অভিনেতা

## বাইহাটাৰ তদ্ৰূপ মজুমদাৰৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**
**কমলপুৰ, ২৩ অক্টোবৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিৰ বাইহাটাৰ বিশিষ্ট নাট্যকাৰ, অভিনেতা, কবি, পৰিৱেশকৰ্মী তদ্ৰূপ মজুমদাৰৰ কালি মৃত্যু হয়। 'মাটি' শীৰ্ষক কবিতা পুথিৰ জৰিয়তে পাঠকৰ হৃদয় জয় কৰা মজুমদাৰে পঞ্চাশ বছৰ বয়সত মৃত্যুক সাবটি লয়। পৰিৱেশ বিজ্ঞানৰ ছাত্ৰ মজুমদাৰে জাৰ্মানীত পৰিৱেশ বিজ্ঞান অধ্যয়ন কৰিছিল আৰু ৰাজ্যৰ পৰিৱেশ সংৰক্ষণৰ হকে সততে বলিষ্ঠভাৱে লিখা-মেলাৰ লগতে ১৩ পৃষ্ঠাত চাওক



নিৰ্মাণত অনিয়মৰ অভিযোগ

## উদ্বোধনৰ পূৰ্বেই ছিঁৰাল ফাট ডিব্ৰুগড়ৰ জনজাতি অতিথিশালাত

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডিব্ৰুগড়, ২৩ অক্টোবৰ ঃ** উদ্বোধন হোৱাৰ পূৰ্বেই ছিঁৰাল ফাট মেলিবলৈ আৰম্ভ কৰিছে ডিব্ৰুগড়ৰ পল্টনবজাৰত পুনৰ নিৰ্মাণ হৈ থকা জনজাতি অতিথিশালাৰ ভৱনত। ভৱনটোৰ নিৰ্মাণ কাৰ্যক লৈ গুৰুতৰ অনিয়মৰ অভিযোগ উত্থাপন কৰিছে ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘই। নিৰ্মাণ কাৰ্যৰ মানক লৈ প্ৰশ্ন উত্থাপন কৰি ঠিকাদাৰ ১৩ পৃষ্ঠাত চাওক

মিচিং স্বায়ত্তশাসিত পৰিষদৰ ভোটাৰ তালিকাৰ পৰা তিনি শতাধিকৰ নাম কৰ্তন

## পুনৰ অন্তৰ্ভুক্তিৰ দাবীত উত্তাল চাবুৱাৰ দধিয়া

জংগী আন্দোলন-ভোট বৰ্জনৰ হুংকাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**চাবুৱা, ২৩ অক্টোবৰ ঃ** মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে প্ৰস্তুত কৰা ভোটাৰ তালিকাৰ পৰা তিনিশৰো অধিক বৈধ ভোটাৰৰ নাম কৰ্তন কৰাৰ অভিযোগক কেন্দ্ৰ কৰি উত্তপ্ত হৈ পৰিছে চাবুৱাৰ দধিয়া অঞ্চল। ৩৫ নং দিহিং-চেছা পৰিষদীয় সমষ্টিৰ ভোটাৰ তালিকাত সংঘটিত হোৱা বুলি অভিযোগ উত্থাপিত এই ঘটনাৰ প্ৰতিবাদত ১৩ পৃষ্ঠাত চাওক



এছ আই আৰ বাতিল, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগ দাবী

# গোৰেশ্বৰত দল-সংগঠনৰ তীব্ৰ প্ৰতিবাদ

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোৰেশ্বৰ, ২৩ অক্টোবৰ ঃ** অসম ৰাজ্যিক কৃষক সভা, চি আই টি ইউ, গণতান্ত্ৰিক মহিলা সমিতি, এছ এফ আই, অসম কৃষি আৰু গ্ৰামীণ শ্ৰমিক ইউনিয়ন, অসম জনজাতি অধিকাৰ মঞ্চ আৰু ডি ৱাই এফ আইৰ তামুলপুৰ জিলা কমিটীৰ উদ্যোগত বৈধ নাগৰিকৰ ভোটাধিকাৰ কৰ্তন কৰা এছ আই আৰ বাতিল আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত গোৰেশ্বৰত উত্তাল প্ৰতিবাদী সমদলেৰে প্ৰতিবাদী সভা অনুষ্ঠিত হয়। 'জ্ঞানেশ কুমাৰে পদত্যাগ কৰক, বৈধ ১৩ পৃষ্ঠাত চাওক



সদৌ অসম প্ৰাগজ্যোতি

## একাংক নাট প্ৰতিযোগিতাৰ দিন সলনি

১৪ নৱেম্বৰৰ পৰিৱৰ্তে ২০ নৱেম্বৰত আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**পাটাছাৰকুছি, ২৩ অক্টোবৰ ঃ** পাটাছাৰকুছিৰ প্ৰাগজ্যোতি ক্লাবৰ উদ্যোগত স্থানীয় নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ডঃ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজন কৰা মণ্টু কুমাৰ শৰ্মা সোঁৱৰণী নৱম সদৌ অসম প্ৰাগজ্যোতি একাংক নাট প্ৰতিযোগিতাখন অনিবাৰ্য কাৰণবশতঃ অহা ১৪ নৱেম্বৰৰ পৰিৱৰ্তে ২০ নৱেম্বৰত অনুষ্ঠিত হ'ব বুলি একাংক নাট পৰিচালনা সমিতিয়ে এক বিবৃতিযোগে জনাইছে। উল্লেখ্য যে প্ৰতিযোগিতাখনৰ এইবেলিৰ নাট্য সন্ধিয়াটি পাটাছাৰকুছিৰ সন্তান, বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত ললিত চন্দ্ৰ শৰ্মাৰ নামত উৎসৰ্গিত কৰা হৈছে। উক্ত প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ দলে তুনো আলী সোঁৱৰণী ২৫,০০০ টকা, দ্বিতীয় শ্ৰেষ্ঠ দলে অখিল চন্দ্ৰ গোস্বামী সোঁৱৰণী ১৩ পৃষ্ঠাত চাওক

পানীটেমাৰ ম'ৰেল পুলিচিঙৰ ঘটনা

## অভিযুক্ত আন দুজন যুৱকক গ্ৰেপ্তাৰ, জেললৈ প্ৰেৰণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰঙিয়া, ২৩ অক্টোবৰ ঃ** ৰঙিয়াৰ পানীটেমাত যোৱা ১৯ অক্টোবৰত অষ্টমী পূজাৰ নিশা সংঘটিত ম'ৰেল পুলিচিঙৰ ঘটনাৰ সৈতে জড়িত আৰু দুজন অভিযুক্তক আৰক্ষীয়ে আজি গ্ৰেপ্তাৰ কৰে। এই দুই অভিযুক্ত ক্ৰমে নৃপেন কলিতা আৰু শংকৰ ১৩ পৃষ্ঠাত চাওক

## কলগাছিয়াত ছাত্ৰক হাৰাশাস্তি ঃ ধৃত কবিৰাজ



**দৈনিক অসমৰ প্ৰতিনিধি**
**কলগাছিয়া, ২৩ অক্টোবৰ ঃ** বিজ্ঞানৰ অভূতপূৰ্ব অৱদান আৰু প্ৰগতিৰ মাজতো কিছু সমাজত অন্ধবিশ্বাস এতিয়াও এক ব্যাধি হৈয়েই আছে। এনে ব্যাধিৰ চিকাৰ হৈয়েই বৰপেটা জিলাৰ কলগাছিয়াত ভূত চাবলৈ ভিৰ কৰিছে হাজাৰ হাজাৰ লোকে। ঘটনাৰ বিৱৰণী মতে, এজন ১৬ বছৰীয়া ছাত্ৰৰ গাত লম্ভিছে ১৩ পৃষ্ঠাত চাওক

প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিত বিসংগতি

## হিতাধিকাৰীৰ তালিকাত নাম নাই দিব্যাংগ, বিধৱা, দৰিদ্ৰৰ



**দৈনিক অসমৰ প্ৰতিনিধি**
**মুকালমুৱা, ২৩ অক্টোবৰ ঃ** অলপতে প্ৰকাশ পোৱা প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ হিতাধিকাৰীৰ তালিকাক লৈ ঠাইবিশেষে প্ৰতিক্ৰিয়া চলি আহিছে। নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৯ নং লোহাৰকাঠা-দৰংগিপাৰা গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী ১৩ পৃষ্ঠাত চাওক

## কাইলৈৰপৰা টিহু হৰি মন্দিৰত শ্ৰীশ্ৰীলক্ষ্মী পূজা

**দৈনিক অসমৰ প্ৰতিনিধি**
**টিহু, ২৩ অক্টোবৰ ঃ** ৭৮ সংখ্যক টিহু নগৰ শ্ৰীশ্ৰীলক্ষ্মী পূজা অহা ২৫, ২৬ আৰু ২৭ অক্টোবৰত টিহু হৰি মন্দিৰত আয়োজন কৰা হৈছে। সেই অনুসৰি, ২৫ অক্টোবৰত পুৱা টিহু নগৰ শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপন সমিতিৰ সভাপতি সুৰেন্দ্ৰনাথ ডেকাই পতাকা উত্তোলনেৰে পূজাৰ ১৩ পৃষ্ঠাত চাওক

## বিজনীত ঐতিহাসিক শ্ৰীশ্ৰীলক্ষ্মী পূজা-মেলাৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**চিৰাং, ২৩ অক্টোবৰ ঃ** চিৰাং জিলাৰ বিজনীত অহা ২৫ অক্টোবৰৰ পৰা ৭ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব ১৩৫ সংখ্যক ঐতিহাসিক ৰজাদিনীয়া শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলা। এই ঐতিহাসিক পূজা আৰু মেলাক কেন্দ্ৰ কৰি ইতিমধ্যে বিজনী চহৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। ৰজা বিজিত নাৰায়ণ সমন্বয় ক্ষেত্ৰত এই পূজা অনুষ্ঠিত হ'ব। পূজা সমিতিৰ কাৰ্যালয়ত আজি অনুষ্ঠিত সংবাদমেলত সমিতিৰ সভাপতি ধনঞ্জয় ৰায় আৰু কাৰ্যকৰী সভাপতি ভৱেন বৰ্মনে ১৩ পৃষ্ঠাত চাওক



বিনিদ্ৰ ৰজনী কটাইছে গঞাই ঃ পকা ধাননি তহিলং

## পূব নলবাৰীত বন্যহস্তীৰ উপদ্ৰৱ

**দৈনিক অসমৰ প্ৰতিনিধি**
**ঘগ্ৰাপাৰ, ২৩ অক্টোবৰ ঃ** বন্যহস্তীৰ উপদ্ৰৱত বিগত তিনি-চাৰি বছৰে বিনিদ্ৰ ৰজনী কটাইছে নলবাৰী জিলাৰ পূব নলবাৰী অঞ্চলৰ উত্তৰপ্ৰান্তৰ জনতাই। উল্লেখ্য যে নলবাৰীত বিশেষকৈ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰৰ বৃহৎ অঞ্চল মূলতঃ বলাকুছি, কৈৰাৰা, খানাজান, বৰখানাজান, ১৩ পৃষ্ঠাত চাওক

## বহিঃৰাজ্যত কৰুণ মৃত্যু তামুলপুৰৰ যুৱকৰ



**দৈনিক অসমৰ প্ৰতিনিধি**
**তামুলপুৰ, ২৩ অক্টোবৰ ঃ** কৰ্মৰ সন্ধানত বহিঃৰাজ্যলৈ গৈ কৰুণভাৱে অকালতে মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল তামুলপুৰৰ এজন সুঠাম যুৱকে। মৃত যুৱকজন তামুলপুৰৰ ভকতপাৰা গাঁৱৰ পংকজ দাস (৩৬)। ২১ অক্টোবৰত পশ্চিমবংগৰ শিলিগুৰিৰ ৰে'ললাইনত উদ্ধাৰ হয় পংকজ দাসৰ ক্ষত-বিক্ষত মৃতদেহ। মৃত পংকজৰ আত্মীয়ই প্ৰকাশ কৰা মতে, পৰিয়াল পোহপাল দিয়াৰ বাবে তামিলনাডুৰ ১৩ পৃষ্ঠাত চাওক

## ভূৰাগাঁৱত ভয়ংকৰ অগ্নিকাণ্ড

সা-সামগ্ৰীসহ বাসগৃহ ভস্মীভূত

**দৈনিক অসমৰ প্ৰতিনিধি**
**লাহৰীঘাট, ২৩ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত ১ নং বটালিমাৰী গাঁৱত আজি এক বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। গাঁওখনৰ সুলভ মূল্যৰ দোকানী আব্দুল মোতালেবৰ ঘৰত এই ভয়ংকৰ অগ্নিকাণ্ডটো সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। এই অগ্নিকাণ্ডটোত আব্দুল মোতালেবৰ লগতে মেছৰ আলী, ফৰিদুল ইছলাম আৰু ইফতিকাৰ হুছেইনৰ কেইবাটাও বাসগৃহসহ বহু ১৩ পৃষ্ঠাত চাওক

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগ ঃ হৰি নামৰ ধ্বনিৰে মুখৰ চৌদিশ

## ধেমাজিত কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহ আৰম্ভ

**দৈনিক অসমৰ প্ৰতিনিধি**
**ধেমাজি, ২৩ অক্টোবৰ ঃ** হৰিনামৰ ধ্বনিৰ মাজতে আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংস্কৃতি শাখা সমিতিৰ উদ্যোগত আৰু ধেমাজি জিলা শাখাৰ আতিথ্যত ২৬ সংখ্যক কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহখনি আৰম্ভ হৈছে। ধেমাজি জিলা শাখাৰ ভৱালীচুকৰ নামঘৰ প্ৰাংগন পৰমানন্দ আতাক্ষেত্ৰত আৰম্ভ হোৱা কাৰ্যসূচী পৰিৱেশ নিকাকৰণেৰে আৰম্ভ কৰে




ধেমাজি জিলা সেৱাবাহিনীয়ে। পুৱা শৰাই স্থাপন কৰে ভূপেন বৰাই আৰু নাম-প্ৰসংগৰ আঁত ধৰে উৎপল বুঢ়াগোহাঁয়ে। মূল তোৰণ উন্মোচন কৰে ধেমাজি জিলা শাখাৰ মনোজ কোঁৱৰে। আদৰণী সমিতিৰ কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰে বিপুল দত্তই। পুৱা পতাকা উত্তোলন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই। ভোজনালয়ৰ দ্বাৰ উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰকাশন ১৩ পৃষ্ঠাত চাওক


**ADVERTISEMENT NOTICE**

Walk-in interview for the post of "Radiographer on Lumpsum basis for three months for National Tuberculosis Elimination Programme (NTEP)" under NHM, District Health Society, Nagaon, Assam will be held on **30/10/2026 From 11.00 AM to 3.00 PM.**
Educational Qualification : Radiographer Technician Certificate Course
Age: up to 40 years.
Remuneration : Rs. 15,000/- per month.

**Important instructions :**

1. Candidates must bring filled-up standard form of application along with self-attested 01 set of photo copy of all relevant documents, 2 copies of passport size photographs and experience certificates, if available.
2. The engagement will be purely on temporary basis for three months.
3. The interested candidates are requested to report at 10.00 AM on the date of interview in the Office of Joint Director of Health Services, Nagaon.
4. No TA/DA will be paid for attending the interview.
5. The undersigned reserves the right to reject any or all applications without assigning any reasons thereof.

**SD/-**
**Jt. Director of Health Services**
**Cum Member Secy, DHS, Nagaon**

**DIPR/D/DA/449/24-Oct-26**

**SHORT NOTICE INVITING BIDS**

*No.* III

Sealed Bids (tenders) are invited for technical and financial bids, in prescribed formats, affixing non-refundable court fee stamp of Rs. 10.00 (Rupees ten) only from approved and reputed eligible bidders registered under Soil Conservation Department, Assam for implementation of the following schemes which will be received up to 2.00 PM on 16-11-26 and opened on the same date at 3.00 PM on 16-11-26 in presence of the Bidders or their authorized agents. **Separate sealed and super scribed envelopes** are to be used for both technical and financial bids and put them together in a single envelope. If due to certain unavoidable circumstances, the Bids cannot be opened on the aforesaid date, the same will be opened on the next working day. The qualified parties, only in respect of the technical bids, will be eligible for competing in the financial bids. Bid documents can be obtained from the office of the undersigned from 26-10-26 to 16-11-26 up to 2.00 PM on working days by depositing 0.02% of the estimated value rounded off to its nearest 10s/100s with an upper limit of Rs. 500 (Five Hundred) only as Tender processing fee for each work in the form of IPO.

| Sl. No. | Name of work | Estimated Amount (Rs. In lakh) | Location | Earnest money (In Rs.) | Time of Completion | Tender Processing Fees (In Rs.) |
|---|---|---|---|---|---|---|
| 1. | Renovation Works of Grade IV Barrack at Directorate of Soil Conservation Campus | 9.37 | Bhumi Shangrakshan Bhawan, R.G Baruah Road, Ghy-05 | Rs.18,740/- (General) - 2% Rs.9370/- (for SC/ST/OBC/MOBC) - 1 % | 3 months | Rs. 190/- |

*Major terms of References:.*

1. The work order will be served as per the decision of the competent authority
2. **A bidder is eligible for 2 (two) nos. of works during one financial year.**
3. The bidders are requested to go thoroughly in the bid documents and follow accordingly.
4. The bidders are instructed to submit details in prescribed formats as required.
5. Payment will be made subject to availability of fund in the budget.

Sd/-
Divisional Officer
Engineering Soil Conservation Division
Guwahati-05

DIPR/C/DA/448/24-Oct-26

# চীনা সৈন্যৰে যুঁজিবলৈ

প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আই টি বি পিৰ মুৰব্বীগৰাকীয়ে কয় যে যোৱা কেইটামান মাহত অৰুণাচল প্ৰদেশত ভাৰত আৰু চীনৰ সৈন্যৰ মাজত সংঘাতপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু বহু ঠাইত সংঘাতো হৈছে। এই পৰিস্থিতি এতিয়াও অব্যাহত থকা বুলি তেওঁ মন্তব্য কৰে। শত্ৰুজিৎ কাপুৰে কালি ৰাজস্থানৰ আলোৱাৰত থকা চেন্ট্ৰেল ট্ৰেইনিং কলেজত অনুষ্ঠিত হিমবীৰ সন্মান সমাৰোহ কাৰ্যসূচীত অংশগ্ৰহণ কৰি দিয়া ভাষণত এই কথা উল্লেখ কৰে। তেওঁ প্ৰথমবাৰৰ বাবে ৰাজহুৱাকৈ ভাৰত-চীনৰ মাজৰ সংঘাত অব্যাহত থকাৰ কথা সদৰি কৰিছে। তেওঁ কালি উল্লেখ কৰে যে বিগত জুলাই মাহৰ শেষভাগৰ পৰা অৰুণাচলৰ উজনি সোৱণশিৰি জিলাৰ আচাফিলা আৰু মাজা এলেকাত উত্তেজনাপূৰ্ণ পৰিস্থিতি অব্যাহত আছে। এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে ভাৰতে সীমান্তত সামৰিক সমাৱেশ বৃদ্ধি কৰিছে। তেওঁ লগতে গালোৱান উপত্যকাত হোৱা সংঘাতৰ কথাও স্মৰণ কৰে আৰু কয় যে অনুৰূপ ধৰণৰ পৰিস্থিতি সৃষ্টি নহ'বৰ বাবে ভাৰতে ড্ৰোন ফৰ্চৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। মন কৰিবলগীয়া যে শত্ৰুজিৎ কাপুৰে আৰু সাদিন পাছতে তেওঁ দায়িত্বৰ পৰা অৱসৰ গ্ৰহণ কৰিব। ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰাৰ প্ৰাকক্ষণত আই টি বি পিৰ মুৰব্বীগৰাকীৰ মন্তব্য বিশেষ তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। তেওঁ নিজৰ ভাষণত ভালেমান গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ তথ্য সদৰি কৰে। তেওঁ কয় যে জুলাই মাহৰ পৰা দুয়োখন দেশৰ মাজত তিনিখনকৈ উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত হৈছে যদিও উত্তেজনা অব্যাহত আছে। ইয়াৰ মাজতে যোৱা ছেপ্টেম্বৰ মাহত ভাৰতত ব্ৰিকছ সন্মিলন অনুষ্ঠিত হৈছিল আৰু ইয়াত ভাগ লোৱাৰ বাবে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং ভাৰতলৈ আহিছিল। চুবুৰীয়া দেশ দুখনৰ মাজৰ কূটনৈতিক মহলে আলোচনাৰ জৰিয়তে সংঘাত নিবসন আৰু বন্ধুত্বপূৰ্ণ সীমান্ত সম্পৰ্ক বৰ্তাই ৰখাৰ কথা বিভিন্ন সময়ত কৈ আহিছে যদিও আই টি বি পিৰ দৰে সীমান্ত সুৰক্ষাত জড়িত নিৰাপত্তা বাহিনীৰ মুৰব্বীগৰাকীয়ে কৰা মন্তব্যই বাস্তৱ পৰিস্থিতি কিমান স্পৰ্শকাতৰ হৈ আছে, সেই কথা উদঙাই দিয়া বুলি ব্যাপক চৰ্চা চলিছে। শত্ৰুজিৎ কাপুৰে কৰা কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্যই চুবুৰীয়া দেশ দুখনৰ মাজৰ সীমান্তকেন্দ্ৰিক সংঘাত সম্পৰ্কীয় পৰিস্থিতি উদঙাই দিছে। তেওঁ কয়— অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইত ভাৰত আৰু চীনৰ সামৰিক বাহিনী মুখামুখি হৈছে আৰু সংঘাতপূৰ্ণ পৰিস্থিতি এতিয়াও অব্যাহত আছে। তেওঁ সীমান্তত চীনৰ আধুনিক সমৰ-কৌশল আৰু প্ৰযুক্তিৰ সৈতে মোকাবিলা কৰাৰ বাবে ভাৰতে গ্ৰহণ কৰা ভালেমান পদক্ষেপৰ কথাও সদৰি কৰে। তেওঁ কয়— আই টি বি পিৰ আধুনিকীকৰণৰ বৃহৎ আঁচনিৰ অংশ হিচাপে প্ৰায় চাৰি হাজাৰ কোটি টকাৰ পুঁজিৰ অনুমোদন লাভ কৰিলেই এই পুঁজিৰ এহাজাৰ কোটি টকাৰে ড্ৰোন আৰু এন্টি-ড্ৰোন ব্যৱস্থা মজুত কৰা হ'ব। সম্প্ৰতি চাৰিশ কোটিৰ প্ৰকল্পৰ ৭০ শতাংশ ধন ড্ৰোন ক্ষমতা বৃদ্ধিৰ বাবে খৰচ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলিও তেওঁ সদৰি কৰে। আই টি বি পিয়ে ইয়াৰ সকলো সীমা সুৰক্ষা বেটেলিয়নত ড্ৰোন প্লাটুন সাজু কৰাৰ কথাও কয়। ইতিমধ্যে ড্ৰোন সমৰ-কৌশলৰ প্ৰশিক্ষণো দি থকা হৈছে আৰু আই টি বি পিয়ে নিজাকৈ ড্ৰোন প্ৰস্তুত কৰাৰ বাবেও কাম কৰি আছে। যুদ্ধকালীন পৰিস্থিতিত শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা পৰাৰ বাবে আই টি বি পিয়ে সীমান্তত সুৰক্ষা চকীসমূহত পাইলট প্ৰজেক্ট হিচাপে ভূগৰ্ভস্থ আশ্ৰয়গৃহৰ নিৰ্মাণ কামো আৰম্ভ কৰিছে। এই প্ৰকল্প পৰৱৰ্তী সময়ত স্থায়ী সুৰক্ষা ব্যৱস্থাৰ ৰূপত বিকশিত কৰাৰ লক্ষ্যৰ কথাও তেওঁ সদৰি কৰে। কাপুৰে লগতে কয় যে আই টি বি পিৰ জোৱানসকলক আধুনিক যুদ্ধ-কৌশল আৰু নতুন ৰণনীতিৰ প্ৰশিক্ষণ দিয়াৰ বাবে 'ষ্ট্ৰাইক' নামৰ নতুন প্ৰশিক্ষণ দিয়াৰ কাম আৰম্ভ কৰা হৈছে। ২০২৭ চনৰ শেষভাগলৈ সম্পূৰ্ণ বাহিনীটোক এই প্ৰশিক্ষণৰ জৰিয়তে সামৰি লোৱাৰ লক্ষ্য গ্ৰহণ কৰিছে সীমান্ত সুৰক্ষা বাহিনীটোৱে। তদুপৰি প্ৰতিটো বেটেলিয়নৰ শৌৰ্য কমাণ্ডো বাহিনী বিকশিত কৰাৰ পৰিকল্পনাও কৰা হৈছে। ইফালে শত্ৰুজিৎ কাপুৰে কৰা মন্তব্যৰ পাছতে এই সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ভাৰতৰ বহিঃপৰিক্ৰমা মন্ত্ৰণালয়ে। মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে শত্ৰুজিৎ কাপুৰৰ মন্তব্যৰ প্ৰত্যুত্তৰ দি কয় যে ভাৰত-চীন সীমান্তত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত সময়ে সময়ে পৰিস্থিতিৰ অৱনতি ঘটে। যেতিয়া চীনা সৈনিকে নিৰ্দ্ধাৰিত পেট্ৰলিং পথ অনুসৰণ নকৰি অবাঞ্ছিত গতি-বিধিত লিপ্ত হয়, তেতিয়াই সংঘাতপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। কিন্তু সীমান্ত অঞ্চলত শান্তি আৰু সুস্থিৰতা বৰ্তাই ৰখাটো দুয়োখন দেশৰ দ্বিপাক্ষিক সম্বন্ধ আৰু সামগ্ৰিক বিকাশৰ বাবে জৰুৰী বুলিও তেওঁ মন্তব্য কৰে। অৱশ্যে চীনা সামৰিক বাহিনী আধুনিক প্ৰযুক্তি আৰু সমৰ কৌশলৰ দিশৰ পৰা ভাৰততকৈ আগবঢ়া বুলি শত্ৰুজিৎ কাপুৰে কৰা মন্তব্য সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা কোনোধৰণৰ স্পষ্টীকৰণ বা প্ৰত্যুত্তৰ পোহৰলৈ অহা নাই। ইফালে আই টি বি পিৰ মুৰব্বীগৰাকীৰ মন্তব্যৰ পাছতে ভাৰত-চীন সীমান্তৰ পৰিস্থিতি লৈ উদ্বেগ প্ৰকাশ কৰিছে কংগ্ৰেছে। মল্লিকাৰ্জুন খাৰ্গেই কয় যে ভাৰত-চীন সীমান্তত পৰিস্থিতি সম্পৰ্কত সমগ্ৰ দেশক অন্ধকাৰত ৰখা হৈছে। অৰুণাচল প্ৰদেশত চীনা সৈন্যৰ সৈতে ভাৰতীয় সৈনিকৰ সংঘাত অব্যাহত আছে। আই টি বি পিৰ সঞ্চালকপ্ৰধানে কৰা এই মন্তব্য অতি চিন্তনীয়। ডোকলাম আৰু গালৱানৰ পাছত এতিয়া অধিক ভয়ংকৰ সংঘাতৰ পৰিস্থিতি সৃষ্টি হৈছে নেকি বুলিও তেওঁ প্ৰশ্ন কৰে। অৰুণাচল ভাৰতৰ অভিন্ন অংগ হোৱাৰ পাছতো ইয়াৰ পৰিস্থিতিলৈ দেশক কিয় অন্ধকাৰত ৰখা হৈছে, সেই প্ৰশ্ন কৰে কংগ্ৰেছৰ অধ্যক্ষগৰাকীয়ে। অনুৰূপ ধৰণে কংগ্ৰেছ সাংসদ জয়ৰাম ৰমেশে প্ৰধানমন্ত্ৰী মোডীক সীমান্তৰ পৰিস্থিতিৰ প্ৰসংগক লৈ কটাক্ষ কৰে।

# ৰাজ্যত চলি আছে শিলৰ

কৰাত ব্যৰ্থ হোৱা সাংমৌলিক বন বিষয়া (ডি এফ অ')সকলক জবাবদিহি কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি অনুষ্ঠানত স্পষ্ট কৰি দিয়ে যে ৰাজ্যৰ বনাঞ্চল বেদখল বন্ধ কৰিব লাগিব, বেদখলমুক্ত কৰিব লাগিব, বনাঞ্চল সকলো অবৈধ মহল আৰু খনন বন্ধ হ'ব লাগিব আৰু বিভাগীয় নিয়ম-নীতিৰ আধাৰত বনাঞ্চলৰ অবৈধ শিল খনন প্ৰক্ৰিয়া বন্ধ কৰি বৈধ মহলৰ জৰিয়তে শিলৰ যোগান ধৰিব লাগিব, যাতে চৰকাৰী আৰু বেচৰকাৰী কামৰ বাবে প্ৰয়োজনীয় শিল আদি যোগান ধৰি ৰাজহ বৃদ্ধি কৰিব পৰা যায়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দিছপুৰত অনুষ্ঠিত বন বিভাগৰ অনলাইন প'ৰ্টেল মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি কয় যে হোজাইত দুটাকৈ অবৈধ শিলৰ মহল চলাই থকা হৈছে। জিলাখনত সাংমৌলিক বন বিষয়া (ডি এফ অ')ৰ চকুৰ সমুখতে দুটাকৈ মহলত অবৈধ খনন চলি আছে। ডি এফ অ'জনে জানিও অবৈধ শিলৰ মহল বন্ধ কৰা নাই। সেয়ে হোজাইৰ ডি এফ অ'জনক তৎকালে নিলম্বন কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানৰ ভাষণ দি হোজাই অবৈধ শিলৰ মহল চলি থকা বুলি বন মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু শীৰ্ষ বন বিষয়াৰ সমুখতে স্বীকাৰ কৰাত তাৎপৰ্য বহন কৰিছে। কিয়নো ৰাজ্যত কোনো অবৈধ শিল মহল নাই বুলি বন বিভাগে দাবী কৰি আহিছিল। মুখ্যমন্ত্ৰীয়ে এনেদৰে ৰাজ্যৰ বনাঞ্চলৰ অবৈধ শিলৰ মহল চলি থকা বুলি স্বীকাৰ কৰাত বন বিভাগৰ অস্বস্তিৰ সৃষ্টি হোৱাৰ লাগিছে। কেইবাখনো জিলাত হোজাইৰ দৰে অবৈধ মহল চলি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। বন বিভাগত চলি থকা অবৈধ খননৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে স্বীকাৰ কৰাৰ পাছত আৰু কেইজনমান ডি এফ অ'ৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। কিয়নো মুখ্যমন্ত্ৰীয়ে আজি বন বিভাগৰ কৰ্মচাৰীৰ বদলিৰ প'ৰ্টেল মুকলি কৰি আৰু কয়, 'বনাঞ্চলৰ সুৰক্ষাৰ বাবে আৱন্তনিৰ পৰা বন্ধ কৰিব লাগিব বেদখল। বেদখলৰ বাবে উৎসাহ যোগোৱা বিষয়াৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা ল'ব লাগে।' আনহাতে অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আৰু কয় যে বন বিভাগত কঠোৰতা বাঢ়িব লাগিব। খিলঞ্জীয়াক বন আইনৰ অধীনত ভূমি পট্টন প্ৰদান কৰা হ'ব। কিন্তু উচ্চতম ন্যায়ালয়ৰ নীতি-নিৰ্দেশনা অনুসৰি সকলো বেদখলমুক্ত কৰা হ'ব। ন্যায়ালয়ৰ নীতি-নিৰ্দেশনা অনুসৰি যোৱা ৭ দিনত ৬০০ হেক্টৰ ভূমিত উচ্ছেদ চলোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি বনাঞ্চলত বেদখল বৃদ্ধিৰ বাবে বন বিভাগৰ বিষয়াসকলকহে জগৰীয়া কৰে। তেওঁ কয় যে বনাঞ্চলত প্ৰথমজোপা গছ কটা আৰু প্ৰথমটো ঘৰ নিৰ্মাণ কৰাৰ সময়ত ডি এফ অ'সকল মৌন হৈ থাকে কিয়? বিভাগে কোন ডি এফ অ'ৰ দিনত বেদখল হৈছে, সেইসকলৰ বিৰুদ্ধে বিভাগীয় তদন্ত কাৰিব লাগে। ডি এফ অ'সকলে বনাঞ্চলত বেদখল হ'লে থানাত গোচৰ দি দায়িত্ব সামৰে। তেনে কৰিলে নহ'ব। ডি এফ অ'সকলে দায়িত্ব পালন কৰি বেদখল প্ৰতিৰোধ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাক থকা অনুষ্ঠানত স্পষ্ট কৰে যে বন বিভাগত কোনো অবৈধ কাৰবাৰ গ্ৰহণ কৰা নহ'ব। তেওঁ শিলৰ মহলসমূহ বৈধ কৰি ৰাজহ বৃদ্ধি কৰাৰ নিৰ্দেশ দিয়ে। লক্ষণীয় যে এতিয়াৰ পৰা বন বিভাগৰ কৰ্মচাৰীয়ে প'ৰ্টেল জৰিয়তে বদলিৰ আবেদন কৰিব পাৰিব। ৰাজ্যৰ বন বিভাগৰ ৪,৫০০ কৰ্মচাৰীৰ ভিতৰত সদ্যহতে ২,৩৭০গৰাকীৰ বদলি চিনাক্ত কৰা হৈছে। আজিৰ প'ৰ্টেল মুকলি অনুষ্ঠানৰ জৰিয়তে ২৬৭গৰাকীৰ বদলি নিশ্চিত কৰা হৈছে।

# ১২ ঘণ্টীয়া বন্ধত উত্তপ্ত অৰুণাচলৰ ৩ জিলা

শাখা আৰু আদি গালো ৰেলফেয়াৰ ছ'চাইটীয়ে যৌথভাৱে এই বন্ধৰ আহ্বান জনাইছিল। প্ৰথমে ছিয়াং জিলাৰ গেকুৰ সমীপৰ ডিটে-ডিমে অঞ্চলত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। প্ৰস্তাৱিত ১১,০০০ মেগাৱাট ক্ষমতাসম্পন্ন প্ৰকল্পটোৰ বিৰোধিতাৰে আহ্বান জনোৱা বন্ধৰ সময়তে এই ঘটনা সংঘটিত হয়। জানিব পৰা মতে, প্ৰায় ১৫০ৰ পৰা ২০০গৰাকী প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ বেৰিকেড অতিক্ৰম কৰাৰ চেষ্টা চলোৱাৰ লগতে আৰক্ষীৰ বাহন ক্ষতিগ্ৰস্ত কৰিবলৈ চেষ্টা কৰে আৰু নিৰাপত্তাৰক্ষীলৈ শিলগুটি নিক্ষেপ কৰে বুলি আৰক্ষীয়ে অভিযোগ কৰিছে। ছিয়াং জিলাৰ আৰক্ষী অধীক্ষক কামদম ছিখমৰ মতে, বন্ধৰ সমৰ্থনত আপাৰ ছিয়াং জিলাৰ গেকু আৰু কমকাৰ অঞ্চলৰ প্ৰতিবাদকাৰীসকল আজি পুৱা প্ৰায় ৭ বজাত ডিটে-ডিমেত সমৱেত হয়। প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ বেৰিকেড ভাঙি পেলোৱাৰ চেষ্টা চলোৱাৰ লগতে শিলগুটি নিক্ষেপ কৰে আৰু নিষেধাজ্ঞামূলক নিৰ্দেশ উলংঘা কৰে বুলি তেওঁ অভিযোগ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত আইনী ব্যৱস্থা গ্ৰহণ কৰা বুলিও আৰক্ষী অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে প্ৰতিবাদকাৰীসকলক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰে। এই সংঘৰ্ষত পাঁচগৰাকীতকৈয়ো অধিক পুৰুষ-মহিলা আহত হোৱা বুলি জানিব পৰা গৈছে। তেওঁলোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইপিনে প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে কন্দুৱা গেছৰ গোলাৰ আঘাতত বহু লোক আহত হোৱাৰ লগতে বহুতে উশাহ-নিশাহ লোৱাত অসুবিধাৰ সন্মুখীন হয়। আহতসকলৰ কেইবাগৰাকীৰ অৱস্থা সংকটজনক বুলিও প্ৰতিবাদকাৰীসকলে দাবী কৰিছে। বন্ধৰ ফলত ছিয়াং আৰু আপাৰ ছিয়াং জিলাৰ লগতে ইষ্ট ছিয়াং জিলাৰ বিভিন্ন অঞ্চলত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হয়। দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ সম্পূৰ্ণৰূপে বন্ধ হৈ থকাৰ লগতে অধিকাংশ বাসিন্দাই ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকে। বন্ধৰ আহ্বান জনোৱা সংগঠনকেইটাই আৰক্ষীয়ে আটক কৰা ১০গৰাকী কৰ্মীৰ মুক্তি, নিলম্বিত গাঁওবুঢ়াসকলক পুনৰ নিযুক্তি, প্ৰকল্পটোৰ সৈতে জড়িত সকলো প্ৰাক-সম্ভাব্যতা সমীক্ষাৰ কাম বন্ধ কৰা আৰু অঞ্চলটোত নিয়োজিত অৰ্দ্ধসামৰিক তথা কেন্দ্ৰীয় নিৰাপত্তা বাহিনী শীঘ্ৰে প্ৰত্যাহাৰৰ দাবী জনাইছে। প্ৰস্তাৱিত প্ৰকল্পটোক লৈ স্থানীয় জনগোষ্ঠীসমূহৰ মাজত দীৰ্ঘদিন ধৰি বিৰোধিতা তথা ধাৰাবাহিক আন্দোলন অব্যাহত আছে। প্ৰকল্পটোৱে তেওঁলোকৰ ভূমি, জীৱিকা আৰু পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব বুলি আশংকা প্ৰকাশ কৰি আহিছে স্থানীয় লোকসকলে। আনহাতে অৰুণাচল প্ৰদেশ চৰকাৰে দাবী কৰি আহিছে যে প্ৰকল্পটোৰ মূল উদ্দেশ্য হৈছে ছিয়াং নদীৰ অৱবাহিকাত পানী সংৰক্ষণ আৰু পানীৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰা। বিশেষকৈ ছিয়াং নদীৰ উজনি অংশত চীনৰ প্ৰস্তাৱিত বৃহৎ বান্ধক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উদ্বেগৰ পৰিপ্ৰেক্ষিতত এই প্ৰকল্পৰ গুৰুত্ব আছে বুলি চৰকাৰে উল্লেখ কৰিছে। ইপিনে ইষ্ট ছিয়াং জিলাৰ সদৰ পাছিঘাটৰ ৰাণাঘাট চেকগেটত বাতৰি লিখা পৰলৈকে সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে স্বতঃস্ফূৰ্তভাৱে ৰাজপথলৈ ওলাই আহি আটকাধীন প্ৰতিবাদকাৰীসকলৰ মুক্তিৰ দাবীত ঘাইপথ অৱৰোধ কৰি ৰাখিছে। আটকাধীনসকলক মুক্তি নিদিয়ালৈকে দুপৰ নিশালৈ ঘাইপথ অৱৰোধ অব্যাহত ৰখাৰ লগতে ছিয়াং আপাৰ মাল্টিপাৰপাছ প্ৰজেক্টৰ কামৰ বাবে ব্যৱহৃত ড্ৰিলিং সামগ্ৰী কাঢ়িয়াই নিবলৈ দিয়া নহ'ব বুলিও প্ৰতিবাদকাৰীসকলে স্পষ্ট কৰি দিছে। এনে পৰিস্থিতিত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত উত্তেজনা অব্যাহত থকাত অঞ্চলটোত অনাকাংক্ষিত ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে সচেতন মহলে। শেহতীয়াকৈ আশংকা কৰা মতেই পাছিঘাটৰ ৰাণাঘাট চেকগেটত প্ৰতিবাদকাৰী আৰু আৰক্ষী তথা অৰ্দ্ধসামৰিক বাহিনীৰ মাজত ভয়ংকৰ সংঘৰ্ষৰ সৃষ্টি হয়। আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলৰ ওপৰত কন্দুৱা গেছ নিক্ষেপ আৰু লাঠীচালনা কৰাৰ লগে লগে প্ৰতিবাদকাৰীসকলেও শিলাবৰ্ষণ কৰে বুলি জানিব পৰা গৈছে। ইয়াৰ ফলত নিশালৈকে পাছিঘাট চহৰত এক ভয়ংকৰ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰতিবাদকাৰীসকলে পাঁচখনতকৈ অধিক আৰক্ষীৰ গাড়ী জ্বলাই দিয়াৰ লগতে বহু বাহনৰ ক্ষতিসাধন কৰে বুলিও বাতৰি পোৱা গৈছে। তদুপৰি ৫০জনতকৈ অধিক লোক গুৰুতৰভাৱে আহত হোৱা বুলি জানিব পৰা গৈছে।

# ডঃ ভূপেন হাজৰিকা

যশস্বী কণ্ঠশিল্পী ঊষা মংগেশকাৰক প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বঁটাটোৰ সৈতে এখন প্ৰশস্তি পত্ৰ আৰু নগদ ১০ লাখ টকা বঁটাপ্ৰাপকলৈ আগবঢ়োৱা হ'ব। অহা ২৯ নৱেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'বলগীয়া ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই বঁটা প্ৰদান কৰিব। তেওঁ লগতে কয় যে ডঃ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকীৰ সামৰণী অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ লগতে বহুকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ, বহুকেইখন ৰাজ্যৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী আদি বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। দুঘণ্টীয়া এই অনুষ্ঠানৰ ৪৫ মিনিট বঁটা প্ৰদান অনুষ্ঠান হ'ব আৰু এঘণ্টা ১৫ মিনিটৰ এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান হ'ব। উক্ত অনুষ্ঠানত প্ৰসিদ্ধ কণ্ঠশিল্পী শ্ৰেয়া ঘোষাল আৰু শংকৰ মহাদেৱনৰ লগতে অসমৰো বিভিন্ন শিল্পীয়ে পৰিৱেশন কৰিব। এই অনুষ্ঠানত সুধাকণ্ঠৰ ল'ৰালি কালৰ পৰা আৰম্ভ কৰি তেওঁৰ জীৱনৰ সকলো দিশ সামৰি সংগীত পৰিৱেশন কৰা হ'ব। এই অনুষ্ঠানতে অসমৰ পৰা যোৱা ১০০০ যুৱ শিল্পীয়ে 'মানুহে মানুহৰ বাবে' আৰু 'উই আৰ ইন দ্য ছেম ব'ট ব্ৰাদাৰ' গীত দুটা পৰিৱেশন কৰিব।

**ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ সামৰণী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে**

ভাৰতৰত্ন সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে বছৰজোৰা কাৰ্যসূচী উদ্‌যাপনৰ সামৰণী অনুষ্ঠানৰ প্ৰস্তুতিৰ অগ্ৰগতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি দিছপুৰৰ লোকসেৱা ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৫,০০০গৰাকী অনুৰাগী, বিশিষ্ট অতিথি আৰু সাংস্কৃতিক ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিৰ সমাগমেৰে এই সামৰণী অনুষ্ঠান অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। সুধাকণ্ঠ ডঃ হাজৰিকাৰ অসাধাৰণ সৃষ্টিশীল প্ৰতিভা আৰু বহুমুখী অৱদানৰ লগতে তেওঁৰ সংগীত, কবিতা আৰু মানৱতাবাদী দৰ্শন অনুষ্ঠানটোৰ জৰিয়তে প্ৰতিফলিত হ'ব আৰু ভাৰতৰ সাংস্কৃতিক ঐতিহ্যলৈ ডঃ হাজৰিকাৰ অনবদ্য অৱদানক পুনৰ স্মৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষে জনোৱা মতে, বৈঠকত মুখ্যমন্ত্ৰীয়ে সামৰণী অনুষ্ঠানটোক স্মৰণীয় আৰু মহান শিল্পীগৰাকীৰ অৱদানৰ সৈতে যথোচিত সংগতিযুক্ত কৰি তুলিবলৈ সমিতিৰ সদস্যসকলৰ পৰা বিভিন্ন পৰামৰ্শ গ্ৰহণ কৰে। তেওঁ ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ সৃষ্টিশীল প্ৰতিভা আৰু সাংস্কৃতিক অৱদানৰাজিক অধিক সমুজ্জ্বল কৰি তোলাৰ লগতে তেওঁৰ কালজয়ী সৃষ্টিৰাজি তথা সাৰ্বজনীন মানৱতাবাদী বাৰ্তা বহল পৰিসৰত আন্তঃৰাষ্ট্ৰীয় দৰ্শক-শ্ৰোতাৰ মাজলৈ সম্প্ৰসাৰিত কৰিব পৰাকৈ অনুষ্ঠানটোৰ পৰিকল্পনা কৰিবলৈ পৰামৰ্শ দিয়ে। মুখ্যমন্ত্ৰীয়ে ভাৰতৰত্ন সুধাকণ্ঠ ডঃ হাজৰিকাৰ মানৱতা, সম্প্ৰীতি আৰু বিশ্ব ভাতৃত্ববোধৰ চিৰন্তন বাৰ্তা নৱপ্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সংগীত, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত তেওঁৰ অনন্য অৱদানক বিশ্ব পৰ্যায়ত অধিক স্বীকৃতি প্ৰদানৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে। আজিৰ এই বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজহ আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী নীলিমা দেৱী, সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ উপৰি অসম চৰকাৰৰ ভাৰপ্ৰাপ্ত মুখ্য সচিব অজয় তিৱাৰী, ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে জন্ম শতবৰ্ষ উদ্‌যাপন সমিতিৰ সদস্যসকল উপস্থিত থাকে।

# হোৱাটছএপৰ নতুন নিয়ম

হ'ব লাগিব আৰু সেই নম্বৰ সংযুক্ত ছিম কাৰ্ডখন নিৰ্দিষ্ট ম'বাইলত থাকিব লাগিব। অৰ্থাৎ যদিহে আপুনি স্মাৰ্ট ফোনত হোৱাটছএপ ব্যৱহাৰ কৰে, তেন্তে হোৱাটছএপ নম্বৰ সংযুক্ত ছিম কাৰ্ডখন আপোনাৰ ম'বাইলত ইনষ্টল হৈ থকাটো বাধ্যতামূলক হ'ব। এই নিয়ম বলৱৎ হোৱাৰ লগে লগে উপভোক্তাসকলে হোৱাটছএপ-টেলিগ্ৰামৰ দৰে এপ ব্যৱহাৰৰ ক্ষেত্ৰত লাভ কৰি অহা কিছুমান সুবিধাৰ পৰা বঞ্চিত হ'ব। এতিয়া হোৱাটছএপ একাউণ্ট এটা ডিভাইচটোত ছিমখন সংলগ্ন হৈ নাথাকিলেও ৱাই-ফাইৰ জৰিয়তে লগ-ইন কৰিব পৰা যায়। কিন্তু নতুন নিয়ম বলৱৎ হ'লে ছিম নোহোৱাকৈ হোৱাটছএপ একাউণ্ট লগ-ইন কৰিব পৰা নাযাব। এনে নিয়মৰ ফলত বিদেশ ভ্ৰমণ কৰা বা সঘনে ছিম কাৰ্ড আৰু ম'বাইল সলনি কৰা লোকসকল অধিক ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে। বহু লোকে ৱাই-ফাইৰ ওপৰত নিৰ্ভৰ কৰি ছিম কাৰ্ড নোহোৱাকৈ হোৱাটছএপ-টেলিগ্ৰাম আদি একাউণ্ট পৰিচালনা কৰে। তেনে লোকসকল নতুন নিয়মৰ দ্বাৰা ক্ষতিগ্ৰস্ত হ'ব বুলি চৰ্চা হৈছে। উল্লেখ্য যে ছিম বাইণ্ডিং ব্যৱস্থাই কোনো এপৰ সৈতে সংযুক্ত ম'বাইল নম্বৰ থকা ছিমখন নিৰ্দিষ্ট ম'বাইলটোত সংলগ্ন হৈ থকাটো সূচায়। উল্লেখ্য যে ২০২৫ চনৰ ২৮ নৱেম্বৰতে ডি অ' টিয়ে ছিম বাইণ্ডিং সম্পৰ্কীয় নিৰ্দেশনা জাৰি কৰিছিল। এই নিৰ্দেশনা অনুসৰি হোৱাটছএপ-টেলিগ্ৰাম আদি এপ ব্যৱহাৰকাৰী লোকসকলৰ ম'বাইল নম্বৰ ভেৰিফাই, অৰ্থাৎ পৰীক্ষা কৰাৰ পাছত ছিমখন সংলগ্ন থাকিলেহে এপসমূহে কাম কৰিব। এতিয়ালৈ ম'বাইলৰ পৰা ছিমখন উলিয়াই আন ম'বাইলত সংযুক্ত কৰিলেও অ' টি পিৰ জৰিয়তে পূৰ্বৰ ম'বাইলতে এপটো ব্যৱহাৰ কৰিব পৰা যায়। কিন্তু নিয়ম সলনি হোৱাৰ লগে লগে ম'বাইলৰ পৰা ছিমখন উলিওৱাৰ পাছতে এপটো নিষ্ক্ৰিয় হৈ পৰিব। উল্লেখ্য যে এতিয়া বেংকিং আৰু পেমেণ্ট এপসমূহৰ ক্ষেত্ৰত ছিম বাইণ্ডিং ব্যৱস্থা বাধ্যতামূলক। নিৰ্দিষ্ট ইউ পি আই একাউণ্টৰ সৈতে সংযুক্ত ম'বাইল নম্বৰ সংলগ্ন ছিমখন ম'বাইলত ইনষ্টল হৈ নাথাকিলে তাৰ পৰা ধনৰ লেনদেন কৰিব নোৱাৰিব। নতুন নিয়মৰ জৰিয়তে অহা বছৰৰ পৰা মেছেজৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা বলৱৎ হ'ব। ডি অ' টিয়ে উল্লেখ কৰা অনুসৰি বৰ্তমানৰ ব্যৱস্থাৰ জৰিয়তে চাইবাৰ অপৰাধৰ আশংকা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত নতুন নিয়ম বলৱৎ কৰা হৈছে। ছিম বাইণ্ডিং নোহোৱাকৈ এপ ব্যৱহাৰ কৰাৰ সুবিধা থকাৰ ফলত চাইবাৰ অপৰাধীয়ে ব্যাপক হাৰত বিত্তীয় ঠগবাজি কৰাৰ সুবিধা লাভ কৰে। সেয়েহে এনে অপৰাধ নিয়ন্ত্ৰণৰ বাবে নতুন নিয়মাৱলীৰ জৰিয়তে এপসমূহ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰাৰ পৰিকল্পনা যুগুত হৈছে। উল্লেখ্য যে ডেস্কটপ আৰু ৱেবৰ জৰিয়তে এনে এপ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰতো নতুন নিয়ম বলৱৎ হ'ব এক জানুৱাৰীৰ পৰা।

# পৰ্বতঝোৰাত ভাগিনেক

অপহৰণ কৰি ৬ লাখ টকা মুক্তিপণ বিচৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। প্ৰাপ্ত বাতৰি মতে, ৰফিকুল ইছলাম নামৰ ব্যক্তিজনে কালি আবেলি ভাগিনেক ছাতাগুৰি বজাৰত থকা দেউতাকৰ দোকানলৈ বুলি ঘৰৰ পৰা লৈ যোৱাৰ পাছৰে পৰা শিশুটিক বিচাৰি পৰিয়ালৰ লোকে চলাথ কৰে। পাছত পৰিয়ালৰ লোকে কোনো শুংসূত্ৰ নাপাই বগৰীবাৰী আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। কিন্তু শিশুটিৰ মোমায়েকে ষড়যন্ত্ৰ কৰি ত্ৰাণকৰ্তাৰ ভূমিকা ভুক্তভোগী পৰিয়ালটোক দেখাবলৈ চেষ্টা কৰে। আনকি শিশুটিক উদ্ধাৰৰ নামত ৬ লাখ টকা মুক্তিপণ বিচৰা বুলি এক কৌশলপূৰ্ণ ভূমিকা লোৱাত পৰিয়ালৰ মাজত সন্দেহ ঘনীভূত হয়। কিন্তু বগৰীবাৰী আৰক্ষী থানাৰ আৰক্ষীয়ে ঘটনাটো গুৰুত্ব সহকাৰে লৈ তদন্ত আৰম্ভ কৰাত শিশুটি মোমায়েক ৰফিকুল ইছলামৰ পৰিকল্পনা মতে শালমাৰা সপ্তম খণ্ডৰ এক ভিতৰুৱা অঞ্চলত ৰখা অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে এই শিশু অপহৰণকাৰীৰ দলটোৱে এ এছ ০১ জি এ ২৫০৭ নম্বৰৰ বাইকেৰে শালমাৰা সপ্তম খণ্ডৰ ভিতৰুৱা স্থানলৈ শিশুটিক অপহৰণ কৰি লৈ গৈছিল। ধৃত ৰফিকুলৰ স্বীকাৰোক্তিৰ ভিত্তিত বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৌশিক দলে, পৰ্বতঝোৰা মহকুমা আৰক্ষী বিষয়া বীৰেন বৰুৱা আৰু কাজিগাঁও চক্ৰ পৰিদৰ্শক জয়ন্ত দাসৰ নেতৃত্বত আৰক্ষীৰ এটা বৃহৎ দলে ওৰে নিশা অভিযান চলাই শালমাৰা সপ্তম খণ্ডৰ এটা ভিতৰুৱা অঞ্চলৰ পৰা শিশুটিক সুকলমে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে তিনিজন ব্যক্তি ক্ৰমে গৌৰীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত সাধুভাসা প্ৰথম খণ্ডৰ ৰফিকুল ইছলাম তথা বন্দিহানা আৰক্ষী চকীৰ অন্তৰ্গত জবেদ আলী আৰু হানিফ আলীক আটক কৰে। অপহৰণ কাণ্ডত ব্যৱহাৰ কৰা বুলি সন্দেহত মটৰচাইকেলখনো আৰক্ষীয়ে জব্দ কৰে।

# যুৱকক দলবদ্ধ প্ৰহাৰক

বৰা নামৰ এজন যুৱকৰ নেতৃত্বত অহা এটা দলে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাত গুৰুতৰভাৱে আহত হোৱা যুৱকজনক সংকটজনক অৱস্থাত যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, বৰহোলা চাহ বাগিচাৰ যুৱক ৰেছব তুৰীক প্ৰায় ১০-১২জনীয়া যুৱকৰ এটা দলে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। এই আক্ৰমণৰ ফলত যুৱকজন গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত তেওঁক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। অৱশ্যে এই আক্ৰমণৰ আঁৰৰ প্ৰকৃত কাৰণ বৰ্তমানলৈকে স্পষ্ট হোৱা নাই। ইফালে ঘটনাৰ পাছতে আহত যুৱকজনৰ পৰিয়ালৰ লোকে বৰহোলা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। কিন্তু পৰিয়ালৰ অভিযোগ অনুসৰি, এজাহাৰ দাখিল কৰাৰ পাছতো অভিযুক্ত ভিক্টৰ বৰাকে ধৰি আন অভিযুক্তসকলৰ বিৰুদ্ধে আৰক্ষীয়ে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰা নাই। এই অভিযোগক কেন্দ্ৰ কৰি পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। আৰক্ষীৰ ভূমিকাক লৈ অসন্তুষ্ট হৈ পৰে বৰহোলা চাহ বাগিচাৰ শ শ শ্ৰমিক। ক্ষুব্ধ শ্ৰমিকসকলে বৰহোলা আৰক্ষী থানা ঘেৰাও কৰাৰ লগতে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। ইয়াৰ ফলত বৰহোলা চাৰিআলিত সৃষ্টি হয় উত্তেজনাময় পৰিস্থিতিৰ। যুৱকজনক প্ৰহাৰ কৰাৰ ঘটনাৰ উচিত তদন্ত, অভিযুক্তসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ আৰু আহত যুৱকজনৰ ন্যায় নিশ্চিত কৰাৰ দাবীত শ্ৰমিকসকলে প্ৰতিবাদ সাব্যস্ত কৰা বুলি জানিব পৰা গৈছে। ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত সৃষ্টি হোৱা উত্তেজনাই স্থানীয় ৰাইজৰ মাজতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# ৰহস্যঘন হৈ পৰিছে

হোটেলখনত উপ-আৰক্ষী অধীক্ষক ৰাভাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ আঁৰত ডাঙৰ ৰহস্য লুকাই থকাৰ সন্দেহ ব্যক্ত কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ বঙাইগাঁও জিলা সমিতিৰ সম্পাদক নন্দন দেৱনাথে। তেওঁ হোটেলখনৰ কৰ্তৃপক্ষক এই ঘটনাৰ বাবে জগৰীয়া কৰি কয় যে ডিএছপি ৰাভাৰ মৃতদেহ উদ্ধাৰ হোৱাৰ আগনিশা হোটেলখনৰ সঞ্চালক প্ৰবীণ বৈশ্যই দুৰ্গাপূজা উপলক্ষে নিজৰ কৰ্মচাৰীক লৈ হোটেলখনত নাচ-গানত মত্ত হৈ আছিল আৰু এই দৃশ্যাংশ সামাজিক মাধ্যমত বৈশ্যই নিজে ৰাজহুৱা কৰি তেওঁৰ চৰম গাফিলতি আৰু দায়িত্বহীনতা প্ৰকাশ কৰিছে। যোৱা ২০ অক্টোবৰত নিজৰ কোঠাৰ ভিতৰতে আহাৰ গ্ৰহণ কৰা ডিএছপিগৰাকীৰ কোনো খবৰ নলৈ হোটেলখনৰ সঞ্চালক বৈশ্যই নিশাৰভাগত নাচ-গান কৰি থকাৰ সময়ত হয়তো তেওঁ অসুস্থ হৈছিল বুলি সন্দেহ ব্যক্ত কৰি দেৱনাথে হোটেলখনৰ সঞ্চালক বৈশ্যকো তদন্তৰ আওতালৈ আনিবলৈ দাবী জনায়। আনহাতে ডিএছপি ৰাভাই অকলে কোনো দেহৰক্ষী নোলোৱাকৈ কিয় বঙাইগাঁৱলৈ আহিছিল তথা কোনো ছিণ্ডিকেট চক্ৰই তেওঁক বঙাইগাঁৱলৈ মাতি আনি পৰিকল্পিতভাৱে হত্যা কৰিলে নেকি, এই সকলোবোৰ দিশ সাঙুৰি আৰক্ষীক তদন্ত কৰাৰ পোষকতা কৰে দেৱনাথে। হোটেল কৰ্তৃপক্ষই এই ঘটনাৰ সৈতে জড়িত থকা কোনো তথ্য-প্ৰমাণ যাতে নষ্ট কৰিব নোৱাৰে তাৰ বাবে তদন্ত চলি থকাৰ সময়ত হোটেলখন ছীল কৰিবলৈও তেওঁ আৰক্ষীক দাবী জনায়। বঙাইগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ প্ৰতি আস্থা প্ৰকাশ কৰি দেৱনাথে কয় যে ঘটনাটোৰ তদন্ত সঠিকভাৱে হ'ব লাগে। এইক্ষেত্ৰত যাতে কোনো গাফিলতি কৰা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ তেওঁ আৰক্ষীক আহ্বান জনায়। একেদৰে সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি লক্ষীকান্ত সূত্ৰধৰে উপ-আৰক্ষী অধীক্ষক ৰাভাৰ ৰহস্যজনক মৃত্যুৰ উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰে। ৰাইজৰ দলৰ উপ-সভানেত্ৰী মমী ৰায়চৌধুৰীয়ে এই ঘটনাত প্ৰভাৱশালী ব্যক্তি জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰি ইয়াৰ উচিত তদন্তৰ দাবী জনায়। ইফালে সদৌ ৰাভা ছাত্ৰ সন্থাৰ বঙাইগাঁও জিলা সমিতিৰ উপদেষ্টা মাখন ৰাভাই কয় যে আৰক্ষী উপ-পৰিদৰ্শক জোনমণি ৰাভাৰ মৃত্যুৰ ঘটনাটো হত্যাকাণ্ড আছিল নে আত্মহত্যা সেয়া স্পষ্ট নহ'ল। ঠিক তেনেদৰে উপ-আৰক্ষী অধীক্ষক ৰাভাৰ মৃত্যৰ তদন্তৰ ক্ষেত্ৰত যাতে কোনো গাফিলতি কৰা নহয় তাৰ বাবে মাখন ৰাভাই আৰক্ষীক আহ্বান জনায়। তেওঁ আৰু কয়, 'আজি বঙাইগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকক সাক্ষাৎ কৰাত তেওঁ জানিবলৈ দিয়ে যে উপ-আৰক্ষী অধীক্ষক ৰাভাৰ কোঠাৰ পৰা ওলোৱা দুৰ্গন্ধ ৰাভাই মৃত্যুৰ আগেয়ে কৰা বমি আৰু পাতল শৌচৰ আছিল।' তেওঁৰ মৃতদেহ অৰ্দ্ধগলিত নাছিল আৰু মৃতদেহটো উদ্ধাৰ কৰাৰ সময়ত ফৰেনছিক বিভাগৰ দলে যাৱতীয় সকলো নমুনা সংগ্ৰহ কৰাৰ পাছতহে কোঠাটো পৰিষ্কাৰ কৰিবলৈ দিয়া হৈছিল বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে স্পষ্ট কৰাৰ কথা মাখন ৰাভাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। ইফালে বঙাইগাঁও আৰু চিৰাং জিলাৰ একাংশ স্ক্ৰেপ ব্যৱসায়ীয়ে এচাম উচ্চপদস্থ চৰকাৰী বিষয়াৰ সৈতে মিলি শক্তিশালী ছিণ্ডিকেটৰ জৰিয়তে ক'লা ধন ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰি স্থানীয় একাংশই এনে ব্যৱসায়ৰ বিৰুদ্ধে আৰক্ষীক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। এনেধৰণৰ ছিণ্ডিকেট মাফিয়াও উপ-আৰক্ষী অধীক্ষক ৰাভাৰ মৃত্যুৰ ঘটনাত জড়িত থাকিব পাৰে বুলি দল-সংগঠনৰ সৈতে একাংশ স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে।

**মুখ্যমন্ত্ৰীক ৰহস্য উদ্‌ঘাটনৰ আহ্বান পত্নীৰ**

**বকোৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ উপ-আৰক্ষী অধীক্ষক (ডি এছ পি) খৰ্গেশ্বৰ ৰাভাৰ বঙাইগাঁৱৰ এখন হোটেলৰ কোঠাত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই এতিয়াও শোকস্তব্ধ কৰি ৰাখিছে পৰিয়ালক। বিষয়াগৰাকীৰ মৃত্যুৰ প্ৰকৃত কাৰণ উদ্‌ঘাটন কৰিবলৈ ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনাইছে তেওঁৰ পত্নী মিঠু ৰাভাই। একেদৰে এই ঘটনাৰ উচিত আৰু নিৰপেক্ষ তদন্তৰ দাবী উত্থাপন কৰিছে নিখিল ৰাভা ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতিয়েও। উল্লেখ্য যে বঙাইগাঁৱৰ জাহ্নৱী ৰিজেন্সী হোটেলৰ এটা কোঠাত ডি এছ পি খৰ্গেশ্বৰ ৰাভাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক সহজভাৱে ল'ব পৰা নাই পৰিয়ালৰ লোকে। কি পৰিস্থিতিত আৰু কেনেদৰে আৰক্ষী বিষয়াগৰাকীৰ মৃতদেহ হোটেলৰ কোঠাত উদ্ধাৰ হ'ল, সেই সমগ্ৰ ঘটনাৰ প্ৰকৃত ৰহস্য উদ্‌ঘাটনৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে পত্নী মিঠু ৰাভাই। ইফালে হোটেল কৰ্তৃপক্ষৰ বিৰুদ্ধে হেমাহিৰ অভিযোগ উত্থাপন কৰিছে মৃত বিষয়াগৰাকীৰ পত্নীয়ে। তেওঁৰ অভিযোগ অনুসৰি, হোটেলখনৰ ৰিছেপ্চনত ফোন কৰি খৰ্গেশ্বৰ ৰাভা তাত থকা সন্দৰ্ভত জানিব বিচৰাত তেওঁলোকে হোটেলখনত খৰ্গেশ্বৰ ৰাভা নামৰ কোনো লোক থকা নাই বুলি জনাইছিল। পৰৱৰ্তী সময়ত ইণ্টাৰনেটৰ পৰা হোটেলখনৰ ফোন নম্বৰ সংগ্ৰহ কৰি পুনৰ যোগাযোগ কৰাতহে হোটেলৰ কৰ্মচাৰীয়ে খৰ্গেশ্বৰ ৰাভাৰ গাড়ীখন হোটেলত থকা বুলি জানিবলৈ দিয়ে। এই ঘটনাই হোটেল কৰ্তৃপক্ষৰ ভূমিকা সন্দৰ্ভত প্ৰশ্নৰ অৱতাৰণা কৰিছে বুলি পৰিয়ালৰ লোকে প্ৰকাশ কৰে। আনহাতে আজি ডি এছ পি খৰ্গেশ্বৰ ৰাভাৰ বকোৰ দেলীয়াপাৰাস্থিত বাসগৃহত উপস্থিত হয় নিখিল ৰাভা ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতিৰ লগতে ইয়াৰ সহযোগী সংগঠনৰ নেতৃবৰ্গ। পৰিয়ালৰ লোকক সাক্ষাৎ কৰি শোক প্ৰকাশ কৰাৰ লগতে বিষয়াগৰাকীৰ মৃত্যুৰ আঁৰত কোনো ষড়যন্ত্ৰ আছে নেকি, তাৰো তদন্তৰ দাবী জনায় সংগঠনটোৱে। নিখিল ৰাভা ছাত্ৰ সন্থাৰ কামৰূপ জিলা সমিতিয়ে অভিযোগ কৰে যে হোটেলখনৰ মালিক আৰু কৰ্মচাৰীসকল সুৰাপানত ব্যস্ত থকাৰ ফলত হোটেলত থকা অতিথিসকলৰ প্ৰতি যথোচিত মনোযোগ দিয়া হোৱা নাছিল। অৱশ্যে এই অভিযোগৰ স্বতন্ত্ৰ নিশ্চিতকৰণ হোৱা নাই। ৰাজ্যৰ গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক বিষয়াগৰাকীৰ মৃত্যুৰ ঘটনাৰ শীঘ্ৰে তদন্তৰ ব্যৱস্থা কৰি প্ৰকৃত সত্য পোহৰলৈ অনাৰ লগতে দোষী সাব্যস্ত হোৱা ব্যক্তিৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায় সংগঠনটোৱে।

# শীঘ্ৰে মোকলাই দিব বৃদ্ধ

প্ৰক্ৰিয়া আৰম্ভ কৰিব বিচৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আৰু কয় যে ২০২৭ চনৰ ১ জানুৱাৰীৰ পৰা মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অভিযানৰ বাবেও পুনৰ আবেদন গ্ৰহণ কৰা হ'ব। এইবাৰ ৫০ হাজাৰগৰাকী নিবনুৱাক এই আঁচনিৰ বাবে নিৰ্বাচন কৰি ২ লাখ টকাকৈ প্ৰদান কৰা হ'ব। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীয়ে দুৰ্গাপূজাৰ সময়ত পথ দুৰ্ঘটনাত অধিক লোকৰ মৃত্যু হোৱাত উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয় যে দুৰ্ঘটনা প্ৰতিৰোধ কৰিবৰ বাবে ট্ৰেফিক আইন কঠোৰভাৱে বলৱৎ কৰা হ'ব। তেওঁ আৰু কয় যে বৃদ্ধ পেন্সনৰ ধন হিতাধিকাৰীয়ে নোপোৱা বুলি জনা নাছিলোঁ। অচিৰেই বৃদ্ধ পেন্সনৰ ধন মোকলাই দিয়া হ'ব।

# ডাঃ হৰ্ষ ভট্টাচাৰ্যলৈ অসম বৈভৱ, ৪গৰাকীলৈ

সদৰি কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত কয় যে আজিৰ কেবিনেট বৈঠকত ভাৰতৰত্ন সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ সন্মানাৰ্থে ৰাজ্য চৰকাৰে 'ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় বঁটা' প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই বঁটা প্ৰতি তিনি বছৰৰ মূৰে মূৰে সংগীত, কলা বা চলচ্চিত্ৰ জগতৰ এগৰাকী আন্তঃৰাষ্ট্ৰীয় বা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশিষ্ট ব্যক্তিক প্ৰদান কৰা হ'ব। কেবিনেটে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বঁটাৰ ধনৰাশিৰ পৰিমাণ ১৫ লাখ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱত অনুমোদন জনায়। বঁটাটোৰ গৰিমা বৃদ্ধিৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে শ্ৰীমন্ত শংকৰদেৱ বঁটাপ্ৰাপকৰ নাম অহা বছৰ ঘোষণা কৰা হ'ব। কেবিনেটে ২০২৫ চনৰ ৰাজ্যিক অসামৰিক বঁটা ক্ৰমে অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ প্ৰাপকসকলৰ নাম চূড়ান্ত কৰে। অহা ডিচেম্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া এক অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ২০২৫ চনৰ অসম বৈভৱ বঁটা বিশিষ্ট চিকিৎসক, শংকৰদেৱ নেত্ৰালয়ৰ প্ৰতিষ্ঠাপক ন্যাসৰক্ষী তথা সভাপতি ডঃ হৰ্ষ ভট্টাচাৰ্যলৈ আগবঢ়োৱা হৈছে। বন্যপ্ৰাণী বিশেষজ্ঞ ডঃ কুশল কোঁৱৰ শৰ্মা, কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ, কণ্ঠশিল্পী পুলক বেনাৰ্জী আৰু হাড়গিলা সংৰক্ষণ কৰ্মী ডঃ পূৰ্ণিমা দেৱী বৰ্মনক অসম সৌৰভ বঁটাৰ বাবে বাছনি কৰা হৈছে। অসম গৌৰৱ বঁটাপ্ৰাপকসকল হৈছে ক্ৰমে দেৱীপ্ৰসাদ বাগ্ৰোদিয়া (সমাজকৰ্মী), হলিচৰণ নাৰ্জাৰী (ফুটবল খেলুৱৈ), চিমু দাস (দৃষ্টিহীন ক্ৰিকেট তাৰকা), হৰকান্ত বসুমতাৰী (তৈল খেজুৰ খেতিয়ক), ধনজিৎ তালুকদাৰ (সাঁচিপাত সংৰক্ষণ কৰ্মী), নিবেদিতা য়েইন (খাদ্য আৰু পৰ্যটন উদ্যোগী), মায়ংক চক্ৰৱৰ্তী (দবা খেলুৱৈ), জিতেন ছাৰাফাংছ' (আদা খেতিয়ক), তনুমায়া সোণাৰ বিশ্বকৰ্মা (দুগ্ধপালক), দিকপাল লাহন (ভ্ৰমণ আৰু পৰ্যটন উদ্যোগ), বেচৰকাৰী সংস্থা (কলং-কপিলী) আৰু গোলাঘাটৰ কৃষক উৎপাদক সংস্থা (পদুম পথাৰ এগ্ৰ' অৰ্গেনিক প্ৰডিউচাৰ কোম্পানী লিমিটেড)। আনহাতে ২০২৬ চনৰ ৰাজ্যিক অসামৰিক বঁটাপ্ৰাপকৰ তালিকা চলিত বৰ্ষতে ঘোষণা কৰা হ'ব আৰু অহা জানুৱাৰী অথবা ফেব্ৰুৱাৰী মাহত এই বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ লগতে তেওঁ কয় যে আজিৰ কেবিনেটে 'অসম খনিজ নিয়ন্ত্ৰণ আৰু ব্যৱসায় (সংশোধনী) নিয়মাৱলী ২০২০'ৰ সংশোধনেৰে 'অসম খনিজ নিয়ন্ত্ৰণ আৰু ব্যৱসায় (সংশোধনী) নিয়মাৱলী ২০২৬'ৰ অধিসূচনাত অনুমোদন জনায়। এই সংশোধনীয়ে খনন কৰি উলিওৱা চুণশিলক উচ্চ, মধ্যম আৰু সাধাৰণ চিমেণ্ট গ্ৰেড হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। ইয়াৰ ফলত চৰকাৰে মাত্ৰ এটা নিৰ্দিষ্ট নিৰিখৰ পৰিৱৰ্তে চুণশিলৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হ'ব। কেবিনেটে মেছাৰ্ছ বিটেক প্লাষ্টিক প্ৰাইভেট লিমিটেড (ৰেলস্পান গ্ৰুপ)ৰ এটা বিনিয়োগৰ প্ৰস্তাৱত অনুমোদন জনায়। এই প্ৰতিষ্ঠানটোৱে কামৰূপ জিলাৰ ৰঙিয়াত এটা উদ্যোগ স্থাপনৰ বাবে ৩০৩.৬৯ কোটি টকা বিনিয়োগ কৰিব। এই উদ্যোগটোত প্ৰায় ৩০০জন লোকে সংস্থাপন লাভ কৰিব। কেবিনেটে মিচিং স্বায়ত্তশাসিত পৰিষদ (নিৰ্বাচন) বিধি ২০২৫ আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ (নিৰ্বাচন) বিধি ২০১০ সংশোধনত অনুমোদন জনায়। লগতে নৱেম্বৰ মাহৰ ভিতৰত দুয়োখন পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক ৰাজ্য চৰকাৰে পৰামৰ্শ দিছে। শেহতীয়া এই সংশোধনীৰ পৰিপ্ৰেক্ষিতত এতিয়াৰে পৰা দুয়োখন স্বায়ত্তশাসিত পৰিষদৰ পাৰিষদসকলে একেলগে ৰাজ্যিক বিধানসভাৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিব পৰা ব্যৱস্থা প্ৰৱৰ্তন হ'ব।

**অসম গৌৰৱ বঁটাৰে সন্মানিত ডিমৌৰ দুগ্ধ উদ্যোগী তনুমায়া সোণাৰ বিশ্বকৰ্মা**

**ডিমৌৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** ডিমৌৰ নহাতৰ দুগ্ধ উদ্যোগৰ সৈতে জড়িত মহিলা উদ্যোগী তনুমায়া সোণাৰ বিশ্বকৰ্মাই অসম গৌৰৱ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তনুমায়াই 'যশোদা ডায়েৰী এণ্ড ছুইটছ' নামেৰে দুগ্ধ ব্যৱসায় আৰম্ভ কৰি আত্মনিৰ্ভৰশীলতাৰ নিদৰ্শন দাঙি ধৰিছে। মুখ্যমন্ত্ৰীৰ লাখপতি আঁচনিৰ এগৰাকী হিতাধিকাৰী তনুমায়াই দুগ্ধ ব্যৱসায়ৰ জৰিয়তে নিজৰ কৰ্মসংস্থাপনৰ পথ গঢ়ি তোলাৰ লগতে এগৰাকী সফল উদ্যোগী হিচাপেও পৰিচয় লাভ কৰিছে। অসম গৌৰৱ বঁটা লাভৰ খবৰ লাভ কৰাৰ পাছতে তনুমায়া সোণাৰ বিশ্বকৰ্মাৰ লগতে তেওঁৰ পৰিয়ালবৰ্গ উৎফুল্লিত হৈ পৰিছে।

'এছ আই আৰ' জাপি দি ১৬ কোটি নাগৰিকৰ ভোটাধিকাৰ কৰ্তন

# ৰঙিয়াত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত বিক্ষোভ




**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ২৩ অক্টোবৰ ঃ** ৰঙিয়াত আজি এছ আই আৰ বাতিল, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগ আৰু দেশৰ ভোটাৰ তালিকাৰ পৰা বাদ দিয়া ১৬ কোটি ভাৰতীয় নাগৰিকৰ ভোটাধিকাৰ ওভতাই দিয়াৰ দাবীত এক বিক্ষোভ সমদল বাহিৰ কৰা হয়। 'পিপুলছ এগেইনেষ্ট এছ আই আৰ' মঞ্চৰ উদ্যোগত ৰূপায়িত এই বিক্ষোভ সমদলৰ নেতৃত্ব দিয়ে শ্ৰমিক তথা কৃষক নেতা বাসুদেৱ কলিতা, বিবেকানন্দ অধিকাৰী, শৰৎ কলিতা, বীৰেন্দ্ৰ নাথ শৰ্মা আৰু নৃপেন নাথে। বিক্ষোভ সমদলত ৰঙিয়া আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ শতাধিক ছাত্ৰ, যুৱক, শ্ৰমিক, কৃষক, কৃষি শ্ৰমিক আৰু নেত্ৰীয়ে ভাগ লয়। বিক্ষোভকাৰীসকলে পাছত ৰঙিয়াৰ হাইৰে চ'কত এখন পথসভাৰ আয়োজন কৰে। পথসভাত ভাষণ দি বাসুদেৱ কলিতাই কয় যে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে ভাৰতীয় সংবিধানৰ নীতি-নিৰ্দেশনাক হত্যা কৰিছে। জ্ঞানেশ কুমাৰ দেশৰ গণতন্ত্ৰৰ হত্যাকাৰী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ শ্ৰুতলিপি মতে তেওঁ দেশৰ নিৰ্বাচন ব্যৱস্থা পৰিচালনা কৰিছে। তেওঁ শাসনাধিষ্ঠিত বিজেপিক জিকোৱাৰ স্বাৰ্থত দেশৰ জনতাৰ ওপৰত 'এছ আই আৰ' জাপি দি ১৬ কোটি নাগৰিকৰ ভোটাধিকাৰ কৰ্তন কৰিছে। তেওঁৰ এই অপৰাধ অক্ষমণীয়। ই দেশদ্ৰোহিতাৰ নামান্তৰ। এনে পৰিস্থিতিত এইগৰাকী মুখ্য নিৰ্বাচন আয়ুক্তৰ বিৰুদ্ধে দেশৰ আদালতত ফৌজদাৰী গোচৰ ৰুজু কৰি তেওঁক অতিশীঘ্ৰে গ্ৰেপ্তাৰ কৰিব লাগে যদিও প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰীৰ আশীৰ্বাদপুষ্ট হৈ তেওঁ অদ্যাপি নিজ পদত কাৰ্যনিৰ্বাহ কৰি আছে। দেশৰ সংবিধান আজি সংকটত। এই ব্যৱস্থাৰ পৰা মুক্তি পাবলৈ হ'লে জ্ঞানেশ কুমাৰৰ দৰে ব্যক্তিসকলক প্ৰথমে পদৰ পৰা আঁতৰাই পোতাশালত নিক্ষেপ কৰিব লাগিব।

## ৰূপহীহাটত অচিনাক্ত বৃদ্ধৰ মৃতদেহ উদ্ধাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰূপহীহাট, ২৩ অক্টোবৰ ঃ** ৰূপহীহাট থানাৰ অন্তৰ্গত ৰূপহী মডেল হাস্পতালৰ চৌহদত আজি পুৱা এজন অচিনাক্ত বৃদ্ধ লোকৰ মৃতদেহ উদ্ধাৰ হোৱাত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আজি পুৱা ৰূপহী মডেল হাস্পতালৰ চৌহদত ৬০ৰ উৰ্দ্ধৰ এজন অচিনাক্ত বৃদ্ধ লোকৰ মৃতদেহৰ প্ৰত্যক্ষ কৰে হাস্পতাল কৰ্তৃপক্ষই। ৰূপহীহাট আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে।

নৈশ বাছৰ যাত্ৰীক প্ৰহাৰৰ অভিযোগ

## নগাঁও চহৰৰ মাজমজিয়াত অবৈধ বাছ টিকট কাউণ্টাৰৰ দৌৰাত্ম্য

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**নগাঁও, ২৩ অক্টোবৰ ঃ** নগাঁও চহৰৰ হয়বৰগাঁও-মৰিগাঁও বাছ আস্থানৰ কাষতে চলি আছে কেইবাটাও অবৈধ বাছ টিকট কাউণ্টাৰ। হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত এই কাউণ্টাৰসমূহৰ ছিণ্ডিকেটবাজৰ বাবে প্ৰায়েই হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হয় নৈশবাছৰ যাত্ৰীসকল। যোৱানিশাও নগাঁও চহৰৰ হয়বৰগাঁৱৰ এটা অবৈধ নৈশবাছৰ কাউণ্টাৰৰ ৰাহত মাতব্বৰ নামৰ এজন যুৱকে নৈশবাছৰ এজন যাত্ৰীক প্ৰহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। তেওঁলোকৰ টিকট কাউণ্টাৰৰ পৰা টিকট ক্ৰয় নকৰাৰ বাবেই পৰিয়ালৰ সৈতে অহা জুৰীয়াৰ আক্ৰাম উদ্দিন নামৰ যাত্ৰীজনক শাৰীৰিকভাৱে অপদস্থ কৰে ৰাহত মাতব্বৰ নামৰ যুৱকজনে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত টহলদাৰী আৰক্ষীৰ দল উপস্থিত হোৱাত পলায়ন কৰে অভিযুক্ত যুৱক মাতব্বৰে। উল্লেখ্য যে নিশা লখিমপুৰলৈ যাব বিচৰা যাত্ৰীৰ দলটোৱে ৰাহত মাতব্বৰৰ কাউণ্টাৰৰ টিকট ক্ৰয় নকৰাৰ বাবেই পৰিয়ালৰ সন্মুখতে চোঁচৰাই নি প্ৰহাৰ কৰে আক্ৰাম উদ্দিন নামৰ যাত্ৰীজনক। নগাঁও চহৰৰ মাজমজিয়াত ৰাহতে চলোৱা এই মাতব্বৰৰাজক লৈ উদ্বিগ্ন আৰু শংকিত হৈ পৰিছে বাছযাত্ৰীসকল। উল্লেখ্য যে কমিছনৰ অংকৰ বাবেই নগাঁও চহৰৰ হয়বৰগাঁৱৰ-মৰিগাঁও বাছ আস্থানৰ কাষত গঢ়ি উঠিছে কেইবাটাও অবৈধ টিকট কাউণ্টাৰ। যিসমূহ অবৈধ কাউণ্টাৰ উচ্ছেদ কৰাৰ বাবে প্ৰশাসনক আহ্বান জনাইছে নগাঁৱৰ সচেতন ৰাইজে।

খুমটাইৰ বন বাগিচাত ভয়ংকৰ অগ্নিকাণ্ড

## গেলামালৰ দোকানসহ বাসগৃহ ভস্মীভূত

**দৈনিক অসমৰ প্ৰতিনিধি**

**খুমটাই/মহুৱামুখ, ২৩ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ আনন্দ-উল্লাসৰ মাজতে কালি নিশা গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত কচুপথাৰ গাঁও পঞ্চায়তৰ অঞ্চলৰ বন বাগিচাত সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। অগ্নিকাণ্ডত এখন গেলামালৰ দোকানসহ এটা বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। উল্লেখ্য যে বাগিচাখনৰ অন্তৰ্গত ৰাজহুৱা খেলপথাৰৰ নিচেই সমীপৰ কৃষ্টী তুৰীৰ ঘৰত সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে নিশা কৃষ্টী তুৰী পুত্ৰ আৰু কন্যাসহ শুই থকা অৱস্থাতে এক প্ৰচণ্ড শব্দ হয় আৰু সেই শব্দতে তেওঁলোক সাৰ পাই দেখে যে তেওঁলোকৰ ঘৰটো জুইৰ লেলিহান শিখাই সম্পূৰ্ণৰূপে আওৰি ধৰিছে। ততাতৈয়াকৈ মাক আৰু ভনীয়েকক উঠাই কোনোমতে বাহিৰলৈ আনে আৰু চিঞৰ-বাখৰ কৰাত ঘটনাস্থলীত গাঁওবাসী উপস্থিত হৈ জুই নুমুওৱাৰ আপ্ৰাণ চেষ্টা কৰে। জুইৰ লেলিহান শিখা ইমানেই ভয়ংকৰ আছিল যে জুই নিৰ্বাপণ কৰাটো গাঁওবাসীৰ বাবে সম্ভৱ হৈ নুঠিল। প্ৰচণ্ড শব্দ ক'ৰ পৰা হৈছিল জানিব পৰা নাছিল যদিও পৰৱৰ্তী সময়ত জানিব পাৰি যে তেওঁলোকৰ ঘৰত ব্যৱহৃত চিলিণ্ডাৰৰ বিস্ফোৰণ ঘটিছিল। স্থানীয় লোকে অগ্নি নিৰ্বাপক বাহিনী আৰু কমাৰগাঁও আৰক্ষীক খবৰ দিয়া খবৰৰ ভিত্তিত অগ্নি নিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুওৱাৰ আপ্ৰাণ চেষ্টা কৰে। কিন্তু প্ৰচণ্ড জুইৰ পৰা গেলামালৰ দোকান কিম্বা বাসগৃহৰ কোনো সামগ্ৰী ৰখাবলৈ সক্ষম নহ'ল। পৰিয়ালৰ লোকৰ পৰা জানিব পৰা মতে অগ্নিকাণ্ডত দোকানত থকা এটা আৰু ঘৰত থকা এটা, মুঠ ২টা ফ্ৰীজ, ২টা গডৰেজ, ১টা কাপৰ্ডকে ধৰি এখন পৰিপূৰ্ণ ঘৰৰ সকলো সামগ্ৰী, আ-অলংকাৰ, নগদ ধন প্ৰায় ১.৬ লাখ টকা জুইত জাহ যায়। এই নগদ ধন পূজাত দিয়া দোকানৰ পৰা আয় হোৱা বুলি জনায়। পৰিয়ালৰ পৰা জানিব পৰা মতে অগ্নিকাণ্ডত প্ৰায় ২৫ লাখ টকাৰ ক্ষয়-ক্ষতি হয়। পুৱা খুমটাই চক্ৰ বিষয়া কাৰ্যালয়ৰ পৰা অহা এটা দলে সমগ্ৰ ঘটনাৰ বুজ লোৱাৰ লগতে ভুক্তভোগীৰ হাতত এখন তিৰ্পাল দিয়ে বুলি জানিবলৈ দিয়ে। পুৱাই বাগিচাখনৰ পৰিচালক ৰূপম কুমাৰ সন্দিকে ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ বুজ লোৱাৰ লগতে এটা বাগিচাৰ কৰ্মচাৰী দল নিয়োগ কৰি জুইত ভস্মীভূত হোৱা সকলোবোৰ পৰিষ্কাৰ কৰাৰ লগতে অস্থায়ীভাৱে এটা বাসগৃহ নিৰ্মাণ কৰাৰ চেষ্টা কৰে। ঘটনাৰ খবৰ পাই আটছাৰ কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদক ৰাবুল তুৰী স্থানীয় কেইবাজনো বিষয়ববীয়াৰ সৈতে ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়।



ধৰ্মীয় পৰিৱেশত উদ্বোধনী অনুষ্ঠান

## ভালুকডুবিত কালী মন্দিৰৰ নৱনিৰ্মিত দেৱগৃহৰ দ্বাৰ মুকলি

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৱালপাৰা, ২৩ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ ভালুকডুবিস্থিত শ্ৰীশ্ৰী মা কালী মন্দিৰৰ নৱনিৰ্মিত দেৱগৃহৰ দ্বাৰ মুকলি আৰু প্ৰৱেশ অনুষ্ঠান আজি ধৰ্মীয় পৰম্পৰা আৰু ভক্তিমূলক পৰিৱেশৰ মাজেৰে অনুষ্ঠিত হয়। এই উপলক্ষে মন্দিৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচী গ্ৰহণ কৰা হয়। শ্ৰীশ্ৰী মা কালী মন্দিৰ পৰিচালনা সমিতি আৰু অভ্যৰ্থনা সমিতিৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত পুৱা ৯.৩০ বজাৰ পৰা ১১.৩০ বজাৰ ভিতৰত নৱনিৰ্মিত দেৱগৃহৰ দ্বাৰ মুকলি কৰা হয়। অনুষ্ঠানত গোৱালপাৰা পশ্চিম সমষ্টিৰ বিধায়ক পবিত্ৰ ৰাভাই দেৱগৃহৰ দ্বাৰ মুকলি কৰে। ইয়াৰ পাছতে পুৱা ১১.৩০ বজাৰ পৰা দুপৰীয়া ১.৩০ বজালৈ দেৱগৃহত প্ৰৱেশ আৰু পূজা-অৰ্চনাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। দুপৰীয়া ২ বজাৰ পৰা ৩ বজালৈ ভক্তিপ্ৰাণ ৰাইজৰ মাজত প্ৰসাদ বিতৰণ কৰা হয়। উল্লেখ্য যে শ্ৰীশ্ৰী মা কালী মন্দিৰ অঞ্চলটোৰ ভক্তিপ্ৰাণ ৰাইজৰ বাবে এক উল্লেখযোগ্য ধৰ্মীয় উপাসনাস্থলী। নৱনিৰ্মিত দেৱগৃহৰ দ্বাৰ মুকলি অনুষ্ঠানক কেন্দ্ৰ কৰি অঞ্চলটোত ভক্তি আৰু উৎসাহৰ পৰিৱেশৰ সৃষ্টি হয়। অনুষ্ঠানত ভক্তিপ্ৰাণ ৰাইজৰ অংশগ্ৰহণে ধৰ্মীয় ঐক্য, সম্প্ৰীতি আৰু আধ্যাত্মিক চেতনাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰে। মন্দিৰ পৰিচালনা সমিতিয়ে অনুষ্ঠানটো সফল কৰি তোলাত সহযোগিতা আগবঢ়োৱা সকলো ভক্তিপ্ৰাণ ৰাইজৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

আন্তৰ্জাতিক গণিত অলিম্পিয়াড

## গোলাঘাট জিলাৰ ১০ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**গোলাঘাট, ২৩ অক্টোবৰ ঃ** আন্তৰ্জাতিক গণিত অলিম্পিয়াডৰ প্ৰথমটো ঢাপ ইণ্ডিয়ান অলিম্পিয়াড কোৱালিফায়াৰ ইন মেথেমেটিক্সৰ ফল কালি প্ৰকাশ কৰা হয়। হোমি ভাবা চেণ্টাৰ ফৰ ছায়েন্স এডুকেচন আৰু মেথেমেটিক্স টীচাৰ্ছ এছ'চিয়েচনৰ যুটীয়া সহযোগত অনুষ্ঠিত এইবাৰৰ পৰীক্ষাত গোলাঘাট জিলাৰ ১০জন ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ পৰৱৰ্তী আঞ্চলিক গণিত অলিম্পিয়াডৰ বাবে যোগ্যতা অৰ্জন কৰে। গোলাঘাট জিলাৰ দিল্লী পাব্লিক স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ আৰন দত্ত, স্নেহাংকৰ গগৈ, জছায়া জিম্মী, একাদশ শ্ৰেণীৰ নভস্বান ভট্ট, কৈৰৱ কভীন আৰু নৱম শ্ৰেণীৰ বৰ্ণিল কৌশিক উত্তীৰ্ণ হয়। একেদৰে চেক্ৰেড হাৰ্ট হাইস্কুলৰ অষ্টম শ্ৰেণীৰ আয়ুশী শইকীয়া, প্ৰাগজ্যোতিকা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দশম শ্ৰেণীৰ ডেলিছা দিলনাজ আহমেদ, একাদশ শ্ৰেণীৰ তন্ময় শইকীয়া আৰু শ্ৰী সত্যসাই বিদ্যা বিহাৰৰ দশম শ্ৰেণীৰ তন্ময় নয়ন দত্ত উত্তীৰ্ণ হয়। উল্লেখ্য যে উত্তীৰ্ণসকলৰ ৭জনেই 'দ্য মেথেমেটিক্স স্কুল'ৰ ছাত্ৰ। গোলাঘাট জিলাখনত গণিত অলিম্পিয়াডৰ প্ৰচাৰ আৰু প্ৰসাৰৰ আঁৰৰ অন্যতম মূল ব্যক্তি, দ্য মেথেমেটিক্স স্কুল'ৰ প্ৰতিষ্ঠাপক আৰু প্ৰশিক্ষক তথা মেথেমেটিকেল ছ'চাইটী, গোলাঘাটৰ শৈক্ষিক সমন্বয়ক সিদ্ধাৰ্থ প্ৰতিম গগৈয়ে জানিবলৈ দিয়া মতে গোলাঘাট জিলাখনত গণিত অলিম্পিয়াডত উত্তীৰ্ণৰ সংখ্যা বৃদ্ধিৰ বাবে পূৰ্বৰ অসম গণিত শিক্ষায়তন, গোলাঘাট শাখা তথা বৰ্তমানৰ মেথেমেটিকেল ছ'চাইটী, গোলাঘাটে অহোপুৰুষাৰ্থ কৰি আহিছে। যোৱাটো বৰ্ষত ভাৰত চৰকাৰৰ উচ্চ গণিতৰ ৰাষ্ট্ৰীয় বোৰ্ড আৰু হোমি ভাবা চেণ্টাৰ ফৰ ছায়েন্স এডুকেচনৰ যুটীয়া পুঁজি আৰু বিশেষ সহযোগত দিল্লী, বাংগালোৰ, গুৱাহাটীৰ পৰা বিশেষজ্ঞ শিক্ষক আনিও ছাত্ৰ-ছাত্ৰীসকলক উচ্চস্তৰীয় প্ৰশিক্ষণ দিয়া হৈছে। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে গোলাঘাট জিলাখনত গণিত অলিম্পিয়াডৰ আগন্তুক কাৰ্যসূচীসমূহৰ বিষয়ে অধিক জানিবলৈ ৭৮৯৬৬২৪০৮৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।

৫৯ সংখ্যক মিৰ্জা আঞ্চলিক ৰাস ক্ৰীড়া উৎসৱ

## লাইখুঁটা স্থাপন বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**পলাশবাৰী, ২৩ অক্টোবৰ ঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত মিৰ্জা আঞ্চলিক ৰাস ক্ৰীড়া উৎসৱৰ আজি লাইখুঁটা স্থাপন কৰা হয়। এক মাংগলিক অনুষ্ঠানৰ মাজেৰে লাইখুঁটা স্থাপন কৰে বিধায়ক হিমাংশু শেখৰ বৈশ্যই। তেওঁ মিৰ্জা আঞ্চলিক ৰাস ক্ৰীড়া উৎসৱৰ সফল ৰূপায়ণ হোৱাৰ কামনা কৰে। এইবেলি পলাশবাৰী সমষ্টিৰ বিধায়কজন মিৰ্জা আঞ্চলিক ৰাস উৎসৱৰ সভাপতিৰ দায়িত্বত আছে। অহা ২৪ নৱেম্বৰৰ পৰা ৪ ডিচেম্বৰলৈ ১১ দিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া ৰাস ক্ৰীড়া উৎসৱত ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি তেওঁ কামনা কৰে। অনুষ্ঠানত বহুসংখ্যক বিষয়ববীয়া, সদস্য উপস্থিত থাকে। উল্লেখ্য যে এইবেলি ৰাস উৎসৱত মৃণ্ময় মূৰ্তিৰ প্ৰদৰ্শনৰ লগতে লখিমপুৰ জিলাৰ



শ্ৰীশ্ৰী গোপাল মহাপ্ৰভু থানৰ কলা-কুশলীসকলৰ দ্বাৰা শ্ৰীশ্ৰী কৃষ্ণৰ মহা ৰাসলীলা প্ৰদৰ্শন কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

## হোজাইৰ বিষ্ণুপল্লীত সন্দেহজনক মাংস উদ্ধাৰক লৈ উত্তেজনা, এজনক গ্ৰেপ্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**হোজাই, ২৩ অক্টোবৰ ঃ** হোজাইৰ বিষ্ণুপল্লী অঞ্চলত কালী মন্দিৰ আৰু দুৰ্গা পূজাৰ মণ্ডপৰ সমীপত সন্দেহজনক মাংস উদ্ধাৰক কেন্দ্ৰ কৰি সৃষ্টি হয় উত্তেজনা। বৃহস্পতিবাৰে নিশা সংঘটিত এই ঘটনাৰ সৈতে জড়িত গোচৰৰ ভিত্তিত আৰক্ষীয়ে ইতিমধ্যে এজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোকজন নখুঁটি অঞ্চলৰ লোকমান আলী বুলি জানিব পৰা গৈছে। তেওঁ হিমায়িত মাংসৰ ব্যৱসায়ৰ সৈতে জড়িত বুলি আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ আহিছে। ঘটনা সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিত আৰক্ষীয়ে ধৃত লোকজনক আজি আদালতত হাজিৰ কৰায়। উল্লেখ্য যে বৃহস্পতিবাৰে নিশা বিষ্ণুপল্লীৰ কালী মন্দিৰ আৰু দুৰ্গা পূজাৰ মণ্ডপৰ সমীপৰ পথত এটা টোপোলাত সন্দেহজনক মাংস উদ্ধাৰ হোৱাৰ পাছতে অঞ্চলটোত উত্তেজনাৰ সৃষ্টি হয়। স্থানীয় লোকসকলে ঘটনাটো প্ৰত্যক্ষ কৰি পথ অৱৰোধ কৰে। নিশা প্ৰায় ১২ বজালৈকে অঞ্চলটোত উত্তপ্ত পৰিস্থিতি বিৰাজ কৰাত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ঘটনাস্থলীত উপস্থিত হয় আৰক্ষীৰ শীৰ্ষ বিষয়া আৰু দণ্ডাধীশ। গভীৰ নিশালৈ আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনাত মিলিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলায়। ঘটনাৰ সৈতে জড়িত লোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱা স্থানীয় লোকসকলক আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰৰ আশ্বাস দিয়ে। ইফালে, ঘটনা সন্দৰ্ভত এজন লোকক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱা হৈছে যদিও অঞ্চলটোত এতিয়াও চেপা উত্তেজনাই বিৰাজ কৰিছে।

## তিতাবৰত শিক্ষয়িত্ৰী অৰুণিমা বৰা কলিতাৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**

**তিতাবৰ, ২৩ অক্টোবৰ ঃ** তিতাবৰৰ শিলিখাবাৰী গ্ৰাণ্টত অৱস্থিত আইজনী হাজৰিকা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অৰুণিমা বৰা কলিতাই অৱসৰ ল'বলৈ মাজত মাত্ৰ পাঁচ মাহ সময় থাকোঁতেই উচ্চৰক্তচাপ আৰু হৃদজনিত কাৰণত কালি পুৱা ৪ বজাত যোৰহাট মিছনেৰী হাস্পতালত ৫৯ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁ স্বামী পুলিন কলিতা আৰু একমাত্ৰ পুত্ৰ সন্তান জ্যোতিষ্মান কলিতাক এৰি থৈ যায়। মৃত্যুৰ খবৰ পাই অজস্ৰ গুণমুগ্ধ আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

## হোজাইৰ দাৰীয়াবস্তি গাঁৱত গৰু চুৰি

**দৈনিক অসমৰ প্ৰতিনিধি**

**হোজাই, ২৩ অক্টোবৰ ঃ** হোজাইৰ দাৰীয়াবস্তি গাঁৱত সংঘটিত হৈছে গৰু চুৰিৰ ঘটনা। গীতাশ্ৰম পৰিচালনা সমিতিৰ সভাপতি উমাশংকৰ গোস্বামীৰ ঘৰৰ গোহালিৰ পৰা চোৰে চুৰি কৰি লৈ যায় এটা গৰু। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত সৃষ্টি হৈছে চাঞ্চল্যৰ। স্থানীয় ৰাইজৰ ভাষ্য অনুসৰি, বিগত এমাহৰ ভিতৰত অঞ্চলটোত কেইবাটাও গৰু আৰু কুকুৰ চুৰি হৈছে। এটাৰ পাছত এটাকৈ সংঘটিত হোৱা এনে চুৰিৰ ঘটনাই চিন্তিত কৰি তুলিছে অঞ্চলবাসীক। এনে পৰিস্থিতিত নিশাৰ ভাগত নিজৰ পশুধনৰ নিৰাপত্তাক লৈ উদ্বিগ্ন হৈ পৰিছে স্থানীয় ৰাইজ। অঞ্চলটোত সংঘটিত হৈ থকা চুৰিৰ ঘটনাসমূহ ৰোধ কৰিবলৈ আৰক্ষীক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে। ইফালে ঘটনাৰ পাছত হোজাই সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰামকৃষ্ণ ঘোষ আৰু আৰক্ষীৰ লোকে পৃথকে পৃথকে উপস্থিত হৈ ঘটনাৰ বুজ লোৱা দেখা যায়।

## সাহপুৰত বিশিষ্ট অভিনেতা বিপুল বৰ্মনলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি




**দৈনিক অসমৰ প্ৰতিনিধি**

**চামতা, ২৩ অক্টোবৰ ঃ** পশ্চিম নলবাৰীৰ চামতাৰ খাটাৰুপীয়াবাথান গাঁৱৰ সাহপুৰ নিবাসী বিশিষ্ট অভিনেতা, শিক্ষক, সমাজকৰ্মী, সদ্যপ্ৰয়াত বিপুল বৰ্মনৰ আজি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন হয়। শ্ৰীমন্ত কলা নিকেতন, চামতাৰ উদ্যোগত, প্ৰয়াত বিশিষ্ট সাংস্কৃতিক কৰ্মী বিপুল বৰ্মনৰ বাসগৃহত, কলা নিকেতনৰ কাৰ্যকৰী সভাপতি, শিল্পী পেন্সনাৰ উমেশ দত্তৰ সঞ্চালনাত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভণিতে বিপুল বৰ্মনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে তেওঁৰ সহধৰ্মিণী ৰীতা বৰ্মনে। ইয়াৰ পাছত পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰয়াত বৰ্মনৰ স্মৃতিচাৰণ কৰে শ্ৰীমন্ত কলা নিকেতনৰ সভাপতি অমৰেন্দ্ৰ চৌধুৰী, সম্পাদক জয়ন্ত তালুকদাৰ, বিষয়ববীয়া অজিত চৌধুৰী, ঘনকান্ত বৈশ্য, শৰৎ শৰ্মা, নিপুল বৰ্মন, ফাইজুৰ ৰহমান, সুৰেন বৰ্মন, ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ সম্পাদক ভগৱান বৰ্মন, ধৰ্মপুৰ জ্ঞানদায়িনী সভা, দুৰ্গা পূজাৰ প্ৰাক্তন সভাপতি ভাৰত চন্দ্ৰ তালুকদাৰ, পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ উপদেষ্টা ৰাজেন বৈশ্য, কুলবিল উত্তম সুন্দৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিনেতা তালুকদাৰ, নদলাৰ শংকৰদেৱ এম ই স্কুলৰ সভাপতি সুবোধ বৰ্মন, শিক্ষক ৰত্নেশ্বৰ বৰ্মন, পল্লৱ ৰাজবংশী, প্ৰণৱ তালুকদাৰ, অৰ্জুন বৰ্মন, ধৰ্মপুৰ জ্ঞানদায়িনী হাইস্কুলৰ শিক্ষক অজিত বৰ্মন, তাৰকেশ্বৰ তালুকদাৰ (মাজু) আদিয়ে।

দলৌজান বাগিচাত চাঞ্চল্য

## শিশুক ধৰ্ষণৰ চেষ্টা কৰা লম্পটক গ্ৰেপ্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**আঠখেলীয়া, ২৩ অক্টোবৰ ঃ** গোলাঘাটৰ দলৌজান চাহ বাগিচাত আজি এটা লম্পটক ৰাইজে কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। ৰাইজে অভিযোগ কৰা মতে মৰিয়নিৰ চৈকটা বাগানৰ পৰা দলৌজান বাগানলৈ ফুৰিবলৈ অহা ৰুবুল কেওট নামৰ এজন যুৱকে এটি চাৰি বছৰীয়া কন্যাশিশুক বাগিচাৰ নলাৰ কাষত ধৰ্ষণৰ অপচেষ্টা কৰে। শিশুটিয়ে পুৰণা লাইনৰ পৰা বাবু লাইনলৈ আহোঁতে এটা নলা পাৰ হোৱাৰ চেষ্টা কৰাৰ সময়তে লম্পট ৰুবুলে শিশুটিক শাৰীৰিক নিৰ্যাতন কৰে। এই দৃশ্য বাগিচাৰ লোকে দেখা পাই লম্পটটোক কৰায়ত্ত কৰি উত্তম-মধ্যম দি জোতা-চেণ্ডেলৰ মালা পিন্ধায় আৰু জামুগুৰি থানাৰ আৰক্ষীক গতাই দিয়ে।

## কৃষ্ণ বৰিৰ মৃত্যুত অফলা অঞ্চলত শোকৰ ছাঁ



**দৈনিক অসমৰ প্ৰতিনিধি**

**মহুৱামুখ, ২৩ অক্টোবৰ ঃ** বোকাখাত বিধানসভা সমষ্টিৰ উত্তৰ মহুৰা গাঁও পঞ্চায়তৰ ১ নং অফলা গাঁৱৰ নিবাসী কৃষ্ণ বৰি (৭২)ৰ কালি সন্ধিয়া বোকাখাত শ্বহীদ কমলা মিৰি চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। পুৱাবেলা হঠাৎ অসুস্থ হৈ পৰাত ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও সন্ধিয়া তেওঁৰ মৃত্যু হয়। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে কৃষ্ণ বৰি জড়িত হৈ সামাজিক কাম-কাজ কৰি আহিছিল। এসময়ত দুৰ্দান্ত ফুটবল খেলুৱৈ হিচাপে জনাজাত বৰিৰ মৃতদেহ ঘৰলৈ আনি পৰিয়ালৰ লোকে নীতি-নিয়মৰ মাজেৰে আজি শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰি আত্মীয়-স্বজনৰ লগতে ৰাইজৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰে। মৃত্যুৰ সময়ত তিনিজন পুত্ৰ, বোৱাৰী, কেইবাগৰাকীও জী-জোঁৱাই, নাতি-নাতিনীক এই সংসাৰত এৰি থৈ গৈছে বৰিয়ে।

## শ'লগুৰি সত্ৰত ২৩-২৪ নৱেম্বৰত ৰাস মহোৎসৱৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**নামতি, ২৩ অক্টোবৰ ঃ** শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত ঐতিহাসিক শ্ৰীশ্ৰী শলগুৰি সত্ৰৰ যোড়শ বাৰ্ষিক শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ অহা ২৩ আৰু ২৪ নৱেম্বৰত আয়োজনৰ প্ৰস্তুতি চলোৱা হৈছে। অঞ্চলবাসীৰ প্ৰবল আগ্ৰহ আৰু অনুৰোধৰ প্ৰতি সঁহাৰি জনাই ৰাস মহোৎসৱভাগি ৰাস পূৰ্ণিমা তিথিত পুনৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। ঐতিহাসিক শ্ৰীশ্ৰী শ'লগুৰি সত্ৰৰ পৃষ্ঠপোষকতাত, সত্ৰীয়া সংস্কৃতি চৰ্চা কেন্দ্ৰ পৰমানন্দৰ উদ্যোগত আৰু সমীপৱৰ্তী অঞ্চলৰ ৰাইজৰ সহযোগত এই ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। ৰাস মহোৎসৱ অনুষ্ঠিত কৰাৰ উদ্দেশ্যে আয়োজিত এক ৰাজহুৱা সভাই কুমুদ হাজৰিকাক সভাপতি, গুণগোবিন্দ নাথক কাৰ্যকৰী সভাপতি আৰু প্ৰাঞ্জল বুঢ়াগোহাঁইক সম্পাদক হিচাপে লৈ যোড়শ বাৰ্ষিক শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন সমিতি গঠন কৰে। ইফালে, ৰাস মহোৎসৱৰ প্ৰস্তুতিৰ অংশ হিচাপে অহা লক্ষ্মী পূৰ্ণিমা তিথিৰ দিনা ৰাসলীলাৰ আনুষ্ঠানিক নাটমেলা অনুষ্ঠান অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিছে উদ্‌যাপন সমিতিয়ে।

বিহপুৰীয়াৰ বিধায়ক ভূপেন কুমাৰ বৰাক স্মাৰকপত্ৰ প্ৰদান

## পৌৰসভাৰ ভূমিত বজাৰ নিৰ্মাণৰ বিৰোধিতা

**দৈনিক অসমৰ প্ৰতিনিধি**

**নাৰায়ণপুৰ, ২৩ অক্টোবৰ ঃ** বিহপুৰীয়া পৌৰসভা সংলগ্ন মূল চৰকাৰী ভূখণ্ডত ব্যৱসায়িক মাৰ্কেট নিৰ্মাণৰ প্ৰস্তাৱিত সিদ্ধান্তক কেন্দ্ৰ কৰি বিহপুৰীয়াত ৰাজহুৱা প্ৰতিবাদ আৰু অসন্তোষ তীব্ৰতৰ হৈ পৰিছে। এই সিদ্ধান্ত পুনৰ বিবেচনা কৰি এই ভূখণ্ডত ব্যৱসায়িক গৃহৰ সলনি এটা মুকলি সাংস্কৃতিক মঞ্চ আৰু সু-পৰিকল্পিত পাৰ্কিং জ'ন নিৰ্মাণৰ দাবীত বিহপুৰীয়াৰ বিভিন্ন দল-সংগঠনৰ লগতে সচেতন নাগৰিকসকলে ৭৩ নং বিহপুৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন কুমাৰ বৰাক পৃথকে পৃথকে স্মাৰকপত্ৰ প্ৰদান কৰে। বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল দেউৰী আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বিকাশ শইকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিহপুৰীয়া আঞ্চলিক সমিতিৰ সভাপতি পংকজ বৰা আৰু সাধাৰণ সম্পাদক নৱবিকাশ ফুকন আৰু সদৌ অসম ঠেঙাল কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ হাজৰিকাই এই সন্দৰ্ভত পৃথকে পৃথকে স্মাৰকপত্ৰ প্ৰদান কৰাৰ লগতে স্থানীয় সচেতন ৰাইজৰ তৰফৰ পৰাও একে বিষয়তে অন্য এখন স্মাৰকপত্ৰ বিধায়কক প্ৰদান কৰে। স্মাৰকপত্ৰত দল-সংগঠন আৰু সচেতন ৰাইজে স্পষ্টভাৱে আঙুলিয়াই দিয়ে যে নগৰখনৰ একেবাৰে কেন্দ্ৰস্থলত থকা এই গুৰুত্বপূৰ্ণ খালী ভূমিত কংক্ৰিটৰ ব্যৱসায়িক বজাৰ নিৰ্মাণ কৰিলে ভৱিষ্যতে নগৰখনে এক ভয়াৱহ সমস্যাৰ মুখামুখি হ'ব। বৰ্তমান বিহপুৰীয়া নগৰত কোনোধৰণৰ সু-পৰিকল্পিত পাৰ্কিং ব্যৱস্থা নথকাৰ বাবে মূল পথসমূহতেই দৈনিক যান-বাহনসমূহ ৰখাবলগীয়া হৈছে, যাৰ ফলত প্ৰতিদিনে ভয়াৱহ যান-জঁটৰ সৃষ্টি হয়। ইয়াৰ উপৰি নগৰখনৰ মাজমজিয়াত কোনোধৰণৰ ৰাজহুৱা সভা-সমিতি বা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ এটা আধুনিক মুকলি স্থানৰ এক বহুদিনীয়া অভাৱ পৰিলক্ষিত হৈ আহিছে। উল্লেখ্য যে বিভিন্ন সময়ত মূল ৰাজ্যিক ঘাইপথ আৱদ্ধ কৰি বিহপুৰীয়াৰ বিভিন্ন দল-সংগঠনে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰি যাতায়াত ব্যৱস্থাত জটিলতাৰ সৃষ্টি কৰি আহিছে। সেয়েহে, মূল পথ আৰু বজাৰ এলেকা যান-জঁটমুক্ত কৰাৰ উদ্দেশ্যৰে এই স্থানত মাৰ্কেট নিৰ্মাণৰ সিদ্ধান্ত স্থগিত ৰাখি এখন মুকলি সাংস্কৃতিক মঞ্চ, ৰাজহুৱা প্ৰাংগণ, সু-ব্যৱস্থিত পাৰ্কিং এলেকা আৰু সেউজ পৰিৱেশ সংৰক্ষণৰ বাবে সকলোৱে দাবী উত্থাপন কৰিছে। ইফালে ব্যৱসায়িক মাৰ্কেট বা বাণিজ্যিক গৃহ নিৰ্মাণৰ বাবে নগৰখনৰ পৰিধি এলেকাত একাধিক বিকল্প চৰকাৰী ভূমি উপলব্ধ থকা বুলি উল্লেখ কৰি, মাৰ্কেট নিৰ্মাণৰ বাবে সেই বিকল্প স্থানসমূহ ব্যৱহাৰ কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে বিহপুৰীয়াক এখন সু-পৰিকল্পিত, সেউজীয়া আৰু যান-জঁটমুক্ত আদৰ্শ নগৰ হিচাপে গঢ়ি তুলিবলৈ সকলোৱে আহ্বান জনাইছে।

### কৃষকে পোৱা নাই পানী ■ জহি-খহি গৈছে যন্ত্ৰ

# চাম্পুপাৰাৰ অগভীৰ নলীনাদ আঁচনি বিকল



**দৈনিক অসমৰ প্ৰতিনিধি**
**সোণতলী, ২৩ অক্টোবৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত চাম্পুপাৰা গাঁও আৰু চাম্পুপাৰা পথাৰৰ অগভীৰ নলীনাদ আঁচনি বিকল হৈ পৰিছে। অগভীৰ নলীনাদ আঁচনিৰ জৰিয়তে স্থাপন কৰা হ’ল ঠিকেই, পিছে আজিলৈকে ইয়াৰ দ্বাৰা পথাৰত পানী যোগান সম্ভৱ নহ’ল। দুই দশকৰ অধিক কাল ধৰি আঁচনিৰ পৰা দৰিদ্ৰ কৃষক ৰাইজ উপকৃত হোৱাৰ পৰিৱৰ্তে বিপৰ্যয়ৰহে সন্মুখীন হৈ থাকিল। আনকি আঁচনিৰ সৈতে সংযোগ কৰা বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰটোও বিকল হৈ পৰিছে। অষ্টম দশকৰ শেষৰ পিনে জলসিঞ্চন বিভাগে গৰৈমাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত এই আঁচনিৰ পৰা ৰাইজ আজিলৈকে তিলমানো উপকৃত হ’ব পৰা নাই। ফাইলতে সীমাবদ্ধ হৈ আছে অগভীৰ নলী-নাদ আঁচনি। চাম্পুপাৰা, দক্ষিণ মহিমাৰীকে ধৰি সম্পূৰ্ণৰূপে বতৰৰ ওপৰত নিৰ্ভৰশীল অঞ্চলটোত দুই-এজন অৱস্থাপন্ন খেতিয়কে বতৰলৈ বাট নাচাই পথাৰতে ছেল’ মেচিন স্থাপন কৰি প্ৰয়োজনসাপেক্ষে পথাৰত পানীৰ ব্যৱস্থা কৰি লৈছে। ইতিমধ্যে আঁচনি দুখনত পূৰ্বে নিয়োজিত কৰ্মচাৰীসকল বিনা আয়াসতে বছৰ বছৰ ধৰি কাম নকৰাকৈয়ে কোষাগাৰৰ ধন নিয়মীয়াকৈ লাভ কৰি থকা বুলি জানিব পৰা গৈছে। তেওঁলোকক মাহিলি বেতন চৰকাৰে দিবই লাগিব। আঁচনি দুখন বিকল হৈ থকাত এতিয়া মেচিনঘৰো জহি-খহি যাবলৈ ধৰিছে। কৃষক জনসাধাৰণৰ সুবিধাৰ্থে চাম্পুপাৰাৰ অগভীৰ নলীনাদ আঁচনি দুখন কাৰ্যক্ষম কৰি শীঘ্ৰে পথাৰত পানী যোগানৰ ব্যৱস্থা ল’বলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

## ৰমেশ চন্দ্ৰ শৰ্মা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয় আদৰ্শ উচ্চমাধ্যমিক বিদ্যালয়ৰ কৃতী শিক্ষক, অৱসৰপ্ৰাপ্ত উপ-প্ৰধান শিক্ষক তথা শিক্ষাবিদ প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মাৰ ৯১ সংখ্যক জন্মবাৰ্ষিকী। এই উপলক্ষে সুৰজিৎ একাডেমীৰ উদ্যোগত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা,২০২৬ৰ ফলাফল ঘোষণা কৰা হয়। প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হৈছিল। ‘ক’ শাখাত প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ আৰু ‘খ’ শাখাত পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক অন্তৰ্ভুক্ত কৰা হৈছিল। ‘ক’ শাখাৰ বিষয়বস্তু আছিল ‘স্বচ্ছ আৰু সেউজীয়া ঃ মোৰ সপোনৰ বিদ্যালয়’ আৰু ‘খ’ শাখাৰ বিষয়বস্তু আছিল ‘ছাত্ৰ-ছাত্ৰীৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ’। অসমৰ উপৰি ভাৰতৰ বিভিন্ন ৰাজ্যৰ প্ৰায় দুই হাজাৰৰো অধিক প্ৰতিযোগীয়ে অনলাইনযোগে এই চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ ফলাফল অনুসৰি ‘ক’ শাখাত প্ৰথম স্থান লাভ কৰে কেৰালামৰ কোঝিকোডৰ চেম্মৰথুৰ এল পি স্কুলৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰী লক্ষ্মী পাৰ্বতী এমে। দ্বিতীয় স্থান লাভ কৰে অসমৰ দিছপুৰৰ সুদৰ্শন পাব্লিক স্কুলৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ জীয়ান কলিতাই আৰু তৃতীয় স্থান লাভ কৰে নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰী কৃতিকা ডেকাই। আনহাতে ‘খ’ শাখাত প্ৰথম স্থান লাভ কৰে বৰসজাইস্থিত মহৰ্ষি বিদ্যা মন্দিৰৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ নিৰ্জুমন বৰাই। দ্বিতীয় স্থান লাভ কৰে একেখন বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ জিষ্ণু দীপ বৰাই আৰু তৃতীয় স্থান লাভ কৰে জাপৰিগোগ উচ্চ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ মৌচম দাসে। প্ৰতিযোগিতাত স্থান লাভ কৰা শিক্ষাৰ্থীসকলক মানপত্ৰ আৰু পুৰস্কাৰৰ ধন প্ৰদান কৰা হ’ব বুলি সুৰজিৎ একাডেমীৰ তৰফৰ পৰা জনোৱা হৈছে।

## ক্ষুদ্ৰধনৰাত শ্যামা পূজাৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**ঘগ্ৰাপাৰ, ২৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ওচৰৰ ক্ষুদ্ৰধনৰাত অহা ৭ আৰু ৮ নৱেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰীশ্যামা পূজাৰ আয়োজন কৰা হৈছে। এই পূজাৰ সকলো কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে দীপক দাসক সভাপতি, নিকুমণি শৰ্মাক কাৰ্যকৰী সভাপতি আৰু অজয় দাসক সম্পাদক হিচাপে লৈ ইতিমধ্যে এখন পূজা পৰিচালনা সমিতি গঠন কৰিছে। পূজাৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত গোপাল মন্দিৰৰ পতাকা উত্তোলন কৰিব ক্ষুদ্ৰধনৰা গাঁও উন্নয়ন সমিতিৰ সভাপতি উমেশ দাসে। শ্যামা পূজাৰ পতাকা উত্তোলন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক লক্ষ্মীকান্ত শৰ্মাই। ইয়াৰ পাছতে কুৰিগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন কৰা হ’ব। শ্বহীদ তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক থানেশ্বৰ গোস্বামীয়ে। দুপৰীয়াৰ ভাগত শিশুসকলৰ মাজত খেল-ধেমালি, চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব গাঁওপ্ৰধান ফুকন দাসে। সন্ধিয়া ৫ বজাত আয়তীৰ নাম প্ৰদৰ্শন। নিশা ৮ বজাত বঁটা বিতৰণী অনুষ্ঠান সঞ্চালনা কৰিব পূজা পৰিচালনা সমিতিৰ সভাপতি দীপক দাসে। দ্বিতীয় দিনা সন্ধিয়া ৫ বজাত দ্বাৰ উন্মোচন কৰিব দেৱেন শৰ্মাই। সন্ধিয়া ৫.৩০ বজাত কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাঞ্জলি অৰ্পণ অনুষ্ঠান। সন্ধিয়া ৭ বজাত ডেৰকুৰি বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন। নিশা ৮.৩০ বজাত নাগাৰা নাম পৰিৱেশন উদ্বোধন কৰিব সমাজকৰ্মী সৈতন্য শৰ্মাই। নিশা ২ বজাত প্ৰসাদ বিতৰণ আৰু সমূহীয়া ভোগ গ্ৰহণ।

### অভয়াপুৰী সাহিত্য চ’ৰাৰ উদ্যোগ

## অসম ভিত্তিত কবিতা চুটিগল্পৰ পাণ্ডুলিপি প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**
**অভয়াপুৰী, ২৩ অক্টোবৰ ঃ** অভয়াপুৰী সাহিত্য চ’ৰাৰ উদ্যোগত বিগত বৰ্ষৰ দৰে এইবেলিও ‘যামিনীকান্ত ৰায় সোঁৱৰণী’ আৰু ‘কমল দাস সোঁৱৰণী’ সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰিছে। চ’ৰাৰ মুখ্য সম্পাদক অংকুৰ দাসে জনোৱা মতে যুৱপ্ৰজন্মক সাহিত্যচৰ্চাৰ প্ৰতি আগ্ৰহী আৰু প্ৰতিভা বিকাশৰ উদ্দেশ্যে চল্লিশ বছৰৰ অনূৰ্দ্ধৰ যুৱতীৰ পৰা লেখা বিচাৰিছে। অসম ভিত্তিত আয়োজন কৰা প্ৰতিযোগিতাৰ বিষয় চুটিগল্প আৰু কবিতা। কবিতাৰ শিতানত ২০টা কবিতাৰ পাণ্ডুলিপি পঠিয়াব লাগিব আৰু খামৰ ওপৰত ‘কমল দাস সোঁৱৰণী’ বুলি লিখিব লাগিব। আনহাতে, চুটিগল্প শিতানত এটা চুটিগল্প পঠিয়াব লাগিব আৰু খামৰ ওপৰত ‘যামিনীকান্ত ৰায় সোঁৱৰণী’ বুলি লিখিব লাগিব। লেখকে সম্পূৰ্ণ নাম-ঠিকনা লিখি বয়সৰ প্ৰমাণপত্ৰ গাঁঠি দিব লাগিব। লেখা জমা দিয়াৰ শেষ তাৰিখ ১০ নৱেম্বৰ, ২০২৬ চন। লেখা পঠিওৱাৰ ঠিকনা অংকুৰ দাস, মুখ্য সম্পাদক, অভয়াপুৰী সাহিত্য চ’ৰা ৰৌমাৰী, ৱাৰ্ড নং ৩, এল বি একাডেমীৰ ওচৰত ডাকঃ অভয়াপুৰী, জিলা ঃ বঙাইগাঁও (অসম), পিন ঃ ৭৮৩৩৮৪, ফোন ঃ ৭০০২৫৫০৬৪৭। ই মেইল ঃ ankurd1184@gmail.com। উল্লেখ্য যে নৱেম্বৰ মাহত হ’বলগীয়া চ’ৰাৰ বৰ্ষপূৰ্তি অনুষ্ঠানত প্ৰতিযোগিতাত পুৰস্কাৰৰ বাবে বিবেচিতক বঁটা প্ৰদান কৰা হ’ব। বঁটাত থাকিব নগদ ধনৰ টোপোলা, কিতাপ/মুখপত্ৰ, ট্ৰফী আদি।

## কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়ত ত্ৰিভাষিক শব্দকোষ প্ৰস্তুতকৰণৰ ছদিনীয়া কৰ্মশালাৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোৰেশ্বৰ, ২৩ অক্টোবৰ ঃ** ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ উচ্চ শিক্ষা বিভাগৰ অধীনস্থ বৈজ্ঞানিক আৰু কাৰিকৰী পৰিভাষা আয়োগৰ উদ্যোগত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু প্ৰাচীন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰীত অহা ২৫ অক্টোবৰৰ পৰা ছদিনীয়া কাৰ্যসূচীৰে ৰাজনীতি বিজ্ঞান বিষয়ৰ ত্ৰিভাষিক শব্দকোষ প্ৰস্তুতকৰণৰ কৰ্মশালা অনুষ্ঠিত হ’ব। কৰ্মশালাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বিশ্ববিদ্যালয়খনৰ মাননীয় উপাচাৰ্য অধ্যাপক প্ৰহ্লাদ আৰ যোশীয়ে। বৈজ্ঞানিক আৰু কাৰিকৰী পৰিভাষা আয়োগৰ সহকাৰী সঞ্চালক (ৰাজনীতি বিজ্ঞান) ডঃ শ্বাহজাদ আহমদ আনছাৰীৰ সমন্বয়ত অনুষ্ঠিত এই কৰ্মশালাত বিশ্ববিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ মদন চন্দ্ৰ বড়োৱে স্থানীয় সমন্বয়ক তথা বিষয় বিশেষজ্ঞ হিচাপে দায়িত্ব পালন কৰিব। আয়োগৰ ‘ত্ৰিভাষিক শব্দকোষ (অভিধান) প্ৰস্তুতকৰণ (বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীৰ বাবে ২৪০০ শব্দৰ শব্দকোষ)’ শীৰ্ষক আঁচনিৰ অধীনত এই কৰ্মশালাৰ আয়োজন কৰা হৈছে । এই আঁচনিৰ মূল উদ্দেশ্য হৈছে বিদ্যালয় পৰ্যায়ৰ পাঠদান আৰু শিক্ষণৰ বাবে উপযোগী ২৪০০টা শব্দৰ এখন শব্দকোষ প্ৰস্তুত কৰাৰ লগতে হিন্দী আৰু অন্যান্য আধুনিক ভাৰতীয় ভাষাত বৈজ্ঞানিক আৰু কাৰিকৰী পৰিভাষাৰ বিকাশ আৰু মানকীকৰণ কৰা হ’ব। প্ৰস্তাৱিত শব্দকোষখনত ৰাজনীতি বিজ্ঞান বিষয়ত বহুলভাৱে ব্যৱহৃত মৌলিক ইংৰাজী শব্দসমূহৰ হিন্দী আৰু বড়ো ভাষাৰ সমাৰ্থক পৰিভাষা সন্নিৱিষ্ট কৰা হ’ব। ইয়াৰ জৰিয়তে বড়ো ভাষাত ৰাজনীতি বিজ্ঞানৰ শৈক্ষিক পৰিভাষাৰ বিকাশ আৰু প্ৰসাৰ ঘটিব বুলি আশা কৰা হৈছে। ছদিনীয়া এই কৰ্মশালাত অসমৰ বিভিন্ন প্ৰান্তৰ আঠগৰাকী বিষয় বিশেষজ্ঞই অংশগ্ৰহণ কৰিব। কৰ্মশালাৰ সময়ছোৱাত বিশেষজ্ঞসকলে ৰাজনীতি বিজ্ঞানৰ বিভিন্ন পৰিভাষা চিনাক্তকৰণ, আলোচনা, অনুবাদ আৰু মানকীকৰণৰ কাম সম্পন্ন কৰিব। বিশেষকৈ পৰিভাষাসমূহৰ ভাষাগত শুদ্ধতা, ধাৰণাগত স্পষ্টতা আৰু শৈক্ষিক প্ৰাসংগিকতাত গুৰুত্ব আৰোপ কৰা হ’ব। উল্লেখ্য যে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ অধীনস্থ বৈজ্ঞানিক আৰু কাৰিকৰী পৰিভাষা আয়োগে হিন্দী আৰু অন্যান্য ভাৰতীয় ভাষাত বৈজ্ঞানিক আৰু কাৰিকৰী পৰিভাষাৰ বিকাশ, সংজ্ঞা নিৰ্দ্ধাৰণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেয়েহে আয়োগে বিভিন্ন বিষয়ৰ কাৰিকৰী অভিধান, শব্দকোষ, সংজ্ঞামূলক অভিধান আৰু বিশ্বকোষ প্ৰকাশ কৰাৰ লগতে আলোচনাচক্ৰ, কৰ্মশালা আৰু প্ৰশিক্ষণ কাৰ্যসূচীও আয়োজন কৰি আহিছে। এই কৰ্মশালাৰ জৰিয়তে বড়ো ভাষাত ৰাজনীতি বিজ্ঞানৰ পৰিভাষাগত ভঁৰাল অধিক সমৃদ্ধ হোৱাৰ লগতে বিদ্যালয় আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত বড়ো ভাষাক শিক্ষাদান আৰু জ্ঞান আহৰণৰ এক ফলপ্ৰসূ মাধ্যম হিচাপে ব্যৱহাৰ কৰাত সহায়ক হ’ব বুলি আশা প্ৰকাশ কৰিছে।

## কামপুৰ পুৰণি বজাৰ দুৰ্গা মন্দিৰৰ শতবাৰ্ষিকী অনুষ্ঠানৰ সফল সামৰণি

### দিহানাম প্ৰতিযোগিতা স্মৃতিগ্ৰন্থ ‘মহিষমৰ্দিনী’ উন্মোচন



**দৈনিক অসমৰ প্ৰতিনিধি**
**কামপুৰ, ২৩ অক্টোবৰ ঃ** কামপুৰ পুৰণি বজাৰ সাৰ্বজনীন দুৰ্গা মন্দিৰৰ শতবাৰ্ষিকী উৎসৱ আৰু দুৰ্গা পূজা ২১ অক্টোবৰত সামৰণি পৰে। ১১দিনীয়াকৈ অনুষ্ঠিত এই উৎসৱৰ প্ৰথম দিনা মহালয়াত এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উৎসৱৰ প্ৰত্যেক দিনাই বৈদিক নীতি-নিয়মসমূহ পালন কৰাৰ লগতে ১৮ অক্টোবৰত দিহানাম প্ৰতিযোগিতা, আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান ইত্যাদি অনুষ্ঠিত হয়। এই দুৰ্গোৎসৱৰ ২০ অক্টোবৰত মুকলি সভাও অনুষ্ঠিত হয়। বিশিষ্ট শিক্ষাবিদ সুধাময় দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জিতেন বৰকটকী উপস্থিত থাকি অসমত দুৰ্গোৎসৱ পালনৰ তথ্যসমৃদ্ধ ঐতিহাসিক যুক্তিসমূহ দাঙি ধৰাৰ লগতে মা দুৰ্গাৰ শক্তি সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। উক্ত দিনা এই দুৰ্গোৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা ‘মহিষমৰ্দিনী’ স্মৃতি গ্ৰন্থখন উন্মোচন কৰে সাংবাদিক জিতেন বৰকেটকীয়ে। দুৰ্গা পূজা উৎসৱ উদ্‌যাপন সমিতিৰ অন্যতম উদ্যোক্তা শৰৎ চন্দ্ৰ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটোত সমাজকৰ্মী প্ৰমোদ লস্কৰ, প্ৰবীণ শৰ্মা, নলিনী বৰঠাকুৰ, মালৱিকা বৰা, সমিত দাস আদি উপস্থিত থাকে।

## বিহালীৰ সত্য শইকীয়াৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰগাং, ২৩ অক্টোবৰ ঃ** বিহালী সমষ্টিৰ অন্তৰ্গত থান বিহালী গাঁৱৰ তথা বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ জনপ্ৰিয় কৰ্মচাৰী সত্য শইকীয়াৰ যোৱা ২২ অক্টোবৰত বাৰ্দ্ধক্যজনিত কাৰণত পৰলোক প্ৰাপ্তি ঘটে। সুদীৰ্ঘ ছল্লিচ বছৰ ধৰি বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত কৰ্মৰত থাকি অৱসৰ গ্ৰহণ কৰা শইকীয়াৰ মৃত্যুত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, বিহালীৰ বিধায়ক মুনীন্দ্ৰ দাস, সমাজকৰ্মী প্ৰেমলাল গঞ্জু, কলা শ্ৰীবিনোদ খনাল, সাংবাদিক ভুৱন লুইটেল, খগেন মটক, বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে শোক প্ৰকাশ কৰিছে। ৮৪ বছৰ বয়সত মৃত্যু হোৱা শইকীয়াই মৃত্যুৰ সময়ত দুই পুত্ৰ, বোৱাৰী, এগৰাকী কন্যাসহ নাতি-নাতিনী আৰু বহু আত্মীয় ইহসংসাৰত এৰি যায়।

## দ্বিগুণপাৰত শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ সোণালী জয়ন্তী

**দৈনিক অসমৰ প্ৰতিনিধি**
**কমলপুৰ, ২৩ অক্টোবৰ ঃ** কমলপুৰৰ নিকটৱৰ্তী দ্বিগুণপাৰ শ্ৰীশ্ৰীকৃষ্ণ নামঘৰ (মন্দিৰ)ৰ উদ্যোগত মন্দিৰ প্ৰাংগনত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ২৫ আৰু ২৬ অক্টোবৰত শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ সোণালী জয়ন্তী পালন কৰা হ’ব। কাৰ্যসূচী সুচাৰুৰূপে পালনৰ বাবে ইতিমধ্যে স্থানীয় বিধায়ক ভৱেশ কলিতাক মুখ্য সভাপতি, প্ৰদীপ কুমাৰ ভৰালীক সভাপতি, শৰৎ চন্দ্ৰ কাকতি, গজেন ভৰালী, কমলেশ্বৰ কাকতিক কাৰ্যকৰী সভাপতি, গৌৰী কাকতি, জগদীশ কুমাৰ ভৰালী, পুলিন কাকতি, দশৰথ কাকতি, ভূপেশ কাকতিক উপ-সভাপতি, অতুল ব্ৰহ্ম কাকতি, ধীৰাজ কাকতিক যুটীয়া সাধাৰণ সম্পাদক, দীপেন ভৰালী, হেমেন কাকতি, চন্দন কাকতি, ভাস্কৰ কাকতি, ভৈৰৱ কাকতি আৰু গগন কাকতিক সহকাৰী সম্পাদক হিচাপে লৈ কেইবাখনো উপ-সমিতি গঠন কৰিছে। কাৰ্যসূচী মতে ২৫ অক্টোবৰ, দেওবাৰে পুৱা ৮ বজাত পঞ্চাশখন পতাকা উত্তোলন কৰা হ’ব। মুখ্য পতাকা উত্তোলন কৰিব সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ মুখ্য সভাপতি ভৱেশ কলিতাই। ৯ বজাত স্মৃতি তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক বিপিন চন্দ্ৰ ডেকা, গজেন চন্দ্ৰ শালৈ, জীতেন্দ্ৰ নাথ দাস, জীৱন চন্দ্ৰ দাস, বৰুণ তালুকদাৰ, প্ৰদীপ কুমাৰ ভৰালীকে ধৰি আমন্ত্ৰিত ব্যক্তিসকলে। ১১ বজাত সাংস্কৃতিক শোভাযাত্ৰা। আবেলি ৩ বজাত প্ৰতিমা স্থাপন, ৪ বজাত পূজাৰম্ভ। সন্ধিয়া ৫.৩০ বজাত সোণালী জয়ন্তী উপলক্ষে পঞ্চাশ গছি বন্তি প্ৰজ্বলন কৰিব ডাঃ মিণ্টু দাস, ডঃ পল্লৱী নাথ তালুকদাৰ, ডাঃ অৰুণ কলিতা, অণিমা দেৱী, কেশৱ কাকতি, দীপক দাসসহ ভালেমান আমন্ত্ৰিত ব্যক্তিয়ে। ২৬ অক্টোবৰৰ পুৱা ৯ বজাত স্বচ্ছতা অভিযান আৰু পৰিৱেশ নিকাকৰণ অভিযান মুকলি কৰিব বৰডেকপাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য ৰবীন ডেকাই। আবেলি ২ বজাত জী-জোঁৱাই সম্বৰ্দ্ধনা অনুষ্ঠান মুকলি কৰিব কমলপুৰৰ বিধায়ক দিগন্ত কলিতাই। আবেলি ৩ বজাত আমন্ত্ৰিত অতিথিৰ সম্বৰ্দ্ধনা। সন্ধিয়া ৭ বজাত মঙলদৈৰ গীতাৰাণী শৰ্মা আৰু কমলপুৰৰ বিদিশা মালী আৰু সংগীবৃন্দই নাগাৰা নাম পৰিৱেশন কৰিব। নাগাৰা নাম উদ্বোধন কৰিব বিশিষ্ট সমাজসেৱক লক্ষ্মীকান্ত দাসে। শ্ৰীশ্ৰীলক্ষ্মীপূজাৰ আটাইবোৰ কাৰ্যসূচীত সমূহ ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগ কামনা কৰিছে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ ভৰালী, সাধাৰণ সম্পাদকদ্বয় অতুল ব্ৰহ্ম কাকতি, ধীৰাজ কাকতি, শ্ৰীশ্ৰীকৃষ্ণ নামঘৰ (মন্দিৰ) পৰিচালনা সমিতিৰ সভাপতি কপিল কাকতি আৰু সাধাৰণ সম্পাদক উৎপল কাকতিয়ে।



## বাঁহবাৰীত বিৰল প্ৰজাতিৰ বাঘীয়া দুৰা কাছ উদ্ধাৰ

### চিত্ৰলেখা উদ্যানৰ পুখুৰীত মুকলি

**দৈনিক অসমৰ প্ৰতিনিধি**
**ঢেকিয়াজুলি, ২৩ অক্টোবৰ ঃ** প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ প্ৰতি থকা গভীৰ দায়বদ্ধতা তথা মানৱীয়তাৰ নিদৰ্শন দাঙি ধৰি এগৰাকী যুৱকে উদ্ধাৰ কৰিলে এটা বিৰল প্ৰজাতিৰ বাঘীয়া দুৰা কাছ। শোণিতপুৰ জিলাৰ বাঁহবাৰী হাবি গাঁও নিৱাসী মানস দৈমাৰীয়ে কালি পথত প্ৰায় চাৰি কিলোগ্ৰাম ওজনৰ এটা বাঘীয়া দুৰা কাছ সুৰক্ষিতভাৱে উদ্ধাৰ কৰাৰ পাছত তেজপুৰৰ সৰ্পবান্ধৱ তথা অধ্যাপক সৌৰভ বৰকটকীক খবৰ দিয়ে। ইয়াৰ পাছত দৈমাৰীয়ে নিশা প্ৰায় ১২ বজাত প্ৰায় ২০ কিলোমিটাৰ পথ অতিক্ৰম কৰি আহি কাছটো অধ্যাপক সৌৰভ বৰকটকীৰ হাতত অৰ্পণ কৰে। ২৩ অক্টোবৰৰ পুৱা প্ৰায় ১১ বজাত তেজপুৰ সদৰ বন বিভাগৰ কৰ্মচাৰী আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিৰ উপস্থিতিত কাছটো চিত্ৰলেখা উদ্যানৰ বৃহৎ পুখুৰীত মুকলি কৰি দিয়া হয়। এই উপলক্ষে বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অনৱদ্য অৱদানৰ বাবে কাছটো উদ্ধাৰকাৰী মানস দৈমাৰীক অধ্যাপক সৌৰভ বৰকটকীৰ টীমৰ অন্তৰ্গত ‘প্ৰকৃতি গোট’ৰ সভাপতি টুটুমণি কলিতাই এখন গামোচাৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। বৰকটকীয়ে ইতিমধ্যে বিভিন্ন স্থানৰ পৰা উদ্ধাৰ কৰা ভিন্ন প্ৰজাতিৰ ৪৯টা কাছ চিত্ৰলেখা উদ্যানৰ পুখুৰীত মুকলি কৰি দিছে।

## জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত কংগ্ৰেছৰ প্ৰতিবাদ

**দৈনিক অসমৰ প্ৰতিনিধি**
**হাটশিঙিমাৰী, ২৩ অক্টোবৰ ঃ** ভোট চুৰি আৰু জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত হাটশিঙিমাৰীৰ জিলা কংগ্ৰেছে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। মানকাচৰত বিধায়ক মহিবুৰ ৰহমানৰ নেতৃত্বত কংগ্ৰেছৰ কৰ্মী আৰু সমৰ্থকসকলৰ সৈতে এক বিশাল প্ৰতিবাদী সমদল উলিয়ায়। উক্ত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে মানকাচৰৰ বিধায়ক মহিবুৰ ৰহমান লগতে উপস্থিত থাকে মানকাচৰৰ প্ৰাক্তন বিধায়ক অধিবক্তা আমিনুল ইছলামৰ লগতে শ শ কংগ্ৰেছ কৰ্মী আৰু সমৰ্থক। সমদলত অংশগ্ৰহণ কৰা প্ৰতিবাদীসকলে হাতে হাতে প্লেকাৰ্ড আৰু দলীয় পতাকা লৈ জ্ঞানেশ কুমাৰে পদত্যাগ কৰক, ভোট বাচাও, দেশ বাচাও, আমাৰ দাবী কি— জ্ঞানেশ কুমাৰৰ ইস্তফা, জ্ঞানেশ কুমাৰ হায় হায় আদি শ্লোগান দিয়ে। হাটশিঙিমাৰী ৰাজীৱ ভৱনৰ পৰা জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখলৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

## শব্দৰ ধেমালি ঃ ৩৭৭



**থিয়কৈ ঃ**
১। নাতি অথবা নাতিনীৰ পুতেক (৪)
২। চৰকাৰৰ সকলো প্ৰশাসনিক কাৰ্যালয় অন্তৰ্ভুক্ত হৈ থকা প্ৰধান কাৰ্যালয় (৫)
৩। য’ত নথকা, নোহোৱাৰ বা অস্বীকাৰ কৰাৰ ভাব প্ৰকাশ পায় (৫)
৪। দেহৰ উষ্ণতা বৃদ্ধিৰ বাবে ব্যৱহাৰ কৰা ডাঠ কাপোৰৰ আৱৰণ (৩)
৭। কোনো দেশৰ বৈধ বাসিন্দা হোৱা অধিকাৰ (৫)
৮। আস্থা ৰখাৰ যোগ্য কোনো ব্যক্তি (৫)
৯। পৃথিৱীখনক উত্তৰ আৰু দক্ষিণ দুই গোলাৰ্দ্ধত সমানে ভাগ কৰা কাল্পনিক ৰেখা (৫)
১০। মাছ, মাংস অথবা জন্তুৰ পৰা পোৱা খাদ্য খোৱা ব্যক্তি (৫)
১১। মানুহৰ জীৱনৰ নশ্বৰতা আৰু মায়া-মোহ বিষয়ৰ গীত (৩,২)
১২। ইচ্ছাকৃত আৰু বেআইনীভাৱে আনৰ মৃত্যু ঘটোৱা লোক (৫)
১৪। যন্ত্ৰ, শাল (৪)

**পথালিকৈ ঃ**
১। কোনো কৰ্তৃপক্ষৰ আজ্ঞাৰ ওপৰত ভিত্তি কৰি ...(৫)
৩। ইতিবাচকৰ বিপৰীত (৪)
৫। পূৰ্বতে থকা কোনো বস্তুৰ একেবাৰে অস্তিত্ব নথকা বা ধৰিব নোৱাৰা অৱস্থা হোৱা ... (৫)
৬। নিজৰ কাম বা মতত স্থিৰ হৈ থকা বা সলনি কৰিব নোখোজা (৫)
৭। হাতেৰে ধৰিবৰ সুবিধাৰ কাৰণে লগোৱা অংশ (২)
৮। নিজস্ব (২)
৯। পৰিয়ালৰ আন সদস্যৰ লগত থকা ঘৰ (৩)
১০। জ্যোতি (২)
১১। সৰু সৰু শব্দ কৰি খুন্দিওৱা (৩)
১৩। মহাভাৰতত উল্লেখ থকা এক চৰিত্ৰ (৩)
১৫। এক গণ-যাতায়াত ব্যৱস্থা (২)
১৬। ব্যৱসায়ত অংশ লওঁতা (২)
১৭। এবিধ মঙহাল ফল (৩)
১৮। আসক্ত (২)

**শব্দৰ ধেমালি ঃ ৩৭৬ৰ উত্তৰ**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| অ | প | ৰি | সী | ম | | ট | কা | | আ |
| শী | | | মা | ধ্য | ম | | ফে | লু | দা |
| তি | ক্ত | | ব | ম | ডি | লা | | | ল |
| প | | | দ্ধ | | উ | দ | যা | পি | ত |
| ৰ | সা | ল | তা | | ল | | | ত | |
| | কা | | | পা | | বি | শা | ল | তা |
| গ | ৰা | খ | হ | নী | য়া | | | চ | |
| | ত্ন | | | কা | | ম | হা | কু | ম্ভ |
| চা | ক | ৰ | | উ | | | পা | ৰা | |
| ম | | গো | চ | ৰী | য়া | | নি | | |

© যুগনন্দন

## ‘আশাৰ আলোক’লৈ শ্ৰেষ্ঠ ‘মানৱসেৱা বঁটা’ দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাসৰ

### জটিল ৰোগত আক্ৰান্ত খাইৰুল হকলৈ ১০ হাজাৰ, স্মৃতিগ্ৰন্থ-গ্ৰন্থ উন্মোচন



**দৈনিক অসমৰ প্ৰতিনিধি**
**মঙলদৈ, ২৩ অক্টোবৰ ঃ** মানৱদৰদী সংগঠন ‘আশাৰ আলোক’ মানুহে মানুহৰ বাবে, দৰং, অসমলৈ গুৱাহাটীৰ দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাস আৰু দক্ষিণ বৰসজাই মৈদাম সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰীদুৰ্গা পূজা উদ্‌যাপন সমিতিয়ে আগবঢ়াইছে ‘শ্ৰেষ্ঠ মানৱসেৱা বঁটা’। যোৱা ১৯ অক্টোবৰত মন্দিৰ প্ৰাংগনৰ ৰংগমঞ্চত সন্ধিয়া ৭ বজাত ন্যাসৰ ভাৰপ্ৰাপ্ত সভাপতি নগেন্দ্ৰনাথ গোস্বামীৰ সভাপতিত্বত হোৱা গ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উদ্যোক্তাসকলে ‘আশাৰ আলোক’ মানুহে মানুহৰ বাবে..., দৰং, অসমৰ মুখ্য উপদেষ্টা ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, উপদেষ্টা ডঃ মনোজ কুমাৰ শৰ্মা, সভাপতি হৰিচন্দ্ৰ শৰ্মা, সাধাৰণ সম্পাদক গণেশ দত্ত, কোষাধ্যক্ষ গোলোক বৰা, সম্পাদক জিতুমণি চহৰীয়া, সদস্য ক্ৰমে মুন মুন দাস, প্ৰসন্ন ডেকা, ৰমেশ চহৰীয়া আৰু ৰক্তদাতা জোনমণি দেউৰীক ফুলাম গামোচা, স্মাৰক আৰু গ্ৰন্থৰ টোপোলাৰে সম্ভাষণ জনোৱাৰ লগতে তেওঁলোকৰ হাতত তুলি দিয়ে ‘শ্ৰেষ্ঠ মানৱ সেৱা বঁটা’। এই বঁটাত আছে স্মাৰক, সম্বৰ্দ্ধনাপত্ৰ আৰু ২৫ হাজাৰ টকাৰ চেক। দক্ষিণ বৰসজাই মৈদাম দুৰ্গাপূজা উদ্‌যাপন সমিতিৰ সম্পাদক বিশ্বজিৎ নাথে আঁত ধৰা এই অনুষ্ঠানত ন্যাসৰ সম্পাদক হীৰেন চহৰীয়াই কয়— ‘ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধলৈ গৈ ৬ বছৰ আগতে মানৱসেৱাৰ বাবে গঠন হোৱা ‘আশাৰ আলোক’ নামৰ সংগঠনটোৱে নিজৰ ব্যতিক্ৰমী কৰ্মৰ জৰিয়তে ইতিমধ্য যি নিদৰ্শন দাঙি ধৰিছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। তেওঁলোকৰ কৰ্মৰ স্বীকৃতিস্বৰূপে এয়া আমাৰ এক ক্ষুদ্ৰ মৰম আৰু সন্মান।’ ন্যাসৰক্ষী চিত্তৰঞ্জন শৰ্মা, মনোৰঞ্জন গোস্বামী, অখিল চন্দ্ৰ শৰ্মা, মহীধৰ হালৈ, হৃদয়ানন্দ দাস, শশীধৰ ডেকা, কনকেশ্বৰ গোস্বামী, পংকজ মেধি, নিৰঞ্জন কলিতা, ধনীৰাম বৈশ্যৰ লগতে শতাধিক লোক উপস্থিত থকা এই অনুষ্ঠানত ‘এন ডি ২৪’ চেনেলৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাই দিগন্ত কুমাৰ গগৈ, বেদান্ত বিকাশ শৰ্মা, গীতাঞ্জলি বৈশ্য সম্পাদিত স্মৃতিগ্ৰন্থ ‘অপৰাজিতা’ উন্মোচন কৰি স্মৃতিগ্ৰন্থই ইতিহাসৰ সমল দিয়ে বুলি কয়। তেওঁ লগতে স্মৃতিগ্ৰন্থখন কিলো হিচাপত বিক্ৰী নকৰি কৰ্মব্যস্ততাৰ মাজতো অধ্যয়ন কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। আনহাতে, বিশিষ্ট লেখক ডঃ দেৱজিৎ মহন্তই ডঃ সৰ্বানন্দ বৰ্মন ৰচিত ‘বাস্তৱ সত্য’ গ্ৰন্থখন উন্মোচন কৰে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ তীৰ্থাংক দাসে অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত একাংশই ছ’চিয়েল মিডিয়াত দুৰ্গা পূজা অসমীয়াৰ নহয়, বঙালীৰহে বুলি প্ৰচাৰ চলাই থকাত ক্ষোভ প্ৰকাশ কৰি তেওঁলোকক ইতিহাস অধ্যয়ন কৰিবলৈ আহ্বান জনায়। দুৰ্গা পূজাস্থলীত উদ্যোক্তাসকলে জটিল ৰোগত আক্ৰান্ত নলবাৰী ঘগ্ৰাপাৰৰ চৈয়দ খাইৰুল হুছেইনক ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান আৰু পাৰিজাত একাডেমী (মইনা খোৰোং) গড়ভাংগা, ডেছটিনেচন, হাতীগাঁওস্থিত জ্যেষ্ঠ নাগৰিকৰ আৱাসৰ প্ৰায় এহেজাৰ পঞ্চাছগৰাকী আৱাসীলৈ দুপৰীয়া অন্ন, পায়স ভোগ বিতৰণ কৰি যিদৰে মানৱতাৰ নিদৰ্শন দাঙি ধৰিলে; সেইদৰে নৱপ্ৰজন্মক শিপাৰ সন্ধান দিয়াৰ স্বাৰ্থত পূজাস্থলীত বিনামূলীয়াকৈ নলবাৰী মাখিবাহাৰ ‘অসমী পুতলা থিয়েটাৰ’ আৰু দৰং জিলাৰ ঔতলাৰ কৃষ্ণ ডেকাৰ নেতৃত্বত ওজাপালি প্ৰদৰ্শন কৰিলে। আনহাতে, পূজাস্থলীত গ্ৰন্থমেলা আয়োজন কৰি এক বৌদ্ধিক আন্দোলন সৃষ্টি কৰাৰ প্ৰয়াসত সকলোৱে শলাগ লৈছে।

ভূটীয়াচাঙত টি বি মুক্ত ভি চি ডি চিৰ বঁটা প্ৰদান অনুষ্ঠান

## ‘বিশ্বৰ ভিতৰত সৰ্বাধিক যক্ষ্মা ৰোগী আছে ভাৰতত’

**দৈনিক অসমৰ প্ৰতিনিধি**

**টংলা, ২৩ অক্টোবৰ ঃ** ‘বিশ্বৰ দেশসমূহৰ ভিতৰত সৰ্বাধিক যক্ষ্মা ৰোগী থকা দেশখন হৈছে ভাৰত। যক্ষ্মা ৰোগীৰ অত্যধিক বোজা বহন কৰি দেশখন অকল অৰ্থনৈতিকভাৱেই নহয়, সামাজিকভাৱেও কিছু ক্ষেত্ৰত পিছুৱাই আছে। সেয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত যক্ষ্মামুক্ত ভাৰত গঢ়াৰ অভিযান চলিছে। এই অভিযানত অকল স্বাস্থ্যকৰ্মীয়েই নহয়, সমাজৰ প্ৰতিজন ব্যক্তি জড়িত হোৱা উচিত’— এই ভাষ্য ওদালগুৰি জিলা যক্ষ্মা গোটৰ জ্যেষ্ঠ চিকিৎসা পৰ্যৱেক্ষক গণেশ দত্তৰ। আজি জিলাখনৰ ভূটীয়াচাং ভি চি ডি চিক যক্ষ্মামুক্ত ভি চি ডি চিৰ সন্মান প্ৰদান কৰি তেওঁ এইদৰে কয়। ভূটীয়াচাং চাহ বাগিচাত আজি অনুষ্ঠিত এখন সভাত ২০২৫ চনৰ স্বাস্থ্য বিভাগৰ পাঁচটা গুৰুত্বপূৰ্ণ নীতি-নিৰ্দেশনা পালন কৰি প্ৰথমবাৰৰ বাবে যক্ষ্মামুক্ত ভি চি ডি চিৰ সন্মান লাভ কৰা ভূটীয়াচাং এলেকাৰ সকলো স্বাস্থ্যকৰ্মী, আশাকৰ্মী, অংগনৱাড়ী কৰ্মী, সমাজ সচেতন লোক আৰু ভি চি ডি চিৰ সভাপতি আৰু সদস্যসকলক কৃতজ্ঞতা জ্ঞাপন কৰে জ্যেষ্ঠ চিকিৎসা পৰ্যৱেক্ষক গণেশ দত্তই। ভূটীয়াচাং চাহ বাগিচা হাস্পতালৰ স্বাস্থ্য সহায়ক বিমল ভেংৰাই আঁতধৰা এই অনুষ্ঠানত ভূটীয়াচাং ভি চি ডি চিৰ সভাপতি আব্দুল মদিন আলীয়ে প্ৰথমবাৰৰ বাবে যক্ষ্মামুক্ত ভি চি ডি চিৰ সন্মান লাভ কৰাত সন্তোষ প্ৰকাশ কৰি এই প্ৰাপ্তি স্বাস্থ্যকৰ্মীৰ দ্বাৰাই সম্ভৱ হোৱা বুলি কয়। তেওঁ লগতে এই ধাৰা অব্যাহত ৰখাৰ স্বাৰ্থত সকলো সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দি দুগৰাকী যক্ষ্মা ৰোগীক মাহে পাঁচশ টকাকৈ পুষ্টিকৰ খাদ্য প্ৰদান কৰাৰ অংগীকাৰ কৰে। উল্লেখ্য যে ওদালগুৰি জিলাৰ ১১৪খন ভি চি ডি চিৰ ভিতৰত এইবাৰ ৪১খন ভি চি ডি চিয়ে যক্ষ্মামুক্ত হোৱাৰ সন্মান লাভ কৰিছে।

গোলাঘাটৰ খেতি পথাৰত ব্যতিক্ৰমী দৃশ্য

## দঁতাল হাতীৰে হাল বাই দৃষ্টি আকৰ্ষণ কৰিছে সকলোৰে

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**গোলাঘাট, ২৩ অক্টোবৰ ঃ** গৰু, ম'হ, ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদিৰে মাটি চহোৱা আপুনি নিশ্চয় দেখিছে বা পঢ়িবলৈ পাইছে। কিন্তু হাতীয়ে হাল বোৱা বা মাটি চহোৱা আপুনি কেতিয়াও দেখা নাই বা শুনিবলৈও পোৱা নাই। তেনে এক নেদেখা আৰু নুশুনা কামকে কৰি দেখুৱালে গোলাঘাট জিলাৰ নুমলীগড় মূৰফুলনি গাঁৱৰ এজন কৃষকে। মূৰফুলনি গাঁৱৰ দিগন্ত বৰা নামৰ হাতীৰ গৰাকীজনে নিজৰ খেতিপথাৰত মাটি চহাবলৈ লগালে তেওঁৰ পোহনীয়া দঁতাল হাতীটোক। অতুল কৰ্মকাৰ নামৰ হাতীৰ মাউতজনে কৃষিপথাৰত গৰু-ম'হৰ দৰে নাঙল-যুঁৱলি আদি লগাই হাল বাই ৰাজ্যজুৰি চৰ্চিত হৈ পৰিছে। এই ব্যতিক্ৰমী দৃশ্যই এতিয়া সামাজিক মাধ্যমতো বিশেষভাৱে ভাইৰেল হৈ পৰিছে। হাতীয়ে হাল বোৱা এই ব্যতিক্ৰমী দৃশ্যই আকৰ্ষণ কৰিছে সকলোকে।

## গোৰেশ্বৰৰ বেতনাত পুখুৰীত যুৱকৰ মৃতদেহ উদ্ধাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**



**গোৰেশ্বৰ, ২৩ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত বেতনা গাঁৱত পুখুৰীত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। স্থানীয় ৰাইজৰ পৰা জানিব পৰা মতে উদ্ধাৰ হোৱা মৃতদেহটো হাজলপাৰা নিৱাসী ব্ৰজেন্দ্ৰ দাসৰ পুত্ৰ সুৰঞ্জন দাস (২৫) বুলি চিনাক্ত হৈছে। জানিব পৰা মতে ওদালগুৰি জিলাৰ টংলাৰ এখন ফাৰ্মাচীত কাম কৰা সুৰঞ্জনে দুৰ্গা পূজা উপলক্ষে ঘৰলৈ আহিছিল। ২১ অক্টোবৰত আবেলি প্ৰতিমা বিসৰ্জন দি নিশা প্ৰায় ৯.১০ বজাত ঘৰলৈ আহিছিল আৰু ঘূৰিবলৈ যাওঁ বুলি কৈ ককায়েক নিৰঞ্জন দাসৰ পৰা বাইকখন বিচাৰিছিল। ককায়েক এই ৰাতি ক'লৈ যোৱা, যাব নালাগে, ঘৰতে থকা বুলি কোৱাত সুৰঞ্জন কিছু সময়ৰ পাছতে নাইকিয়া হয়। ২/৩ ঘণ্টাৰ পাছতো সুৰঞ্জন ঘৰলৈ উভতি নহাত পৰিয়ালে ভাবিছিল অইন দিনাৰ দৰে আজিও হয়তো কোনো লগ-বন্ধুৰ সৈতে থাকিব আৰু পুৱা আহিব। সেয়ে পৰিয়ালে নিশা বিশেষ চিন্তা নকৰিলে। পিছদিনা পুৱা ঘৰৰ পৰা প্ৰায় ১ কিলোমিটাৰ নিলগত বেতনা গাঁৱৰ মনোজ ৰাজবংশীৰ পুখুৰীৰ পাৰত এযোৰ চেণ্ডেল আৰু এটা ম'বাইল উদ্ধাৰ হয়। পুখুৰীপাৰত চেণ্ডেল আৰু ম'বাইল উদ্ধাৰ হোৱাত স্থানীয় ৰাইজৰ সন্দেহৰ সৃষ্টি হয় আৰু লগে লগে গাঁওবুঢ়াৰ জৰিয়তে আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে ঘটনা খবৰ পোৱা মাত্ৰকে ঘটনাস্থলীত উপস্থিত হৈ এফ ডি আৰৰ জৰিয়তে অভিযান আৰম্ভ কৰে আৰু হাজলপাৰা নিৱাসী ব্ৰজেন্দ্ৰ দাসৰ পুত্ৰ সুৰঞ্জন দাস বুলি চিনাক্ত হয়। সুৰঞ্জন দাসে কি কাৰণত দুৰ্গা পূজাৰ প্ৰতিমা বিসৰ্জনৰ দিনাই আত্মহত্যা কৰিলে জানিব পৰা নাই যদিও নিশা বাইকখন নোপোৱাৰ বাবেই আত্মহত্যা কৰা বুলি একাংশ লোকে সন্দেহ কৰিছে।

## লখিমপুৰত ভকেচনেল বাইবেল স্কুলৰ পাঠদান সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**লখিমপুৰ, ২৩ অক্টোবৰ ঃ** খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলৰ ধৰ্মগ্ৰন্থ বাইবেল প্ৰীতি, অনুৰাগ তথা প্ৰভু যীশুৰ প্ৰতি প্ৰবল আকৰ্ষণ গঢ়ি তোলাৰ অংশস্বৰূপে লখিমপুৰ জিলাৰ লীলাবাৰীৰ চান্দমাৰী মণ্ডলী প্ৰাংগনত জি ই এল চাৰ্চ লখিমপুৰ পেৰিছৰ অন্তৰ্গত সমূহ মণ্ডলীৰ সহযোগত অলপতে অনুষ্ঠিত ৪২ সংখ্যক ভকেচনেল বাইবেল স্কুলৰ পাঠদান ২১ অক্টোবৰত সামৰণি পৰে। কাৰ্যসূচীৰ অংশ হিচাপে বাইবেল শিক্ষা পৰিচালিত হয়। বৈথেচদা যুৱ সংঘৰ সভাপতি চাৰ্লোচ ধান আৰু প্ৰকাশ হেমব্ৰমৰ যুটীয়া পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত তেজপুৰ পেৰিছৰ এভেঞ্জেলিষ্ট জুনুল হালোমানে মুখ্য বক্তাৰূপে অংশগ্ৰহণ কৰি প্ৰভু যীশুৰ বাণী প্ৰচাৰ কৰে। অনুষ্ঠানত বাইবেল স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে বাইবেল মুখস্থ পদ, নৃত্য-গীত পৰিৱেশন কৰে।



ৰূপাইত অবৈধ সুৰা বিপণী, জুৱাৰ আড্ডাত মছগুল চৰকাৰী কৰ্মচাৰী

# কুম্ভকৰ্ণ নিদ্ৰাত ডুমডুমা আবকাৰী-আৰক্ষী বিভাগ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডুমডুমা, ২৩ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা থানাৰ অন্তৰ্গত ৰূপাই এলেকাত এফালে অবৈধ সুৰা বিপণী, আনফালে জুৱাৰ আড্ডাই ছানি ধৰিছে। ডুমডুমা ৰাজহ চক্ৰ কাৰ্যালয় আৰু ডুমডুমা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ গাতে লাগি থকা ৰূপাই চাইডিং এলেকাত অলিয়ে-গলিয়ে গঢ়ি উঠা অবৈধ সুৰা বিপণীত দেশী-বিদেশী সুৰা সেৱন কৰি সুৰাপায়ীয়ে ডুমডুমা মহাবিদ্যালয়, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডনবস্ক' স্কুল, ছেইণ্ট মেৰিজ স্কুল, ৰূপাই ৰিফ্লেকচন স্কুল, ৰূপাই মধ্য ইংৰাজী বিদ্যালয়, ৰূপাই জৱাহৰ হিন্দী হাইস্কুল, ৰূপাই ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি তুলিছে। এলেকাটোৰ অবৈধ সুৰা বিপণীত টেঁটুলৈকে সুৰা সেৱন কৰি সুৰাৰ ৰাগীত মতলীয়া হৈ একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে জুৱাৰ আড্ডাত মছগুল হৈ পৰে। অভিযোগ অনুসৰি ৰূপাই চাইডিঙত দিন-দুপৰতে অবৈধ সুৰা বিপণীত টেঁটুলৈকে সুৰা সেৱন কৰি একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে চৰকাৰী কাৰ্যালয় বা ক্ষেত্ৰস্থলীত নিজৰ কৰ্তব্য সম্পাদন কৰিবলৈ ওলাই যায়। ৰূপাই চাইডিং ৰে'ল ষ্টেচনৰ চৌপাশে ৰে'লপথতে একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে তাচপাতৰ জৰিয়তে জুৱা খেলত ভাগ লৈছে। অঞ্চলটোত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে সুৰাৰ ৰাগীত চৰকাৰী কাম-কাজ কৰিবলৈ লৈছে বুলি অভিযোগ উঠিছে। একাংশ চৰকাৰী বিষয়া- কৰ্মচাৰীয়ে অত্যাধুনিক সুৰাপান কৰি দুৰাৰোগ্য হোৱা সত্ত্বেও চাকৰি কৰি থকাই নহয়, এইসকল সুৰা আসক্ত চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে ডাইচব'ৰ্ড, হাউছি, তাচপাত, চকৰিব'ৰ্ড, অনলাইনগেমৰ জৰিয়তে জুৱা খেলৰ অঘোষিত প্ৰতিযোগিতা গঢ়ি তুলিছে । উল্লেখ যে কেন্দ্ৰীয় চৰকাৰৰ বিভাগত চাকৰি কৰা এজন বিষয়া বা কৰ্মচাৰীয়ে অবৈধ মদৰ দোকানত সুৰাপান কৰাটো সম্পূৰ্ণৰূপে নিষিদ্ধ আৰু আইনবিৰুদ্ধ। এনে কাৰ্যই এজন চৰকাৰী বিষয়া বা কৰ্মচাৰীৰ ক্ষেত্ৰত আইনী ব্যৱস্থা ল'ব পাৰি। চৰকাৰী কৰ্মচাৰীৰ আচৰণবিধি অনুসৰি যিকোনো চৰকাৰী বিষয়া বা কৰ্মচাৰীয়ে সমাজত নিজৰ মৰ্যাদা বজাই ৰাখিব লাগে আৰু কোনো ধৰণৰ অনৈতিক বা অবৈধ কাৰ্যকলাপত লিপ্ত হ'ব নোৱাৰে। অবৈধ স্থানত সুৰাপান কৰি ধৰা পৰিলে সংশ্লিষ্ট বিষয়া বা কৰ্মচাৰীজনৰ বিৰুদ্ধে বিভাগীয় তদন্ত কৰিব লাগে । ইয়াৰ ফলত সুৰা আসক্ত বিষয়া বা কৰ্মচাৰীয়ে চাকৰিৰ পৰা নিলম্বন বা চাকৰিৰ পৰা বৰ্খাস্ত পৰ্যন্ত হ'ব পাৰে। কেন্দ্ৰীয় চৰকাৰৰ নিয়ম অনুসৰি কোনো বিষয়া বা কৰ্মচাৰীয়ে ৰাজহুৱা স্থানত বা কাৰ্যালয়ৰ সময়ত আনকি অনলাইন মাধ্যমতো জুৱা খেলাটো সম্পূৰ্ণ নিষিদ্ধ আৰু ইয়াৰ বাবে তেওঁ কাৰাদণ্ডৰ লগতে চাকৰিও হেৰুৱাব লগা হ'ব পাৰে। আমাৰ দেশ তথা ৰাজ্যত ইমানবোৰ আইন-কানুন থকাৰ পাছতো চৰকাৰ প্ৰশাসনৰ আবকাৰী তথা আৰক্ষীয়ে অবৈধ সুৰা ব্যৱসায়ী তথা অত্যধিক সুৰাপায়ী আৰু জুৱাৰীক তথা জুৱাৰ খেল খেলোৱাসকলক আইনগত ব্যৱস্থা নোলোৱাৰ বাবেই তিনিচুকীয়া জিলাৰ ৰূপাই এলেকাত অবৈধ সুৰা বিপণী আৰু জুৱাৰ আড্ডা চলিব ধৰিছে বুলি অভিযোগ উঠিছে।

## বিহালীত পথ দুৰ্ঘটনাত এজন গুৰুতৰভাৱে আহত

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰগাং, ২৩ অক্টোবৰ ঃ** বিহালী থানাৰ অন্তৰ্গত কমাৰ পুখুৰীত কালি সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক গুৰুতৰভাৱে আহত হৈছে। জানিব পৰা মতে বিহালী ফালৰ পৰা অহা স্কুটী আৰু কমাৰ পুখুৰী ফালৰ পৰা অহা মটৰচাইকেলৰ মুখামুখি সংঘৰ্ষ হয়। আন্ধাৰৰ সুযোগ লৈ মটৰচাইকেলখনৰ আৰোহীয়ে পলায়ন কৰে। সম্ভেদক্ৰমে বিহালী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ এ এছ ১২ আৰ ৯৮৮৪ নম্বৰৰ স্কুটীখনৰ আহত আৰোহীজনক উদ্ধাৰ কৰি কেথলিক হাস্পতাললৈ প্ৰেৰণ কৰে। আহত স্কুটী চালকজন ৰাংছালীৰ পিংকু দাস আৰু মটৰচাইকেল আৰোহী ত্ৰিদিপ সোণাৰি আৰু সন্তোষ তামাং বুলি চিনাক্ত হৈছে। মটৰচাইকেলৰ নম্বৰ এছ ১২ এ এইচ ৮০২২।

## গোৰেশ্বৰৰ ৰোগাক্ৰান্ত মহিলাক হাগ্ৰামা মহিলাৰীৰ আৰ্থিক সাহায্য



**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৰেশ্বৰ, ২৩ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ ৩০ নং গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ অন্তৰ্গত মকুন্দপুৰ গাঁৱৰ আশাকৰ্মী তথা বৃক্ক ৰোগত আক্ৰান্ত ফুলমতী বেগমক ১৯ অক্টোবৰত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ আৰ্থিক সাহায্য নিধিৰ পৰা নগদ দুই লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰে। উল্লেখযোগ্য যে মকুন্দপুৰ নিৱাসী তাৰিফুদ্দিন কাজিৰ আৰ্থিক দীনতাৰ বাবে পত্নী ফুলমতী বেগমক উন্নত চিকিৎসা কৰিব পৰা নাছিল। এই ঘটনা উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নেতা হাফিজুল ইছলামে খবৰ পাই বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰীক অৱগত কৰোৱাত ১৯ অক্টোবৰত বি পি এফৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক শৰৎ দাসৰ নেতৃত্বত নগদ দুই লাখ আৰ্থিক সাহায্য প্ৰদান কৰে। হাগ্ৰামা মহিলাৰীৰ আৰ্থিক সাহায্য প্ৰদানত গোৰেশ্বৰ ব্লক বি পি এফৰ সভাপতি তথা গোৰেশ্বৰ পৌৰসভাৰ উপাধ্যক্ষ ধনঞ্জয় বসুমতাৰী, প্ৰচাৰ সম্পাদক ৰাতুল দাস, ২৯ নং শুক্লাই ছেৰফাং পৰিষদীয় সমষ্টিৰ ব্লক বি পি এফৰ পৰিষদৰ সদস্য দীপক বসুমতাৰীসহ এটি যৌথ সঁজাতী দলে ৰুগীয়া ফুলমতী বেগমৰ ঘৰত উপস্থিত হৈ আশু আৰোগ্য কামনা কৰি আৰ্থিক সাহায্য প্ৰদান কৰে। বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰীৰ এনে পদক্ষেপক সমষ্টিবাসী ৰাইজে আদৰণি জনাইছে।

## মাজুলীত সত্ৰীয়া সংস্কৃতি চৰ্চা গৱেষণা পৰিষদৰ সমাৱৰ্তন অনুষ্ঠানৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ২৩ অক্টোবৰ ঃ** অসম আৰু অসমৰ বাহিৰৰ প্ৰায় চাৰিকুৰি সংগীত শিক্ষানুষ্ঠানক সামৰি গঠন হোৱা অসম সত্ৰীয়া সংস্কৃতি চৰ্চা গৱেষণা পৰিষদৰ বিশাৰদ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাসকলৰ সমাৱৰ্তন অনুষ্ঠান অহা ১৩ আৰু ১৪ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে গড়মূৰ সৰু সত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘত অনুষ্ঠিত হ'ব। এই উদ্দেশ্যে ২১ অক্টোবৰত অভ্যৰ্থনা সমিতিৰ সভাপতি তথা গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীৰ পৌৰোহিত্যত কেন্দ্ৰীয় সমিতি আৰু অভ্যৰ্থনা সমিতিৰ এখন যুটীয়া বৈঠক অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অভ্যৰ্থনা সমিতিৰ সম্পাদক কাজল দত্তই। ইয়াৰ পূৰ্বে সমাৱৰ্তনৰ কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰে সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে শ্ৰীশ্ৰী হৰিদেৱ গোস্বামীয়ে। সভাই নৱপ্ৰজন্মৰ মাজত সত্ৰীয়া সংস্কৃতিৰ আগ্ৰহ বৃদ্ধি আৰু শাস্ত্ৰীয় সংগীতলৈ উত্তৰণ ঘটোৱাৰ মানসেৰে অসমৰ বিভিন্ন জিলাত মাণ্ডলিক প্ৰৰ্যায়ত অনুষ্ঠিত গায়ন- বায়ন আৰু নৰ্তন বিষয়ৰ চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সপক্ষে মত প্ৰকাশ কৰে। সভাত পৰীক্ষা সচিব পংকজ শইকীয়াই সাংগঠনিক দিশৰ খতিয়ান দাঙি ধৰি ইয়াৰ পৰিসৰ বৃদ্ধি, বিজ্ঞানসন্মত অধ্যয়ন তথা শাস্ত্ৰীয় ৰূপত প্ৰতিফলিত কৰাৰ অভিলাষ পূৰণৰ পথত বুলি সভাত সদৰি কৰে। সভাত সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল চন্দ্ৰ অধিকাৰীয়ে সত্ৰীয়া সংস্কৃতিৰ সাধকসকলে গুৰু দুজনাৰ আদৰ্শ অটুট ৰাখিবলৈ আহ্বান জনাই নিজেও আজীৱন এই সেৱাতে নিমজ্জিত থাকিব বুলি ঘোষণা কৰে। সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি মনো বৰুৱা আৰু সম্পাদক নীলমণি বৰুৱাই বিভিন্ন দিহা- পৰামৰ্শ আগবঢ়ায় আৰু এইক্ষেত্ৰত কেন্দ্ৰীয় সমিতিৰ কৰণীয়খিনি সততাৰে পালন কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰাৰ লগতে এখন বাজেট প্ৰস্তুত কৰাৰ আহ্বান জনাই সমাৱৰ্তনত মাজুলীৰ সকলো সত্ৰৰ সত্ৰাধিকাৰসকল উপস্থিত থকাৰ কামনা কৰে। সভাত গড়মূৰৰ বিশিষ্ট শিক্ষাবিদ মুক্তি দত্ত, খাদ্য উপ-সমিতিৰ সভাপতি ভূপেন শৰ্মা, পঞ্জীয়ক মুহীকান্ত বৰবায়ন, জীৱন বৰুৱা, ৰাতুল শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক বীৰেন ডেকাই বিভিন্ন বিষয়ত পৰামৰ্শ আগবঢ়ায়। স্মৃতিগ্ৰন্থ উপ-সমিতিৰ সম্পাদক ভবানন্দ হাজৰিকাই বৰ্তমানলৈকে সংগ্ৰহ কৰা প্ৰবন্ধ-পাতিৰ এক সম্যক ধাৰণা সভাক অৱগত কৰে। সমিতিৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাই স্মৃতিগ্ৰন্থত গৱেষণামূলক প্ৰবন্ধৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰে। সভাত পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন বৰা বৰবায়নে সমাৱৰ্তনৰ দুদিনীয়া কাৰ্যসূচীৰ খচৰা দাখিল কৰে। সৰ্বসন্মতিক্ৰমে ১৩ আৰু ১৪ ডিচেম্বৰৰ কাৰ্যসূচী গ্ৰহণ কৰে। সেই অনুসৰি প্ৰথম দিনা বিভিন্ন বিষয়ত হ'বলগীয়া চূড়ান্ত প্ৰতিযোগিতা আৰু ৰাতিলৈ স্থানীয় শিল্পীৰ লগতে বিশিষ্ট অতিথিৰ অনুষ্ঠান। দ্বিতীয় দিনা পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সমাৱৰ্তনত দীক্ষান্ত ভাষণ প্ৰদান কৰিব আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ মাধুৰ্যমণ্ডিত বৰুৱাই। উল্লেখযোগ্য যে এইবাৰ ৩৫গৰাকীয়ে উপাধি লাভ কৰিছে, তাৰ ভিতৰত ৯গৰাকীয়ে বিভিন্ন বিষয়ত শ্ৰেষ্ঠ স্থান লাভ কৰিছে। ইয়াৰ লগতে স্মৃতিগ্ৰন্থ আৰু অন্যান্য বহুকেইখন গ্ৰন্থ উন্মোচন কৰা হ'ব। উল্লেখযোগ্য যে সত্ৰীয়া সংস্কৃতিৰ চৰ্চা গৱেষণা পৰিষদ আৰু আউনীআটী বিশ্ববিদ্যালয়ৰ মাজত এক বুজাবুজি চুক্তি সম্পাদন হৈছিল। সেই অনুসৰি পৰীক্ষা পৰিষদে বিশ্ববিদ্যালয়ৰ অনুমোদিত পাঠ্যক্ৰম আৰু প্ৰমাণপত্ৰ লাভ কৰে।



## শোণিতপুৰত দুষ্প্ৰাপ্য লক্ষ্মী ফেঁচা উদ্ধাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঢেকিয়াজুলি, ২৩ অক্টোবৰ ঃ** শোণিতপুৰৰ এটা চাৰি মহলীয়া অট্টালিকাৰ খিৰিকীৰ কাষত থকা প্লাষ্টিকৰ পাইপৰ ভিতৰত আবদ্ধ হৈ বিগত পাঁচ দিন ধৰি জীৱন-মৃত্যুৰে যুঁজি থকা এটা লক্ষ্মী ফেঁচাক অৱশেষত এক জটিল অভিযানৰ অন্তত সুকলমে উদ্ধাৰ কৰা হয়। সৰ্পবান্ধৱ তথা অধ্যাপক সৌৰভ বৰকটকীৰ নেতৃত্বত চলোৱা এই উদ্ধাৰ অভিযানত সহযোগিতা আগবঢ়ায় সৰ্পবন্ধু মহচিনুৰ ৰহমান আৰু প্ৰকৃতিপ্ৰেমী সংগঠনৰ সভাপতি টুটুমণি কলিতাই। উদ্ধাৰৰ পাছত চৰাইটো সুস্থ অৱস্থাত পুনৰ প্ৰকৃতিৰ বুকুত মুকলি কৰি দিয়া হয়। জানিব পৰা মতে ফেঁচাটো এটা প্লাষ্টিকৰ পাইপৰ ভিতৰেদি সোমাই আহি অট্টালিকাটোৰ খিৰিকীৰ কাষত আবদ্ধ হৈ পৰিছিল। অট্টালিকাটোৰ গৃহস্থই চৰাইটো উদ্ধাৰ কৰিবলৈ নিজাববীয়াকৈ কেইবাবাৰো চেষ্টা চলাইছিল যদিও সফল হ'ব পৰা নাছিল। পাছত তেওঁ সমীপৱৰ্তী বাসিন্দা খুচি আগৰৱালাক বিষয়টো অৱগত কৰে। উদ্ধাৰকাৰী দলটোৱে অতি সাৱধানতা আৰু কৌশল অৱলম্বন কৰি জটিল পৰিস্থিতিৰ মাজৰ পৰা ফেঁচাটো সুকলমে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উদ্ধাৰৰ পাছত স্থানীয় ৰাইজে প্ৰকাশ কৰে যে অঞ্চলটোতে চৰাইটোৰ সংগীও আছে। সেয়েহে ফেঁচাটোক অন্য স্থানলৈ লৈ যোৱাৰ পৰিৱৰ্তে ইয়াৰ পৰিচিত পৰিৱেশতে মুকলি কৰি দিয়াটো উচিত হ'ব বুলি ৰাইজে মত প্ৰকাশ কৰে। স্থানীয় ৰাইজৰ অনুৰোধ আৰু চৰাইটোৰ মংগলৰ প্ৰতি লক্ষ্য ৰাখি উদ্ধাৰকাৰী দলটোৱে ফেঁচাটো সুস্থ অৱস্থাত সেই স্থানতে প্ৰকৃতিৰ বুকুত মুকলি কৰি দিয়ে।

## ৰঙিয়াত ৰজাদিনীয়া দক্ষিণা কালী মন্দিৰ দুৰ্গা পূজাৰ সামৰণি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ২৩ অক্টোবৰ ঃ** ৰঙিয়াৰ দলৈ মূৰাৰাত অৱস্থিত ৫১১ বছৰ পুৰণি ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদক্ষিণা কালী মন্দিৰত আয়োজন কৰা ছদিনীয়া দুৰ্গা পূজাৰ কালি সন্ধিয়া সফল সামৰণি পৰে। ১৫১৫ চনত প্ৰথমবাৰৰ বাবে আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহই এই পূজাভাগ আৰম্ভ কৰিছিল। ঐতিহ্যমণ্ডিত এই দুৰ্গা পূজাৰ মাজতে কালি মন্দিৰ প্ৰাংগনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত দক্ষিণ ৰঙিয়া মিলন সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা তথা অখিলানন্দ ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত আচাৰ্য চূড়ামণিৰ ‘চূড়াৰ অন্বেষণত’ শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে সেনাৰ ইষ্টাৰ্ন কমাণ্ডৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাই। গ্ৰন্থখন উন্মোচন কৰি ৰাণা প্ৰতাপ কলিতাই কয় যে বুৰঞ্জীসকলে সকলো কাম আৰু ঘটনা সময়মতে লিপিবদ্ধ কৰি দূৰদৰ্শিতাৰ পৰিচয় দাঙি ধৰিছিল। ই নিঃসন্দেহে এক গুৰুত্বপূৰ্ণ আৰু আদৰণীয় কাম আছিল। এখন দেশ বা এটা জাতিৰ ইতিহাস অধ্যয়নত এনেবোৰ তথ্যই পৰৱৰ্তী প্ৰজন্মক প্ৰভূত সহায় কৰে। সেই দিশৰ পৰা ৰঙিয়াৰ ঐতিহাসিক দক্ষিণা কালী মন্দিৰৰ দুৰ্গা পূজাৰ সমান্তৰালকৈ এনেদৰে ইতিহাস ধৰি ৰাখিবলৈ কৰা প্ৰচেষ্টা ভৱিষ্যতৰ বাবে এক যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হৈছে। এইক্ষেত্ৰত আচাৰ্য চূড়ামণিৰ বংশৰ যুৱ সমাজকৰ্মী অখিলানন্দ ভট্টাচাৰ্যৰ এই প্ৰয়াস অত্যন্ত সময়োপযোগী আৰু দূৰদৰ্শী বুলি তেওঁ অভিহিত কৰে। সাংবাদিক প্ৰকাশ ডেকা আৰু ঋষি ভট্টাচাৰ্যই আঁত ধৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানটো সঞ্চালনা কৰে লেখক ডিম্বেশ্বৰ বৰুৱাই। অনুষ্ঠানত স্থানীয় বিধায়ক ভবেশ কলিতাই কয় যে ৰঙিয়াৰ দীপ্তেশ্বৰী দেৱালয়, কুৰ্মমাধৱ দেৱালয় আৰু দক্ষিণা কালী মন্দিৰৰ দলৈ তথা তত্ত্বাৱধায়ক আচাৰ্য চূড়ামণিৰ বংশজ অখিলানন্দ ভট্টাচাৰ্যই গ্ৰন্থখন ৰচনাৰ জৰিয়তে যি আপুৰুগীয়া তথ্য দাঙি ধৰিছে, সি সঁচাই শলাগ ল'বলগীয়া বিষয়। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ৰঙিয়াৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক আৰু বি টি আৰৰ কাৰ্যবাহী সদস্য গণেশ কছাৰীয়ো ভাষণ দিয়ে। যোগাচাৰ্য জ্যোতিষ কলিতাৰ মংগলাচৰণেৰে আৰম্ভ হোৱা সভাত গ্ৰন্থখনৰ ৰচয়িতা অখিলানন্দ ভট্টাচাৰ্যই ভাষণ দি কয় যে শিপা বিচাৰি যোৱাৰ হাবিয়াসৰ ফলতে এইদৰে এই ইতিহাস সমৃদ্ধ গ্ৰন্থখনৰ ৰচনা সম্ভৱ হৈ উঠিল।



১০গৰাকী শিশু-কিশোৰ নিৰ্বাচিত

## চোতালৰ পখিলাৰ বৃষ্টিপ্ৰিয়া বঁটা ঘোষণা

**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ২৩ অক্টোবৰ ঃ** ২০২৬ বৰ্ষৰ চোতালৰ পখিলাৰ বৃষ্টিপ্ৰিয়া সোঁৱৰণী বিশেষ আশীৰ্বাদ ৰাজ্যখনৰ ১০টি শিশু-কিশোৰলৈ আগবঢ়োৱা হৈছে। তেওঁলোক হৈছে যোৰহাটৰ নিৰংকুশ বৰা, শিৱসাগৰ ডিমৌৰ কাব্যশ্ৰী বৰা, নগাঁৱৰ পিনাক শইকীয়া, লখিমপুৰৰ আৰোহী চেতীয়া, গুৱাহাটীৰ প্ৰজ্ঞা প্ৰয়াসী ফুকন, এইচ বি হিমবৰ্ণা চৌধুৰী, জিতাক্ষৰ চক্ৰৱৰ্তী, চন্দ্ৰপুৰৰ অন্বয়জ্যোতি শইকীয়া, মিৰ্জাৰ প্ৰেৰণা দাস আৰু টিহুৰ শিৱানী কলিতা। বিশেষ আশীৰ্বাদ প্ৰাপকসকলক ১ নৱেম্বৰত গুৱাহাটীৰ লতাশিলৰ বিষ্ণু-নিৰ্মলা শিশু পুথিভঁৰাল সভাগৃহত অনুষ্ঠিত হ'বলগীয়া চোতালৰ পখিলা আলোচনীৰ ষষ্ঠ বৰ্ষপূৰ্তি সমাৰোহত প্ৰদান কৰিব বুলি চোতালৰ পখিলাৰ সম্পাদক যুগললোচন দাসে জনাইছে।

## মাজুলীৰ আয়ুক্তৰ আৱাসত মনজ্যোৎস্না মহন্ত গোস্বামীৰ সংগীতানুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ২৩ অক্টোবৰ ঃ** ‘বহুত দিন শুনা নাই জীয়া শিলে কথা কোৱা’ আদিকে ধৰি বহুবোৰ কালজয়ী গীতৰ গায়িকা, অসমৰ সংগীত জগতৰ বিশিষ্ট গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, কবি-সাহিত্যিক কেশৱ মহন্তৰ কন্যা বিশিষ্ট কণ্ঠশিল্পী মনজ্যোৎস্না মহন্ত গোস্বামীৰ উপস্থিতিত কালি জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ চৰকাৰী বাসগৃহৰ চৌহদত এটি সংগীতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ আঁত ধৰে প্ৰতাপ বৰুৱাই আৰু আদৰণী ভাষণ প্ৰদান কৰে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। অনুষ্ঠানৰ আৰম্ভণিতে আয়ুক্তৰ চৌহদস্থিত এজোপা গছত প্ৰকৃতিপ্ৰেমী অতুল হাজৰিকাই প্ৰদান কৰা কপৌফুল ৰোপণ কৰে কণ্ঠশিল্পী মনজ্যোৎস্না মহন্ত গোস্বামীয়ে। আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ উদ্যোগত অনুষ্ঠিত উক্ত মননশীল কাৰ্যসূচীত মাজুলীৰ সাংস্কৃতিক সংগঠন ‘ৰিদম মাজুলী'ৰ শিল্পীসকলে কণ্ঠশিল্পীগৰাকীৰ বহুকেইটা গীত সমৱেত কণ্ঠত পৰিৱেশন কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা তথা সন্মান প্ৰদৰ্শন কৰে। অনুষ্ঠানত কণ্ঠশিল্পী মনজ্যোৎস্না মহন্ত গোস্বামীয়ে তেওঁৰ কেইবাটাও উল্লেখযোগ্য গীত পৰিৱেশন কৰাৰ লগতে উপস্থিত কলাপ্ৰেমীসকলৰ লগত মনোগ্ৰাহী বাৰ্তালাপ কৰে। শিল্পীগৰাকীৰ উপৰি উক্ত অনুষ্ঠানত মাজুলীৰ কণ্ঠশিল্পী ক্ৰমে ৰূপা দত্ত, ধ্ৰুৱজ্যোতি বৰা, অম্লানজ্যোতি দাস, বিষ্ণু দাস, অমিয় চিৰাং, মৌচুমী দলে, কণমানি শিল্পী স্মৃতাননা শইকীয়া, সুনীতি প্ৰকাশ শইকীয়াই গীত পৰিৱেশন কৰে। অনুষ্ঠানত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে কবি কেশৱ মহন্তৰ ‘সোণজিৰা মাহীৰ নাড়ী’ শীৰ্ষক প্ৰখ্যাত কবিতাটো পাঠ কৰে। অনুষ্ঠানত মাজুলীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিনী শুভদৰ্শিনী আৰু মনোৰঞ্জনা মহন্ত গোস্বামীৰ স্বামী বিশিষ্ট তবলাবাদক হৃদয় গোস্বামীয়ে মনৰ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানত মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ আনন্দ হাজৰিকা, জ্যেষ্ঠ অধ্যাপক ৰাজেন বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক ভৰত শইকীয়া, ৰেণুমালা দত্ত, জগন্নাথ দুৱৰীয়া, মুনীন্দ্ৰ ভূঞা, ৰাজীৱ কমল শইকীয়াকে ধৰি মাজুলীৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



### ২১ দেশত আন্তঃৰাষ্ট্ৰীয় অনলাইন প্ৰৱঞ্চকৰ বৃহৎ চক্ৰ উৎখাত ঃ গ্ৰেপ্তাৰ ১,৪৬২ অভিযুক্ত

# চাইবাৰ অপৰাধীৰ বিৰুদ্ধে ইণ্টাৰপ'লৰ অভিযান




**নতুন দিল্লী, ২৩ অক্টোবৰ ঃ** চাইবাৰ অপৰাধীৰ বিৰুদ্ধে বিশ্বৰ কেইবাখনো দেশত এলানি বৃহৎ অভিযান চলাইছে ইণ্টাৰপ'লে। মূলতঃ আফ্ৰিকান দেশত চলোৱা 'অপাৰেচন ছেৰেনগেটী-৩' শীৰ্ষক অভিযানত গ্ৰেপ্তাৰ কৰা হৈছে ১,৪৬২জন অভিযুক্তক। আনহাতে, অভিযানকালত ইণ্টাৰপ'লে ১০৫ মিলিয়ন ডলাৰ বা ভাৰতীয় মুদ্ৰাৰ হিচাপত ৯,৯৬৫ কোটি ৬৩ লাখৰো অধিক টকা উদ্ধাৰ কৰিছে। ইণ্টাৰপ'লে বিশ্বৰ ২১খন দেশত এই অভিযান চলাইছিল। এই অভিযানত ৬৫ হাজাৰ ৯২৯জনীয়া বিশাল বাহিনীৰে পৰিচালিত হৈ থকা ১০ হাজাৰ ৯০৯টা চাইবাৰ অপৰাধী চক্ৰক উৎখাত কৰা হয়। ইণ্টাৰপ'লৰ 'অপাৰেচন ছেৰেনগেটী-৩'ৰ উদ্দেশ্য আছিল অনলাইন প্ৰৱঞ্চনা, ভুৱা বিনিয়োগ আঁচনি, ই-মেইলৰ জৰিয়তে প্ৰৱঞ্চনা আৰু ডিজিটেল মাধ্যমৰ জৰিয়তেও বলপূৰ্বক ধন সংগ্ৰহৰ দৰে অপৰাধমূলক কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰা। অভিযানত আফ্ৰিকান দেশ যুগাণ্ডাৰ পৰা চলি থকা দুটা বৃহৎ আন্তঃৰাষ্ট্ৰীয় অনলাইন প্ৰৱঞ্চক চক্ৰৰ তথ্য পোহৰলৈ আহিছে। আৰক্ষীয়ে দেশখনত ৩৬৫জন বিদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰিছে। সেই লোকসকলে ভাৰতসহ এছিয়াৰ বিভিন্ন দেশৰ লোকক ভুৱা বিনিয়োগ আৰু পেন্সন আঁচনিৰ নামত প্ৰৱঞ্চনাৰ দৰে অপৰাধমূলক কাৰ্যকলাপ চলাই থকা বুলি সন্দেহ কৰা হৈছে। তদন্তত পোহৰলৈ আহিছে যে সেই প্ৰৱঞ্চক চক্ৰই কল চেণ্টাৰৰ জৰিয়তে অপৰাধ কৰি আছিল। কল চেণ্টাৰৰ পৰা বিভিন্ন দেশৰ লোকৰ সৈতে ফোনযোগে সম্পৰ্ক স্থাপন কৰি বিনিয়োগৰ জৰিয়তে বৃহৎ পৰিমাণৰ অৰ্থ উপাৰ্জনৰ প্ৰলোভন দিয়া হয়। কিন্তু তেওঁলোকে যিবোৰ প্ৰতিষ্ঠানত বিনিয়োগৰ প্ৰস্তাৱ দিয়ে, তাৰ কোনো অস্তিত্বই নাথাকে। অতি পৰিকল্পিতভাৱে কল চেণ্টাৰসমূহৰ পৰা বিভিন্ন লোকৰ সৈতে সম্পৰ্ক স্থাপন কৰা হয় আৰু কথাৰ জৰিয়তে সেই লোকসকলক আশ্বস্ত কৰিবলৈ ভুৱা প্ৰশিক্ষণ কেন্দ্ৰ আৰু নকল ৱেবছাইট ব্যৱহাৰ কৰা হয়। আনহাতে, আংগোলাত চলোৱা অভিযানকালত আৰক্ষীয়ে ক্ৰিপ্ট'কাৰেন্সীৰ অবৈধ মাইনিং কৰা দুটা কেন্দ্ৰৰ তথ্য লাভ কৰে। এই ঘটনাত ৯জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। কেন্দ্ৰটোৰ পৰা ক্ৰিপ্ট'কাৰেন্সী মাইনিঙত ব্যৱহাৰ হোৱা দুহাজাৰটাৰো অধিক যন্ত্ৰ আৰু বিদ্যুতৰ ছটা অবৈধ ট্ৰেন্সফৰ্মাৰ ষ্টেচন জব্দ কৰে। ইণ্টাৰপ'লৰ তথ্য অনুসৰি বিদ্যুতৰ সা-সৰঞ্জামসমূহৰ দাম ১০ লাখ ডলাৰৰো অধিক। নাইজেৰিয়াত ই-মেইল একাউণ্ট আৰু ছফ্টৱেৰৰ সম্পৰ্কীয় তথ্য গোটাই প্ৰৱঞ্চনা কৰা কাৰ্যত লিপ্ত থকাৰ অভিযোগত এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। তদন্তত সেই লোকজনে প্ৰায় ডেৰ লাখ ই-মেইলৰ তথ্য সংগ্ৰহ কৰাৰ তথ্য লাভ কৰা হৈছে। দেশখনত মেছেজিং এপৰ জৰিয়তে প্ৰৱঞ্চনাৰ ঘটনাৰে জড়িত আন এজনক গ্ৰেপ্তাৰ কৰা হৈছে। সেই লোকজনৰ দ্বাৰা পৰিচালিত অপৰাধী চক্ৰই ২৪ লাখ ডলাৰৰো অধিক পুঁজিৰ সন্দেহজনক লেনদেন কৰাৰ তথ্য তদন্তত পোহৰলৈ আহিছে। কংগোত চলোৱা অভিযানত গ্ৰেপ্তাৰ হৈছে ৩০জন লোক। জানিব পৰা মতে, এই বৃহৎ অভিযানত ইণ্টাৰপ'লক ব্যক্তিগত খণ্ডৰ চাইবাৰ সুৰক্ষা কোম্পানী আৰু সংগঠনেও সহযোগ কৰে। ইণ্টাৰপ'লৰ চাইবাৰ অপৰাধ শাখাৰ সঞ্চালক নীল জেটনে জনোৱা মতে, আংগোলা বেনিন, কেমেৰুন, কংগো, আইভৰী কোষ্ট, ডেম'ক্ৰেটিক ৰিপাব্লিক অব কংগো, ইস্বাতিনী, গেবোন, গাম্বিয়া, ঘানা, কেনিয়া, মোজাম্বিক, নাইজেৰিয়া, ৰুৱাণ্ডা, ছেনেগাল, দক্ষিণ আফ্ৰিকা, তাঞ্জানিয়া, যুগাণ্ডা, আমেৰিকা, জাম্বিয়া আৰু জিম্বাবৱেত এই অভিযান চলোৱা হৈছিল। তেওঁ জনোৱা মতে, অভিযান সম্পৰ্কীয় তদন্ত এতিয়াও অব্যাহত আছে।

## গো-মাংস ভক্ষণৰ অপৰাধত শিক্ষক-সহপাঠীৰ নিৰ্যাতন
## একাদশ শ্ৰেণীৰ ছাত্ৰৰ আত্মহনন

**কোইম্বাটুৰ, ২৩ অক্টোবৰ ঃ** কেৱল গো-মাংস খোৱাৰ অপৰাধতে দিনৰ পাছত দিন এজন কিশোৰৰ ওপৰত চলোৱা হৈছিল নিৰ্যাতন। কটূক্তিৰ পৰা আৰম্ভ কৰি মাৰধৰ একোৰেই বাদ দিয়া নাছিল সতীৰ্থসকলে। ধাৰাবাহিক অপমান সহ্য কৰিব নোৱাৰি আত্মঘাতী হয় একাদশ শ্ৰেণীৰ শিক্ষাৰ্থীজন। এই মৰ্মান্তিক ঘটনাটো ঘটিছে তামিলনাডুৰ কোইম্বাটুৰত। জানিব পৰা মতে, এ আকিলাম নামৰ এই কিশোৰজন এখন চৰকাৰী স্কুলৰ ছাত্ৰ আছিল। তেওঁৰ পিতৃ এজন ধোবা। মাতৃয়ে পৰিচাৰিকাৰ কাম কৰে। তেওঁলোকৰ অভিযোগ মতে, কেইমাহমান পূৰ্বে আকিলানৰ শ্ৰেণীশিক্ষকে অনুসূচিত জাতিৰ পঢ়ুৱৈসকলৰ তালিকা তৈয়াৰ কৰে। সেই সময়ত তেওঁ হঠাতে প্ৰশ্ন কৰে যে কোন ছাত্ৰই গো-মাংস খায়। আকিলান আৰু কেইজনমান ছাত্ৰই এই প্ৰশ্নৰ উত্তৰত গো-মাংস খায় বুলি কয়। তেতিয়াৰ পৰাই সমস্যাৰ সূত্ৰপাত হয়। সহপাঠী আৰু শিক্ষকসকলে ধাৰাবাহিকভাৱে নিৰ্যাতন চলাই অহাৰ পাছত ছাত্ৰজনে চৰম সিদ্ধান্ত গ্ৰহণ কৰে। বুধবাৰে দুপৰীয়া ঘৰলৈ উভতি আহি আকিলানৰ মাতৃয়ে দেখিবলৈ পায় যে চিপ লোৱা অৱস্থাত ওলমি আছিল পুত্ৰৰ নিথৰ দেহ। অভিযুক্ত শিক্ষক আৰু সতীৰ্থৰ শাস্তিৰ দাবীত আৰক্ষীৰ ওচৰ চাপে পিতৃ-মাতৃ।

# সমাজবাদী পাৰ্টীৰ পৰা ১৭০ আসন দাবী কংগ্ৰেছৰ

### উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনক লৈ তৎপৰ বিৰোধী

**লক্ষ্ণৌ, ২৩ অক্টোবৰ ঃ** উত্তৰ প্ৰদেশৰ বিধানসভা নিৰ্বাচনত আসন ভাগ-বাটোৱাৰাক লৈ 'ইণ্ডিয়া'ৰ দুই মিত্ৰদল সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছৰ মাজত টনা-আঁজোৰা আৰম্ভ হৈছে। সংবাদ মাধ্যমে প্ৰকাশ কৰা খবৰ অনুসৰি ৰাজ্যখনৰ ৪০৩খন আসনৰ ভিতৰত ১৭০খনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচাৰি এখন তালিকা দিছে কংগ্ৰেছে। কিন্তু এই দাবী কোনো পৰিস্থিতিতে মানিবলৈ সন্মত নহয় অখিলেশ যাদৱৰ দল। উল্লেখ্য যে অহাবছৰৰ ফেব্ৰুৱাৰীত উত্তৰ প্ৰদেশ, পঞ্জাব, উত্তৰাখণ্ড, গোৱা আৰু মণিপুৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা। বিজেপিক হৰুৱাবলৈ ইতিমধ্যে উত্তৰ প্ৰদেশ, গোৱা আৰু মণিপুৰৰ জোঁটবন্ধনক লৈ আলোচনা আৰম্ভ কৰিছে কংগ্ৰেছ নেতৃত্বই। প্ৰকাশিত খবৰ অনুসৰি সমাজবাদী পাৰ্টীক দিয়া তালিকাত ১৭০খন বিধানসভা আসনক চাৰি ভাগত বিভক্ত কৰিছে কংগ্ৰেছে। ইয়াৰ ভিতৰত এ শ্ৰেণীৰ আসনৰ কোনো পৰিৱৰ্তন বা সলনি নহয় বুলি জনাইছে কংগ্ৰেছ নেতৃত্বই। এই শ্ৰেণীৰ আসনক লৈ বুজাবুজি সম্পন্ন হৈছে। কিন্তু ৰাহুল গান্ধী আৰু অখিলেশৰ দলৰ টনা-আঁজোৰা হ'ব মূলতঃ বি আৰু চি শ্ৰেণীৰ আসনক লৈ। ইয়াৰ পূৰ্বে ২০১৭ চনৰ নিৰ্বাচনত সমাজবাদী পাৰ্টীৰ সৈতে বুজাবুজি কৰি উত্তৰ প্ৰদেশত ১০৫খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছিল কংগ্ৰেছে। ইয়াৰে মাত্ৰ সাতখনত জয়লাভ কৰিছিল দলটোৱে। অখিলেশে লাভ কৰিছিল ৪৭খন আসন। এই বিপৰ্যয়ৰ পাছত দুয়োটা দলৰ মিত্ৰতা ছিন্ন হৈছিল। ইয়াৰ পাছত ২০১৯ চনৰ লোকসভা নিৰ্বাচনত মায়াৱতীৰ বহুজন সমাজ পাৰ্টীৰ সৈতে আসন বুজাবুজি কৰিও আসনৰ সংখ্যা বৃদ্ধি কৰিব নোৱাৰিলে অখিলেশৰ দলে। কিন্তু ২০২৪ চনৰ লোকসভা নিৰ্বাচনত জোঁট বান্ধি ভাল ফল দেখুৱাইছে সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছে। বিজেপিক পিছ পেলাই ৰাজ্যখনত ১ নম্বৰলৈ আহে অখিলেশৰ দল। কিন্তু কংগ্ৰেছৰ স্থিতি দুৰ্বল হোৱা বাবে দলটোক ৪০খনৰ অধিক আসন এৰি দিয়াৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰিছে সমাজবাদী পাৰ্টীৰ সাংসদ ইক্ৰা হাছানে। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ইমৰান মাছুদে কৈছে যে কংগ্ৰেছক বাদ দি অখিলেশে একো কৰিব নোৱাৰে।



### ১৮জনৰ মৃত্যু ঃ তিনি শতাধিক বাসগৃহ ধ্বংস

# তিব্বতত শক্তিশালী ভূমিকম্প

**লাছা, ২৩ অক্টোবৰ ঃ** ডেৰ মাহৰ ভিতৰত পুনৰ ভূমিকম্পত কঁপি উঠিল চীন নিয়ন্ত্ৰিত তিব্বত। বৃহস্পতিবাৰে ভাৰতীয় সময় অনুসৰি নিশা ৮.৩০ বজাত কঁপি উঠে তিব্বত আৰু সংলগ্ন চীনা ভূখণ্ড। ৰিখটাৰ স্কেলত এই কম্পনৰ প্ৰাবল্য আছিল ৭। ইয়াৰ প্ৰায় ৪০ মিনিট পাছত পুনৰ এটা কম্পন অনুভূত হয়। এই ভূঁকম্পত আজি পুৱা পৰ্যন্ত ১৮জনৰ মৃত্যুৰ বাতৰি দিছে চীনৰ সংবাদ মাধ্যমে। আহতৰ সংখ্যা ৫৬জন, ইয়াৰে ১১জনৰ অৱস্থা সংকটজনক। দুটাকৈ ভূমিকম্পৰ ফলত তিনিশৰো অধিক ঘৰ-বাৰী ধ্বংস হৈছে। মৃত্যু হৈছে বহু জীৱ-জন্তুৰ। পাহাৰীয়া অঞ্চলত ভূমিকম্পৰ ফলত হোৱা খহনীয়াৰ বাবে বহু পথ বন্ধ হৈ পৰিছে। বিদ্যুৎ সংযোগ আৰু যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ পৰিছে। আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে উত্তৰ তিব্বতৰ বাকেন কাউণ্টি আৰু মাৰু টাউনশ্বিপ। তথ্য অনুসৰি, অৰুণাচল প্ৰদেশৰ পাঙ্গিন অঞ্চলৰ পৰা প্ৰায় ৪৮৯ কিলোমিটাৰ উত্তৰ-পশ্চিমৰ ভূভাগৰ প্ৰায় দহ কিলোমিটাৰ গভীৰত আছিল প্ৰথম কম্পনৰ উৎসস্থল। পৰিস্থিতিৰ সৈতে মোকাবিলাৰ বাবে পঠিওৱা হৈছে সাহায্য সামগ্ৰী আৰু বিশেষ উদ্ধাৰকাৰী দল। আগন্তুক ২৪ ঘণ্টাত ক্ষতিগ্ৰস্ত অঞ্চলসমূহত প্ৰবল তুষাৰপাতৰ পূৰ্বাভাস পোৱা গৈছে। ফলত দ্ৰুততাৰে উদ্ধাৰকাৰ্য সমাপ্ত কৰিব নোৱাৰিলে মৃতকৰ তালিকা দীৰ্ঘতৰ হোৱাৰ আশংকা আছে।



### মুম্বাইৰ মেয়ৰলৈ প্ৰেৰণ কৰা ই-মেইলক কেন্দ্ৰ কৰি চাঞ্চল্য

# অমিতাভ বচ্চন-দিলজিৎ দোছাঞ্জাক বোমাৰে আক্ৰমণৰ ভাবুকি অজ্ঞাত দুৰ্বৃত্তৰ



**মুম্বাই, ২৩ অক্টোবৰ ঃ** জনপ্ৰিয় অভিনেতা টাইগাৰ শ্ৰফৰ ওপৰত আক্ৰমণৰ ঘটনাক লৈ চাঞ্চল্য অব্যাহত থকাৰ মাজতে এইবাৰ বলীউডৰ মহানায়ক অমিতাভ বচ্চন আৰু প্ৰসিদ্ধ পাঞ্জাবী কণ্ঠশিল্পী তথা অভিনেতা দিলজিৎ দোছাঞ্জাক বোমাৰে উৰুওৱাৰ ভাবুকি দিছে অজ্ঞাত দুৰ্বৃত্তই। দুয়োগৰাকী তাৰকা শিল্পীক আক্ৰমণৰ ভাবুকিভৰা ই-মেইল বাৰ্তা মুম্বাইৰ মেয়ৰ ঋতু তাওৰেলৈ প্ৰেৰণ কৰা হৈছে। তাৰ পাছতে বলীউডত পুনৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। বিষয়টোক গভীৰভাৱে লৈ তদন্তত নামি পৰিছে মুম্বাই আৰক্ষী। জানিব পৰা মতে, মেয়ৰ ঋতু তাওৰেলৈ প্ৰেৰণ কৰা ই-মেইল বাৰ্তাটোত অমিতাভ বচ্চনৰ নাম উল্লেখ আছে। তাত প্ৰসিদ্ধ অভিনেতাগৰাকীৰ আৱাস 'জলসা' বোমাৰে আক্ৰমণৰ ভাবুকি দিয়া হৈছে। বাৰ্তাটোত লগতে কোৱা হৈছে যে ১৯৮৪ চনৰ 'অপাৰেচন ব্লু ষ্টাৰ'ৰ প্ৰতিশোধকল্পে অমিতাভ বচ্চনৰ আৱাসত আক্ৰমণ কৰা হ'ব। আক্ৰমণ ৩১ অক্টোবৰৰ পৰা ২৭ নৱেম্বৰৰ ভিতৰত হ'ব বুলিও দাবী কৰা হৈছে। একেটা ই-মেইল বাৰ্তাত কণ্ঠশিল্পী দিলজিৎ দোছাঞ্জাকো ভাবুকি দিয়া হৈছে। খালিস্তানৰ সমৰ্থনত শ্ল'গান থকা বাৰ্তাটোত অমিতাভ বচ্চনৰ চৰণ চুই আশীৰ্বাদ বিচৰাৰ বাবে পাঞ্জাবী শিল্পীগৰাকীক অহা ২৭ নৱেম্বৰত মহালক্ষ্মী ৰেছকোৰ্ছত অনুষ্ঠিত হ'বলগীয়া সংগীতানুষ্ঠানত বোমা আৰু আত্মঘাতী আক্ৰমণেৰে হত্যা কৰাৰ ভাবুকি দিয়া হৈছে। মুম্বাই আৰক্ষীয়ে সম্প্ৰতি ঘটনাৰ তদন্ত চলাই আছে। এতিয়ালৈ সেই ভাবুকিভৰা মেইল কোনে ক'ৰ পৰা প্ৰেৰণ কৰিছে, সেয়া নিশ্চিত কৰিব পৰা নাই আৰক্ষীয়ে। সেয়া জনাৰ বাবে আৰক্ষীয়ে চাইবাৰ শাখাৰ সহায় লৈছে।

### পাহাৰৰ গুহাত সন্ত্ৰাসবাদীৰ শিবিৰৰ সন্ধান

## জম্মু-কাশ্মীৰত উদ্ধাৰ অস্ত্ৰ-বিস্ফোৰক

**পুঞ্চ, ২৩ অক্টোবৰ ঃ** জম্মু-কাশ্মীৰৰ পুঞ্চৰ জংঘলেৰে আবৃত পাহাৰীয়া গুহাত সন্ত্ৰাসবাদীৰ সন্ধান লাভ কৰাৰ পাছত ভাৰতীয় সেনাই মেন্ধৰৰ ক'চল্লাৰি অঞ্চলত তালাচী চলাই উদ্ধাৰ কৰে এটা শিবিৰ। আৰক্ষী আৰু সেনাৰ যুটীয়া অভিযানত সন্ধান লাভ কৰা গুহাত প্ৰচুৰ অস্ত্ৰ মজুত কৰি ৰখা হৈছিল। তদুপৰি পোছাক, সন্ত্ৰাসবাদী কাৰ্যকলাপ চলোৱাৰ বাবে যথেষ্ট সামগ্ৰীও পোৱা যায় গুহাটোত। বহু পৰিমাণে খাদ্য-সামগ্ৰীৰ লগতে গুহাটোত উদ্ধাৰ হয় আই ই ডি, এটা ৭.৬২ এল এম জি মেগজিন, ক'লা ৰঙৰ এটা বেগ, এলুমিনিয়ামৰ এটা কণ্টেইনাৰ, দুটা এডাপ্টৰ আৰু কেইবাটাও টিফিন বক্স। সন্দেহ কৰা হৈছে যে টিফিন বক্সত বিস্ফোৰক ভৰাই বিস্ফোৰণৰ পৰিকল্পনা কৰা হৈছিল। অৱশ্যে অভিযানকাৰী দলে কোনো সন্ত্ৰাসবাদীৰ সন্ধান উলিয়াব পৰা নাই। পাহাৰৰ ঘন অৰণ্যত থকা গুহাসমূহক অস্ত্ৰ মজুত আৰু আশ্ৰয়ৰ স্থান হিচাপে বাছি লৈছে সন্ত্ৰাসবাদীয়ে। ইয়াৰ পূৰ্বেও এনেধৰণৰ সন্ত্ৰাসবাদীৰ শিবিৰৰ সন্ধান পাইছিল ভাৰতীয় সেনাই। এগৰাকী সেনা বিষয়াই জনাইছে যে এনেধৰণৰ গুহাসমূহক সন্ত্ৰাসবাদীসকলে ঢাল হিচাপে ব্যৱহাৰ কৰিছে। কূটাঘাত চলোৱাৰ বাবে পাক সাহায্যপ্ৰাপ্ত সন্ত্ৰাসবাদীসকলে স্থানীয় সন্ত্ৰাসবাদীৰ সহযোগিতাত এই গুহাবোৰক আশ্ৰয়স্থল হিচাপে নিৰ্মাণ কৰিছে। সন্ত্ৰাসবাদীৰ সন্ধানত তালাচী চলোৱা হৈছে আৰু পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত সন্দেহজনক লোকক দেখিলে আৰক্ষীক খবৰ দিবলৈ কোৱা হৈছে।



## পালাকাতে

### চলিত বৰ্ষৰ শেষ ভাগত ভাৰতলৈ আহিব বালেন শ্বাহ



**নতুন দিল্লী ঃ** চলিত বৰ্ষৰ শেষলৈ নেপালৰ প্ৰধানমন্ত্ৰী বালেন শ্বাহ ভাৰতলৈ অহাৰ সম্ভাৱনা আছে। দেশখনৰ বিত্তমন্ত্ৰী ডাঃ স্বৰ্ণিম বাংলেই এই কথা জানিবলৈ দিছে। দিল্লীত এটা ব্যক্তিগত খণ্ডৰ সংবাদ গোষ্ঠীয়ে আয়োজন কৰা অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয় যে নেপালৰ প্ৰধানমন্ত্ৰীৰ আগন্তুক ভাৰত ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্কক এক নতুন গতি দিব। বিকশিত ভাৰতৰ সুফল নেপালেও লাভ কৰিব। শেহতীয়াকৈ দুয়োখন দেশৰ মাজত দেখা দিয়া মতভেদ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত আৰু নেপালৰ সম্পৰ্ক বহু গভীৰ। কেতিয়াবা সম্পৰ্কতো সমস্যা আহে যদিও দুয়োখন দেশ দৃঢ়তাৰে সম্পৃক্ত হৈ আছে। বিশ্বৰ আন কোনো দেশৰ সৈতে নেপালৰ এনে নিবিড় সম্পৰ্ক নাই বুলিও তেওঁ মন্তব্য কৰে।

### টাইৱানত সামুদ্ৰিক ধুমুহা 'চাম্পী'ৰ তাণ্ডৱ



**টাইপে ঃ** সামুদ্ৰিক ধুমুহা 'চাম্পী'য়ে টাইৱানৰ বিভিন্ন স্থানত তাণ্ডৱৰ সৃষ্টি কৰিছে। ধুমুহাৰ প্ৰতি লক্ষ্য ৰাখি আজি দেশখনে ২৬২খন ঘৰুৱা আৰু ৩৫০খনৰো অধিক আন্তঃৰাষ্ট্ৰীয় বিমানৰ যাত্ৰা বাতিল কৰিছে। দেশখনৰ বিত্তীয় বজাৰো দিনটোৰ বাবে বন্ধ ৰখা হৈছে। দেশখনৰ প্ৰায় সকলো অঞ্চলৰ শিক্ষানুষ্ঠান আৰু কাৰ্যালয়সমূহো বন্ধ ঘোষণা কৰা হৈছে। ৰাজধানী টাইপেত ঘণ্টাত ১৯১ কিলোমিটাৰ বেগত বলা ধুমুহা আৰু প্ৰবল বৃষ্টিপাতৰ বাবে মেট্ৰ' আৰু অন্য ৰাজহুৱা পৰিবহন সেৱা ব্যাহত হৈছে। প্ৰশান্ত মহাসাগৰত সৃষ্টি হোৱা এই শক্তিশালী ধুমুহা আবেলিলৈ ক্ৰমাৎ দুৰ্বল হৈ অহা বুলি জানিব পৰা গৈছে। ধুমুহাৰ ফলত ক্ষয়-ক্ষতিৰ কোনো তথ্য এতিয়ালৈ অহা নাই।

### ত্ৰিপুৰাৰ শোকাৱহ দুৰ্ঘটনাত প্ৰবীণ সাংবাদিক বিমান ধৰৰ মৃত্যু



**আগৰতলা ঃ** ত্ৰিপুৰাত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত ৰাজ্যখনৰ প্ৰবীণ সাংবাদিক তথা সাহিত্যিক বিমান ধৰে কৰুণভাৱে মৃত্যুক সাবটিবলগীয়া হৈছে। ৮৫ বছৰীয়া ধৰৰ মৃত্যুত ৰাজ্যখনৰ সংবাদ ক্ষেত্ৰখনত শোকাকুল পৰিস্থিতিৰ সৃষ্টি হৈছে। দুৰ্ঘটনাত বিমান ধৰৰ নাতি ৰাহুল পালৰো মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। আগৰতলা-মাব্ৰুম ৰাষ্ট্ৰীয় ঘাইপথৰ ৰাশ্মা কড়াইমুৰা অঞ্চলত এখন যাত্ৰীবাহী বাছৰ সৈতে সাংবাদিকগৰাকীৰ আই-২০ বাহনৰ মুখামুখি সংঘৰ্ষৰ ফলত এই শোকাৱহ ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত বাছখনত থকা ১৭জনকৈ যাত্ৰীও আহত হৈছে।

## পত্নীক হত্যাৰ অভিযোগত কেলিফ'ৰ্নিয়াত গ্ৰেপ্তাৰ ভাৰতীয় মূলৰ নাগৰিক

**কেলিফ'ৰ্নিয়া, ২৩ অক্টোবৰ ঃ** পত্নীক হত্যাৰ অভিযোগত আমেৰিকাৰ কেলিফ'ৰ্নিয়াত গুৰিন্দৰ গীল নামৰ এজন ভাৰতীয় বংশোদ্ভূত ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ হৈছে ঘৰৰ পৰা কেইবা কিলোমিটাৰ দূৰৰ এখন জংঘলত। আৰক্ষী সূত্ৰৰ খবৰ অনুসৰি মৃতকগৰাকীৰ নাম জেছমিন গীল। ছাক্ৰামেণ্টত তেওঁক যোৱা ৩০ ছেপ্টেম্বৰত অন্তিমবাৰ দেখা গৈছিল। তাৰ পাছৰ পৰা জেছমিনৰ কোনো সন্ধান পোৱা নাছিল। চাৰি দিন পাছত জেছমিনৰ এগৰাকী সম্বন্ধীয় ভগ্নীয়ে বিষয়টো আৰক্ষীক অৱগত কৰে। তাৰ পাছতে স্বামী গুৰিন্দৰকো আৰক্ষীয়ে সোধা-পোছা কৰে। তেতিয়া তেওঁ ইমিগ্ৰেচন এণ্ড কাষ্টমছ এনফ'ৰ্চমেণ্টৰ বিষয়াই জেছমিনক ঘৰৰ পৰা লৈ যোৱা বুলি দাবী কৰে। কিন্তু এনফ'ৰ্চমেণ্টে কোনো মহিলাক গ্ৰেপ্তাৰ কৰা নাই বুলি জানিবলৈ দিয়াত গুৰিন্দৰক গ্ৰেপ্তাৰ কৰে। যোৱা ১ অক্টোবৰত এল ডোৰাদো কাউণ্টিত মহিলাগৰাকীৰ মৃতদেহৰ অংশ উদ্ধাৰ হয়। পৰিয়ালৰ লোকে তেওঁক গুৰিন্দৰে হত্যা কৰা বুলি অভিযোগ কৰে। যোৱা ১৪ অক্টোবৰত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, জেছমিন আৰু গুৰিন্দৰৰ মাজত বিবাহ-বিচ্ছেদৰ গোচৰ চলি আছিল। সন্তানৰ হেফাজতক লৈ দুয়োজনৰ মাজত অশান্তি অব্যাহত আছিল আৰু সেইবাবেই পত্নীক হত্যা কৰা বুলি সন্দেহ কৰিছে আৰক্ষীয়ে।



# মিজোৰামত মানৱসেৱাৰ নিদৰ্শন থুটাক নুনপুইটু টীমৰ

**আইজল, ২৩ অক্টোবৰ ঃ** অনাথ শিশু, বিশেষভাৱে সক্ষম ব্যক্তি আৰু ড্ৰাগ্‌ছ তথা মাদক দ্ৰব্যৰ আসক্তিত দিশহাৰা হোৱা লোকসকলৰ সেৱা, সুৰক্ষা আৰু পুনৰ্সংস্থাপনৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে মিজোৰামৰ স্বেচ্ছাসেৱী সামাজিক সংস্থা থুটাক নুনপুইটু টীম, চমুকৈ টি এন টিয়ে। সমাজৰ অৱহেলিত আৰু আৰ্থিকভাৱে দুৰ্বল লোকসকলক সহায় আগবঢ়োৱাৰ লগতে তেওঁলোকক মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিবলৈ সক্ষম কৰি তোলাই সংস্থাটোৰ অন্যতম লক্ষ্য। সমাজকৰ্মী ছাংথাংকিমাৰ উদ্যোগত ১৯৮৮ চনত মিজোৰামৰ চাম্ফাইত প্ৰতিষ্ঠা হোৱা এই সংস্থাটোৱে পৰৱৰ্তী সময়ত মিজোৰামৰ লগতে দেশৰ এটা উল্লেখযোগ্য সমাজসেৱামূলক সংগঠন হিচাপে পৰিচিতি লাভ কৰে। সংস্থাটোৱে অনাথ শিশুৰ আশ্ৰয় আৰু প্ৰতিপালন, মানসিক স্বাস্থ্যজনিত সমস্যাত ভোগা লোকৰ যত্ন, লগতে ড্ৰাগ্‌ছ আৰু মাদক দ্ৰব্যৰ আসক্তিত ভোগা লোকসকলৰ চিকিৎসা-সহায় আৰু পুনৰ্সংস্থাপনৰ ব্যৱস্থা কৰি আহিছে। সমাজসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে সংস্থাটোৰ প্ৰতিষ্ঠাপক ছাংথাংকিমাক ২০২৪ চনত দেশৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান 'পদ্মশ্ৰী' প্ৰদান কৰা হৈছিল। বেংক অব বৰোদাই অলপতে থুটাক নুনপুইটু টীম (টি এন টি) কেন্দ্ৰলৈ অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী যোগান ধৰে। পিছপৰা আৰু সুবিধাবঞ্চিত শ্ৰেণীৰ লোকক সহায়ৰ উদ্দেশ্যে বেংক অব বৰোদাৰ কাৰ্যবাহী সঞ্চালক লাল সিঙে কেন্দ্ৰটো পৰিদৰ্শন কৰি এই সাহায্য আগবঢ়ায়। টি এন টিৰ সাধাৰণ সম্পাদক আৰ মালচৌমটলুৱাংগাই বেংক অব বৰোদাৰ উত্তৰ-পূব ৰাজ্যিক মণ্ডলৰ মহাপ্ৰবন্ধক শিৱপদ নায়ক আৰু গুৱাহাটী মণ্ডলৰ উপ-মহাপ্ৰবন্ধক দিবাকৰ ঝা, টি এন টিৰ স্বেচ্ছাসেৱক আৰু বেংকটোৰ কৰ্মচাৰীসকলৰ উপস্থিতিত এই খাদ্য-সামগ্ৰীসমূহ গ্ৰহণ কৰে। উল্লেখযোগ্য যে থুটাক নুনপুইটু টীমৰ মূল লক্ষ্য হৈছে অসহায় আৰু সুবিধাবঞ্চিত লোকসকলক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াই তেওঁলোকক সমাজৰ মূল সুঁতিলৈ ঘূৰাই অনা। সংস্থাটোৰ বিভিন্ন সেৱামূলক কাৰ্যসূচীৰ জৰিয়তে হিতাধিকাৰীসকলক স্বাৱলম্বী হোৱাৰ লগতে স্বাভাৱিক আৰু সন্মানজনক জীৱন যাপন কৰিবলৈ উৎসাহিত কৰা হয়। মানৱীয় মূল্যবোধ, সহমৰ্মিতা আৰু সামাজিক দায়বদ্ধতাক আধাৰ হিচাপে লৈ সংস্থাটোৱে আগবঢ়াই অহা সেৱাই সমাজত সহায়-সহযোগিতা আৰু পুনৰ্সংস্থাপনৰ প্ৰয়োজনীয়তাক সুন্দৰকৈ উপস্থাপন কৰিছে।



# ক'লাজল নৈত ৰামদিয়াৰ নিখোঁজ মাছমৰীয়াৰ মৃতদেহ উদ্ধাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাজো, ২৩ অক্টোবৰ ঃ** বিগত তিনিদিন ধৰি ক'লাজল নৈত নিখোঁজ হৈ থকা হাজোৰ ৰামদিয়াৰ মাছমৰীয়াজনৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। জানিব পৰা মতে, ৰামদিয়া-নামপাৰা মাজৰকুচি নিবাসী ভৰেশ ডেকা (৫৫) ই দুৰ্গা পূজা চলি থকাৰ সময়তে ২১ অক্টোবৰত ক'লাজল নৈৰ কাঁহিবাৰী ঘাটত এখন নাৱত উঠি বৰশী বাই থকাৰ সময়তে দুপৰীয়া প্ৰায় ১২ বজাত নাৱৰ পৰা পিছলি পানীত পৰি যায়। ঘাটত থকা প্ৰত্যক্ষদৰ্শী মহিলা এগৰাকীয়ে ঘটনাৰ খবৰ গাঁৱৰ মানুহক দিয়ে। ঘটনাৰ খবৰ পোৱাৰ কিছুসময় পিছত স্থানীয় একাংশ লোক ঘটনাস্থলীত উপস্থিত হৈ নাৱেৰে মাছমৰীয়া লোকজনক বিচাৰিবলৈ ধৰে যদিও তেওঁক বিচাৰি নাপায়। ইয়াৰ পিছত ৰামদিয়া আৰক্ষীয়ে এছ ডি আৰ এফ বাহিনীৰ সহযোগত নিখোঁজ মাছমৰীয়াজনক উদ্ধাৰ কৰিবলৈ বিগত দুটা দিন ধৰি চেষ্টা চলায় যদিও উদ্ধাৰ কৰিব নোৱাৰিলে। কিন্তু আজি তৃতীয় দিনা পুৱা প্ৰায় ৬ বজাত ক'লাজল নৈৰ কাঁহিবাৰী ঘাটৰ পৰা কিছু আঁতৰত মাছমৰীয়া ভৰেশ ডেকাৰ মৃতদেহটো পানীত ওপঙি থকা দেখিবলৈ পায় স্থানীয় লোকে। শেষত ৰামদিয়া আৰক্ষীয়ে এছ ডি আৰ এফৰ সহযোগত মৃতদেহটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মৃতদেহ উদ্ধাৰৰ সময়ত ভৰেশ ডেকাৰ দুয়োখন ভৰিত বৰশীৰ বৰ্ছী মেৰ খাই থকা দেখিবলৈ পোৱা যায়। মৃতদেহ উদ্ধাৰৰ পিছত আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি এইচলৈ প্ৰেৰণ কৰে।

# লংকাত ড্ৰাগছ্ছসহ এজনক গ্ৰেপ্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**লংকা, ২৩ অক্টোবৰ ঃ** যোৱা নিশা লংকা আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পমখেদি ২৫টা ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ অমৰজিৎ চৌহান নামৰ এজনক গ্ৰেপ্তাৰ কৰে। তেওঁ এ এছ- ৩১ এফ- ৬৪৭৩ নম্বৰৰ মটৰ চাইকেল সৰবৰাহ কৰাৰ সময়তে লংকা আৰক্ষীয়ে জব্দ কৰে ড্ৰাগছখিনি। ধৃত অমৰজিৎ চৌহানৰ ঘৰ লংকাৰ মাগুলীত। ইতিমধ্যে লংকা আৰক্ষীয়ে অমৰজিৎ চৌহানক জেৰা অব্যাহত ৰাখিছে।

# শূন্য গঁড় হত্যাৰ এহেজাৰ দিন অতিক্ৰম

বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। বনমন্ত্ৰীগৰাকীয়ে কয়, এটা সময় আছিল যেতিয়া গঁড় চিকাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্যতম গুৰুত্বপূৰ্ণ ভাবুকি হিচাপে পৰিগণিত হৈছিল। আমাৰ বাবে আছিল বেদনাদায়ক স্মৃতি। গঁড় সংৰক্ষণত আছিল প্ৰত্যাহ্বান, এতিয়া সেই দিন নাই। বিগত এহেজাৰ দিন কাজিৰঙাত গঁড় হত্যা হোৱা নাই। এই উল্লেখযোগ্য সাফল্য সম্ভৱ হৈছে বন বিভাগৰ বিষয়া আৰু বনাঞ্চলত কৰ্মৰত বনকৰ্মীসকলৰ নিষ্ঠা, সাহস আৰু অক্লান্ত পৰিশ্ৰমৰ ফলতহে। বনকৰ্মীসকলে গভীৰ অৰণ্যত প্ৰতিকূল পৰিস্থিতিৰ মাজতো নিয়মীয়াকৈ টহল দি আমাৰ মূল্যৱান বন্যপ্ৰাণীক সুৰক্ষা প্ৰদান কৰি আহিছে বুলি মন্তব্য কৰে বনমন্ত্ৰীগৰাকীয়ে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে অসম আৰক্ষীৰ সৈতে বন বিভাগৰ উন্নত সমন্বয়, অধিক শক্তিশালী আইন প্ৰয়োগ আৰু চোৰাংচোৰাৰ সঠিক তথ্য সংগ্ৰহ ব্যৱস্থাৰ লগতে কাজিৰঙাৰ চাৰিওফালে বসবাস কৰা জনসাধাৰণৰ বিশাল সহযোগিতাই এই সাফল্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত অসমৰ বন্যপ্ৰাণী আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণে সদায় অগ্ৰাধিকাৰ পাই আহিছে বুলিও তেওঁ উল্লেখ কৰে। গঁড় হত্যা নোহোৱাকৈ ১০০০ দিন অতিক্ৰমৰ আজিৰ দিনটোত বন বিভাগৰ হৈ এই ঐতিহাসিক সাফল্যত অৱদান আগবঢ়োৱা প্ৰতিগৰাকী বনৰক্ষী, বন বিষয়া, আৰক্ষী কৰ্মী আৰু কাষৰীয়া জনসাধাৰণক আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰে বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। বিভাগীয় তথ্যমতে ২০২২ চনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত এটাও গঁড় হত্যা হোৱা নাছিল। এই ঘটনা কাজিৰঙাৰ শতবৰ্ষীয় সংৰক্ষণ ইতিহাসত এক ঐতিহাসিক সাফল্য হিচাপে পৰিগণিত হৈছে। বন বিভাগৰ মতে ১৯৭৭ চনৰ পাছত ২০২২ চনত গঁড় হত্যা শূন্য হৈছিল। বিভাগীয় তথ্য মতে ২০১৩ আৰু ২০১৪ চনত সৰ্বাধিক ২৭টাকৈ গঁড় চোৰাং চিকাৰৰ বলি হৈছিল। ইয়াৰ পাছতে গঁড় নিধনৰ ঘটনা ধীৰে ধীৰে হ্ৰাস পাই ২০২২ চনত সম্পূৰ্ণ শূন্যলৈ নামি আহে। বিভাগীয় পৰিসংখ্যা মতে ২০০০ চনৰ পৰা ২০২১ চনলৈকে অসমত প্ৰায় ১৯০টা গঁড় হত্যাৰ ঘটনা সংঘটিত হৈছিল। ২০২২ চন কাজিৰঙাত ৪৫ বছৰৰ ভিতৰত প্ৰথম গঁড় হত্যা নোহোৱা বছৰ হিচাপে পৰিগণিত হয়।

# কৰ্তৃপক্ষৰ বিৰুদ্ধে কৰ্মচাৰীৰ ধৰ্ণা

বিভাগৰ এই সিদ্ধান্তৰ প্ৰতিবাদত সংগঠন দুটাই ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি একত্ৰীকৰণৰ প্ৰক্ৰিয়া যিকোনো প্ৰকাৰে বন্ধ কৰাৰ দাবী জনায়। এই সিদ্ধান্ত কাৰ্যকৰী হ'লে ডাক বিভাগৰ কৰ্মচাৰীসকলৰ লগতে সাধাৰণ উপভোক্তাসকলো বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব বুলি প্ৰতিবাদকাৰীসকলে আশংকা প্ৰকাশ কৰে। প্ৰতিবাদকাৰীসকলৰ অভিযোগ অনুসৰি, ১৯৬৫ চনতে স্থাপন হোৱা তিনিচুকীয়া ডাক সংমণ্ডল কাৰ্যালয়টোৰ এক সুকীয়া ঐতিহাসিক পৰিচয় আৰু প্ৰশাসনিক মৰ্যাদা আছে। কিন্তু ডাক ভৱনৰ পৰা জাৰি কৰা নিৰ্দেশনা অনুসৰি, অহা ১ নৱেম্বৰৰ পৰা তিনিচুকীয়া ডাক সংমণ্ডলক ডিব্ৰুগড় ডাক সংমণ্ডলৰে একত্ৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই সিদ্ধান্তই অঞ্চলটোৰ ডাক সেৱা আৰু প্ৰশাসনিক ব্যৱস্থাত নেতিবাচক প্ৰভাৱ পেলোৱাৰ আশংকা প্ৰকাশ কৰিছে সংগঠন দুটাই। প্ৰতিবাদকাৰীসকলে উল্লেখ কৰা মতে, ডাক সংমণ্ডল দুটাৰ একত্ৰীকৰণৰ ফলত কৰ্মচাৰীসকলে দৈনন্দিন প্ৰশাসনিক কাম-কাজৰ পৰা আৰম্ভ কৰি বিভিন্ন সেৱা লাভ কৰালৈকে সমস্যাৰ সন্মুখীন হ'ব। বিশেষকৈ কৰ্মচাৰীসকলৰ অৱসৰকালীন সা-সুবিধা, পেন্সন সম্পৰ্কীয় কাম-কাজ আৰু অন্যান্য সেৱা লাভৰ ক্ষেত্ৰত জটিলতা সৃষ্টি হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁলোকে আশংকা ব্যক্ত কৰে। তেওঁলোকৰ দাবী— এনে সমস্যাৰ উদাহৰণ হিচাপে লখিমপুৰ ডাক সংমণ্ডলৰ কৰ্মচাৰীসকলে সন্মুখীন হৈ অহা অসুবিধাৰ কথাও বিবেচনা কৰা উচিত। আনহাতে, এই একত্ৰীকৰণৰ প্ৰভাৱ কেৱল ডাক বিভাগৰ কৰ্মচাৰীসকলৰ মাজতে সীমাবদ্ধ নাথাকিব বুলি প্ৰতিবাদকাৰীসকলে মত প্ৰকাশ কৰে। তেওঁলোকৰ মতে, তিনিচুকীয়া ডাক সংমণ্ডলৰ অধীনত থকা বিভিন্ন অঞ্চলৰ ৰাইজে ডাক বিভাগৰ সেৱা আৰু চৰকাৰী সুবিধা গ্ৰহণৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'ব পাৰে। প্ৰশাসনিক কাম-কাজৰ বাবে ডিব্ৰুগড়ৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি পালে সেৱা লাভৰ ক্ষেত্ৰত পলম হোৱাৰ লগতে সাধাৰণ গ্ৰাহকৰো অসুবিধা হ'ব। এই সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ইতিমধ্যে স্মাৰক-পত্ৰ প্ৰদান কৰা হৈছে বুলি প্ৰতিবাদকাৰীসকলে জানিবলৈ দিয়ে। ডাক বিভাগৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰি তিনিচুকীয়া ডাক সংমণ্ডলৰ স্বতন্ত্ৰ পৰিচয় আৰু বৰ্তমানৰ ব্যৱস্থা অক্ষুণ্ণ ৰাখিবলৈ তেওঁলোকে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে। প্ৰতিবাদকাৰীসকলে স্পষ্ট কৰি দিয়ে যে তেওঁলোকৰ দাবীৰ প্ৰতি কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান নকৰিলে আন্দোলনৰ কাৰ্যসূচী অধিক তীব্ৰতৰ কৰা হ'ব। সেই অনুসৰি, একত্ৰীকৰণৰ সিদ্ধান্ত বাতিল নকৰিলে ২৯ আৰু ৩০ অক্টোবৰত গুৱাহাটীৰ মেঘদূত ভৱনত অনশন কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ প্ৰদান কৰিছে সংগঠন দুটাই। তিনিচুকীয়া ডাক সংমণ্ডলৰ একত্ৰীকৰণক কেন্দ্ৰ কৰি সৃষ্টি হোৱা এই প্ৰতিবাদে ডাক বিভাগৰ প্ৰশাসনিক পুনৰ গঠন আৰু ইয়াৰ ফলত কৰ্মচাৰী তথা সাধাৰণ গ্ৰাহকৰ ওপৰত পৰিব পৰা প্ৰভাৱৰ বিষয়টো পুনৰ চৰ্চালৈ আনিছে। এতিয়া সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰতিবাদকাৰীসকলৰ দাবীৰ প্ৰতি কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব।

# আঢ়ৈ বছৰ নাথাকে বিজেপি চৰকাৰ

তদন্ত আৰু ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতিক লৈ কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায় গগৈয়ে। জুবিন গাৰ্গৰ ন্যায় বিচাৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ভূমিকা সন্দৰ্ভতো তেওঁ একাধিক প্ৰশ্ন উত্থাপন কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ দায়িত্বত থকা বিশেষ তদন্তকাৰী দলৰ তদন্ত প্ৰক্ৰিয়াক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি গগৈয়ে অভিযোগ কৰে যে বিশেষ তদন্তকাৰী দলে আদালতলৈ প্ৰেৰণ কৰা তদন্তৰ কেইবাটাও তথ্য পৰৱৰ্তী সময়ত আদালতত মিছা বা অসত্য প্ৰমাণিত হৈছে। তেওঁৰ মতে, মুখ্যমন্ত্ৰীয়ে বিধানসভাত আগবঢ়োৱা তথ্য আৰু বিশেষ তদন্তকাৰী দলে আদালতত দাখিল কৰা তথ্যৰ মাজতো সামঞ্জস্য নথকাৰ অভিযোগ উঠিছে। এনে পৰিস্থিতিৰ বাবেই জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰে জড়িত অভিযুক্তই জামিন লাভ কৰিবলৈ সক্ষম হোৱা বুলি বিৰোধী দলপতিগৰাকীয়ে মন্তব্য কৰে। জুবিনৰ ন্যায় বিচাৰৰ ক্ষেত্ৰত চৰকাৰৰ আন্তৰিকতাক লৈও প্ৰশ্ন উত্থাপন কৰে গৌৰৱ গগৈয়ে। কম সময়ৰ ভিতৰতে ৰাজ্যত উৰণসেতু নিৰ্মাণ কৰিব পৰা চৰকাৰে জুবিন ক্ষেত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত কিয় বিশেষ গুৰুত্ব নিদিলে বুলিও তেওঁ প্ৰশ্ন কৰে। একেদৰে মুখ্যমন্ত্ৰীৰ অতি ঘনিষ্ঠ বুলি উল্লেখ কৰি অসমৰ মহাধিবক্তা দেৱজিৎ শইকীয়াক জুবিন গাৰ্গৰ ন্যায় বিচাৰৰ আইনী প্ৰক্ৰিয়াত কিয় দায়িত্ব দিয়া নহ'ল, সেই বিষয়েও প্ৰশ্ন উত্থাপন কৰে গগৈয়ে। ইফালে, ৰাজ্যৰ সামগ্ৰিক ৰাজনৈতিক পৰিস্থিতিক লৈ সৰৱ হৈ পৰা গগৈয়ে কয় যে কংগ্ৰেছে বৰ্তমান গণতন্ত্ৰ ৰক্ষাৰ ক্ষেত্ৰত বিজেপিৰ মাজত ভয়ৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। তেওঁৰ দাবী, 'আঢ়ৈ বছৰ নাথাকে বিজেপি চৰকাৰ' আৰু ২০২৯ চনৰ আগতেই বিজেপিয়ে শাসনৰ গাদী এৰিব লাগিব। বিজেপি চৰকাৰক সমালোচনা কৰি গগৈয়ে কয় যে নিজৰ ভুল শুধৰোৱাৰ পৰিবৰ্তে বিজেপিয়ে নিজৰ 'চোৰ-ডকাইতৰ মনোভাব' লুকুৱাবলৈ গণতন্ত্ৰ আৰু ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে প্ৰতিবাদৰ পথ গ্ৰহণ কৰিছে। নিৰ্বাচনী ব্যৱস্থা আৰু সংবিধানৰ প্ৰসংগতো সৰৱ হৈ গগৈয়ে জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে সংবিধানৰ ওপৰত আক্ৰমণ চলোৱাৰ অভিযোগ উত্থাপন কৰে। দেশদ্ৰোহৰ অভিযোগৰ ক্ষেত্ৰত কোনো লোকেই সাৰি যাব নোৱাৰিব বুলি মন্তব্য কৰি গগৈয়ে কয়— দেশদ্ৰোহ কৰা লোক জে'ললৈ যাব লাগিব। কেন্দ্ৰীয় চৰকাৰ সলনি হ'লে অসমৰো বহু ৰাজনৈতিক নেতাই কাৰাগাৰলৈ যাবলগীয়া হ'ব পাৰে বুলি সকীয়নি প্ৰদান কৰি তেওঁ কয়— 'এইটো সকীয়নি আজিয়েই দিলোঁ'। আনহাতে, শেহতীয়াকৈ অনুষ্ঠিত নগাঁও নিৰ্বাচনৰ ফলাফল আৰু নিৰ্বাচনী প্ৰক্ৰিয়াক লৈও বিৰোধী দলপতি গৌৰৱ গগৈয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। নগাঁও নিৰ্বাচন নিৰপেক্ষভাৱে অনুষ্ঠিত হোৱা নাই বুলি অভিযোগ কৰি তেওঁ কয় যে নিৰ্বাচনী প্ৰচাৰৰ সময়ত তেওঁলোকৰ বাহনত আক্ৰমণ সংঘটিত হৈছিল যদিও সেই ঘটনাৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল বুলি প্ৰশ্ন কৰে। নগাঁও নিৰ্বাচনত কংগ্ৰেছৰ শোচনীয় ফলাফলৰ প্ৰসংগত তেওঁ ব্যৰ্থতাৰ দায়িত্ব স্বীকাৰ নকৰাৰ অভিযোগো উঠিছে গগৈৰ বিৰুদ্ধে। নিৰ্বাচনত কংগ্ৰেছে তৃতীয় স্থানলৈ অৱনমিত হোৱাৰ কাৰণ সন্দৰ্ভত দলীয় সাংগঠনিক দুৰ্বলতা বা প্ৰচাৰৰ ব্যৰ্থতাৰ পৰিবৰ্তে নিৰ্বাচন আয়োগ আৰু বদৰুদ্দিন আজমলৰ ভূমিকা সন্দৰ্ভত তেওঁ অভিযোগ উত্থাপন কৰে। গগৈয়ে কটাক্ষ কৰি কয় যে বিজেপিৰ 'ষ্টাৰ কেম্পেইনাৰ' এতিয়া হিমন্ত বিশ্ব শৰ্মা নহয়, আজমলহে। বিজেপিৰ বাবে এ আই ইউ ডি এফ এতিয়া একপ্ৰকাৰৰ 'লাখুটি'ত পৰিণত হৈছে বুলিও তেওঁ মন্তব্য কৰে। আনকি কেন্দ্ৰীয় নিৰ্বাচন আয়োগ, বিজেপি আৰু এ আই ইউ ডি এফ এতিয়া একে হৈ পৰিছে বুলিও তেওঁ অভিযোগ কৰে। নগাঁও নিৰ্বাচনত কংগ্ৰেছৰ পৰাজয়ৰ কাৰণ সন্দৰ্ভত দলৰ ভিতৰত অন্তৰ্দ্বন্দ্ব আছে নেকি বুলি উল্লেখ কৰি গগৈয়ে কয় যে পৰাজয়ৰ কথাবোৰ এখন মজিয়াত বহি আলোচনা কৰা হ'ব। অৱশ্যে নিৰ্বাচনত কংগ্ৰেছৰ শোচনীয় ফলাফলৰ বাবে ব্যৰ্থতা স্বীকাৰ নকৰি নিৰ্বাচন আয়োগ আৰু আজমলৰ ওপৰত দোষ জাপি দিয়াৰ অভিযোগে ইতিমধ্যে ৰাজনৈতিক মহলত চৰ্চা লাভ কৰিছে। জুবিন ক্ষেত্ৰত শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ পৰিবৰ্তে বিজেপিৰ গগৈয়ে আগবঢ়োৱা এই মন্তব্যসমূহে একে সময়তে জুবিন গাৰ্গৰ ন্যায় বিচাৰৰ প্ৰক্ৰিয়া আৰু ৰাজ্যৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিক লৈ নতুনকৈ চৰ্চাৰ সৃষ্টি কৰিছে।

# দৰঙত যুৱকক গ্ৰেপ্তাৰ

দেৱী দুৰ্গা সন্দৰ্ভত চাইফুদ্দিন ৰক নামৰ পেজত এটা ৰীল আপলোড কৰিছিল। এই ৰীলত দেৱী দুৰ্গাৰ হাত-ভৰি ভঙা, উলংগ মহিলা আখ্যা দিছিল। ৰীলটোত মা দুৰ্গা সন্দৰ্ভত এনে নিন্দনীয় আৰু অশ্লীল ভাষা ব্যৱহাৰ কৰাত স্থানীয় সনাতনী ৰাইজ ক্ষুব্ধ হৈ পৰে। ৰীলটো ভাইৰেল হোৱাৰ লগে লগে সমগ্ৰ খাৰুপেটীয়াতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ফলত খাৰুপেটীয়াৰ হিন্দু সংগঠনসমূহে খাৰুপেটীয়া থানাত চাইফুদ্দিনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এজাহাৰত অভিযোগ কৰা অনুসৰি, ৰীলটোৰ জৰিয়তে অভিযুক্তই ধৰ্মীয় অনুভূতিত আঘাত হানিছে আৰু সমাজত অশান্তিৰ সৃষ্টি কৰিব বিচাৰিছে। খাৰুপেটীয়া আৰক্ষীয়ে তৎপৰতাৰে অভিযান চলাই অভিযুক্ত চাইফুদ্দিন আহমেদক আজি পুৱা ৩ বজাত গ্ৰেপ্তাৰ কৰে। দিনৰ ভাগত চাইফুদ্দিনক আদালতত হাজিৰ কৰোৱাত আদালতে জে'ললৈ প্ৰেৰণ কৰে। ইপিনে, বিষয়টো সন্দৰ্ভত দৰঙৰ হিন্দুত্ববাদী নেতা গৌৰৱ কুমাৰ ডেকাৰজাই ধৰ্মীয় অনুভূতিত আঘাত হানি সমাজত অশান্তি বিয়পোৱাত লিপ্ত নহ'বলৈ সকীয়নি দি ম'বাইল ফোন আৰু সামাজিক মাধ্যম ব্যৱহাৰৰ পূৰ্বে সজাগ, সচেতন হ'বলৈ আহ্বান জনায়। তেওঁ এনে কৰ্মত ম'বাইল ফোন ব্যৱহাৰ কৰাতকৈ নকৰাই ভাল বুলি আখ্যা দি কঠোৰ শাস্তিৰ পোষকতা কৰে।

# নৱপ্ৰজন্ম আমাৰ ভৱিষ্যৎ

দ্বিতীয় দিনৰ কাৰ্যসূচীত মহোৎসৱস্থলীত অনুষ্ঠিত নৱপ্ৰজন্মৰ সৈতে বাৰ্তালাপ অনুষ্ঠানত উপস্থিত থাকে বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী। তেওঁ মহোৎসৱস্থলীত উপস্থিত শিক্ষাৰ্থীসকলক উদ্দ্যেশ্যি ভাষণ দিয়ে। তেওঁ কয়— আমাৰ ভৱিষ্যৎ নৱ প্ৰজন্মৰ ওপৰত নিৰ্ভৰশীল। গতিকে নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকলক যদি আমি সাংস্কৃতিক-ক্ৰীড়াকে ধৰি অন্যান্য দিশত সঠিক পথ দেখুৱাই দিব নোৱাৰোঁ, তেন্তে ভৱিষ্যতটো অন্ধকাৰ হ'ব। সেয়েহে নতুন প্ৰজন্মই যাতে জীৱনৰ কোনো ক্ষেত্ৰতে কষ্ট নাপায়, তাৰ বাবে সঠিক পদ প্ৰদৰ্শনৰ বাবে এনেধৰণৰ যুৱ মহোৎসৱ অনুষ্ঠিত কৰা হৈছে। ভাৰত চৰকাৰ, অসম চৰকাৰৰ লগতে বি টি চি চৰকাৰেও নৱপ্ৰজন্মক উৎসাহিত কৰাৰ উদ্দেশ্যে আৰ্থিক সাহায্য আগবঢ়াই আহিছে। কৃষিৰ প্ৰতি আগ্ৰহীসকলক আমি আৰ্থিকভাৱে সহায়ৰ ব্যৱস্থা কৰিম। আনহাতে, অভিযন্তাৰ ডিগ্ৰী লাভ কৰি চাকৰি লাভ নকৰা শিক্ষাৰ্থীসকলক আমি ঠিকাভিত্তিক কামত নিয়োজিত কৰাৰ চিন্তা কৰিছোঁ। একেদৰে 'নীট' আৰু 'জেইই' শিক্ষাৰ্থীসকলৰ বাবে কোকৰাঝাৰ আৰু ওদালগুৰিত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা কৰিম। সমান্তৰালভাৱে এ পি এছ চি, ইউ পি এছ চিৰ বাবেও আমি বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰিম। বি টি চিত আমি সকলোৰে বাবে কাম কৰি যাম। কেৱল আমাৰ মাজত শান্তি আৰু একতাৰ প্ৰয়োজন আছে।' ইফালে, সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰি মহিলাৰীয়ে বৰ্তমানলৈ বি টি চিৰ ভিন্ন প্ৰান্তত অনুষ্ঠিত যুৱ মহোৎসৱসমূহৰ ভিতৰত ওদালগুৰিৰ যুৱ মহোৎসৱ অধিক সুন্দৰভাৱে অনুষ্ঠিত হোৱাৰ কথা উল্লেখ কৰে। আগন্তুক বি টি চিৰ উপ-নিৰ্বাচন সন্দৰ্ভত মহিলাৰীয়ে কয়— ইউ পি পি এলে ছাৰেণ্ডাৰ কৰিব লাগে। কাম নাই ইউ পি পি এলৰ। গোটেইকেইখন আসনৰ এখনতো জিকিব নোৱাৰিব ইউ পি পি এল। কম দিনৰ ভিতৰতে বি টি চিত আৰু অধিক চাকৰিৰ বিজ্ঞাপন ওলোৱাৰ কথা উল্লেখ কৰি আগন্তুক দিনত বি পি এফে দিয়া পাঁচটাকৈ গেৰাণ্টী সম্পূৰ্ণ হ'ব বুলি মহিলাৰীয়ে উল্লেখ কৰে। আজিৰ এই কাৰ্যসূচীত কেবিনেট মন্ত্ৰী তথা মহোৎসৱৰ সভাপতি চৰণ বড়ো, কাৰ্যকৰী সভাপতি তথা ই এম ফ্ৰেছ মোছাহাৰী, বি টি চিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰী, বি টি চিৰ অধ্যক্ষ ত্ৰিদীপ দৈমাৰীকে ধৰি কেইবাগৰাকীও ই এম, এম চি এল এ তথা সমল ব্যক্তি উপস্থিত থাকে।

# দৈনিক অসমৰ সাংবাদিক হেমাংগ

হৈছে নে? মানুহৰ জীৱনটোক লৈ ব্যাখ্যা ক'ত হৈছে? সমাজক লৈ ব্যাখ্যা ক'ত হৈছে ? এই সমূহ সম্পৰ্কত সত্ৰাধিকাৰসকলে দৃষ্টি দিয়াৰ দায়িত্ব আছে। — এই মন্তব্য কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ। আজিৰে পৰা যোৰহাটৰ কৰঙাৰ শ্ৰী শ্ৰী কাঠবাপু সত্ৰত আৰম্ভ হোৱা সদৌ অসম সত্ৰ মহাসভাৰ কেন্দ্ৰীয় পূৰ্ণাংগ অধিৱেশন আৰু 'সেতুবন্ধন সমাৰোহ' কাৰ্যসূচীৰ প্ৰথম দিনৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে মন্তব্য কৰাৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাছাই কয় যে আমি সাধাৰণতে জ্ঞান মাৰ্গ আৰু ভক্তি মাৰ্গৰ কথাই সমাজত শুনা পাওঁ। মহাপুৰুষগৰাকীয়ে ভক্তি মাৰ্গকে সমাজত আগবঢ়াই লৈ যোৱাৰ কথা চিন্তা কৰিছিল। আজি প্ৰথম দিনৰ সেতুবন্ধন সমাৰোহ উদ্বোধন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে। সেতুবন্ধন সমাৰোহৰ উদ্বোধন কৰি দিয়া ভাষণত সত্ৰাধিকাৰ গোস্বামীয়ে কয়— মহাপুৰুষ শংকৰ-মাধৱ গুৰু দুজনাই অপূৰ্ব কৃষ্টি-সংস্কৃতি আমাক উপহাৰ দি গৈছে। মহাপুৰুষ গুৰু দুজনাই যি সংস্কৃতি আমাৰ মাজত দি থৈ গৈছে, সেই কৃষ্টি-সংস্কৃতিক আমি সকলোৱে একেলগে আগবঢ়াই লৈ যোৱাৰ কৰ্তব্য আৰু দায়িত্ব আছে। অসমৰ সত্ৰানুষ্ঠানসমূহে যিদৰে এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে আৰু মই ভাবোঁ একেদৰে সমাজৰ সকলো স্তৰৰ লোকৰে এই ক্ষেত্ৰত দায়িত্বৰে আগুৱাই যোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। বৰ্তমান সময়ত ৰজাঘৰ, প্ৰজাঘৰ, গুৰুঘৰ— এই তিনিওখন ঘৰ যদি একত্ৰিতভাৱে আগুৱাই লৈ যোৱা সম্ভৱ নহয়, তেন্তে সমাজ আগুৱাই নিয়াৰ ক্ষেত্ৰত ত্ৰুটি ৰৈ যাব। ইয়াৰো কাৰণ আছে। ৰজাঘৰ, প্ৰজাঘৰ সকলো একত্ৰিতভাৱে গুৰুঘৰৰ পৰামৰ্শমতে যি ৰজাঘৰ পৰিচালিত হয়, সেই ৰজাঘৰৰ শাসন বহুত উৎকৃষ্ট হ'ব পাৰে। উঠি অহা নতুন প্ৰজন্মৰ মাজত এই ক্ষেত্ৰত বহু অনীহা অহা দেখা পোৱা গৈছে। এই অনীহা ধৰ্ম-কৰ্মৰ প্ৰতি, সামাজিক কৰ্মৰ প্ৰতি অহা অনীহা। এই ক্ষেত্ৰত উঠি অহা নতুন প্ৰজন্মক আমি হাতে-হাত ধৰি নামঘৰখনৰ সৈতে পৰিচয় কৰি দিছোঁনে নাই, আমাৰ সত্ৰানুষ্ঠানখনৰ প্ৰতি চিনাকি কৰি দিছোঁনে নাই সেয়া অতি গুৰুত্বপূৰ্ণ। নামঘৰে এখন গাঁও, এখন সমাজক একত্ৰিত কৰি ৰাখে। ভাগৱতৰ পৰা আৰম্ভ কৰি গুৰুজনাৰ কীৰ্তন-ঘোষা এইসকলোখিনি অধ্যয়ন কৰাত কোনো বাধা থাকিব নোৱাৰে। এই ক্ষেত্ৰত আমি সকলোকে অনুমতি দিয়াৰ প্ৰয়োজনীয়তা আছে। সত্ৰাধিকাৰসকলে চিন্তা-চৰ্চাৰে সমাজখনক আগুৱাই নিলেহে এখন সুস্থ সমাজ পৰিস্ফুট হ'ব। এই ক্ষেত্ৰত সদৌ অসম সত্ৰ মহাসভাই আজি আমাৰ মাজত, সত্ৰানুষ্ঠানসমূহৰ মাজত যাতে একক সমন্বয় গঢ়ি তোলে, তাৰ কাৰণে আমি সদায় আহ্বান কৰোঁ। সদৌ অসম সত্ৰ মহাসভাৰ কেন্দ্ৰীয় উপদেষ্টা মুনমুন গোস্বামী আৰু যাদৱ চন্দ্ৰ দেৱ মহন্তৰ যৌথ সঞ্চালনাত অনুষ্ঠিত সেতুবন্ধন সমাৰোহৰ কাৰ্যসূচীত ৰাজ্যৰ কেইবাগৰাকীও সাংবাদিকক 'সংবাদ জ্যোতি বঁটা' প্ৰদান কৰা হয়। সেই অনুসৰি 'দৈনিক অসম' কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক হেমাংগ গোস্বামী, দৈনিক জনমভূমি কাকতৰ মুখ্য উপ-সম্পাদক দীপক চক্ৰৱৰ্তী, নিয়মীয়া বাৰ্তাৰ উপ-সম্পাদক অজিত কুমাৰ চহৰীয়া, অসম লাইভৰ নয়নজ্যোতি শইকীয়া, অংশুমান গোস্বামী, আমাৰ অসম কাকতৰ আলিয়াছ আহমেদক সন্মান প্ৰদান কৰা হয়। এই বঁটাসমূহত আছে গামোচা, চেলেং, স্মাৰক, প্ৰশস্তি পত্ৰ, জাপি, সম্বৰ্দ্ধনা। সদৌ অসম সত্ৰ মহাসভাৰ সম্পাদক প্ৰান্তিক গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত আদৰণী ভাষণ দিয়ে কাথবাপু সত্ৰৰ সত্ৰাধিকাৰ প্ৰভাত চন্দ্ৰ মহন্তই। অনুষ্ঠানত ধুৱাহাট বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ মুনীন্দ্ৰ নাৰায়ণদেৱ গোস্বামী, কমলাবাৰী সত্ৰৰ বুঢ়াভকত সোণাৰাম শৰ্মা প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে আজি পুৱা পতাকা উত্তোলন কৰে 'সদৌ অসম সত্ৰ মহাসভা'ৰ সভাপতি, সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে। স্মৃতি তৰ্পণ কৰে 'সদৌ অসম সত্ৰ মহাসভা'ৰ অন্যতম উপদেষ্টা সত্ৰাধিকাৰ তথা বিশিষ্ট শিক্ষাবিদ প্ৰভাত চন্দ্ৰ মহন্তই। আনহাতে, বিয়লি 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম, দৰ্শন, সাহিত্য আৰু সংস্কৃতি' শীৰ্ষক আলোচনা চক্ৰ উদ্বোধন কৰে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই।

# অইলৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয় ঘেৰাও

নেতা-কৰ্মীসকলে দুলীয়াজানস্থিত অইল ইণ্ডিয়া লিমিটেডৰ ক্ষেত্ৰীয় মুখ্য কাৰ্যালয় ঘেৰাও কৰে। এই সময়ছোৱাতে সংগঠনটোৱে অইলৰ ঔদ্যোগিক এলেকা, মানৱ সম্পদ ভৱন, অসামৰিক অভিযান্ত্ৰিক বিভাগ আদি বিভাগৰ দ্বাৰ অৱৰোধ কৰাৰ লগতে অইলৰ যান-বাহনসমূহৰ চলাচল বন্ধ কৰি দিয়ে। ফলত অইলৰ কাম-কাজ স্তব্ধ হৈ পৰে। এনে পৰিপেক্ষিতত অইলৰ জনসম্পৰ্কৰক্ষী বিভাগৰ মুখ্য মহাপ্ৰবন্ধক দিগন্ত কুমাৰ বৰাই সংগঠনটোক আলোচনাৰ বাবে আমন্ত্ৰণ জনায় যদিও জিলা উপায়ুক্তৰ অধ্যক্ষতাত অইলৰ আৱাসিক মুখ্য বিষয়াৰ উপস্থিতিত ত্ৰিপাক্ষিক বৈঠকৰ দাবীত আটাছুৰ নেতৃবৃন্দ আকোঁৰগোঁজ হৈ থাকে। পিছত অইলৰ জনসম্পৰ্কৰক্ষী বিভাগৰ মুখ্য মহাপ্ৰবন্ধক আৰু অসামৰিক অভিযান্ত্ৰিক বিভাগৰ (চিভিল) মুখ্য মহাপ্ৰবন্ধকৰ উপস্থিতিত আৱাসিক মুখ্য বিষয়াৰ তৰফৰ পৰা সংগঠনটোৰ দাবী সন্দৰ্ভত লিখিত প্ৰতিশ্ৰুতি প্ৰদান কৰাত সাময়িকভাৱে প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰখা হয়। উল্লেখযোগ্য যে দুলীয়াজান ৰে'ল ষ্টেচনৰ পৰা টিপ্‌লিং তিনিআলিলৈকে অতি গুৰুত্বপূৰ্ণ প্ৰায় চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা পুনৰ নিৰ্মাণৰ বাবে বিগত ২০১২ চনতে অইলে প্ৰায় ২৫ কোটি, পৰৱৰ্তী সময়ত অসম চৰকাৰৰ এছ অ' পি ডি ফাণ্ডৰ পৰা প্ৰায় ৪ কোটি আৰু শেহতীয়াকৈ অইল ইণ্ডিয়া লিমিটেডে পুনৰ প্ৰায় ১০ কোটি মুকলি কৰি দিছিল। কিন্তু আজিপৰ্যন্ত পথটোৰ নিৰ্মাণ সম্পূৰ্ণ নহ'ল। এই পথটোৰ লগতে দুলীয়াজানৰ কাষৰীয়া সংলগ্ন আটাইকেইখন গাঁৱৰ মূল আৰু উপ-পথসমূহ পকীকৰণ, চহৰখনৰ পানী নিষ্কাসনৰ মূল নলাটো নিৰ্মাণ কৰা, পদপথটো আটকধুনীয়াকৈ সজাই তোলা আৰু দুলীয়াজানৰ আটাইকেইটা মূল পথৰ দুয়োকাষে অত্যাধুনিক ষ্ট্ৰীট লাইট স্থাপন কৰিবৰ বাবে অইল ইণ্ডিয়া লিমিটেডক আটাছুৱে দাবী জনাই আহিছিল। সংগঠনটোৰ এই দাবীসমূহৰ প্ৰতি অইল ইণ্ডিয়া লিমিটেডৰ সৈতে আটাছুৰ ইতিমধ্যে কেইবালানিও দ্বি-পাক্ষিক, ত্ৰি-পাক্ষিক আলোচনা অনুষ্ঠিত হৈছিল যদিও আলোচনাত প্ৰদান কৰা প্ৰতিশ্ৰুতিসমূহ আজিপৰ্যন্ত ৰূপায়িত নহ'ল। ফলত আটাছুৰ দুলীয়াজান আঞ্চলিক সমিতিয়ে ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰূপম গগৈৰ নেতৃত্বত আজি অইল কৰ্তৃপক্ষৰ বিৰুদ্ধে এই প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, অইল ইণ্ডিয়া লিমিটেডে জিলা উপায়ুক্ত, অইলৰ আৱাসিক মুখ্য বিষয়া আৰু সংশ্লিষ্ট বিভাগীয় মুৰব্বীসকলৰ উপস্থিতিত আলোচনা অনুষ্ঠিত কৰি দাবীসমূহ তাৎক্ষণিকভাৱে পূৰণ নকৰিলে পুনৰ ব্যাপক ৰূপত আটাছুৱে অইলৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিব বুলি সংগঠনটোৱে জানিবলৈ দিছে।

# এছ আই আৰৰ বিৰোধিতা-জ্ঞানেশ

মহিলা সমিতি, চি আই টি ইউ, জে চি টি ইউ, অসম ৰাজ্যিক কৃষক সভা, অসম কৃষি আৰু গ্ৰামীণ শ্ৰমিক ইউনিয়ন আদি সংগঠনৰ নেতৃবৰ্গ উপস্থিত থাকি নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতা, নিৰপেক্ষতা আৰু প্ৰতিগৰাকী যোগ্য নাগৰিকৰ ভোটাধিকাৰ সুৰক্ষিত কৰাৰ দাবী জনায়। প্ৰতিবাদকাৰীসকলে SIR প্ৰক্ৰিয়াৰ জৰিয়তে কেৱলমাত্ৰ শাসকগোষ্ঠীৰ গাদী সুৰক্ষিত কৰাৰ স্বাৰ্থত অন্যায়ভাৱে ভোটাৰ তালিকাৰ পৰা নতুন ভোটাৰ, প্ৰব্ৰজিত শ্ৰমিক, মহিলা, ধৰ্মীয় সংখ্যালঘু, জনগোষ্ঠীয় নাগৰিকৰ নাম কৰ্তন কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। তেওঁলোকে কয় যে ভোটাধিকাৰ ভাৰতীয় সংবিধানে প্ৰদান কৰা এক গুৰুত্বপূৰ্ণ গণতান্ত্ৰিক অধিকাৰ। এই অধিকাৰ সুৰক্ষিত কৰাটো নিৰ্বাচন আয়োগৰ অন্যতম প্ৰধান দায়িত্ব। কিন্তু বিগত সময়ছোৱাত নিৰ্বাচন আয়োগৰ স্বতন্ত্ৰতাৰ ওপৰত বেত্ৰাঘাত কৰি বিজেপি চৰকাৰে নিজৰ শাসনভাৰ বৰ্তাই ৰখাৰ স্বাৰ্থত নিজ ইচ্ছামতে নিৰ্বাচন আয়োগক ব্যৱহাৰ কৰা আৰু ভোটাৰ তালিকাৰ পৰা যোগ্য নাগৰিকৰ নাম কৰ্তন কৰি ভাৰতবৰ্ষৰ গণতান্ত্ৰিক পৰিকাঠামোটোৰ ওপৰত আক্ৰমণ নমাই আনিছে। এছ আই আৰৰ গোটেই প্ৰক্ৰিয়াটোৰ বিৰুদ্ধে দুজন নিৰ্বাচন আয়ুক্তয়ে বিৰোধিতা কৰাৰ পাছতো স্বৈৰাচাৰিতাৰে মুখ্য নিৰ্বাচন আয়ুক্তই এছ আই আৰ প্ৰক্ৰিয়া অব্যাহত ৰাখি চৰকাৰী পক্ষৰ হৈ কাম কৰা কাৰ্যক প্ৰতিবাদকাৰীসকলে ধিক্কাৰ জনায়। প্ৰতিবাদকাৰীয়ে দাবী উত্থাপন কৰে যে বিজেপিৰ কাৰ্যালয়ৰ পৰা ওলোৱা ভোটাৰ তালিকা অথবা বিজেপিৰ নিৰ্দেশত চলা নিৰ্বাচন আয়োগৰ ভোটাৰ তালিকা নালাগে, স্বতন্ত্ৰ-সাংবিধানিক প্ৰতিষ্ঠান হিচাপে নিৰ্বাচন আয়োগৰ ভোটাৰ তালিকাহে দেশক লাগে। এছ আই আৰৰ পৰা আৰম্ভ কৰি মোডী নেতৃত্বাধীন বিজেপি চৰকাৰখনে বিভিন্ন পদক্ষেপেৰে ভাৰতবৰ্ষৰ গণতান্ত্ৰিক প্ৰমূল্যৰ ওপৰত বাৰম্বাৰ কুঠাৰাঘাত কৰি আহিছে। গণতান্ত্ৰিক দেশত শান্তিপূৰ্ণ প্ৰতিবাদ সাংবিধানিক অধিকাৰ। অথচ এই শান্তিপূৰ্ণ প্ৰতিবাদৰ ওপৰত চৰকাৰে তীব্ৰ আক্ৰমণ নমাই আনিছে। প্ৰতিবাদকাৰীসকলক আৰক্ষীৰ জৰিয়তে অপহৰণ কৰা, নিৰ্মম শাৰীৰিক-মানসিক অত্যাচাৰ কৰা, গ্ৰেপ্তাৰ কৰা আদি বিভিন্ন পন্থা হাতত লোৱাৰ উপৰি সাংবাদিকসকলকো গ্ৰেপ্তাৰ কৰি মোডী চৰকাৰে চৌদিশে এক ভয়ৰ পৰিৱেশ ৰচনা কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। গতিকে এছ আই আৰ বাতিল, জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীৰ লগতে বিজেপি চৰকাৰৰ গণতন্ত্ৰবিৰোধী, সংবিধানবিৰোধী কাৰ্যকলাপক প্ৰতিবাদকাৰীয়ে গৰিহণা জনায়। তেওঁলোকে কয়— দিল্লীৰ যন্তৰ মন্তৰত প্ৰতিবাদ ৰুদ্ধ কৰাৰ চেষ্টা কৰিলে ভাৰতবৰ্ষৰ প্ৰান্তে প্ৰান্তে যন্তৰ মন্তৰ গঢ়ি উঠিব।

# খৰাং বতৰ ঃ বৰবৰুৱা পথাৰত ধানৰ

আৰু সূৰ্যৰ প্ৰখৰ তাপে কৃষিপথাৰত ধানৰ স্বাভাৱিক শ্ৰীবৃদ্ধিত বাধাৰ সৃষ্টি কৰাৰ ফলত বিগত ২০২৪ আৰু ২০২৫ বৰ্ষৰ তুলনাত চলিত বৰ্ষত ধানৰ উৎপাদন হ্ৰাস পাব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে। বিশেষকৈ বৰবৰুৱাৰ বিস্তৃত কৃষিপ্ৰধান অঞ্চলসমূহত দেখা দিয়া এনে পৰিস্থিতিয়ে মূৰৰ ঘাম মাটিত পেলাই সোণগুটি উৎপাদনৰ সপোন দেখা কৃষকসকলৰ মাজত উদ্বিগ্নতা বৃদ্ধি কৰিছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱাৰ লেজাই, কলাখোৱা, বগীবিল, কোটোহা, ডুলীয়া, কাকতি, মানকটা, খনিকৰ, বলাই, জকাই, কাৰৈমাৰী, ভগামূৰ, গৰুধৰীয়া, মধুপুৰ, লেকাই, বকপৰা, ডাইনীজান আদি অঞ্চলৰ বহু কৃষিপথাৰত এইবাৰ ধানগছৰ আশানুৰূপ শ্ৰীবৃদ্ধি নোহোৱা বুলি কৃষকসকলে জানিবলৈ দিছে। বিশেষকৈ বাম মাটিৰ খেতিপথাৰত ধানগছৰ বৃদ্ধি ঠাইবিশেষে বাধাগ্ৰস্ত হোৱাৰ বিপৰীতে দ-চানেকীয়া মাটিৰ পথাৰত তুলনামূলকভাৱে ধানৰ শ্ৰীবৃদ্ধি সন্তোষজনক বুলি জানিব পৰা গৈছে। কৃষকসকলৰ মতে, চলিত বৰ্ষৰ জুলাই আৰু আগষ্ট মাহত মাজে-সময়ে দেখা দিয়া খৰাং পৰিস্থিতি আৰু পৰ্যাপ্ত বৰষুণৰ অভাৱে ধান খেতিত বিৰূপ প্ৰভাৱ পেলাইছে। খেতিৰ বাবে প্ৰয়োজনীয় পানীৰ অভাৱত বহু কৃষকে সময়মতে পথাৰ প্ৰস্তুত কৰি ধান ৰোপণ কৰিব নোৱাৰিলে। ফলত বহু অঞ্চলত পলমকৈ হাল বাই খেতি আৰম্ভ কৰিবলগীয়া হয়। আনহাতে, আগতীয়াকৈ ৰোপণ কৰা ধানৰো আশানুৰূপ শ্ৰীবৃদ্ধি নোহোৱাত উৎপাদনক লৈ অনিশ্চয়তা অধিক ঘনীভূত হৈছে। শেহতীয়াকৈ হোৱা বৰষুণে কিছু সকাহ প্ৰদান কৰিলেও সকলো খেতিপথাৰত ধানৰ স্বাভাৱিক বৃদ্ধি ঘূৰি অহা নাই বুলি একাংশ কৃষকে প্ৰকাশ কৰিছে। বিশেষকৈ পানী যোগানৰ সুবিধা নথকা বাম মাটিৰ পথাৰসমূহত খৰাং বতৰৰ প্ৰভাৱ অধিক স্পষ্ট হৈ পৰিছে। ফলত ধান গছৰ বৃদ্ধি, পথাৰৰ সামগ্ৰিক অৱস্থা আৰু শেষ পৰ্যায়ৰ উৎপাদনক লৈ কৃষকসকলৰ মাজত আশংকা বৃদ্ধি পাইছে। উল্লেখ্য যে বৰবৰুৱা অঞ্চলৰ বহু পৰিয়ালৰ জীৱিকা প্ৰত্যক্ষভাৱে কৃষিৰ ওপৰত নিৰ্ভৰশীল। এনে পৰিস্থিতিত ধানৰ উৎপাদন হ্ৰাস পালে কৃষকসকল আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হোৱাৰ আশংকাও নুই কৰিব নোৱাৰি। খেতিৰ বাবে কৰা ব্যয়ৰ বিপৰীতে আশানুৰূপ উৎপাদনত লাভ নকৰিলে কৃষকৰ আৰ্থিক বোজা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সেয়েহে বৰ্তমানৰ পৰিস্থিতিত পথাৰসমূহৰ অৱস্থা পৰ্যালোচনা কৰি কৃষকসকলক প্ৰয়োজনীয় পৰামৰ্শ আৰু সহায় আগবঢ়োৱাত গুৰুত্ব আৰোপ কৰিছে কৃষক ৰাইজে। অৱশ্যে ধান চপোৱাৰ পূৰ্বে সামগ্ৰিক উৎপাদনৰ সঠিক ছবি স্পষ্ট হোৱাটো সম্ভৱ নহ'ব। তথাপি বৰ্তমানৰ বতৰৰ প্ৰতিকূলতা আৰু পথাৰত ধানৰ অসমান শ্ৰীবৃদ্ধিয়ে এইবাৰ বৰবৰুৱাৰ কৃষক সমাজৰ বাবে উদ্বেগৰ কাৰণ হৈ দেখা দিছে। সোণগুটিৰ আশাত বাট চাই থকা কৃষকসকলৰ এতিয়া এটাই আশা— বতৰে অনুকূল ৰূপ লওক, পথাৰৰ ধানে পূৰ্ণতা লাভ কৰক আৰু শ্ৰমৰ উচিত ফল লাভ কৰি কৃষক পৰিয়ালসমূহে সকাহ পাওক।

# তালিকাৰ পৰা বাদ পৰিল ৩৫ প্ৰদূষিত নদীৰ নাম

প্ৰদূষিত নদীৰ তালিকাৰ পৰা বাদ পৰিল কেনেকৈ? নদীসমূহৰ পানীৰ গুণাগুণ সঁচাকৈয়ে উন্নত হ'ল নে নমুনা সংগ্ৰহ, পৰীক্ষা আৰু মূল্যায়নৰ পদ্ধতিগত পৰিৱৰ্তনৰ ফলত এই পাৰ্থক্য দেখা গৈছে? এই প্ৰশ্নৰ স্পষ্ট উত্তৰ বিচাৰিছে পৰিৱেশ সচেতন মহলে। এই বৃহত্তৰ বিতৰ্কৰ মাজতে বিশেষভাৱে চৰ্চালৈ আহিছে নুমলীগড়ৰ কাষেৰে বৈ যোৱা ধনশিৰি নদীৰ প্ৰসংগও। কাৰণ এই নদীৰ পানী প্ৰদূষিত বুলি পূৰ্বতে পোৱা পৰীক্ষাৰ তথ্যৰ বিপৰীতে বিভিন্ন চৰকাৰী বিভাগৰ পৰা নদীখনৰ জলভাগ প্ৰদূষণমুক্ত বুলি দাবী উত্থাপন হোৱাৰ অভিযোগ আছে। ফলত নদীৰ প্ৰকৃত অৱস্থা নিৰ্দ্ধাৰণৰ বাবে নিৰপেক্ষ আৰু বিজ্ঞানসন্মত পৰীক্ষাৰ প্ৰয়োজনীয়তাই পুনৰ গুৰুত্ব লাভ কৰিছে। উল্লেখ্য যে ২০১৮ চনত কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে দেশৰ বিভিন্ন প্ৰান্তৰ নদীসমূহৰ পানীৰ মূল্যায়ন কৰি প্ৰদূষিত নদীসমূহ চিনাক্ত কৰাৰ এক প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। সেই সময়ৰ মূল্যায়নত অসমৰ ৪৪খন নদী প্ৰদূষিত নদীৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল বুলি প্ৰকাশিত তথ্যত উল্লেখ কৰা হৈছে। নদীৰ পানীত জৈৱ-ৰাসায়নিক অক্সিজেনৰ চাহিদা (BOD) আছিল এই মূল্যায়নৰ অন্যতম গুৰুত্বপূৰ্ণ মাপকাঠী। পানীত জৈৱিক পদাৰ্থৰ পৰিমাণ অধিক হ'লে সেইবোৰ ভাঙি পেলাবলৈ অণুজীৱৰ অধিক অক্সিজেনৰ প্ৰয়োজন হয়। ফলত পানীত দ্ৰৱীভূত অক্সিজেনৰ পৰিমাণ হ্ৰাস পোৱাৰ আশংকা থাকে আৰু জলজ জীৱৰ স্বাভাৱিক জীৱন-প্ৰক্ৰিয়া ব্যাহত হ'ব পাৰে। কিন্তু শেহতীয়া নিৰীক্ষণৰ ভিত্তিত অসমৰ প্ৰদূষিত নদীৰ সংখ্যা ৯খনলৈ হ্ৰাস পোৱা বুলি প্ৰকাশিত তথ্যই নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। যদি পূৰ্বতে প্ৰদূষিত হিচাপে চিনাক্ত হোৱা ৩৫খন নদীৰ পানীৰ গুণাগুণ সঁচাকৈয়ে উন্নত হৈছে, তেন্তে সেয়া নিশ্চয়কৈ ইতিবাচক খবৰ। কিন্তু সেই উন্নতিৰ আঁৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল, কোনবোৰ প্ৰদূষণৰ উৎস বন্ধ কৰা হ'ল, কিমান শোধনাগাৰ স্থাপন বা আধুনিকীকৰণ কৰা হ'ল আৰু কিমান পৰিমাণৰ বৰ্জ্যৰ পানীত নিৰ্গমন নিয়ন্ত্ৰণ কৰা হ'ল— সেইবোৰৰ তথ্যও ৰাজহুৱা হোৱাটো সমানেই প্ৰয়োজনীয়। প্ৰদূষিত নদীৰ তালিকাৰ পৰা নাম আঁতৰোৱা আৰু নদী এখন সম্পূৰ্ণ প্ৰদূষণমুক্ত হোৱা একে কথা নহয়। নদীৰ পানীৰ গুণাগুণ ঋতু, বৰষুণ, পানীৰ প্ৰবাহ, প্ৰদূষকৰ নিৰ্গমন আৰু নমুনা সংগ্ৰহৰ স্থান অনুসৰি সলনি হ'ব পাৰে। সেয়েহে কোনো এটা সময়ৰ পৰীক্ষাৰ ফলাফলৰ ভিত্তিত নদী এখনৰ সামগ্ৰিক অৱস্থা নিৰ্দ্ধাৰণ কৰাটো কিমান যুক্তিসংগত, সেই প্ৰশ্নও গুৰুত্বপূৰ্ণ। বিশেষকৈ পূৰ্বতে প্ৰদূষিত হিচাপে চিনাক্ত হোৱা নদীসমূহৰ ক্ষেত্ৰত নিয়মীয়া আৰু তুলনামূলক পৰীক্ষাৰ তথ্য ৰাজহুৱা কৰাটো প্ৰয়োজনীয়। নুমলীগড় অঞ্চলত ধনশিৰি নদীৰ প্ৰদূষণৰ প্ৰশ্নটো অধিক তাৎপৰ্যপূৰ্ণ। পূৰ্বতে নদীখনৰ পানীৰ নমুনা সংগ্ৰহ কৰি কৰা পৰীক্ষাত তেলজাতীয় পদাৰ্থ আৰু গ্ৰীজৰ উপস্থিতি ধৰা পৰা বুলি দাবী উত্থাপন হৈছিল। এই সন্দৰ্ভত কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড আৰু জনস্বাস্থ্য-কাৰিকৰী বিভাগৰ পৰীক্ষাৰ তথ্যৰ কথা উল্লেখ কৰা হৈছে। আনহাতে গোলাঘাট জিলা প্ৰশাসন, অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড আৰু মীন বিভাগৰ ফালৰ পৰা নদীখন প্ৰদূষণমুক্ত বুলি প্ৰকাশ কৰা হৈছিল বুলি অভিযোগ উত্থাপিত হৈছে। একেখন নদীৰ পানীৰ গুণাগুণক লৈ এনে বিপৰীতধৰ্মী দাবী উত্থাপন হোৱাটোৱে স্বাভাৱিকতে জনসাধাৰণৰ মাজত সংশয়ৰ সৃষ্টি কৰিছে। অৱশ্যে এই পাৰ্থক্যৰ কাৰণ নিৰ্ধাৰণ কৰিবলৈ সংশ্লিষ্ট প্ৰতিবেদনসমূহৰ তাৰিখ, নমুনা সংগ্ৰহৰ স্থান, পৰীক্ষাগাৰৰ ফলাফল আৰু ব্যৱহৃত মাপকাঠীসমূহৰ তুলনামূলক পৰ্যালোচনা কৰাটো জৰুৰী। উল্লেখ্য যে নদীখনৰ প্ৰদূষণ সন্দৰ্ভত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণত বিশিষ্ট পৰিৱেশ কৰ্মী অপূৰ্ব বল্লভ গোস্বামীয়ে তৰা এটা গোচৰ বৰ্তমানেও বিচাৰাধীন হৈ থকা বুলিও জানিব পৰা গৈছে। ধনশিৰি নদীৰ ক্ষেত্ৰত মূল প্ৰশ্নটো হ'ল— যদি পূৰ্বৰ পৰীক্ষাত প্ৰদূষণৰ উপস্থিতি ধৰা পৰিছিল, তেন্তে তাৰ উৎস চিনাক্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'লনে? নদীৰ পানীত তেলজাতীয় পদাৰ্থ বা গ্ৰীজৰ উপস্থিতিৰ সম্ভাব্য উৎসসমূহ চিনাক্ত কৰা হ'লনে? প্ৰদূষণৰ উৎস নিয়ন্ত্ৰণৰ পাছত পুনৰ পৰীক্ষা কৰি পানীৰ গুণাগুণ উন্নত বুলি নিশ্চিত কৰা হ'লনে? এই প্ৰশ্নসমূহৰ উত্তৰ ৰাজহুৱা নোহোৱালৈকে ধনশিৰিৰ প্ৰদূষণৰ বিষয়টো সম্পূৰ্ণৰূপে নিষ্পত্তি হোৱা বুলি কোৱাটো কঠিন। প্ৰকাশিত তথ্য অনুসৰি, অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মুঠ ২৩৭টা স্থানত পানীৰ নমুনা সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। ইয়াৰ ভিতৰত ১৭০টা স্থান ভূ-পৃষ্ঠৰ জলাশয়ৰ সৈতে জড়িত বুলি উল্লেখ কৰা হৈছে। বি অ' ডিৰ উপৰি দ্ৰৱীভূত অক্সিজেন আৰু পানীৰ গুণাগুণ নিৰ্ধাৰণৰ অন্যান্য মাপকাঠী পৰীক্ষা কৰাটোও গুৰুত্বপূৰ্ণ। কিন্তু এই নিৰীক্ষণৰ ফলাফলসমূহ কিমান নিয়মীয়াকৈ ৰাজহুৱা কৰা হয়, পূৰ্বৰ আৰু শেহতীয়া তথ্যৰ মাজত কি পাৰ্থক্য পোৱা গৈছে আৰু প্ৰদূষিত নদীৰ তালিকাৰ পৰা আঁতৰোৱা প্ৰতিখন নদীৰ ক্ষেত্ৰত কি বৈজ্ঞানিক ভিত্তি গ্ৰহণ কৰা হৈছে, সেই বিষয়ে অধিক স্বচ্ছতাৰ প্ৰয়োজন। বিশেষকৈ ৩৫খন নদীৰ প্ৰদূষণৰ মাত্ৰা হ্ৰাস পোৱাৰ দাবীৰ ক্ষেত্ৰত নদীভিত্তিক তথ্য প্ৰকাশ কৰা উচিত। কোনখন নদীৰ কোনটো স্থানত কেতিয়া নমুনা সংগ্ৰহ কৰা হৈছিল, বি অ' ডিৰ পৰিমাণ কিমান আছিল, পূৰ্বৰ তুলনাত কিমান উন্নতি ঘটিছিল আৰু কোনবোৰ পৰিৱেশগত মানৰ ভিত্তিত নদীখনক তালিকাৰ পৰা আঁতৰোৱা হৈছে, এই তথ্যসমূহ ৰাজহুৱা হ'লে প্ৰকৃত ছবিখন স্পষ্ট হ'ব। গুৱাহাটী মহানগৰীৰ ভৰলু নদীৰ প্ৰদূষণৰ সমস্যাই নগৰীয়া বৰ্জ্য ব্যৱস্থাপনাৰ দুৰ্বলতা স্পষ্ট কৰি তোলে। নলা-নৰ্দমাৰ অপৰিশোধিত পানী, ঘৰুৱা বৰ্জ্য আৰু অন্যান্য প্ৰদূষকৰ নিৰ্গমনে নদীৰ পানীৰ গুণাগুণৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে। একেদৰে বুঢ়ীদিহিং, কলং, ধনশিৰি আৰু অন্যান্য নদীৰ বিভিন্ন অংশত প্ৰদূষণৰ অভিযোগ উত্থাপন হৈ আহিছে। অৱশ্যে প্ৰতিখন নদীৰ বৰ্তমানৰ অৱস্থা নিৰ্দ্ধাৰণৰ বাবে শেহতীয়া পৰীক্ষাৰ তথ্য পৃথকে পৰ্যালোচনা কৰাটো প্ৰয়োজন। নদী প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে কেৱল পৰীক্ষা কৰাই যথেষ্ট নহয়। নগৰ অঞ্চলৰ নলা-নৰ্দমাৰ পানী পৰিশোধন কৰিবলৈ উপযুক্ত ছিউৱেজ ট্ৰীটমেণ্ট প্লাণ্ট স্থাপন, পুৰণি শোধন ব্যৱস্থাৰ আধুনিকীকৰণ আৰু সেইবোৰৰ কাৰ্যক্ষমতা নিয়মীয়াকৈ পৰীক্ষা কৰাটো জৰুৰী। ঔদ্যোগিক অঞ্চলত বৰ্জ্য পানী পৰিশোধন নকৰাকৈ নদীত এৰি দিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। একে সময়তে নদীৰ পাৰ আৰু জলপ্ৰবাহৰ ওপৰত প্ৰভাৱ পেলাব পৰা অবৈধভাৱে বালি-শিল খনন, নদীৰ বুকুত যন্ত্ৰপাতি ব্যৱহাৰ আৰু অন্যান্য কাৰ্যকলাপৰো বিজ্ঞানসন্মত মূল্যায়ন প্ৰয়োজন। পৰিৱেশ সচেতন মহলৰ মতে, প্ৰদূষিত নদীৰ তালিকাৰ পৰা আঁতৰোৱা ৩৫খন নদীৰ পানীৰ নমুনা পুনৰ সংগ্ৰহ কৰি স্বীকৃতিপ্ৰাপ্ত পৰীক্ষাগাৰত পৰীক্ষা কৰোৱা উচিত। এই সন্দৰ্ভত বিশিষ্ট পৰিৱেশ কৰ্মী অপূৰ্ব বল্লভ গোস্বামীয়ে কয়— 'এই পৰীক্ষা কেৱল এবাৰতে সীমাবদ্ধ নাৰাখি বিভিন্ন ঋতু আৰু নদীৰ বিভিন্ন স্থানত সম্পন্ন কৰিলে অধিক নিৰ্ভৰযোগ্য ছবি পোৱা যাব। নমুনা সংগ্ৰহৰ স্থান, তাৰিখ, পৰীক্ষাৰ ফলাফল আৰু মূল্যায়নৰ পদ্ধতি ৰাজহুৱা কৰাৰ লগতে পূৰ্বৰ তথ্যৰ সৈতে তুলনামূলক বিশ্লেষণ প্ৰকাশ কৰাটোও প্ৰয়োজন। ধনশিৰি নদীৰ ক্ষেত্ৰত এই দাবীৰ গুৰুত্ব অধিক। কাৰণ নদীখনৰ প্ৰদূষণ সন্দৰ্ভত পূৰ্বৰ পৰীক্ষা আৰু সংশ্লিষ্ট বিভাগসমূহৰ স্থিতিক লৈ ইতিমধ্যে প্ৰশ্ন উত্থাপন হৈছে। সেয়েহে নিৰপেক্ষ বিশেষজ্ঞৰ উপস্থিতিত নমুনা সংগ্ৰহ, পৰীক্ষাৰ ফলাফলৰ স্বচ্ছ প্ৰকাশ আৰু প্ৰদূষণৰ উৎস চিনাক্তকৰণেৰে বিষয়টোৰ বৈজ্ঞানিক নিষ্পত্তি কৰাটো জৰুৰী।' অসমৰ নদীসমূহ কেৱল জলসম্পদ নহয়, কৃষি, মৎস্য, জীৱ-বৈচিত্ৰ্য আৰু নদীপৰীয়া জনজীৱনৰো আধাৰ। গতিকে ৪৪খনৰ পৰা ৯খনলৈ প্ৰদূষিত নদীৰ সংখ্যা হ্ৰাস পোৱাটো যদি বাস্তৱিক উন্নতিৰ প্ৰতিফলন হয়, তেন্তে তাৰ বৈজ্ঞানিক প্ৰমাণ জনসাধাৰণৰ সন্মুখত দাঙি ধৰিব লাগিব। আনহাতে যদি নমুনা সংগ্ৰহ বা মূল্যায়নৰ পদ্ধতিগত পাৰ্থক্যৰ ফলত এই পৰিৱৰ্তন ঘটিছে, তেন্তে সেয়াও স্পষ্ট কৰা উচিত।

> কাব্য মই, গান মই,
> শব্দ মই, ছন্দ মই...
> সুৰ মই, তাল মই,
> নৃত্য মই, লয় মই...



# প্ৰাণৰ জুবিন

> নাহৰৰ অভেদ্য অন্তৰ্কাঠৰ দৰেই অবিৰত সংঘাত, শ্ৰম আৰু ত্যাগৰ মাজেৰে গঢ় লৈ উঠিছিল জুবিনৰ দুৰ্দান্ত তেজস্বিতা তথা নিৰ্ভীক, অটল ব্যক্তিত্ব। জীৱনৰ কোনো প্ৰচণ্ড আঘাতে তেওঁক কেতিয়াও পৰাভূত কৰিব পৰা নাছিল, বৰঞ্চ সংগ্ৰাম আৰু সৃষ্টিশীল কৰ্মোদ্যমে তেওঁক অধিক ঋজু আৰু অপৰাজেয় কৰি তুলিছিল।



## লৌহ-কুঞ্জৰ সুৱাস আৰু অক্ষয় প্ৰচ্ছায়া

▷▶ ডঃ কিশোৰ দত্ত

'য'ত নাহৰ থাকে, তাত জুবিন গাৰ্গ থাকে।'— সুৰীয়া আকাশৰ চিৰভাস্বৰ জ্যোতিষ্ক জুবিন গাৰ্গৰ এই উক্তি কেৱল এক খন্তেকীয়া আৱেগৰ বহিঃপ্ৰকাশ আছিল নে তেওঁৰ অন্তৰ্নিহিত শিল্পীসত্তা আৰু আদিম চেতনাৰ এক গভীৰ আধ্যাত্মিক প্ৰতিফলন? অনুৰাগীৰ আগত তেওঁ যেতিয়া কৈছিল, 'নাহৰ নাহৰ চিঞৰি থাকিলে নহ'ব, নাহৰ ঘৰত ৰুব লাগিব। ঘৰত যেতিয়া নাহৰজোপা থাকিব, তেতিয়া ঘৰত মই থকাৰ নিচিনা লাগিব'— তেতিয়া সি কেৱল ধৰিত্ৰী সেউজ কৰাৰ এক গতানুগতিক আহ্বান আছিল নে নিজৰ স্পন্দিত আত্মাক নাহৰৰ শান্ত, চিৰসেউজ প্ৰচ্ছায়াত সমৰ্পণ কৰাৰ এক গভীৰ পাৰমাৰ্থিক আকুলতা? এজন মানুহৰ নশ্বৰ হৃদস্পন্দন কেনেকৈ লীন হৈ যাব পাৰে এজোপা মহীৰুহৰ দীৰ্ঘজীৱী সত্তাত? আত্ম-পৰিচয় কেতিয়াবা প্ৰকৃতিৰ সৈতে ইমান নিৰিড়ভাৱে সমাৱিষ্ট হ'ব পাৰেনে, য'ত মানুহ আৰু বৃক্ষৰ অস্তিত্ব একাকাৰ হৈ পৰে? এই প্ৰহেলিকাৰ মৌন উত্তৰ আজিও লুকাই আছে যোৰহাটৰ তেওঁৰ পিতৃগৃহৰ চোতালত এদিন সেউজ হৈ থকা এজোপা নাহৰৰ গভীৰ ছাঁৰ স্মৃতিত।

সেই আপোন চোতালতেই তেওঁ নিজ হাতে ৰোপণ কৰা নাহৰক সাবটি নিশাৰ নিৰ্জনতাত সুখ-দুখৰ আত্মিক সংলাপ পাতিছিল, আৰু কালক্ৰমত তাৰ অৱসানত গভীৰ বিষাদত দগ্ধ হৈছিল। এনে মানুহজনৰ বাবে নাহৰ কেতিয়াও এক নিষ্প্ৰাণ কাষ্ঠখণ্ড নাছিল; সেয়া আছিল তেওঁৰ অস্তিত্বৰ এক জীৱন্ত সহচৰ। তথাপি আৱেগৰ মহাসমুদ্ৰ হৈয়ো এই শিল্পীজন আছিল সমানেই যুক্তিবাদী আৰু বিজ্ঞান-চেতনাৰে সমৃদ্ধ। সেইবাবেই তেওঁ জৈৱিক সন্তুলনৰ পোষকতা কৰিছিল— প্ৰতি দহজোপা নাহৰৰ লগত অন্ততঃ দুজোপাকৈ ফলদায়ক বৃক্ষ ৰোপণ কৰা উচিত, যাতে পক্ষীকুলে আশ্ৰয়ৰ লগতে খাদ্যও লাভ কৰে। তেওঁৰ বাবে প্ৰকৃতি-সংৰক্ষণ কোনো সাৰহীন আপ্তবাক্য নাছিল, বৰঞ্চ সেয়া আছিল জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ প্ৰতি এক আপোচহীন, সচেতন সংকল্প, য'ত প্ৰকৃতিৰ প্ৰতি থকা অহেতুক প্ৰেম আৰু বিজ্ঞানৰ বাস্তৱমুখী ধাৰণা সন্মিলিত হৈছিল এক অটল নৈতিক দায়িত্ববোধত। যি নাহৰক শিল্পীগৰাকীয়ে নিজৰ আত্মাৰ দাপোণ বুলি গণ্য কৰিছিল, বিজ্ঞানৰ বিশ্লেষণাত্মক দৃষ্টিত সেই সুবাসিত লৌহবৃক্ষৰ স্বৰূপ আৰু অধিক আকৰ্ষণীয়।

প্ৰকৃতিৰ এই বিস্ময়কৰ লৌহ-কুঞ্জৰ বৈজ্ঞানিক পৰিচয় Mesua ferrea; যাৰ প্ৰজাতিবাচক 'ferrea' পদটোৱে লোহাৰ দৰে অটুট কঠিনতাক সূচায়। কেলোফাইলেচী (Calophyllaceae) গোত্ৰৰ এই চিৰসেউজ বৃক্ষৰ অন্তৰ্কাঠ (heartwood) অতি ঘন আৰু কঠিন; ইয়াৰ ঘনত্ব প্ৰতি ঘনমিটাৰত প্ৰায় ৯৪০ৰ পৰা ১,১৯৫ কিলোগ্ৰামৰ ভিতৰত, অৰ্থাৎ এই পৰিমাণ পানীৰ ঘনত্ব (প্ৰায় ১,০০০ কিলোগ্ৰাম)ৰ ওচৰে-পাঁজৰে বা তাতকৈ অধিক হোৱাৰ পৰিপ্ৰেক্ষিতত ই প্ৰায়ে পানীত নিমজ্জিত হয়। এই অভেদ্য কঠিনতাৰ ৰহস্য লুকাই আছে ইয়াৰ অণুবীক্ষণিক কোষীয় সজ্জাত: কাঠত জলবাহী নলিকাৰ সংখ্যা অত্যন্ত সীমিত আৰু সেইবোৰো টাইল'ছিছ (tylosis, কাষৰ কোষৰ পৰা নলিকাৰ ভিতৰলৈ প্ৰসাৰিত বেলুনসদৃশ বৃদ্ধি) তথা ৰক্তাভ-বাদামী আঠাজাতীয় পদাৰ্থৰে প্ৰায় অৱৰুদ্ধ। আনহাতে কাঠৰ তন্তুসমূহৰ (fibre) কোষ-প্ৰাচীৰ অত্যন্ত সুদৃঢ় আৰু ঘন। মন্থৰ বিকাশৰ সুদীৰ্ঘ পৰিক্ৰমাত বহু বছৰ ধৰি পুঞ্জীভূত হোৱা এই নিৰিড় তন্তু আৰু ঘন কোষ-প্ৰাচীৰৰ সুসংহত বিন্যাসৰ পৰাই ই লাভ কৰে লৌহসদৃশ অভেদ্য দৃঢ়তা। ইয়াৰ সমান্তৰালকৈ কোষ-প্ৰাচীৰৰ লিগনিন (lignin) আৰু অন্তৰ্কাঠত পুঞ্জীভূত পলিফেনল (polyphenol) জাতীয় ৰাসায়নিক পদাৰ্থৰ (extractives) বাবেই ইয়াৰ কাঠে উঁই-পোকৰ আক্ৰমণ আৰু প্ৰাকৃতিক ক্ষয়ৰ বিৰুদ্ধে উল্লেখযোগ্য প্ৰতিৰোধ ক্ষমতা অৰ্জন কৰে। কিন্তু নাহৰৰ এই আভ্যন্তৰীণ শক্তি কেৱল কাঠৰ মাজতে সীমাবদ্ধ নহয়, ইয়াৰ বাহ্যিক অবয়ৱেও তাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

নাহৰৰ মূল কাণ্ডই একক অক্ষত ঋজুভাৱে আকাশমুখী ৰূপ ধাৰণ কৰে (monopodial growth), য'ত শীৰ্ষ কলিয়ে (apical bud) নিজৰ প্ৰাধান্যৰ (apical dominance) দ্বাৰা পাৰ্শ্বৱৰ্তী কলিবোৰৰ বৃদ্ধি সুসংযত কৰি ৰাখে। সেয়ে শাখা-প্ৰশাখাবোৰ চৌদিশে সুষমভাৱে বিস্তাৰিত হৈ এক শোভনীয় শংকু আকৃতিৰ ঘন মুকুট (conical crown) গঢ়ি তোলে, যাৰ ফলত প্ৰবল ধুমুহাৰ আঘাত কাণ্ড আৰু মুকুটৰ সৰ্বত্ৰ অধিক সুষমভাৱে বিয়পি পৰে। ইয়াৰ সমান্তৰালকৈ সুদৃঢ় অন্তৰ্কাঠ আৰু বসুমতীৰ বুকুত সুগভীৰভাৱে প্ৰোথিত শিপাই কালধুমুহাৰ মাজতো মহীৰুহজোপাক অটল কৰি ৰাখে। ঋজু কাণ্ড, কঠিন কাঠ আৰু গভীৰ মূলৰ এই অপূৰ্ব সমন্বয়েই নাহৰৰ দীৰ্ঘস্থায়ী স্থিতিশীলতাৰ অন্যতম ৰহস্য।

আশ্চৰ্যৰ বিষয় এয়ে যে এই লৌহ-কুঞ্জৰ বুকুৰ কঠিন আৱৰণৰ আঁৰতে সংগোপনে স্পন্দিত হৈ থাকে এক অনন্য সুকোমল সত্তা। গাঢ় সেউজীয়া পত্ৰালিৰ মাজে মাজে পোখা মেলা ন-কুঁহিপাতবোৰ অত্যন্ত সুকুমাৰ, ৰক্তাভ আৰু সজল। ইয়াত থকা এন্থ'ছায়ানিন (anthocyanin) ৰঞ্জক পদাৰ্থই উদীয়মান কোমল কোষসমূহক প্ৰখৰ সূৰ্যালোক আৰু অতিবেঙুনীয়া ৰশ্মিৰ অনিষ্টকাৰী প্ৰভাৱৰ পৰা এক সুৰক্ষামূলক ঢাল হৈ ৰক্ষা কৰে। পৰিপক্ক হোৱাৰ লগে লগে এই ৰক্তাভ আভা ক্ৰমান্বয়ে গুলপীয়াৰ পৰা তামৰঙী হৈ অৱশেষত এক গভীৰ গাঢ় সেউজীয়ালৈ ৰূপান্তৰিত হয়। জীৰ্ণ পাতবোৰ ধীৰে ধীৰে সৰি পৰে আৰু বসন্তৰ পৰশত নৱ-পল্লৱে পুনৰ যৌৱন আনি দিয়ে, যাৰ ফলত বছৰৰ প্ৰতিটো ঋতুতে ইয়াৰ মকুট ঘন আৰু চিৰসেউজ হৈ থাকে। এই ঘন মুকুটে মৃত্তিকা ক্ষয় ৰোধ কৰাৰ লগতে পক্ষীকুলকো প্ৰদান কৰে এক নিৰাপদ আশ্ৰয়। বসন্তৰ আগমনত নাহৰে ধাৰণ কৰে চাৰিপাহিৰ ডাঙৰ শুভ্ৰ পুষ্প, যাৰ কেন্দ্ৰত জিলিকি থাকে উজ্জ্বল পৰাগকেশৰৰ (stamens) কেঁচা সোণালী আভা। ফুলৰ পৰা নিৰ্গত সুবাসিত উদ্বায়ী জৈৱ যৌগই মৌ-মাখি আৰু অন্যান্য পতংগক আকৰ্ষণ কৰি প্ৰাকৃতিক পৰাগসংযোগ সম্পন্ন কৰায়। এই শুষ্ক পৰাগকেশৰ আয়ুৰ্বেদ শাস্ত্ৰত 'নাগকেশৰ' নামেৰে এক মূল্যৱান ঔষধি ৰূপে সমাদৃত।



পৰাগযোগৰ সফল পৰিণতিত নাহৰৰ বুকুলৈ নামি আহে ডিম্বাকৃতিৰ ফলৰ সম্ভাৰ। প্ৰায় ৩ৰ পৰা ৪ ছেণ্টিমিটাৰ দৈৰ্ঘ্যৰ এই ফলৰ অভ্যন্তৰত সুৰক্ষিত হৈ থকা গাঢ় বাদামী ৰঙৰ এটাৰ পৰা চাৰিটা বীজৰ মজ্জাত প্ৰায় ৭০ৰ পৰা ৭৫ শতাংশ তেল নিহিত হৈ থাকে। এই ঔষধি গুণসম্পন্ন জৈৱ-তেলে কেৱল মানুহৰ ছালৰ দুৰাৰোগ্য ব্যাধি উপশম কৰাই নহয়, বৰঞ্চ আন্ধাৰ কোঠাত বন্তি হৈ পোহৰৰ অমিয়া সিঁচিবলৈও সমানেই সক্ষম। অৱশ্যে অকল তেলেই নহয়, ইয়াৰ বাকলি, পাত আৰু গুটিত নিহিত জেন্থ'ন (xanthone) তথা কিউমাৰিন (coumarin) জাতীয় জৈৱ-ৰাসায়নিক যৌগসমূহো নিজৰ ব্যতিক্ৰমী জীৱাণুনাশক গুণৰ বাবে আজি আধুনিক বিজ্ঞানৰ গৱেষণাগাৰত একো একোটা আকৰ্ষণীয় অনুসন্ধানৰ বিষয়।

নাহৰৰ এই বৰ্তমান স্বৰূপ আৰু বহুমাত্ৰিক গুণাগুণ কোনো আকস্মিক সৃষ্টি নহয়; ইয়াৰ অন্তৰালত প্ৰৱহমান হৈ আছে এক সুদীৰ্ঘ বিৱৰ্তনৰ ইতিহাস। অসমৰ লিখিত ইতিহাসৰ বহু পূৰ্বৰে পৰা এই ভূখণ্ডৰ অৰণ্যত নাহৰসদৃশ এক আদিম বৃক্ষৰ সবল উপস্থিতি বিদ্যমান আছিল। উজনি অসমৰ মাকুম কয়লাক্ষেত্ৰত জীৱাশ্ম-উদ্ভিদবিজ্ঞানীসকলে (palaeobotanists) আৱিষ্কাৰ কৰা, প্ৰায় ২.৩ কোটিৰ পৰা ৩.৪ কোটি বছৰ পুৰণি অ'লিগোচিন যুগৰ (Oligocene epoch) এটা জীৱাশ্ম ফলৰ সৈতে বৰ্তমানৰ নাহৰৰ অপূৰ্ব সাদৃশ্য পৰিলক্ষিত হৈছে। সেইবাবেই তাক 'মেচুৱা এণ্টিকুৱা' (Mesua antiqua) নামেৰে নামকৰণ কৰা হৈছে। যদিও ই বৰ্তমানৰ প্ৰজাতিটোৰ এক ঘনিষ্ঠ পূৰ্বসূৰী বা সগোত্ৰীয় প্ৰজাতিকহে সূচায়, তথাপি ই স্পষ্ট ইংগিত দিয়ে যে এই উদ্ভিদগোষ্ঠী অতীজৰে পৰা এই অঞ্চলৰ ক্ৰান্তীয় বৰ্ষাৰণ্যৰ (tropical rainforests) এক অবিচ্ছেদ্য অংগ আছিল। সাম্প্ৰতিক সময়তো নাহৰ আৰ্দ্ৰ চিৰসেউজ বনাঞ্চলৰ পৰিণত স্তৰৰ প্ৰজাতি (late-successional species), অৰ্থাৎ অৰণ্য দীৰ্ঘদিন ধৰি সুস্থিৰভাৱে গঢ় লোৱাৰ পাছতহে স্থিতি লাভ কৰা এক মহীৰুহ। এই সকলো ঐতিহাসিক সমলৰ পৰা বুজা যায় যে অসমৰ মাটিত জিলিকি থকা এই নাহৰ কোনো বাহিৰৰ পৰা আমদানী কৰা উদ্ভিদ নহয়, বৰঞ্চ এই সুজলা-সুফলা অসম ভূমিৰে এক প্ৰাচীন আৰু খাটি থলুৱা সন্তান।

অসমৰ থলুৱা সন্তান হ'লেও নাহৰ কেৱল এই ভূখণ্ডৰে একচেটিয়া সম্পদ নহয়; ই ক্ৰান্তীয় এছিয়াৰ এক বিশাল ভূখণ্ডৰ প্ৰাকৃতিক ঐশ্বৰ্য। পূব হিমালয়ৰ পাদদেশৰ পৰা বাংলাদেশ, নেপাল, শ্ৰীলংকা, ম্যানমাৰ, থাইলেণ্ড, ভিয়েটনাম অতিক্ৰমি মালয়ছিয়া আৰু ইণ্ডোনেছিয়ালৈকে ইয়াৰ প্ৰাকৃতিক বাসস্থান বিস্তৃত হৈ আছে। কিউ ৰয়েল বটানিক গাৰ্ডেনছৰ 'প্লাণ্টছ অব দ্য ৱৰ্ল্ড অনলাইন' (POWO) নামৰ গোলকীয় তথ্যভাণ্ডাৰ অনুসৰি চীনৰ দক্ষিণাঞ্চলত ইয়াক থলুৱা উদ্ভিদ হিচাপে গণ্য কৰা নহয়, বৰঞ্চ বহিৰাগত প্ৰজাতি হিচাপেহে চিহ্নিত কৰা হৈছে। এই সুবিশাল ভৌগোলিক বিস্তাৰেই স্পষ্টভাৱে সোঁৱৰাই দিয়ে যে নাহৰ কোনো কৃত্ৰিম ৰাজনৈতিক সীমাৰে আবদ্ধ নহয়, বৰঞ্চ সমগ্ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ এক উমৈহতীয়া প্ৰাকৃতিক ঐতিহ্য। এই গোলকীয় প্ৰেক্ষাপটতে এই বৃক্ষৰ নিৰাময়কাৰী সম্ভাৱনাও আজি বিভিন্ন দেশৰ আধুনিক গৱেষণাগাৰত ক্ৰমান্বয়ে উন্মোচন হ'বলৈ ধৰিছে। শেহতীয়া বৈজ্ঞানিক অধ্যয়নত নাহৰৰ পত্ৰ আৰু পুষ্পমুকুলত নিহিত কিছুমান জৈৱিক যৌগই স্তন কৰ্কট আৰু বহুমূত্ৰ (diabetes) আদি জটিল ব্যাধিৰ চিকিৎসাত এক আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। গৱেষণাগাৰৰ পৰীক্ষাত ইয়াৰ পত্ৰৰ উপাদানে জীৱকোষত গ্লুক'জ (glucose) গ্ৰহণৰ প্ৰক্ৰিয়াক উদ্দীপিত কৰাৰ বিপৰীতে পুষ্পমুকুলৰ নিষ্কৰ্ষই কৰ্কট কোষৰ অস্বাভাৱিক বৃদ্ধি ৰোধ কৰি এক নিয়ন্ত্ৰিত কোষ-মৃত্যু (apoptosis) ঘটোৱাৰ লগতে টিউমাৰৰ আকৃতি হ্ৰাস কৰা পৰিলক্ষিত হৈছে। অৱশ্যে মানৱ শৰীৰত ইয়াৰ চৰম ফলপ্ৰসূতা এতিয়াও চূড়ান্তভাৱে প্ৰমাণিত হ'বলৈ বাকী আছে। নাহৰৰ এই আৰোগ্যকাৰী বৈভৱ কেৱল জটিল ব্যাধিৰ চিকিৎসাতে আবদ্ধ নহয়, বৰঞ্চ দৈনন্দিন জনস্বাস্থ্যৰ বাবে ভাবুকিস্বৰূপ বিভিন্ন মাৰাত্মক জীৱাণু ধ্বংস কৰাতো ই সমানেই সক্ৰিয়তা দেখুৱাইছে। থাইলেণ্ডৰ ছিয়াং মাই বিশ্ববিদ্যালয়ৰ গৱেষকসকলে পৰম্পৰাগত চিকিৎসাত ব্যৱহৃত উদ্ভিদৰ এক তুলনামূলক অধ্যয়নত প্ৰত্যক্ষ কৰিছে যে নাহৰৰ নিষ্কৰ্ষই (extract) টাইফয়ড, আমাশয় আৰু কলেৰা আদি পেটৰ সংক্ৰমণ সৃষ্টিকাৰী বেক্টেৰিয়াৰ বংশবৃদ্ধি উল্লেখযোগ্যভাৱে ৰোধ কৰে। আনকি ই-কোলাইৰ (E. coli O157:H7) দৰে বিপজ্জনক জীৱাণুৰ কোষ-আৱৰণ ক্ষতিগ্ৰস্ত কৰি তাক নিষ্ক্ৰিয় কৰাৰ বৈজ্ঞানিক সম্ভাৱনাও উন্মোচিত হৈছে। গৱেষণাগাৰৰ এই প্ৰাৰম্ভিক আশাব্যঞ্জক ফলাফলে প্ৰমাণ কৰে যে যি বৃক্ষই নিজৰ অভেদ্য চিৰসেউজ মুকুটেৰে ধৰিত্ৰীক সুৰক্ষা প্ৰদান কৰে, সি কেৱল প্ৰকৃতিৰে নহয়, বৰঞ্চ মানৱ সমাজৰো এক নীৰৱ তথা কল্যাণকামী ত্ৰাণকৰ্তা।

প্ৰকৃতিৰ এই বিৰল, বহুমাত্ৰিক বৈভৱ আৰু বৈজ্ঞানিক দৃঢ়তাৰ এক জীৱন্ত মানৱীয় প্ৰতিৰূপ যেন প্ৰতিফলিত হৈছিল জুবিন গাৰ্গৰ জীৱন দৰ্শনত। নাহৰৰ অভেদ্য অন্তৰ্কাঠৰ দৰেই অবিৰত সংঘাত, শ্ৰম আৰু ত্যাগৰ মাজেৰে গঢ় লৈ উঠিছিল তেওঁৰ দুৰ্দান্ত তেজস্বিতা তথা এক নিৰ্ভীক, অটল ব্যক্তিত্ব। জীৱনৰ কোনো প্ৰচণ্ড আঘাতে তেওঁক কেতিয়াও পৰাভূত কৰিব পৰা নাছিল, বৰঞ্চ সংগ্ৰাম আৰু সৃষ্টিশীল কৰ্মোদ্যমে তেওঁক অধিক ঋজু আৰু অপৰাজেয় কৰি তুলিছিল। ভগ্নী জংকী আৰু মাতৃৰ বিয়োগে তেওঁৰ ব্যক্তিগত জীৱনলৈ কালধুমুহা নমাই আনিছিল, তথাপি প্ৰকৃতিৰ অটল মহীৰুহৰ দৰেই তেওঁ সেই শূন্যতাকো নিজৰ অনবদ্য সৃষ্টিশীলতাত বিলীন কৰি দিছিল। ঠিক ইয়াৰ অন্তৰালতেই স্পন্দিত হৈছিল ন-কুঁহিপাতৰ দৰে সুকুমাৰ এখন সংবেদনশীল হৃদয়, যি মানুহৰ চকুৰ পানী আৰু আহত পশুপক্ষীৰ আৰ্তনাদত মুহূৰ্ততে দ্ৰৱীভূত হৈ পৰিছিল। নাহৰৰ সোণালী পৰাগকেশৰৰ পৰা নিৰ্গত হোৱা সুবাসৰ দৰেই তেওঁৰ সংগীতৰ মায়াবী স্পৰ্শে সুৰীয়া প্ৰশান্তিৰে এক সমগ্ৰ প্ৰজন্মৰ নিঃসংগ প্ৰাণক সঞ্জীৱিত কৰি ৰাখিছিল। নাহৰৰ বীজত নিহিত সুপ্ত জ্যোতিঃপুঞ্জ যিদৰে দীপ্ত বন্তি হৈ আন্ধাৰ বিনাশ কৰে, ঠিক তেনেকৈয়ে জুবিন গাৰ্গৰ মহৎ সমাজসেৱা, আৰ্তজনৰ চিকিৎসা, শিক্ষাৰ্থীৰ বৃত্তি তথা পেটা ইণ্ডিয়াৰ (PETA India) দ্বাৰা স্বীকৃত অনন্য পশুপ্ৰেমে সমাজৰ অগণন আন্ধাৰ কোণত চেতনাৰ প্ৰদীপ প্ৰজ্বলিত কৰিছিল। তেওঁ কেৱল উত্তাল মঞ্চৰ এক ক্ষণস্থায়ী সুৰৰ যাদুকৰ নাছিল, বৰঞ্চ তেওঁ আছিল ধৰিত্ৰীৰ বুকুত সুদৃঢ়ভাৱে প্ৰোথিত আৰু সমগ্ৰ অসমীয়া সমাজৰ ধমনী-উপধমনী স্পন্দিত কৰা এক শাশ্বত প্ৰাণময় চেতনা তথা অক্ষয় প্ৰচ্ছায়া।

জুবিন গাৰ্গৰ এই বিৰল আদৰ্শক তেওঁৰ অনুৰাগীসকলে আজি এক অভূতপূৰ্ব সেউজ বিপ্লৱলৈ ৰূপান্তৰিত কৰিছে। সোণাপুৰত গৰিমা শইকীয়া



গাৰ্গে নাহৰৰ পুলি ৰোপণেৰে অংকুৰিত কৰা 'প্ৰজেক্ট নাহৰ' এতিয়া অসমৰ ভৌগোলিক পৰিসীমা অতিক্ৰমি বিশ্বজুৰি প্ৰসাৰিত হৈছে। শিৱসাগৰত ৪০,০০০ পুলি ৰোপণৰ সংকল্প, চৰাইদেউত এক লাখ নাহৰৰ বৃহৎ প্ৰকল্পৰ পৰা আৰম্ভ কৰি অসমৰ প্ৰতিটো প্ৰান্তত অগণন পৰিয়ালে হৃদয়ৰ গভীৰ অনুৰাগেৰে সেউজৰ এই জীৱন্ত প্ৰতীক নিৰন্তৰভাৱে ৰুই গৈছে। এই সচেতনতা অভিযানৰ সংৰক্ষণগত গুৰুত্বও অনস্বীকাৰ্য, কাৰণ আন্তৰ্জাতিক প্ৰকৃতি সংৰক্ষণ সংঘই (IUCN) নাহৰক 'বিপদাপন্ন' (Vulnerable) শ্ৰেণীত তালিকাভুক্ত কৰিছে। অতি মন্থৰ গতিৰে বিকশিত হোৱা এই বৃক্ষই আজি ৰোপণ কৰা পুলিৰ পৰা বহু বছৰৰ পাছতহে পূৰ্ণ ছাঁ আৰু আশ্ৰয় প্ৰদান কৰিব, গতিকে প্ৰতিজোপা নাহৰ ৰোপণ আচলতে গভীৰ ধৈৰ্য আৰু অনাগত প্ৰজন্মৰ প্ৰতি কৰা এক পবিত্ৰ সংকল্প। দিল্লী বিশ্ববিদ্যালয়, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় আৰু কিৰোৰি মল কলেজৰ চৌহদৰ পৰা বেংগালুৰুৰ দৰে মহানগৰলৈকে, আনকি জাৰ্মানীৰ প্ৰৱাসী অসমীয়া সমাজে স্থাপন কৰা 'হৃদয়ৰ গছ'লৈকে (Herzensbaum) এই অভিযান সম্প্ৰসাৰিত হৈছে। এই সম্প্ৰসাৰণে প্ৰমাণ কৰে যে নাহৰপ্ৰেমী শিল্পীজনৰ দৰ্শন আজি ভৌগোলিক সীমা অতিক্ৰমি এক চিৰন্তন লৌহ-কুঞ্জৰ অভয় প্ৰচ্ছায়া হৈ বিস্তাৰ লাভ কৰিছে। তেওঁ অংকুৰিত কৰি যোৱা সেউজ চিন্তাই আজি সমগ্ৰ সমাজখনক আশ্ৰয় দিছে, যাৰ শিপা বসুমতীৰ বুকুত সুদৃঢ় আৰু শাখা-প্ৰশাখা অনন্ত আকাশলৈ প্ৰসাৰিত।

নাহৰ কেৱল এক ভাবাৱেগৰ প্ৰতীক নহয়; ই প্ৰকৃতিৰ বুকুত খোদিত অটুট জৈৱিক দৃঢ়তা আৰু নিঃস্বাৰ্থ পৰিৱেশগত দানশীলতাৰ এক নিখুঁত আৰ্হি। ধৰিত্ৰীৰ গভীৰতম বুকু সাবটি ধৰা শিপা আৰু একক অক্ষীয় বৃদ্ধিৰ লৌহসদৃশ কাণ্ডই যিদৰে প্ৰবল ধুমুহাতো গছজোপাক ভূপতিত হ'বলৈ নিদি এক অবিচল সুস্থিৰতা প্ৰদান কৰে, ঠিক তেনেদৰে জুবিন গাৰ্গৰ দুৰ্দান্ত সামাজিক স্থিতিও নিৰন্তৰ সংঘাত, কৰ্মস্পৃহা আৰু সংগ্ৰামৰ মাজত অধিক ঋজু তথা অটল হৈ উঠিছিল। সুকুমাৰ কুঁহিপাতৰ ৰক্তিম আভাৰ দৰেই তেওঁৰ সংবেদনশীল মন, পুষ্পৰ নাগকেশৰৰ সুবাসৰ দৰেই তেওঁৰ মায়াৱী সংগীত, আৰু বীজৰ জৈৱ-তেলৰ আলোকোজ্জ্বল সম্ভাৱনাৰ দৰেই তেওঁৰ নিঃস্বাৰ্থ সমাজসেৱাই এই সামগ্ৰিক মানৱীয় সত্তাক প্ৰকৃতিৰ এক সজীৱ প্ৰতিৰূপ হিচাপে প্ৰতিষ্ঠা কৰিছে। প্ৰকৃতাৰ্থত 'প্ৰজেক্ট নাহৰ'ৰ মাজেৰে গঢ়ি উঠা এই সেউজ চেতনা কেৱল গছপুলি ৰোপণতে সীমাবদ্ধ নহয়, ই হৈছে এক অপ্ৰতিৰোধ্য মানৱীয় আদৰ্শৰ ধাৰাবাহিক প্ৰসাৰ। কালৰ কুটিল গতিত এজোপা নাহৰ শুকাব পাৰে, এজন নশ্বৰ মানুহৰ হৃদস্পন্দনো এদিন স্তব্ধ হ'ব পাৰে; তথাপি আজি ৰোৱা প্ৰতিজোপা পুলিয়ে বহু বছৰৰ পাছত প্ৰচ্ছায়া প্ৰদান কৰিব, সুবাস বিলাব, আৰু অমল আলোক যোগাব। সেয়েহে এক গভীৰতৰ প্ৰকৃতি-দৰ্শনৰ আধাৰত আজি আৰু অধিক অৰ্থৱহ হৈ উঠিছে সেই সত্য— য'ত নাহৰ থাকে, তাত জুবিন থাকে।

নাহৰৰ চিৰসেউজ সত্তাত নিজৰ অস্তিত্ব সমৰ্পণ কৰা এই ব্যতিক্ৰমী শিল্পীচেতনাৰ প্ৰতি আমাৰ সশ্ৰদ্ধ শব্দ-অৰ্ঘ্য ঃ

নাহৰৰ শিপাত অটলতা, কাণ্ডত লৌহৰ দৃঢ়তা,
কুঁহিপাতত ৰক্তাভ ৰঞ্জনা, বীজত সুপ্ত জ্যোতিঃপুঞ্জ,
কুসুমত নাগকেশৰৰ সুবাস।
জুবিনৰ চেতনাত তেজস্বিতা, প্ৰাণত নিঃস্বাৰ্থ বদান্যতা,
চিন্তাত সিন্ধুসম প্ৰজ্ঞা, কণ্ঠত মায়াৱী মূৰ্চ্ছনা, সৃষ্টিত অফুৰন্ত প্ৰৱাহ।

ফোন ঃ ৯৪৩৫৩৪৯২১৫

## প্ৰজন্মৰ পৰা প্ৰজন্মলৈ শিপাই থাকক জুবিন সত্তা

▷▶ পাপৰি বৰা

যুগদ্ৰষ্টাৰ শূন্যতাৰ অনুভৱক অসমবাসীয়ে কিদৰে মোহাৰিব পাৰিব অন্তৰৰ পৰা! সম্ভৱ হ'ব জানো এই শতিকাত! আমি কি হেৰুৱালোঁ, কিমান হেৰুৱালোঁ, কাক হেৰুৱাই এইদৰে নিঠৰুৱা হ'লোঁ— সেয়া এতিয়া প্ৰতিজন জাতিপ্ৰেমীয়ে হাড়ে-হিমজুৰে বুজি উঠিছে। প্ৰতিটো শৰতৰ এক উচুপনিৰ নাম হৈ ৰ'ব জুবিন। চিৰসেউজীয়া মন আৰু প্ৰাণৰ জুবিনক হেৰুৱাই জুবিনপ্ৰেমী শোকস্তব্ধ। আজি যিয়েই যিদৰে পাৰিছে জুবিন নামৰ সত্তাটিক সুঁৱৰি কিবা এটা যেন কৰিবলৈ বিচাৰে, যিয়ে আমাৰ প্ৰাণৰ শিল্পীজনক যুগ-যুগান্তৰলৈ সোঁৱৰাই থাকিব। অনাগত প্ৰজন্ময়ো সেই যুগদ্ৰষ্টা জুবিনক চিনি পাব লাগিব, যিয়ে হয়তো এতিয়ালৈ পৃথিৱীলৈকে অহা নাই। জুবিন অনুৰাগীৰ বিশালতাই পৃথিৱীৰ কোনোবাটো চুকত থকা, হয়তো জুবিনক চিনি নোপোৱাজনকো বাধ্য কৰিছে বা কৰিলে ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰৰ পাছত Googleত search কৰি কিংবদন্তি পুৰুষজনক চিনি পাবলৈ। কায়িকভাৱে আমাৰ মাজৰ পৰা হেৰাই যোৱা জুবিন এক উজ্জ্বল জ্যোতিষ্ক হৈ জীয়াই থাকিব অসমৰ আকাশত। অকল আৱেগেৰে নহয়, জুবিনক জীয়াই ৰাখিব লাগিব আমাৰ কৰ্মৰে। শিল্পী নামৰ পূৰ্ণাংগ অৰ্থ যেন তেওঁ বহন কৰিছিল। সঁচা অৰ্থত তেওঁ শিল্পী, যি নিজৰ কৰ্মদক্ষতা আৰু নিপুণতাৰে প্ৰতিটো সৃষ্টিকে শিল্প হিচাপে গঢ়ি তুলিছিল। তেওঁৰ শিল্পসমূহৰ এক গভীৰ অধ্যয়ন আৰু বিশ্লেষণৰ প্ৰয়োজন এতিয়াও আছে। তেওঁৰ সৃষ্টিৰাজিয়ে আমাক ভৱিষ্যতৰ দিগ্‌দৰ্শন কৰিছিল। তেওঁ নিজেই কৈ থৈ গৈছে সেই কথা যে তেওঁৰ কৰ্মসমূহ বহু বছৰৰ পাছতহে বুজিব সাধাৰণ জনতাই। আমাৰ প্ৰজন্মই তেওঁক স্বচক্ষুৰে দৰ্শন কৰিলে, শুনিলে, বুজিলে, অনুভৱ কৰিলে— বহুতে তেওঁৰ সান্নিধ্য পালে; কিন্তু ভৱিষ্যৎ প্ৰজন্মই তেওঁক কিদৰে বিশ্লেষণ কৰিব, জানিব-বুজিব, তেওঁৰ দৰ্শনৰ লগত চিনাকি হ'ব— সেয়াও আমিয়েই কৰি থৈ যাব লাগিব।

এটি অমৃত কণ্ঠৰ গৰাকী হোৱাৰ লগতে তেওঁ মুক্তকণ্ঠে, সাহসী, যুক্তিবাদী, স্পষ্টবাদী হৈ দেশৰ প্ৰতিটো সমস্যা, জনগণৰ প্ৰতিটো স্বাৰ্থত নিজৰ স্পষ্ট মত দাঙি ধৰি নিজৰ অস্তিত্ব বৰ্তাই ৰাখিছিল। তেওঁ যি কয়, সেয়া সৰলৰেখাৰ দৰে চিধা, য'ত কোনো দ্বিমত নাছিল। সকলোকে সমজ্ঞান কৰিছিল। সকলোৰে গুৰুত্ব বুজিছিল। জাতি-ধৰ্ম, উচ্চ-নীচৰ সংকীৰ্ণতা তেওঁৰ মনত কাহানিও নাছিল। তেওঁ অন্তৰ উজাৰি বিলাই যাব পাৰিছিল মানৱীয় প্ৰেমৰ ধাৰা। কেতিয়াবা তেওঁৰ মতৰ লগত অমিল হোৱাসকলেও হয়তো সেয়ে তেওঁৰেই গুণমুগ্ধ হৈ ৰৈছিল।

মানৱ দৰদী শিল্পী বুলিলে জুবিন নামৰ সত্তাটিকেই বুজাব পাৰি। দৰিদ্ৰ, নিঠৰুৱা, আৰ্তজন, অসুস্থ লোকসকলো তেওঁৰ কাষলৈ আশাৰে ঢপলিয়াই আহিছিল। তেওঁলোকৰ বাবে যে জুবিন হৈ পৰিছিল ত্ৰাণকৰ্তা। মুক্তহস্তে তেওঁ দান কৰিব পাৰিছিল। নিজৰ দুই পকেট খালী কৰি বাটে বাটে হিয়া উজাৰি সাহায্য প্ৰদান কৰি আহিছিল তেওঁ নিছলা লোকসকলক। সেয়া যেন আছিল তেওঁৰ স্বভাৱ সুলভ কৰুণা, দয়াময় শিল্পী মনৰ সত্তা।

> জীৱনক আনতকৈ বেলেগ দৃষ্টিভংগীৰে গ্ৰহণ কৰা জুবিনক যি নিচেই ওচৰৰ পৰা এপলক পাইছে, তেওঁ ওৰেটো জীৱন সেই স্মৃতি নিজৰ মাজত কঢ়িয়াই লৈ ফুৰিছে। সৰল, খেয়ালী মনৰ, শিশু সুলভ, অহং ভাৱহীন, দয়ালু, চিধা কথাৰ জুবিনজন সদায় আমাৰ হিয়াৰ আমঠু হৈ প্ৰাণৰ জুবিন হৈয়ে থাকিব।

জুবিন আৰু প্ৰকৃতি এক এৰাব নোৱাৰা আত্মিক সম্পৰ্ক। মাটিৰ মানুহ, মাটিতে উমলি ভাল পোৱা জুবিন যেন সেই মাটিৰ গোন্ধতে মচগুল! ইয়াৰ প্ৰকৃতিৰ গছ-গছনি, পাহাৰ, ভৈয়াম, নৈ-নিজৰা, চৰাই-চিৰিকটি, ঘৰচীয়া-বনৰীয়া জীৱ-জন্তুৰ মোহে জুবিনক পৃথক কৰিব কাহানিও নোৱাৰিলে। সুদূৰ মুম্বাই নগৰীত থাকিও অসমৰ আকাশ-বতাহৰ মাজলৈ সেয়ে তেওঁ ঘূৰি আহিল। তেওঁ কৈছিল যে তেওঁ মায়া নগৰীত এক বিলাসী জীৱন কটাব পাৰিলেহেঁতেন, কিন্তু তেওঁৰ অসমৰ লগত থকা আত্মিক সম্পৰ্ক, ইয়াৰ মানুহখিনিলৈ থকা মৰমৰ টানে তেওঁক সেই ঠাই এৰিবলৈ বাধ্য কৰিলে। সৰুৰে পৰা দেউতাকৰ চাকৰি সূত্ৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰা জুবিনে পৰৱৰ্তী কালতো গীত গাই গাই অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ ঘূৰি ফুৰিয়েই গুণমুগ্ধসকলৰ মাজত নিজকে বিলীন কৰিছিল।

গীতিকাৰ, সুৰকাৰ, বাদ্যযন্ত্ৰী, অভিনেতা, চলচ্চিত্ৰ পৰিচালক, সংগীত পৰিচালক, প্ৰযোজক তেওঁ। আধুনিক গীত, পপ-ৰক, ভক্তিমূলক গীত, দিহানাম, বিয়ানাম, বৰগীত, বিহুগীত, বিহু সুৰীয়া গীত, ঘোষানাম, কীৰ্তন পাঠ, ভাগৱত পাঠ, বনগীত, লোকগীত— কি নাগাইছিল তেওঁ! সকলোতে তেওঁৰ অমৃত কণ্ঠ নিগৰিছিল। সেই কণ্ঠই সংগীতপ্ৰেমীৰ মাজত খলকনি তুলিছিল। বাদ্যযন্ত্ৰৰ ভিতৰত হাৰমনিয়াম, কী-ব'ৰ্ড, ড্ৰাম, গীটাৰ, ঢোল, দোতাৰা, মেণ্ডোলিন, তবলা, নাগাৰা— সকলো বাদ্যই তেওঁৰ হাতৰ পৰশত প্ৰাণ পাই উঠি অনুৰাগীসকলক মোহাচ্ছন্ন কৰি ৰাখিছিল। সংস্কৃত ভাষাৰ পৰা আৰম্ভ কৰি অসমীয়া, হিন্দী, বড়ো, বাংলা, মণিপুৰী, কাৰ্বি, তিৱা, নেপালী, খাছি, অৰুণাচলী, গোৱালপৰীয়া, ভোজপুৰী, ওড়িয়া, তামিল, তেলুগু, মালয়ালম, কন্নড়, মৰাঠী, ইংৰাজীকে ধৰি প্ৰায় ৪০টা ভাষাত ৪০ হাজাৰৰ অধিক গীতত কণ্ঠ নিগৰাই তেওঁ কম আয়ুসতে যি ৰেকৰ্ড কৰিলে, সেয়াও বিশ্বত বিৰল।

জুবিন গাৰ্গৰ গীত বুলিলেই এক নিভাঁজ, স্বকীয় পৰশেৰে উজ্জীৱিত গীত। গীতিকাৰ হিচাপে তেওঁৰ আছিল ভাষাজ্ঞান, শব্দজ্ঞান আৰু শুদ্ধ উচ্চাৰণ শৈলী। অসমীয়া গীতৰ ধাৰাই আন এক মাইলৰ খুঁটি অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল তেওঁৰ এই ভাষা, শব্দ, ব্যাকৰণ, উচ্চাৰণৰ পৰিৱেশন শৈলীত। গতিকে ভৱিষ্যৎ প্ৰজন্মই তেওঁৰ গীতৰ অনুশীলনত এইসমূহ গুণৰ অধিকাৰী হোৱাটোও বাঞ্ছনীয়। জুবিনৰ গীতসমূহ হৃদয় জুৰোৱা, সুমধুৰ, প্ৰাণস্পৰ্শী; কিন্তু তাৰ সমানেই পৰিৱেশন জটিল আৰু প্ৰত্যাহ্বানমূলক।

আমি জুবিন যুগৰসকলে অসমত যুগে যুগে জুবিনক চিৰযুগমীয়া কৰি ৰাখিবলৈ চেষ্টাৰ ত্ৰুটী নকৰোঁ। তেওঁক স্বতঃস্ফূৰ্তভাৱে অসমবাসীয়ে ভাল পায়। আজিৰ কেঁচুৱা, ভৱিষ্যতৰ প্ৰজন্মই তেওঁক এইদৰেই সুঁৱৰিব পাৰিব লাগিব, সেয়ে তেওঁলোকক চিনাকি কৰাই দিয়াটো সময়ৰ আহ্বান। আমি আজিও তেওঁক ভাল পাবলৈ তেওঁৰ বাবে কিবা এটা কৰিবলৈ কাকো অনুৰোধ কৰিবলগীয়া নহয়। ঠিক এইদৰেই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ শিপাই পৰক তেওঁ। চিৰযুগমীয়া হৈ বৈ পৰক এই শিল্পী সত্তা। জুবিনৰ গীতেই নহয়, কাব্য, সাহিত্য, সুৰ-তাল সকলো শিল্প সুলভ। জুবিন নিজেই এক নিখুঁত ভাস্কৰ্য। জীৱনক আনতকৈ বেলেগ দৃষ্টিভংগীৰে গ্ৰহণ কৰা জুবিনক যি নিচেই ওচৰৰ পৰা এপলক পাইছে, তেওঁ ওৰেটো জীৱন সেই স্মৃতি নিজৰ মাজত কঢ়িয়াই লৈ ফুৰিছে। সৰল, খেয়ালী মনৰ, শিশু সুলভ, অহং ভাৱহীন, দয়ালু, চিধা কথাৰ জুবিনজন সদায় আমাৰ হিয়াৰ আমঠু হৈ প্ৰাণৰ জুবিন হৈয়ে থাকিব। জুবিন নোহোৱা হৈ যোৱাটো কোনেও কোনোকালে মানি ল'ব নোৱাৰাৰ দৰে আমিও নোৱাৰোঁ। আজীৱন কঢ়িয়াই লৈ ফুৰিম হিয়াৰ মাজত নাহৰ ভাল পোৱা, চিৰতৰুণ, চিৰসুন্দৰ আমাৰ যুগনায়ক জুবিনক।

'তুমি যে আমাৰ শুকান মনত নিয়ৰৰে চেঁচা টোপাল এটিৰ দৰে হ'লা! সুৱাস হৈ ৰ'লা অসমী আইৰ! প্ৰতি শৰতৰ প্ৰভাতী ফুলে, প্ৰতি মেঘালীৰ নিশা জোনে আমাক তোমাৰ কথাকে সোঁৱৰাই থাকিব আজীৱন।'



ফোন ঃ ৭০০২১৭৪৫২৩

পঞ্চম পৃষ্ঠাৰ পৰা

## পুনৰ অন্তৰ্ভুক্তিৰ দাবীত উত্তাল চাবুৱাৰ

প্ৰখৰ ৰ'দক নেওচি ৰাজপথলৈ ওলাই আহে দৰ্খাস্ত ক্ষুব্ধ ৰাইজ। হাতে হাতে বিভিন্ন বেনাৰ-প্লেকাৰ্ড লৈ প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। বৈধ ভোটাৰৰ নাম কৰ্তন কৰাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে ভোটাধিকাৰ সুৰক্ষিত কৰাৰ দাবী জনোৱাৰ লগতে এই সন্দৰ্ভত জিলা প্ৰশাসনৰ জৰুৰী হস্তক্ষেপ কামনা কৰে। প্ৰতিবাদকাৰীসকলৰ অভিযোগ অনুসৰি, আগষ্টত নিৰ্বাচনৰ বাবে প্ৰস্তুত কৰা ভোটাৰ তালিকাৰ পৰা তিনিশৰো অধিক ভোটাৰৰ নাম কৰ্তন কৰা হৈছে। সেয়ে কৰ্তন হোৱা সকলো বৈধ ভোটাৰৰ নাম অনতিপলমে পুনৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ প্ৰতিবাদকাৰীসকলে দাবী জনায়। প্ৰতিবাদকাৰীসকলে স্পষ্ট কৰি দিয়ে যে তেওঁলোকৰ দাবী শীঘ্ৰে পূৰণ নকৰিলে, পৰৱৰ্তী সময়ত অধিক তীব্ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। আনকি দাবী পূৰণ নোহোৱালৈকে আগন্তুক নিৰ্বাচন বৰ্জনৰো হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। উল্লেখ্য যে ভোটাৰ তালিকাৰ পৰা বৈধ ভোটাৰৰ নাম কৰ্তন হোৱা বুলি উত্থাপিত অভিযোগে অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এতিয়া এই অভিযোগৰ প্ৰতি নিৰ্বাচনী কৰ্তৃপক্ষ আৰু জিলা প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব।

## উদ্বোধনৰ পূৰ্বেই ছিঁৰাল ফাট ডিব্ৰুগড়ৰ

বিপুল গগৈক তীব্ৰ সমালোচনা কৰাৰ লগতে তেওঁক 'ব্লেকলিষ্ট' কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সংগঠনটোৱে। উল্লেখ্য যে জনজাতি পৰিক্ৰমা ন্যায়কালয়ৰ পুঁজিৰে নিৰ্মাণ কৰি থকা এই অতিথিশালাটোৰ আধাৰশিলা ২০২৪ চনৰ ৩ ডিচেম্বৰত স্থাপন কৰিছিল বিধায়ক প্ৰশান্ত ফুকনে। বিভিন্ন চিকিৎসাজনিত আৰু অন্যান্য প্ৰয়োজনত ডিব্ৰুগড়লৈ অহা জনজাতীয় লোকসকলৰ থকাৰ সুবিধাৰ্থে নিৰ্মাণ কৰা হৈছে অতিথিশালাটো। কিন্তু, নিৰ্মাণ সম্পূৰ্ণ হৈ উদ্বোধন হোৱাৰ পূৰ্বেই ভৱনটোত ফাট মেলাৰ ঘটনাই নিৰ্মাণৰ গুণগত মানক লৈ সন্দেহৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘৰ সাধাৰণ সম্পাদক ৰাজু সোণোৱালে কয় যে অতিথিশালাটো নিৰ্মাণৰ বাবে তেওঁলোকে দীৰ্ঘদিন ধৰি অনুৰোধ জনাই আহিছিল। সদৌ অসম ট্ৰাইবেল সংঘৰ সভাপতি আদিত্য খাকলাৰীৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ৰণোজ পেগুক বিষয়টো অৱগত কৰাৰ পাছত অতিথিশালাটো নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছিল। প্ৰাৰম্ভিকভাৱে প্ৰায় ২ কোটি, ৩০ লাখ টকাৰ কথা শুনিবলৈ পোৱা গৈছিল যদিও ভৱনটোৰ নামফলকত ২ কোটি টকা উল্লেখ থকা বুলি তেওঁ জানিবলৈ দিয়ে। ট্ৰাইবেল সংঘৰ নেতাজনৰ অভিযোগ অনুসৰি, নিৰ্মাণ কাৰ্য চলি থকা সময়ছোৱাত কামৰ মান যাতে কোনো অসুবিধা নহয়, তাৰ বাবে সংগঠনটোৱে যথেষ্ট সহযোগিতা আগবঢ়াইছিল। আনকি নিৰ্মাণ কাৰ্যত যাতে ব্যাঘাত নজন্মে, তাৰ বাবে তেওঁলোকে ভৱনটোত আন লোকৰ প্ৰৱেশতো বাধা দিছিল। কিন্তু, সকলো সহযোগিতা আগবঢ়োৱাৰ পাছতো নিৰ্মাণৰ মানক লৈ এতিয়া প্ৰশ্ন উত্থাপন হৈছে। তেওঁৰ অভিযোগ— ভৱনটোত দেখা দিয়া ফাট মেৰামতি কৰি ৰং সানি সমস্যাটো ঢাকি ৰখাৰ চেষ্টা কৰা হৈছে। উদ্বোধনৰ পূৰ্বেই ভৱনটোত ফাট মেলাৰ ঘটনাক অতি উদ্বেগজনক বুলি অভিহিত কৰি তেওঁ কয় যে নিৰ্মাণৰ এবছৰ বা দুবছৰ পাছত এনে সমস্যা দেখা দিলে, সেয়া বেলেগ কথা আছিল। কিন্তু, ব্যৱহাৰৰ বাবে মুকলি কৰাৰ পূৰ্বেই ভৱনটোত ফাট মেলাটোৱে ইয়াৰ গুণগত মানক লৈ প্ৰশ্নৰ সৃষ্টি কৰিছে। ঠিকাদাৰ বিপুল গগৈৰ বিৰুদ্ধে নিৰ্মাণত নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰো অভিযোগ উত্থাপন কৰে ৰাজু সোণোৱালে। তেওঁৰ দাবী— নিৰ্মাণ কাৰ্যৰ গুণগত মান পৰীক্ষা কৰি ভৱনটো যথাযথভাৱে হস্তান্তৰ কৰাৰ লগতে ব্যৱহাৰৰ উপযোগী কৰি তুলিব লাগে। ইফালে, এই বিষয়টো সদৌ অসম ট্ৰাইবেল সংঘৰ সভাপতি আদিত্য খাকলাৰীক অৱগত কৰাৰ কথা জানিবলৈ দি ৰাজু সোণোৱালে অতি শীঘ্ৰে বিভাগীয় মন্ত্ৰী আৰু জিলা আয়ুক্তক অভিযোগসমূহ অৱগত কৰা হ'ব বুলি প্ৰকাশ কৰে। লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকো বিষয়টোত হস্তক্ষেপ কৰিবলৈ আহ্বান জনায়। নিৰ্মাণত অনিয়মৰ অভিযোগৰ তদন্ত কৰি দোষী ঠিকাদাৰক 'ব্লেকলিষ্ট' কৰাৰ লগতে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘই চৰকাৰৰ ওচৰত দাবী জনাইছে।

## নব্য উদাৰবাদী কৃষি অৰ্থনীতিয়েই

সলনি সংস্থানৰ ক্ষেত্ৰখন দিনে দিনে সংকুচিত হৈ পৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওৰ দিনতে গৃহীত নব্য উদাৰবাদী কৃষি অৰ্থনীতিৰ অধিক ৰূপায়ণত বৰ্তমানৰ চৰকাৰখনে আগ্ৰাসী কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। শেহতীয়াকৈ দিল্লী, মুম্বাইকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত চি জে পিৰ আন্দোলনে সেই ইংগিতকে বহন কৰিছে।' এই মন্তব্য চি পি আই (এম)ৰ অসম ৰাজ্যিক সমিতিৰ সম্পাদক সুপ্ৰকাশ তালুকদাৰৰ। আজি চি পি আই (এম) দলৰ সৰ্বভাৰতীয় আঞ্চলিক সমিতিৰ উদ্যোগত দেশৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আব্দুল আজিজৰ সভাপতিত্বত আৰু চি পি আই (এম)ৰ বৰপেটা জিলা সমিতিৰ সাধাৰণ সম্পাদক আজিজুৰ ৰহমানে উদ্দেশ্য ব্যাখ্যা কৰা এখন সভাত ভাষণ দি চি পি আই (এম) দলৰ ৰাজ্যিক সমিতিৰ সম্পাদকগৰাকীয়ে বিজেপি চৰকাৰে গ্ৰহণ কৰি অহা নীতিৰ কঠোৰ সমালোচনা কৰাৰ লগতে দেশ তথা ৰাজ্যবাসীৰ সন্মুখত দেখা দিয়া বিভিন্ন সমস্যাৰ তাত্ত্বিক বিশ্লেষণ আগবঢ়ায়। আনহাতে, সভাত উপস্থিত এগৰাকী সদস্যৰ প্ৰশ্নৰ উত্তৰত বাঁওপন্থী দলসমূহে কৃষিখণ্ডত 'যান্ত্ৰিকীকৰণ'ৰ বিৰোধ কৰা নাই। কিন্তু, ইয়াৰ ফলত উদ্ভৱ হোৱা সমস্যাসমূহৰ সমাধান বিচাৰিছে বুলি উত্তৰ দিয়ে। আনহাতে, সভাত উপস্থিত গণতান্ত্ৰিক আন্দোলনৰ নেত্ৰী সংগীতা দাসে সম্প্ৰতি দেশত সংঘটিত চি জে পিৰ আন্দোলন আৰু বৰ্তমান যুৱ প্ৰজন্মৰ মানসিকতা সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। বৰ্তমানৰ বিজেপি চৰকাৰখনে বিভ্ৰান্তি সৃষ্টিৰ উদ্দেশ্যে মানুহৰ আৱেগ আৰু আস্থা আদায় কৰিবলৈ গ্ৰহণ কৰি অহা কৰ্মকাণ্ড প্ৰত্যক্ষ কৰি নতুন প্ৰজন্মৰ প্ৰতিনিধিসকল বিতুষ্ট হৈ বৰ্তমানৰ আন্দোলন সংগঠিত কৰাটো অন্যতম কাৰণ বুলি মন্তব্য কৰে।

## অভিযুক্ত আন দুজন যুৱকক গ্ৰেপ্তাৰ

কলিতা। ৰঙিয়া আৰক্ষীয়ে আজি দুয়োকে মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাত, আদালতে দুয়োকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ইয়াকে লৈ ৰঙিয়াৰ এই ম'ৰেল পুলিচিঙৰ ঘটনাৰ সৈতে জড়িত ৪জন লোকক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিলে। ইয়াৰ পূৰ্বে আৰক্ষীয়ে ঘটনাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত দীপক কলিতা আৰু মুকুট ডেকা নামৰ লোক দুজনক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছিল। উল্লেখ্য যে ১৯ অক্টোবৰত নিশা ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত আঠগাঁও নিৱাসী তথা উচ্চতৰ মাধ্যমিকৰ ১৯ বছৰীয়া ছাত্ৰ ধনজিৎ কলিতাই বন্ধু বিশাল হীৰাৰ সৈতে দুৰ্গা পূজা চাবলৈ গৈ পানীটেমাত একাংশ উন্মত্ত লোকৰ ম'ৰেল পুলিচিঙৰ বলি হৈ অকালতে প্ৰাণ হেৰুৱাইছিল। উক্ত ঘটনাত গুৰুতৰভাৱে আহত বিশাল হীৰা নামৰ যুৱকজন অদ্যাপি চাংসাৰিৰ এইমছ্‌ত অতি সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। একাংশ যুৱকৰ ভাষ্য অনুসৰি, পূজা চাবলৈ বাইকেৰে গৈ থকা অৱস্থাত ধনজিৎ আৰু বিশাল পানীটেমাত এটা বালিৰ দ'মত পিছল খাই পৰি গৈছিল। দুৰ্ঘটনাত পতিত হোৱাৰ লগে লগে অঞ্চলটোৰ একাংশ উন্মত্ত লোক ঘৰৰ পৰা ওলাই আহি, তেওঁলোকক হাস্পতালত ভৰ্তি কৰাৰ পৰিৱৰ্তে অবিবেচকভাৱে তেওঁলোকৰ ওপৰত জঁপিয়াইহে পৰিছিল। উন্মত্ত লোকসকলে দুই বন্ধুক মুখমণ্ডল আৰু বুকুৰ উপৰি গুপ্তাংগত গুৰিয়াই নিৰ্মমভাৱে আহত কৰিছিল। ম'ৰেল পুলিচিঙৰ বলি হৈ অকাল মৃত্যুক সাবটি লোৱা ধনজিৎ কলিতাৰ মৃত্যুক লৈ অদ্যাপি তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে সমগ্ৰ আঠগাঁও অঞ্চলত। আঠগাঁও নিৱাসী, দিন-হাজিৰা কৰা ব্যক্তি উদ্ধৱ কলিতাৰ জ্যেষ্ঠ পুত্ৰ ধনজিৎ কলিতাৰ অবাঞ্ছিত মৃত্যুৰ ঘটনাক আজিও স্থানীয় ৰাইজে সহজভাৱে ল'ব পৰা নাই। উল্লেখ্য যে আৰ্থিক অনাটনৰ মাজত ডাঙৰ-দীঘল হোৱা ধনজিৎ কলিতা আছিল অত্যন্ত পৰিশ্ৰমী যুৱক। পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবে ধনজিতেও সৰুৰে পৰাই মাজে সময়ে অ'ত-ত'ত দিন-হাজিৰা কৰিবলৈ লৈছিল। কেতিয়াবা ৰাজমিস্ত্ৰীৰ লগত যোগালি হিচাপেও কাম কৰিছিল ধনজিতে। ইফালে, চাংসাৰিৰ এইম্‌ছত চিকিৎসাধীন হৈ থকা বিশাল হীৰাৰ অৱস্থা অত্যন্ত সংকটজনক বুলি জানিব পৰা গৈছে। তেওঁৰ শৰীৰৰ নিম্নাংশ প্ৰায় অকামিলা হৈ পৰিছে। ১৪দিনৰ পাছত হাস্পতালৰ বিচনাত শয্যাশায়ী বিশালৰ এক অস্ত্ৰোপচাৰ হোৱাৰ কথা। উল্লেখ্য যে বিশাল হীৰাৰ পিতৃ দয়াময় হীৰাৰ আঠগাঁৱত এখন দোকান আছে। আশ্চৰ্যকৰ কথাটো হ'ল, বিশালৰ পিতৃ দয়াময় হীৰা আৰু ম'ৰেল পুলিচিঙৰ ঘটনাৰ মূল অভিযুক্ত দীপক কলিতা সহপাঠী বন্ধু।

## কলগাছিয়াত ছাত্ৰক হাৰাশাস্তি

ভূত, যাৰ ফলত অস্বাভাৱিক আচৰণ কৰিবলৈ আৰম্ভ কৰে তেওঁ। কেতিয়াবা বিকট চিঞৰ মাৰে আৰু কেতিয়াবা অচেতন হৈ পৰে বুলি জানিব পৰা গৈছে। নিশাৰ ভাগত ভূতে ধৰা ছাত্ৰজনৰ অৱস্থা অধিক সংকটজনক হৈ পৰিছিল। পিছে এই ভূত বঙাইগাঁও জিলাৰ নাম্বাৰপাৰা গাঁৱৰ ছাইফুল ইছলাম নামৰ এজন ভণ্ড ওজাই ভুক্তভোগী ল'ৰাজনৰ গাত লগাই দিছে বুলি অভিযোগ উত্থাপন হৈছে। যাৰ ফলত ভণ্ড ওজা (কবিৰাজ) ছাইফুল ইছলামক ৰাইজে আটক কৰি ৰাখিছে। তেওঁ এইদৰে বিভিন্নজনৰ গাত ভূত লগাই দি বহুতৰেই জীৱন ধ্বংস কৰিছে বুলি অভিযোগ উত্থাপন হৈছে। তেওঁ হেনো সহজ-সৰল মানুহ পালেই, তাৰ গাত ভূত লগাই দিয়ে আৰু অধিক ধনৰ বিনিময়ত তাক চিকিৎসা কৰি ভাল কৰি দিয়ে। এইদৰে তেওঁৰ কবিৰাজৰ ব্যৱসায় চলাই আহিছে বুলি অভিযোগ উত্থাপন হৈছে। কিন্তু, আজি স্থানীয় ৰাইজে তেওঁক আটক কৰি উত্তম-মধ্যম শোধাই ৰাইজে কলগাছিয়া আৰক্ষীক গতাই দিয়ে। ৰাইজে ভণ্ড কবিৰাজক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। সম্প্ৰতি এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে।

## সদৌ অসম প্ৰাগজ্যোতি একাংক নাট

২০,০০০ টকা, তৃতীয় শ্ৰেষ্ঠ দলে গোপীকান্ত শৰ্মা সোঁৱৰণী ১৫,০০০ টকাৰ লগতে বঁটা আৰু প্ৰমাণপত্ৰ লাভ কৰিব। প্ৰতিযোগিতাত শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলে মংগল শ্বাহ সোঁৱৰণী, প্ৰথম শ্ৰেষ্ঠ অভিনেতাই অক্ষয় কুমাৰ গোস্বামী সোঁৱৰণী, দ্বিতীয় শ্ৰেষ্ঠ অভিনেতাই নৰেন্দ্ৰ নাথ শৰ্মা সোঁৱৰণী, তৃতীয় শ্ৰেষ্ঠ অভিনেতাই সুৰেন্দ্ৰ নাথ দাস সোঁৱৰণী, প্ৰথম শ্ৰেষ্ঠ অভিনেত্ৰীয়ে গিৰিজা দেৱী সোঁৱৰণী, দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰীয়ে দীনেশ চক্ৰৱৰ্তী সোঁৱৰণী, তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰীয়ে বাপুৰাম ৰাজবংশী সোঁৱৰণী, শ্ৰেষ্ঠ কৌতুক অভিনেতাই উমেশ চন্দ্ৰ গোস্বামী সোঁৱৰণী, শ্ৰেষ্ঠ শিশুশিল্পীয়ে মহীধৰ দাস আৰু হৰেশ্বৰী দাস সোঁৱৰণী, শ্ৰেষ্ঠ নাট্যকাৰে অন্নদা চৰণ গোস্বামী সোঁৱৰণী আৰু শ্ৰেষ্ঠ পৰিচালকে ৰজনীকান্ত শৰ্মা সোঁৱৰণী নগদ ধনৰ লগতে বঁটা আৰু প্ৰমাণপত্ৰ লাভ কৰিব। প্ৰতিযোগিতাত যোগদান কৰিবলৈ বিচৰা ইচ্ছুক দলসমূহক শীঘ্ৰে যোগাযোগ কৰি পাণ্ডুলিপি জমা দিয়াৰ বাবে একাংক নাট পৰিচালনা সমিতিৰ সভাপতি সতীশ ডেকা আৰু সম্পাদক খগেন ডেকাই অনুৰোধ জনাইছে। প্ৰতিযোগিতাৰ যোগদানৰ ভৰ্তি মাচুল ১,০০০ টকা। যোগাযোগৰ ঠিকনা— সভাপতি-সম্পাদক, নাট প্ৰতিযোগিতা পৰিচালনা সমিতি, প্ৰাগজ্যোতি ক্লাব, পাটাছাৰকুছি, জিলা ঃ বজালী (অসম), পিন-৭৮১৩২৬, ম'বাইল ফোন নম্বৰ—৯৮৫৪৪৯০৬০৮, ৭৬৩৮৮৯০১২৭, ই-মেইল—pgclubpkc@rediffmail.com।

## ভূৰাগাঁৱত ভয়ংকৰ অগ্নিকাণ্ড

সা-সামগ্ৰী সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ইফালে, খবৰ পাই ভূৰাগাঁৱৰ পৰা ততাতৈয়াকৈ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ ৰাইজৰ সহযোগত জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় যদিও কেইবালক্ষ টকাৰ সা-সম্পত্তি ভস্মীভূত হয়। অৱশ্যে এই ভয়ংকৰ অগ্নিকাণ্ডটো বৈদ্যুতিক বিজুতিৰ ফলত সংঘটিত হোৱা বুলি একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে।

# বাঁহজানীত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাঁহজানী, ২৩ অক্টোবৰ ঃ** কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ৩৯ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস এইবেলি নলবাৰী জিলা সমিতিৰ উদ্যোগত অহা ২৫ অক্টোবৰত জিলাখনৰ বাঁহজানীত অনুষ্ঠিত হ'ব। সেইদিনা অঞ্চলটোৰ যজ্ঞভূমিত থকা সেউজী সাহিত্য কাননৰ প্ৰেক্ষাগৃহত পুৱা ৯ বজাত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ডাঃ পবীন্দ্ৰ নাথ তালুকদাৰে সন্মিলনৰ পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰিব লগা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ, কামৰূপ নৃপতি কুমাৰ ভাস্কৰ বৰ্মাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ, গছপুলি ৰোপণৰ পাছত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত অতিথি হিচাপে উপস্থিত থাকিব সন্মিলনৰ তামুলপুৰ জিলা সমিতিৰ উপদেষ্টা বিশ্বজিৎ ডেকা, সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা বাসৱ চন্দ্ৰ কলিতা, কলিতা উন্নয়ন পৰিষদৰ অধ্যক্ষ ডাঃ ৰাজেন চন্দ্ৰ কলিতা, নাট্যশিল্পী ধীৰেন কুমাৰ বৰ্মন, কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা দিলজিৎ বৰ্মন, জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰ, সদৌ কলিতা ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি ডঃ দীপাংকৰ কলিতা, সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থা, অসমৰ সভাপতি অভিষেক ৰাজ কলিতাকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া। আৰম্ভণিতে মুকলি সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা গণেশ তামুলীয়ে।

# মাইবাঙৰ বনাঞ্চলত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**হামৰেণ, ২৩ অক্টোবৰ ঃ** ডিমা হাছাও জিলাৰ মাইবাং থানাৰ অন্তৰ্গত গিডিংপুৰ গাঁৱৰ সমীপৰ এখন বনাঞ্চলৰ পৰা আজি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰা হয়। এই ঘটনাই অঞ্চলটোৰ স্থানীয় বাসিন্দাসকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, দিনৰ প্ৰায় ডেৰ বজাত গাঁওবাসীয়ে খৰি আনিবলৈ বনাঞ্চললৈ যাওঁতেই মৃতদেহটো প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতে তেওঁলোকে তৎক্ষণিকভাৱে মাইবাং থানাত খবৰ দিয়ে। মাইবাং থানাৰ আৰক্ষীৰ এটা দল আৰু মাইবাঙৰ এছ ডি পি অ' ৰাহুল কলিতা আৰু ডিমা হাছাও জিলাৰ এছ এছ পি ৰিপুঞ্জয় কাকতি ঘটনাস্থলীত উপস্থিত হয়। পৰৱৰ্তী সময়ত মৃত ব্যক্তিগৰাকীৰ পৰিচয় নিশ্চিত কৰাৰ বাবে আৰক্ষীয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ঘটনাটো হত্যাকাণ্ড হ'ব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে। সম্প্ৰতি ঘটনাৰ তদন্ত অব্যাহত আছে। মৃত ব্যক্তিগৰাকীৰ সঠিক পৰিচয় বাতৰি সংগ্ৰহৰ পৰলৈকে নিশ্চিত কৰিব পৰা হোৱা নাই। উল্লেখ্য যে বিগত চাৰিদিনৰ ভিতৰত ডিমা হাছাও জিলাত এয়া দ্বিতীয়টো অচিনাক্ত মৃতদেহ উদ্ধাৰৰ ঘটনা। ইয়াৰ পূৰ্বে ২০ অক্টোবৰত নিউ হাফলং ৰে'ল ষ্টেচনৰ সমীপৰ ৰে'লৰে দলঙৰ কাষত দিয়ুং নদীৰ পৰা আন এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰা হৈছিল। সেই মৃত ব্যক্তিগৰাকীৰো পৰিচয়ও এতিয়ালৈকে জানিব পৰা হোৱা নাই। কম সময়ৰ ব্যৱধানত জিলাখনৰ পৃথক স্থানৰ পৰা দুটাকৈ অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাত জিলাবাসীৰ মাজত উদ্বিগ্নতা বৃদ্ধি পাইছে।

## শুৱালকুছি ৰাসৰ লাইখুঁটা স্থাপন

**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ২৩ অক্টোবৰ ঃ** শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ ৩৪ সংখ্যক ৰাস মহোৎসৱৰ আজি লাইখুঁটা স্থাপন কৰা হয়। শুৱালকুছি মাজটোল বালিচৰত লাইখুঁটা স্থাপন কৰে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱলোচন সন্ত আৰু মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। লাইখুঁটা স্থাপন কৰি সত্ৰাধিকাৰ ৰাজীৱলোচন সন্ত আৰু হেমন্ত চৌধুৰীয়ে অহা ২৪ নৱেম্বৰৰ পৰা ৪ ডিচেম্বৰলৈ ব্ৰহ্মপুত্ৰৰ সেউজ দলিচাত অনুষ্ঠিত হ'বলগীয়া ভগৱান শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ বাবে শুভাশিস বিচাৰে। অনুষ্ঠানত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ উজ্জ্বল মহন্ত, জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত, ৰাস মহোৎসৱৰ সভাপতি প্ৰাণজিৎ দাসৰ লগতে শতাধিক কৰ্মকৰ্তা উপস্থিত থাকে।

## সন্ধাৰ কাতিমহীয়া নামৰ সামৰণি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঘগ্ৰাপাৰ, ২৩ অক্টোবৰ ঃ** নলবাৰী জিলাৰ পূব নলবাৰী অঞ্চলৰ ইতিহাসপ্ৰসিদ্ধ সন্ধা ফুলৰতলৰ বাকৰিত অনুষ্ঠিত ১৫ সংখ্যক কাতিমহীয়া নাম মহোৎসৱৰ কালি অন্ত পৰে। কালি নিশা অসমৰ নাগাৰা নামৰ বিশিষ্ট লেখক, সুৰকাৰ, অভিযোজক মুনীন কলিতাই উদ্বোধন কৰা নাগাৰা নাম পৰিৱেশন কৰি কামৰূপৰ পাইকানাৰ সত্যব্ৰত ডেকা আৰু নলবাৰীৰ আদাবৰীৰ উৎপল সাগৰে ৰাইজক আপ্লুত কৰে। দুদিনীয়াকৈ অনুষ্ঠিত কাতিমহীয়া নাম মহোৎসৱৰ প্ৰথম দিনা পুৱাৰ ভাগত সমূহীয়া চাফাই, ১৫ সংখ্যক কাতিমহীয়া নাম মহোৎসৱৰ নাম- প্ৰসংগৰ শুভাৰম্ভ, ধৰ্মধ্বজা উত্তোলন, গছপুলি ৰোপণ, সন্ধিয়া সমূহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, আয়তীৰ দিহানাম আৰু ৰৌমাৰী গোপাল সেৱক ঢুলীয়া দলৰ ঢুলীয়া প্ৰদৰ্শন। কালি পুৱাৰ ভাগত সমূহীয়া চাফাই, নাম-প্ৰসংগ, ভকত সেৱা। দুপৰীয়া মহাপ্ৰসাদ গ্ৰহণ। সন্ধিয়া বন্তি প্ৰজ্বলন, সুদৰ্শন থিয়নাম দলৰ নাম প্ৰদৰ্শন আদি। তদুপৰি মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি মুনীন্দ্ৰ তালুকদাৰ, কাৰ্যকৰী সভাপতি ৰিজু কলিতা আৰু সম্পাদক ধনজিৎ কলিতাকে ধৰি কৰ্মকৰ্তাসকলে লোৱা বিশেষ তৎপৰতাৰ বাবে কাতিমহীয়া নাম মহোৎসৱৰ দুয়োটা দিনৰ সকলো কাৰ্যসূচীৰ সামৰণি পৰে।

## পালনামৰ আয়োজন

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** গুৱাহাটী জিলা সত্ৰ মহাসভাৰ ৩৬ সংখ্যক বাৰ্ষিক পালনামভাগি অহা ৩১ অক্টোবৰ আৰু ১ নৱেম্বৰত গুৱাহাটীৰ পল্টন বজাৰৰ শ্ৰীমন্ত শংকৰ বিকাশ সমিতিৰ নামঘৰত অনুষ্ঠিত হ'ব। পালনামভাগিত নাম পাঠ কৰিব মৰাণৰ নৰোদয় ৰাজহুৱা নামঘৰৰ পৰিত্ৰ ভূএগাই। অনুষ্ঠানত দোহাৰ হিচাপে থাকিব যোৰহাটৰ শ্ৰীশ্ৰীশ্ৰৱণী সত্ৰৰ ডেকাসত্ৰীয়া প্ৰশান্ত মহন্ত। পালনাম উপলক্ষে ভক্তবৃন্দক জাতীয় সাজ-পোছাক পৰিধান কৰি আহিবলৈ অনুৰোধ জনাইছে উদ্যোক্তাসকলে।

## শিৱসাগৰত দুই ডকাইতক গ্ৰেপ্তাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ২৩ অক্টোবৰ ঃ** শিৱসাগৰত অভিযান চলাই যোৰহাট আৰক্ষীৰ এটা দলে আটক কৰে দুই ডকাইতক। ধৃত জাকিৰ হুছেইনৰ প্ৰকৃত ঘৰ মৰিগাঁৱত আৰু আছিকুৰ আলমৰ ঘৰ নগাঁৱত বুলি আৰক্ষীৰ সূত্ৰে প্ৰকাশ। দুয়ো শিৱসাগৰত ভাৰাতীয়া হিচাপে বাস কৰি আছিল। উল্লেখ্য যে যোৱা ১৫ অক্টোবৰত নিশা যোৰহাটৰ পুলিবৰত চাৰিজনীয়া ডকাইতৰ দলে ডিব্ৰুগড় অভিমুখী এখন বলেৰ' বাহন ৰখাই ব্যৱসায়ী ওমৰ আলীৰ পৰা নগদ দুই লাখ টকা লুটি নিছিল। সেই ঘটনাৰ পম খেদি আজি দুই অভিযুক্তক শিৱসাগৰত আটক কৰি যোৰহাটলৈ আনে।

পঞ্চম পৃষ্ঠাৰ পৰা

## গোৰেশ্বৰত দল-সংগঠনৰ

নাগৰিকৰ ভোটাধিকাৰ কৰ্তন কৰা এছ আই আৰ বাতিল কৰক, নিৰ্বাচন আয়ুক্ত নিযুক্তিৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী, বিৰোধী দলৰ নেতা আৰু মুখ্য ন্যায়াধীশক লৈ বাছনি কমিটী গঠন কৰক, ভোটচোৰ, 'গাদী ছোড়'' আদি শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে আজি দিনৰ প্ৰায় এক বজাত প্ৰসৰ ৰ'দ নেওচি কেইবাশ পুৰুষ-মহিলা, যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কাৰ্যসূচীত গোৰেশ্বৰ চহৰৰ তিনি ঠাইত প্ৰতিবাদী সভা অনুষ্ঠিত হয়। এই সভাত বক্তব্য দাঙি ধৰে কৃষক সভাৰ তামুলপুৰ জিলা কমিটীৰ সম্পাদক প্ৰবীণ দাস, কৃষক নেতা শংকৰ চৌধুৰী, অসম কৃষি আৰু গ্ৰামীণ শ্ৰমিক ইউনিয়নৰ তামুলপুৰ জিলাৰ সম্পাদক ধীৰেন বৰুৱা আৰু অসম জনজাতি অধিকাৰ মঞ্চৰ ৰাজ্যিক সম্পাদক বাপু বড়োৱে। উল্লেখ্য যে এই কাৰ্যসূচীত মহিলা নেত্ৰী মনোমতী ডেকা, জনজাতি অধিকাৰ মঞ্চৰ জিলা সম্পাদক লোহিত বড়ো, সভাপতি দয়া ডেকা, চি আই টি ইউৰ জিলা সভাপতি খগেন ডেকা, সম্পাদক সুনন্দ ডেকা, ৰাজ্যিক নেতা বিৰাজ হাজৰিকা, এছ এফ আইৰ জিলা সভানেত্ৰী কাকু ডেকাকে ধৰি অন্যান্য নেতৃবৃন্দই অংশগ্ৰহণ কৰে।

## বাইহাটাৰ তদ্ৰূপ মজুমদাৰৰ

মাত মাতি আহিছিল। এগৰাকী নাট্যকাৰ, সু-অভিনেতা মজুমদাৰ বৃহত্তৰ অঞ্চলটোৰ এগৰাকী ক্ৰীড়া সংগঠকো আছিল। কবিগৰাকীৰ অকাল বিয়োগত বাইহাটা শিৱশক্তি সংঘ, বাইহাটা শিৱ মন্দিৰ, বাইহাটা গীতাৰ্থ সমাজ, বাইহাটা দেৱ দামোদৰ সংঘ, বাইহাটা শংকৰজ্যোতি প্ৰাথমিক শাখা, দুৰ্গা পূজা উদ্‌যাপন সমিতি, ব'হাগী উৎসৱ উদ্‌যাপন সমিতি, হৰ হৰ মহাদেৱ মন্দিৰ, কমলপুৰ প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালক গভীৰ সমবেদনা জ্ঞাপন কৰে। মজুমদাৰে পিতৃ-মাতৃ, তিনিজন ভাতৃ, এগৰাকী ভগ্নী, আত্মীয়-স্বজনসহ গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

## ধেমাজিত কেন্দ্ৰীয় অংকীয়া

উপ-সমিতিৰ সভাপতি ৰঞ্জিৎ গগৈয়ে। মূলমঞ্চ উদ্বোধন কৰে প্ৰাক্তন মূলৰ সদস্য শোধন গগৈয়ে। নাট সমাৰোহৰ উদ্বোধনী সভা সঞ্চালনা কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূল সংস্কৃতি শাখাৰ সভাপতি অলিম মহন্তই। সভা মুকলি কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ডঃ ভবেন্দ্ৰ নাথ ডেকাই মুখ্য অতিথি হিচাপে উপস্থিত থাকে। স্মৃতিগ্ৰন্থ 'আঁৰিয়া' উন্মোচন কৰে ধেমাজি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দীপক কুমাৰ নেওগে। মুকলি সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ৰজনীকান্ত দত্ত, উপ-পদাধিকাৰ চন্দ্ৰ হাজৰিকাই সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যুটীয়া সম্পাদক তোযেশ্বৰ বৰা, ধেমাজি জিলাৰ মূলৰ সদস্য হেমচন্দ্ৰ চুতীয়া, মূলৰ সদস্য মনোজ চুতীয়া, শৰণ সদস্য জয়ন্ত শইকীয়া, সংস্কৃতি শাখাৰ প্ৰাক্তন সভাপতি ডাঃ নৰকৃষ্ণ ৰাজখোৱা, ধেমাজি জিলাৰ মূলৰ সদস্য দেৱ কুমাৰ গগৈ, শিশু আইমাতৃ কল্যাণ সমিতিৰ কেন্দ্ৰীয় সদস্যা জয়জ্যোতি চুতীয়া, ধেমাজি জিলা শাখাৰ প্ৰাক্তন সভাপতি ৰোহিতেশ্বৰ ভৰালী, প্ৰাক্তন মূলৰ সদস্য হেম শইকীয়া, ধেমাজি জিলা শাখাৰ প্ৰাক্তন সভাপতি ডম্বৰু গোহাঁই, প্ৰাক্তন মূলৰ সদস্য পদ্ম গগৈ, প্ৰাক্তন মূলৰ সদস্য জয়চন্দ্ৰ শইকীয়া, প্ৰাক্তন মূলৰ সদস্য লিলেশ্বৰ লাহন, সেৱাবাহিনীৰ উপ-সচিব নিৰঞ্জন ভূএগ, প্ৰাক্তন মূলৰ সদস্য মোহন শইকীয়া, থ্ৰিফ্‌ট এণ্ড ক্ৰেডিটৰ উপাধ্যক্ষ মোহন দাস, কমলা চুতীয়া, কমল দাস, লক্ষীপ্ৰভা গগৈ, প্ৰাক্তন সভানেত্ৰী ৰূপজ্যোতি বৰুৱা, প্ৰাক্তন কেন্দ্ৰীয় সদস্যা নিৰমা বৰুৱাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাত ধেমাজি উন্নয়ন প্ৰাধিকৰণৰ সভাপতি তোলন কোঁৱৰ, বিশিষ্ট ব্যৱসায়ী নৱ কলিতা, কমলা চুতীয়া, কমল দাস, লক্ষীপ্ৰভা গগৈ, ৰূপজ্যোতি বৰুৱা, ডেকাগিৰী নাট্যগোষ্ঠীৰ সম্পাদক বুলেন বৰগোহাঁই, যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দেৱজিত দাসে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে। সন্ধিয়া শৰাই স্থাপন কৰে বীৰেন শইকীয়াই, নাম-প্ৰসংগ পৰিচালনা কৰে কবিন্দ্ৰ বৰুৱাই। সন্ধিয়া নাট্যানুষ্ঠানৰ উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। প্ৰথম নাট্যানুষ্ঠান পৰিৱেশন কৰে মাজুলী জিলা শাখাই। দ্বিতীয় নাট্যানুষ্ঠান ঢকুৱাখনা জিলা শাখাই পৰিৱেশন কৰে। কাইলৈ পুৱা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ। পাছত শংকৰদেৱ সংঘৰ সংস্কৃতি শাখা সমিতিৰ সভাপতি অলিম মহন্তৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া বিষয় 'অংকীয়া নাট আৰু শংকৰী গীত, বাদ্য, নৃত্য, নাট্যৰ বুনিয়াদ' শীৰ্ষক আলোচনা চক্ৰৰ উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যুটীয়া সম্পাদক তোযেশ্বৰ বৰাই। আলোচনা চক্ৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শংকৰী সংস্কৃতি গৱেষণা পৰিষদৰ সভাপতি পৰিত্ৰপ্ৰাণ বৰাই মুখ্য আলোচক হিচাপে আৰু শিল্পীবৃন্দ প্ৰসন্ন মেধি, মিণ্টু বৰদলৈ, প্ৰাণজিৎ বৰাই সহযোগী হিচাপে অংশগ্ৰহণ কৰিব।

## হিতাধিকাৰীৰ তালিকাত নাম নাই দিব্যাংগ

আৱাস যোজনা আঁচনিৰ হিতাধিকাৰীৰ তালিকাক লৈ প্ৰতিবাদ অব্যাহত আছে। লোহাৰকাঠাৰ গাঁও পঞ্চায়তখনৰ কাৰ্যালয়ত আজি তালিকাত নাম অন্তৰ্ভুক্তিৰ পৰা বঞ্চিত একাংশ মহিলাই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। লোহাৰকাঠা-দৰংগিপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত চতেমাৰী গাঁৱৰ শতাধিক মহিলাই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। প্ৰাপ্ত খবৰ অনুসৰি, প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ তালিকাত নাম নথকা চতেমাৰী গাঁৱৰ শতাধিক মহিলাই কিছুদিন পূৰ্বে নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰতিবাদ সাব্যস্ত কৰিছিল। তাৰ পাছতেই নলবাৰী জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে বঞ্চিত মহিলাসকলক গাঁও পঞ্চায়তৰ কাৰ্যালয়ত প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ বাবে নলবাৰীৰ গ্ৰামোন্নয়ন বিভাগক শুনানি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সেইমৰ্মে আজি নলবাৰী জিলা পৰিষদৰ সহকাৰী কাৰ্যবাহী বিষয়া ভাস্কৰ চক্ৰৱৰ্তীয়ে লোহাৰকাঠা-দৰংগিপাৰা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত উপস্থিত হৈ চতেমাৰী গাঁৱৰ মহিলাসকলক গাঁও পঞ্চায়তৰ কাৰ্যালয়লৈ মাতি আনি শুনানি গ্ৰহণ কৰে। সেই সময়তে একাংশ মহিলাই গাঁও পঞ্চায়তৰ কাৰ্যালয়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ক্ষুব্ধ মহিলাসকলে প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ পৰা প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি হিতাধিকাৰীৰ আওতাত নপৰা একাংশৰ নাম আঁচনিৰ তালিকাত অন্তৰ্ভুক্ত কৰা বুলি অভিযোগ কৰে। গাঁওখনৰ দিব্যাংগ, বিধৱা আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ কেইবাটাও পৰিয়ালক প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰিছে। ইপিনে, গ্ৰামোন্নয়ন বিভাগে বিগত বৰ্ষত জিঅ' টেগিঙৰ জৰিয়তেই প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ হিতাধিকাৰীৰ বাছনি কৰাৰ সময়ত জিঅ' টেগিঙৰ বাবদ ৫০০ টকাকৈ উৎকোচ সংগ্ৰহ কৰাৰ অভিযোগ কৰিছে প্ৰতিবাদী মহিলাসকলে। স্থানীয় ৱাৰ্ড সদস্যা বিজুলী দাসৰ জৰিয়তেই একোটা পৰিয়ালৰ পৰা ৫০০ টকাকৈ উৎকোচ সংগ্ৰহ কৰাৰ অভিযোগ কৰিছে মহিলাসকলে। আনহাতে, আঁচনিৰ পৰা বঞ্চিত হৈ প্ৰতিবাদ সাব্যস্ত কৰা মহিলাসকলক ভয়-ভাবুকি প্ৰদান কৰাৰো অভিযোগ উঠিছে। স্থানীয় বিজেপি নেতাই প্ৰতিবাদী মহিলাসকলৰ অৰুণোদয় আঁচনিকে ধৰি চৰকাৰৰ পৰা লাভ কৰা সকলো আঁচনিৰ পৰা মহিলাসকলৰ নাম কৰ্তন কৰাৰ ভাবুকি প্ৰদান কৰাত অধিক উত্তেজিত হৈ পৰে মহিলাসকল। যোগ্যতাৰ ভিত্তিত চৰকাৰী আঁচনিৰ পৰা সুবিধা লাভ নকৰিলে, এইসকল মহিলাই অনাগত সময়ত প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰিব বুলি হুংকাৰ দিয়ে। ইপিনে, প্ৰতিবাদী মহিলাসকলৰ ৰুদ্ৰমূৰ্তি দেখি গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ পৰা বাহিৰলৈ ওলাই আহিবলৈ সাহস নকৰিলে নলবাৰী জিলা পৰিষদৰ সহকাৰী কাৰ্যবাহী বিষয়া ভাস্কৰ চক্ৰৱৰ্তীয়ে।

## কাইলৈৰপৰা টিহু হৰি মন্দিৰত শ্ৰীশ্ৰীলক্ষ্মী

কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ইয়াৰ পাছতে হৰি মন্দিৰৰ পতাকা উত্তোলন কৰিব টিহু হৰি মন্দিৰৰ ভাৰপ্ৰাপ্ত সভাপতি সৰ্বেশ্বৰ ডেকাই। বন্তি জ্বলাব টিহু পৌৰসভাৰ পৌৰপতি হিমানী মজুমদাৰে। মাল্যাৰ্পণ কৰিব টিহু নগৰ শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মাধৱ তালুকদাৰে। স্মৃতি তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ভৱানী প্ৰসাদ শৰ্মাই। বৰ্ণিল ধৰ্মীয় শোভাযাত্ৰা উদ্বোধন কৰিব টিহু ৰাজহ চক্ৰ বিষয়া হিমাংশু শালৈয়ে। সন্ধিয়া স্থানীয় বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিবলগীয়া অনুষ্ঠানত সমূহীয়া বন্তি জ্বলাব সমাজসেৱী লক্ষ্মী কলিতাই। নিশা পুষ্পাঞ্জলি প্ৰদান আৰু ভোগ বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ২৬ অক্টোবৰত বিয়লি বিশিষ্ট ওজাপালি সোণাৰাম বৈশ্য আৰু সংগীবৃন্দৰদ্বাৰা ওজাপালি পৰিৱেশন কৰোৱা হ'ব। নিশা সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব ৰঙিয়া সমজিলাৰ আয়ুক্ত নৱজিৎ পাঠকে। অনুষ্ঠানত বিজনী বিধানসভা সমষ্টিৰ বিধায়ক অৰূপ দে উপস্থিত থাকিব। ২৭ অক্টোবৰত বিয়লি ওজাপালি পৰিৱেশনৰ পাছতে কৰিশ্মা নাথ আৰু সংগীবৃন্দই নাগাৰা নাম পৰিৱেশন কৰিব। কাৰ্যসূচীবোৰ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ সুৰেন্দ্ৰনাথ ডেকাক সভাপতি, কিশোৰ ঠাকুৰীয়া, হেমেন তালুকদাৰ, ৰূপেশ তালুকদাৰ আৰু হেমন্ত কুমাৰ দাসক সাধাৰণ সম্পাদক হিচাপে লৈ ইতিমধ্যে এখন পূজা উদ্‌যাপন সমিতি গঠন কৰা হৈছে।

## বিজনীত ঐতিহাসিক শ্ৰীশ্ৰীলক্ষ্মী পূজা

জানিবলৈ দিয়ে যে অহা ২৫ অক্টোবৰত পুৱা পতাকা উত্তোলনেৰে পূজা আৰু মেলাৰ আনুষ্ঠানিক কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব সমিতিৰ সভাপতি ধনঞ্জয় ৰায়ে। একেদিনাই সন্ধিয়া ৬ বজাত মেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বি টি চিৰ কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি হিচাপে পৰিচিত বিজনীৰ এই ঐতিহাসিক মেলাত এইবাৰো বিশেষ আকৰ্ষণ হিচাপে থাকিব মীনা বজাৰ, বাণিজ্য মেলা আৰু বিভিন্ন ঠাইৰ পৰা অহা ব্যৱসায়িক বিপণী। অসমৰ উপৰি পশ্চিমবংগ, বিহাৰ আৰু ঝাৰখণ্ডকে ধৰি বিভিন্ন ৰাজ্যৰ ব্যৱসায়ীয়ে মেলাত অংশগ্ৰহণ কৰিব। মেলা সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে দৰ্শনাৰ্থীৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সমিতিৰ তথ্য অনুসৰি, মেলা ব্যৱস্থাপনাৰ বাবে ১০০ৰো অধিক স্বেচ্ছাসেৱক নিয়োজিত কৰা হ'ব। উল্লেখ্য যে ৰজা বিজিত নাৰায়ণে প্ৰতিষ্ঠা কৰা বিজনী ৰাজধানীত পৰৱৰ্তী ৰজাসকলৰ পৃষ্ঠপোষকতাত এই ঐতিহাসিক শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলাৰ পৰম্পৰা আৰম্ভ হৈছিল। কালক্ৰমত এই পূজা আৰু মেলাই এক ঐতিহ্যবাহী ৰূপ লাভ কৰাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সম্প্ৰীতি, ভাতৃত্ববোধ আৰু সামাজিক সমন্বয়ৰ এক উল্লেখযোগ্য নিদৰ্শন হিচাপে পৰিচিতি লাভ কৰিছে।

## পূব নলবাৰীত বন্যহস্তীৰ

কটাহকুছি, কটৰা, জাবোন, চেংনৈ, গোবিন্দপুৰ আদি ঠাইত বিগত চাৰি-পাঁচ বছৰমানৰ পৰা বন্যহস্তীয়ে উপদ্ৰৱ চলাই আহিছে আৰু শংকিত হৈ জীৱন-নিৰ্বাহ কৰিছে ৰাইজে। বন্যহস্তীৰ জাকে গৃহ ভঙা, কৃষিপথাৰৰ শস্য নষ্ট কৰা আদি ঘটনা তেনেই সাধাৰণ হৈ পৰিছে। ইতিমধ্যে বন্যহস্তীৰ আক্ৰমণত উক্ত অঞ্চলৰ পশুধনৰ লগতে মানুহৰো প্ৰাণহানি হৈছে। সম্প্ৰতি বৃহত্তৰ অঞ্চলত ১০/১২টা হাতীয়ে কৃষকসকলৰ খেতিপথাৰৰ পকা ধাননি তহলিং কৰাৰ ফলত কৃষক সমাজৰ মাজত হাহাকাৰ লগা পৰিলক্ষিত হৈছে। আনহাতে, ৰাইজে বন্যহস্তীৰ বাবে বিনিদ্ৰ ৰজনী কটাবলগীয়াত পৰিছে। উল্লেখ্য যে যোৱা পাঁচটা বছৰত বন বিভাগে কেইবাবাৰো বন্যহস্তীৰ জাকটোক খেদি পঠিওৱাৰ প্ৰয়াস কৰিছে যদিও আজিকোপতি সফল হ'ব পৰা নাই। ৰাইজে পুনৰ পূৰ্বৰ দৰেই শংকিত হৈ জীৱন-নিৰ্বাহ কৰিবলগীয়াত পৰিছে। সাময়িক সকাহ ৰাইজে পাইছে যদিও স্থায়ী সমাধানৰ বাবে ৰাইজে নলবাৰী সমষ্টিৰ বিধায়ক তথা বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাক আহ্বান জনাইছে।

## বহিঃৰাজ্যত কৰুণ মৃত্যু তামুলপুৰৰ যুৱকৰ

এটা কোম্পানীত কৰ্মৰত আছিল যুৱকজন। লক্ষ্মী পূজা উপলক্ষে ঘৰলৈ বুলি আহি থকা পংকজৰ ক্ষত-বিক্ষত মৃতদেহ যোৱা ২১ অক্টোবৰত শিলিগুৰি ৰে'ল ষ্টেচনৰ নাতিদূৰৈত ৰে'ললাইনৰ কাষত উদ্ধাৰ কৰে ৰে'ল আৰক্ষীয়ে। পংকজৰ লগত পোৱা পৰিচয়পত্ৰৰ পৰা পোৱা ঠিকনাৰ ভিত্তিত পৰিয়ালৰ লোকক খবৰ দিয়ে শিলিগুৰি ৰে'ল আৰক্ষীয়ে। পংকজৰ আকস্মিক মৃত্যুৰ খবৰ পোৱাৰ লগে লগে পৰিয়ালৰ লোক কালি শিলিগুৰিত উপস্থিত হয় আৰু মৰণোত্তৰ পৰীক্ষাৰ অন্তত আজি পুৱতি নিশা মৃতদেহ লৈ তামুলপুৰৰ ভকতপাৰৰ বাসগৃহত উপস্থিত হয়। পৰিয়ালৰ লোকে সন্দেহ কৰা মতে, কোনো দুষ্কৃতিকাৰীয়ে পংকজৰ পৰা টকা-পইচা কাঢ়ি নি, ৰে'লৰ পৰা পেলাই দিয়াৰ ফলতেই তেওঁ মৃত্যুমুখত পৰে। আজি পুৱাৰ ভাগত এক শোকাকুল পৰিৱেশত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

দৈনিক অসম
ক্ৰীড়াংগন





# নতুন যাত্ৰা

▶ মানস প্ৰতিম বৰুৱা

ছিৰিজ জয়েৰে আৰম্ভ হৈছে বাঁওহতীয়া বেটাৰ স্মৃতি মান্ধানাৰ ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়কত্বৰ যাত্ৰা। জিম্বাবৱেৰ বিৰুদ্ধে প্ৰত্যাশিতভাৱেই নৱনিযুক্ত অধিনায়ক মান্ধানাৰ নেতৃত্বত ভাৰতে জিম্বাবৱেক তিনিখন টী-২০ খেলৰ শৃংখলাটোত সহজে পৰাস্ত কৰি শৃংখলাটো হস্তগত কৰিবলৈ সমৰ্থ হয়। নিশ্চিতভাৱে নতুনকৈ ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বগা বলৰ অৰ্থাৎ এদিনীয়া সীমিত অভাৰ আৰু টী-২০ ফৰ্মেটত নেতৃত্ব বহন কৰা মান্ধানাৰ বাবে এয়া এক সুন্দৰ আৰম্ভণি। ভাৰতীয় মহিলা ক্ৰিকেট দলটোক প্ৰায় এটা দশক ধৰি নেতৃত্ব প্ৰদান কৰি অহা হৰমনপ্ৰীত কৌৰে পদত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে বিগত ছয় অক্টোবৰত দীৰ্ঘদিন সহ ঃ অধিনায়ক হিচাপে থকা স্মৃতিক অধিনায়কত্বৰ দায়িত্ব অৰ্পণ কৰে। ইয়াতে উল্লেখ কৰি থোৱা ভাল হ'ব যে বিগত বৰ্ষৰ নৱেম্বৰত ভাৰতত অনুষ্ঠিত সীমিত অভাৰৰ মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত হৰমনপ্ৰীত কৌৰৰ নেতৃত্বত ভাৰতে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয় মহিলা ক্ৰিকেট দলটোক বিশ্বৰ অন্যতম শক্তিশালী দল হিচাপে গঠন কৰাৰ ক্ষেত্ৰত হৰমনপ্ৰীতৰ অৱদান অতুলনীয়— এই কথা স্বীকাৰ কৰিবই লাগিব। দীৰ্ঘদিন ধৰি সহ ঃ অধিনায়কৰ দায়িত্বত থকা স্মৃতিৰ সন্মুখত সেয়ে এক বিৰাট প্ৰত্যাহ্বান। স্মৰ্তব্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়ক হিচাপে মান্ধানাৰ পূৰ্বৰ অভিজ্ঞতা নথকা নহয়। নিয়মীয়া অধিনায়ক হৰমনপ্ৰীতৰ সাময়িক অনুপস্থিতিত তেওঁ বিভিন্ন সময়ত অংশকালীন অধিনায়ক হিচাপে ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিছিল। মন কৰিবলগীয়া কথাটো হ'ল মান্ধানাই প্ৰথমবাৰৰ বাবে টী-২০ ফৰ্মেটত ভাৰতীয় মহিলা ক্ৰিকেট দলৰ নেতৃত্ব বহন কৰাৰ সুযোগ লাভ কৰিছিল ২০১৯ চনত ইংলেণ্ডৰ বিৰুদ্ধে গুৱাহাটীত। এইদৰে মাত্ৰ ২২ বছৰ ২২৯ দিনত নেতৃত্ব বহন কৰি টী-২০ ক্ৰিকেটত ভাৰতৰ সৰ্বকনিষ্ঠ অধিনায়ক হিচাপে পৰিগণিত হয় মান্ধানা। অংশকালীন অধিনায়ক হিচাপে মান্ধানাই ভাৰতীয় মহিলা ক্ৰিকেট দলটোক ১৮খন টী-২০ আৰু চাৰিখন সীমিত অভাৰৰ ক্ৰিকেটত অধিনায়কত্ব কৰাৰ সুযোগ লাভ কৰিছিল।

এগৰাকী সুদক্ষ বাঁওহতীয়া বেটাৰ হিচাপে বিশ্ব মহিলা ক্ৰিকেটত বহুল সমাদৃত মান্ধানা এই মুহূৰ্তত আন্তঃৰাষ্ট্ৰীয় টী-২০ ক্ৰিকেটত পুৰুষ আৰু মহিলা উভয় শাখাত সৰ্বাধিক ৰান সংগ্ৰহকাৰীৰূপে জিলিকি আছে। আন্তঃৰাষ্ট্ৰীয় টী-২০ ক্ৰিকেটত মান্ধানাই জিম্বাবৱেৰ বিৰুদ্ধে টী-২০ শৃংখলাটোৰ অন্তিমখন খেললৈকে মুঠ ১৮১খন খেলত ৪,৯২৩ ৰান সংগ্ৰহ কৰি আছে। ইয়াত দুটাকৈ শতৰান আৰু অভিলেখসংখ্যক ৩৭টা অৰ্ধ শতৰান আছে। মান্ধানাই জাপানত অলপতে অনুষ্ঠিত হৈ যোৱা এছিয়ান গেমছত বাংলাদেশৰ বিৰুদ্ধে ছেমি ফাইনেলত নিউজিলেণ্ডৰ প্ৰাক্তন বেটাৰ ছুজি বেটছৰ ৪,৭৫৮ ৰান সংখ্যা অতিক্ৰম কৰে। মান্ধানাৰ সন্মুখত বৰ্তমান আৰু এটা বিশ্ব অভিলেখে অপেক্ষা কৰি আছে। আৰু মাত্ৰ ৭৭ ৰান সংগ্ৰহ কৰিব পাৰিলেই তেওঁ আন্তঃৰাষ্ট্ৰীয় টী-২০ ক্ৰিকেটৰ পুৰুষ আৰু মহিলা উভয় শাখাতে পাঁচ হাজাৰ ৰান সংগ্ৰহ কৰা বিশ্বৰ প্ৰথমগৰাকী বেটাৰ ৰূপে পৰিগণিত হ'ব।

জিম্বাবৱেৰ বিৰুদ্ধে গৃহভূমিত সীমিত অভাৰৰ সহজ শৃংখলাটোৰ পাছতে ভাৰতীয় দলটোৱে শক্তিশালী দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এখন টেষ্টৰ লগতে টী-২০ আৰু সীমিত অভাৰৰ দুটাকৈ শৃংখলাত অংশগ্ৰহণ কৰিবলৈ দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব। ইয়াৰ পাছত দলটোৱে ২০২৭ বৰ্ষৰ ফেব্ৰুৱাৰীত ভাৰতত অনুষ্ঠিত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী খেলিব। অৰ্থাৎ নৱনিযুক্ত অধিনায়ক মান্ধানাৰ যাত্ৰা হ'ব কঠিন আৰু প্ৰত্যাহ্বানপূৰ্ণ। মান্ধানাৰ এই যাত্ৰা কিমান সফল হ'ব, সেয়া সময়ে ক'ব।

# বিৰাট নামা





▶ দীপাংকৰ কৌশিক

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত কুৰিসংখ্যক এছিয়ান গেমছত ভাৰতে ২১টা স্বৰ্ণ, ২৭টা ৰূপ আৰু ৩৭টা ব্ৰঞ্জসহ মুঠতে ৮৫টা পদক লাভ কৰিলে। এনেদৰে পদক তালিকাৰ চতুৰ্থ স্থানত থাকিল ভাৰত। এই এছিয়াডত ভাৰতৰ হৈ প্ৰথমটো স্বৰ্ণপদক কোনে অৰ্জন কৰিছিল বাৰু? ব্যক্তিগত ইভেণ্টত নহয়, দলীয় ইভেণ্টতহে সেই পদকটো পাইছিল ভাৰতে। হয়, ভাৰতৰ মহিলা ক্ৰিকেট দলে ফাইনেলত শ্ৰীলংকাক হৰুৱাই জয় কৰে স্বৰ্ণপদক। এই সফলতাৰ পাছতেই আকস্মিকভাৱে পৰিৱৰ্তন হ'ল ভাৰতীয় মহিলা দলৰ নেতৃত্ব। হৰমনপ্ৰীত কৌৰে বাট এৰি দিলে স্মৃতি মান্ধানাক। নতুন অধ্যায়ৰ আৰম্ভণি। ইফালে, গুৱাহাটীৰ বৰ্ষাপাৰাত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতৰ পুৰুষ দলৰ অধিনায়ক শুভমন গীলে খেলিলে দ্ৰুততম (এতিয়া দ্বিতীয়) দ্বি-শতকীয় ইনিংছ। ছিৰিজৰ সেই দ্বিতীয়খন মেচতে হিটমেন ৰোহিত শৰ্মাই এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ১২ হাজাৰ ৰানৰ মাইলৰ খুঁটিত উপনীত হয়। এদিনীয়া ছিৰিজ ২-১ ব্যৱধানত ভাৰতে দখল কৰে। ইফালে, নিউজিলেণ্ডৰ বিৰুদ্ধে ২২ অক্টোবৰৰ পৰা আৰম্ভ হোৱা টী-২০ ছিৰিজৰ বাবে প্ৰায় ৪ বছৰৰ মূৰত ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তন ঘটিছে বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰৰ। এনেবোৰ কথাৰ মাজতে ২৭ ছেপ্টেম্বৰত স্বমহিমাৰে উজলি উঠে ৰান মেচিন বিৰাট কোহলী। মাষ্টাৰ ব্লাষ্টাৰ শচীন ৰমেশ তেণ্ডুলকাৰৰ ৩৭৭ আৰু বিৰাট কোহলীৰ ৩০৩। ৰানৰ সংখ্যা নহয়, এয়া হৈছে ১৫,০০০ ৰানৰ মাইলৰ খুঁটিত উপনীত হোৱাৰ সময়ত দুয়োজনে খেলা ইনিংছৰ সংখ্যাহে। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ছিৰিজৰ প্ৰথমখন এদিনীয়াত এইক্ষেত্ৰত শচীনক অতিক্ৰম কৰে কোহলীয়ে। তেওঁ পৰিগণিত হয় এদিনীয়া আন্তঃৰাষ্ট্ৰীয়ত দ্ৰুততম ১৫ হাজাৰ ৰান কৰা বেটাৰৰূপে। লক্ষণীয়ভাৱে দুয়োজনে সন্মুখীন হোৱা বলৰ ক্ষেত্ৰতো আগত আছে কোহলী। ১৫,৯৫০টা বলৰ সন্মুখীন হৈ কোহলী এই মাইলৰ খুঁটিত উপনীত হৈছে। আনহাতে, শচীনক তাৰ বাবে প্ৰয়োজন হৈছিল ১৭,৫২৮টা বলৰ।

এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত সৰ্বাধিক ১৮,৪২৬ ৰানৰ অভিলেখ মাষ্টাৰ ব্লাষ্টাৰৰ নামতে আছে। তেওঁৰ পাছতে দ্বিতীয় স্থানত আছে কোহলী। ১৪,২৩৪ ৰানেৰে তালিকাৰ তৃতীয় স্থানত থকা শ্ৰীলংকাৰ কুমাৰ ছাংগাকাৰাই ২০১৫ চনতে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটক বিদায় জনাইছে। তালিকাৰ চতুৰ্থ স্থানত ৰিকী পণ্টিং, পঞ্চমত সনথ জয়সূৰ্য, ষষ্ঠত মাহেলা জয়াৱৰ্দ্ধনে আৰু ১২,১২০ ৰানেৰে সপ্তম স্থানত আছে হিটমেন ৰোহিত শৰ্মা।

কোহলী আৰু ৰোহিতৰ বাহিৰে বৰ্তমানেও খেলি থকা অন্য কোনো খেলুৱৈয়ে সৰ্বাধিক ৰান সংগ্ৰহকাৰী বেটাৰৰ তালিকাৰ প্ৰথম ৩৪জনৰে ভিতৰত নাই। ৩৫ নম্বৰ স্থানত থকা ইংলেণ্ডৰ জো ৰুটৰ সংগ্ৰহ ৭,৯০৩ ৰানহে। অৰ্থাৎ শীৰ্ষৰ দুটা স্থান শচীন-কোহলীৰ নামতেই যে বেচ কিছু বছৰলৈ থাকিব সেয়া নিশ্চিত।

এতিয়া উভতিছোঁ ২০১২ চনলৈ। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত এশটা শতক অৰ্জনৰ পাছত শচীনৰ সন্মানত মুম্বাইত এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অভিনেতা ছলমান খানে অনুষ্ঠানৰ আঁত ধৰি শচীনক সুধিছিল— আপোনাৰ অভিলেখ কোনে ভংগ কৰিব পাৰিব বুলি আপুনি ভাবে?

শচীনে মিচিকিয়াই কৈছিল— এই কোঠাৰ ভিতৰতে থকা দুজনেই সেই অভিলেখ ভংগ কৰিব পাৰিব। তেওঁলোক হৈছে বিৰাট আৰু ৰোহিত। হয়, সিদিনাৰ সেই অনুষ্ঠানত টীম ইণ্ডিয়াৰ বহুকেইজন সদস্যৰ লগতে বিৰাট আৰু ৰোহিতো উপস্থিত আছিল। ১৪ বছৰ পূৰ্বে শচীনে কোৱা সেই কথাখিনি মিলি গৈছিল। এদিনীয়া আন্তঃৰাষ্ট্ৰীয়ত এতিয়া সৰ্বাধিক ৫৫টা শতকৰ অভিলেখ বিৰাটৰ নামত। শচীনে ৪৯টা এদিনীয়া শতক অৰ্জন কৰিছিল। ২০২৩ চনৰ বিশ্বকাপত শচীনকেই সাক্ষী কৰি নিউজিলেণ্ডৰ বিৰুদ্ধে মেচত ৫০সংখ্যক শতক অৰ্জনেৰে ইতিহাস গঢ়িছিল বিৰাটে। সৰ্বাধিক এদিনীয়া ৰান সংগ্ৰহৰ তালিকাত তেওঁ আছে দ্বিতীয় স্থানত। মুঠ ৰান ১৫,১০৯। শিখৰত আছে শচীন। মুঠ ৰান ১৮,৪২৬। মাষ্টাৰ ব্লাষ্টাৰক হয়তো ৰানৰ ক্ষেত্ৰত বিৰাটে অতিক্ৰম কৰিব নোৱাৰিব। কাৰণ এদিনীয়া বিশ্বকাপৰ পূৰ্বে ভাৰতৰ আৰু তিনিটামানহে এদিনীয়া ছিৰিজ আছে। বিশ্বকাপৰ পাছতেই বিৰাটে এদিনীয়াকো বিদায় জনোৱাটো প্ৰায় নিশ্চিত। ইতিমধ্যে তেওঁ প্ৰকাশ কৰিছে ২০২৭ৰ বিশ্বকাপেই হ'ব তেওঁৰ কেৰিয়াৰৰ অন্তিমখন বিশ্বকাপ। শচীনৰ সেই অভিলেখ ভংগ কৰিব নোৱাৰিলেও কোহলী ভাৰতীয় ক্ৰিকেটৰ উজ্জ্বল নক্ষত্ৰ হৈ সদায়ে সুকীয়া স্থান দখল কৰি থাকিব।



২০২৩ চনৰ বিশ্বকাপত শচীনকেই সাক্ষী কৰি নিউজিলেণ্ডৰ বিৰুদ্ধে মেচত ৫০সংখ্যক শতক অৰ্জনেৰে ইতিহাস গঢ়িছিল বিৰাটে।

▶ ডি কে

# অভিলেখ

অভিলেখ গঢ়া হয় ভংগৰ বাবে! সেয়াই দেখা গ'ল ২২ অক্টোবৰত। ৰাৱালপিণ্ডিত ত্ৰিদেশীয় ছিৰিজৰ এখন মেচত ইংলেণ্ডে ৪২৯ ৰান কৰিও পৰাস্ত হ'ল শ্ৰীলংকাৰ হাতত। এদিনীয়া আন্তঃৰাষ্ট্ৰীয়ত এয়া হৈছে দ্বিতীয় সৰ্বাধিক ৰানৰ লক্ষ্য অনুসৰণ কৰি জয়লাভৰ অভিলেখ। ২০০৬ চনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাই ৪৩৫ ৰানৰ লক্ষ্য অনুসৰণ কৰি জয়ী হৈছিল। ৰাৱালপিণ্ডিৰ মেচখনত ইংলেণ্ডে প্ৰথমে বেটিং কৰি চাৰি উইকেটত ৪২৯ ৰান কৰে। বিশাল স্ক'ৰ। হেৰী ব্ৰুকে ১১৬টা বলত ২০২ ৰানৰ মাৰাথন ইনিংছ খেলে। এদিনীয়াত এয়া ইংলেণ্ডৰ বেটাৰৰ প্ৰথমটো দ্বিশতক। আকৌ ১১৪টা বলতে দ্বিশতক সম্পূৰ্ণ কৰে তেওঁ। এনেদৰে এদিনীয়াত দ্ৰুততম দ্বিশতক অৰ্জনৰ অধিকাৰী হয় ব্ৰুক। ভংগ কৰে ভাৰতৰ শুভমন গীলৰ অভিলেখ। গীলে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে গুৱাহাটীত ১১৭টা বলত দ্বিশতক অৰ্জন কৰিছিল। এদিনীয়াত দ্বিশতকীয় ইনিংছ খেলা ব্ৰুক চতুৰ্থজন অধিনায়কৰূপেও পৰিগণিত হয়। ইংলেণ্ডে ৪২৯ ৰান কৰাৰ পাছত শ্ৰীলংকাই যে মেচখনত জয়ী হ'ব পাৰিব, সেই কথা হয়তো কোনেও ভবাই নাছিল। কিন্তু ক্ৰিকেট যে গৌৰৱময় অনিশ্চয়তাৰে ভৰা খেল সেয়া পুনৰ প্ৰমাণ হ'ল। ৮টা উইকেট হেৰুৱাই দ্বীপৰাষ্ট্ৰখনে ৪৯.৫ অভাৰত জয়ৰ লক্ষ্য অতিক্ৰম কৰে। নায়কৰূপে উজলি উঠে পৱন ৰত্নায়কে। ১০৬টা বলত তেওঁ খেলে ১৩০ ৰানৰ নিৰ্ণায়ক ইনিংছ। দাছুন শ্বানাকাই মাত্ৰ ৫০টা বলতে ৯৭ আৰু আৱিস্কা ফাৰ্নাণ্ডোৱেও ৯৭ ৰানৰ ইনিংছ খেলে। ৰত্নায়কেই লাভ কৰে 'প্লেয়াৰ অব দ্য মেচ' বঁটা। লক্ষণীয়ভাৱে দুয়োটা দলে মিলি ৰাৱালপিণ্ডি এদিনীয়াত সংগ্ৰহ কৰে ৮৫৯ ৰান। সেয়াও এটা অভিলেখ। দক্ষিণ আফ্ৰিকা-অষ্ট্ৰেলিয়াৰ মাজৰ ২০০৬ চনৰ এদিনীয়া মেচখনত সংগৃহীত মুঠ ৰান আছিল ৮৭২। ব্ৰুকে দ্ৰুততম দ্বি-শতকেৰে অভিলেখ গঢ়া মেচখনত জয়ী হৈ শ্ৰীলংকাই গঢ়িলে নতুন ইতিহাস।





# প্ৰেৰণাৰ অন্য নাম নীৰু

▶ মানসজ্যোতি

তেওঁৰ নিজৰ বন্দুক নাছিল, আনৰ পৰা ধাৰলৈ লোৱা বন্দুকেৰে আৰম্ভ কৰিছিল অনুশীলন। পৰিয়ালৰ আৰ্থিক অৱস্থা ইমানেই দুৰ্বল যে আজিও চৰকাৰী সুলভ মূল্যৰ দোকানৰ সামগ্ৰীৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হয়। সেই পৰিয়ালৰে কন্যা নীৰু ধাণ্ডাই আজি আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াক্ষেত্ৰত ভাৰতৰ নাম উজলাইছে। জাপানৰ নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত দুটাকৈ স্বৰ্ণ পদক জয় কৰি তেওঁ সৃষ্টি কৰে নতুন ইতিহাস। নীৰু ধাণ্ডাৰ সফলতাৰ কাহিনী কেৱল এগৰাকী খেলুৱৈৰ জয়ৰ কাহিনী নহয়, ই হৈছে দৰিদ্ৰতা, প্ৰতিকূলতা আৰু সীমিত সুবিধাৰ মাজতো নিজৰ প্ৰতিভা আৰু কঠোৰ পৰিশ্ৰমেৰে লক্ষ্যত উপনীত হোৱাৰ এক অনুপ্ৰেৰণাদায়ক উদাহৰণ। ২৬ বছৰীয়া নীৰুৱে ট্ৰেপ শ্বুটিঙৰ ব্যক্তিগত শাখাত স্বৰ্ণ পদক জয় কৰি এছিয়ান গেমছত এই কৃতিত্ব অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা হিচাপে পৰিগণিত হয়। ইয়াৰ উপৰি মিক্সড ট্ৰেপ শ্বুটিঙতো আন এটা স্বৰ্ণ পদক জয় কৰে তেওঁ।

হাৰিয়ানাৰ জিন্দ জিলাৰ এটা সাধাৰণ কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰা নীৰুৰ শৈশৱ আৰ্থিক অভাৱৰ মাজেৰে পাৰ হৈছিল। তেওঁৰ পিতৃ এগৰাকী দুখীয়া কৃষক। এছিয়ান গেমছত নীৰুৱে প্ৰথমটো স্বৰ্ণ জয় কৰাৰ সময়ত তেওঁৰ মাতৃয়ে টেলিভিছনত খেলখন চোৱাৰো সৌভাগ্য হোৱা নাছিল। কিয়নো সেই সময়ত তেওঁ পৰিয়ালৰ বাবে চৰকাৰী ৰেচনৰ দোকানত সামগ্ৰী সংগ্ৰহৰ বাবে শাৰী পাতি আছিল। এফালে আৰ্থিক অনাটন, আনফালে ব্যয়বহুল খেলৰ সৈতে জড়িত প্ৰত্যাহ্বান— এই সকলো বাধা অতিক্ৰম কৰিয়েই নীৰুৱে আজি ভাৰতৰ অন্যতম সফল শ্বুটাৰ হিচাপে নিজৰ স্থান সুদৃঢ় কৰিছে। শ্বুটিং সাধাৰণতে ব্যয়বহুল খেল হিচাপে পৰিচিত। এই খেলত আগবাঢ়িবলৈ উন্নতমানৰ বন্দুক-ৰাইফল, গুলী, প্ৰশিক্ষণ, অনুশীলনৰ বাবে উপযুক্ত স্থান আৰু নিয়মীয়াকৈ প্ৰতিযোগিতাত অংশ লোৱাৰ প্ৰয়োজন হয়। কিন্তু নীৰুৰ আৰম্ভণি হৈছিল সম্পূৰ্ণ বিপৰীত। তেওঁৰ হাতত নাছিল কোনো আধুনিক ক্ৰীড়া বন্দুক বা ৰাইফল। পৰিয়ালৰ হাতত থকা সাধাৰণ দুনলীয়া বন্দুক ব্যৱহাৰ কৰি তেওঁ টিনৰ টেমাক লক্ষ্য হিচাপে লৈ গুলী চলোৱাৰ অনুশীলন কৰিছিল। হাৰিয়ানাৰ কৃষক পৰিয়ালত শস্যৰ সুৰক্ষাৰ বাবে এনে বন্দুক ৰখা সাধাৰণ কথা। আৰম্ভণিতে নিজৰ বন্দুক নথকাৰ বাবে তেওঁ আনৰ পৰা বন্দুক ধাৰলৈ লৈ অনুশীলন কৰিছিল।

পৰৱৰ্তী সময়ত কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰ জৰিয়তে তেওঁ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ প্ৰতিভাৰ পৰিচয় দিয়ে। ইটালীৰ লোনাটো ডেল গাৰ্ডাত অনুষ্ঠিত আই এছ এছ এফ শ্বটগান বিশ্বকাপত স্বৰ্ণ পদক জয় কৰি তেওঁ এই প্ৰতিযোগিতাৰ সংশ্লিষ্ট শাখাত স্বৰ্ণ জয় কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা হিচাপেও পৰিচিত হয়। এতিয়া এছিয়ান গেমছত দুটাকৈ স্বৰ্ণ পদক জয়ে তেওঁৰ ক্ৰীড়া জীৱনলৈ উল্লেখযোগ্য সফলতা কঢ়িয়াই আনিছে।

নীৰু ধাণ্ডা ভাৰতীয় সেনাৰ এগৰাকী নায়েব চুবেদাৰ। মহিলাৰ বাবে সেনাৰ কনিষ্ঠ পদসমূহত নিযুক্তিৰ সুযোগ মুকলি হোৱাৰ পাছত তেওঁ ক'ৰ্পছ অব মিলিটাৰী পুলিচত যোগদান কৰে। সেনাত যোগদান কৰাৰ পাছত তেওঁৰ শ্বুটিং কেৰিয়াৰে নতুন গতি লাভ কৰে। তেওঁ মধ্যপ্ৰদেশৰ মহৌত অৱস্থিত সেনাৰ মাৰ্কছমেনশ্বিপ ইউনিটত প্ৰশিক্ষণ লাভ কৰে। এই কেন্দ্ৰত বিভিন্ন শাখাৰ শ্বুটাৰসকলক উন্নত প্ৰশিক্ষণ, প্ৰয়োজনীয় সুবিধা আৰু প্ৰতিযোগিতাৰ বাবে প্ৰস্তুতিৰ সুযোগ প্ৰদান কৰা হয়। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ পৰা অহা খেলুৱৈসকলৰ বাবে এনে প্ৰতিষ্ঠানৰ সহায় অত্যন্ত গুৰুত্বপূৰ্ণ। কাৰণ, প্ৰতিভা থাকিলেও প্ৰয়োজনীয় সা-সুবিধা আৰু আৰ্থিক সমৰ্থনৰ অভাৱত বহু খেলুৱৈয়ে নিজৰ সপোন পূৰণ কৰিব নোৱাৰে।

ট্ৰেপ শ্বুটিঙত প্ৰতিযোগিতামূলকভাৱে আগবাঢ়িবলৈ যথেষ্ট ধন ব্যয় কৰিবলগীয়া হয়। বন্দুকৰ উপৰি গুলী, প্ৰশিক্ষণ, অনুশীলনৰ স্থান আৰু অন্যান্য সা-সুবিধাৰ বাবেও বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন হয়। এই খেলবিধত ব্যৱহৃত গুলীৰ ব্ৰেণ্ড অনুসৰি প্ৰতিটো গুলীৰ দাম প্ৰায় ২০০১ পৰা ৩০০ টকা হ'ব পাৰে। ব্যক্তিগতভাৱে সকলো খৰচ বহন কৰিবলগীয়া হোৱা খেলুৱৈৰ বাবে নিয়মীয়া অনুশীলন যথেষ্ট ব্যয়বহুল হৈ পৰে। সেইবাবেই এই খেল দীৰ্ঘদিন ধৰি আৰ্থিকভাৱে সচ্ছল লোকসকলৰ মাজত অধিক জনপ্ৰিয় আছিল। কিন্তু নীৰু ধাণ্ডাই দেখুৱাই দিলে যে সফলতাৰ বাবে কেৱল ধন-সম্পত্তিয়েই যথেষ্ট নহয়; প্ৰতিভা, একাগ্ৰতা, কঠোৰ পৰিশ্ৰম আৰু উপযুক্ত সুযোগো সমানেই গুৰুত্বপূৰ্ণ। ■



সফলতাৰ বাবে কেৱল ধন-সম্পত্তিয়েই যথেষ্ট নহয়; প্ৰতিভা, একাগ্ৰতা, কঠোৰ পৰিশ্ৰম আৰু উপযুক্ত সুযোগো সমানেই গুৰুত্বপূৰ্ণ।






## কাইলৈ কলাক্ষেত্ৰৰ ২১১ সংখ্যক মৌ-মেল

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে শিশু-চেমনীয়াৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি মাহৰ শেষৰ দেওবাৰটোত 'মৌ-মেল' নামৰ এক অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। এইবাৰৰ ২১১ সংখ্যক মৌ-মেলখনি অহা ২৫ অক্টোবৰত দিনৰ ২ বজাৰ পৰা বিভিন্ন কাৰ্যসূচীৰে কলাক্ষেত্ৰৰ বাকৰিত অনুষ্ঠিত কৰা হ'ব। এইবাৰৰ মেলত প্ৰাক্‌প্ৰাথমিকৰ পৰা দশম শ্ৰেণীলৈ চাৰিটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা আৰু প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ দুটা শাখাত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সময়ৰ প্ৰতি লক্ষ্য ৰাখি শিশু-চেমনীয়াৰ গীত-মাত আদি পৰিৱেশনৰ সুবিধা দিয়া হ'ব। শিশু-চেমনীয়াসকলে মৌ-মেলত অংশগ্ৰহণ কৰিবৰ বাবে কোনো ভৰ্তি মাচুল দিব নালাগে অথবা প্ৰৱেশপত্ৰও সংগ্ৰহ কৰিব নালাগে। ছবি আঁকাৰ কাগজ কলাক্ষেত্ৰ সমাজে যোগান ধৰিব বুলি মৌ-মেলৰ পৰিচালক, চিত্ৰশিল্পী মধুসূদন দাসে জনাইছে।

## নাৰেংগীৰ দুৰ্গা মন্দিৰত চুৰি কাণ্ড

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** ঘৰুৱা চুৰি কাণ্ডৰ পাছতে এইবাৰ চোৰৰ টাৰ্গেট মন্দিৰ আৰু নামঘৰ। মহানগৰীৰ নাৰেংগীৰ দুৰ্গা মন্দিৰত পুৱতি নিশা এনে এক চুৰিকাণ্ড সংঘটিত হয়। দুৰ্গা মণ্ডপৰ সমীপত থকা মূল দান পাত্ৰটো ভাঙি চোৰে প্ৰায় ৪০ হাজাৰ টকা লুটি নিয়া কাৰ্যই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে নাৰেংগী অঞ্চলত। চোৰে লগতে দুটা ম'বাইল ফোন লৈ যায় বুলি মন্দিৰ সমিতিৰ পৰা জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে নুনমাটি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে দুৰ্গা পূজা সমিতিয়ে। ঘটনা সন্দৰ্ভত বৰ্তমান তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## মাণিক গোস্বামীক 'সেউজ নাট্য কণ্ঠ' বঁটা প্ৰদান

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এক বিশেষ সম্বৰ্দ্ধনা সভাত, অলপতে অসমৰ ভাওনা আৰু নাট্য জগতখনত এক দীঘলীয়া সময় ধৰি স্বপ্ৰতিভাৰে উদ্ভাসিত হৈ দৰ্শক শ্ৰোতাক মনোৰঞ্জন জনাই অহা বিশিষ্ট শিল্পী মাণিক গোস্বামীক জীৱনজোৰা সাধনাৰ বাবে 'সেউজ নাট্য কণ্ঠ' সন্মানৰে বিভূষিত কৰা হয়। সদৌ অসম ভাওনা সন্মিলন, গুৱাহাটী জিলাই আয়োজন কৰা এই সভাত শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ডঃ পীতাম্বৰ দেৱগোস্বামী, বিশিষ্ট শিল্পী প্ৰাঞ্জল শইকীয়া, বিধায়ক বিজয় কুমাৰ গুপ্তা, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষ অৰূপ কুমাৰ মিশ্ৰ, কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ প্ৰমুখ্যে সাংস্কৃতিক অনুৰাগীসকল উপস্থিত থাকে। অনুষ্ঠানটোৰ সভাপতি জয়ন্ত ডেকাই সভাপতিত্ব কৰা এই সভাত সম্বৰ্দ্ধনা অনুষ্ঠানটো সঞ্চালনা কৰে সচিব বন্দনা বৰঠাকুৰে।



## ধাৰাপুৰ কোচপাৰাত দুদিনীয়াকৈ শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ২৩ অক্টোবৰ ঃ** মহানগৰীৰ আজাৰা থানাৰ অন্তৰ্গত ধাৰাপুৰ কোচপাৰাবাসীৰ উদ্যোগত অহা ২৫ আৰু ২৬ অক্টোবৰত দুদিনীয়া ধৰ্মীয় কাৰ্যসূচীৰে শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপনৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২৫ অক্টোবৰৰ সন্ধিয়া বন্তি প্ৰজ্বলন, জলাৰোহণ আৰু ঘট স্থাপন কৰাৰপাছত পূজাৰম্ভ, ওজাপালি, হোম, শান্তি আৰু পুষ্পাঞ্জলি প্ৰদান কৰা হ'ব। তদুপৰি ২৬ অক্টোবৰৰ সন্ধিয়া নাগাৰা নাম পৰিৱেশন কৰিব ভাগৱতীপাৰা শ্ৰীশ্ৰীবুঢ়াগোহাঁই ছোৱালী নাগাৰা নামতী দলে। ইপিনে পূজাৰ কাৰ্যসূচী সুচাৰুভাৱে সম্পন্ন কৰিবলৈ নিৰেন কলিতাক সভাপতি, ভুৱন চন্দ্ৰ দাস, গৌৰীকান্ত দাস আৰু টিকেন কলিতাক উপসভাপতি, বিৰাজ কুমাৰ দাস আৰু অৱনী ৰাজবংশীক সাধাৰণ সম্পাদক আৰু টিকেন কলিতাক পূজাব্ৰতী হিচাপে লৈ এখন কাৰ্যকৰী সমিতি ইতিমধ্যে গঠন কৰা হৈছে।

### জৰুৰী ফোন নম্বৰ

| | |
|---|---|
| আৰক্ষী | ঃ ১০০ |
| অগ্নি নিৰ্বাপণ | ঃ ১০১ |
| এম্বুলেন্স | ঃ ১০২ |
| মৃত্যুঞ্জয় | ঃ ১০৮ |
| চাইবাৰ | ঃ ১৯৩০ |
| চাইল্ড লাইন | ঃ ১০৯৮ |

## 'নতুন আশা-হৃদয়ৰ আঁৰে আঁৰে' শীৰ্ষক নাট মঞ্চস্থ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** ৰিহাবাৰী উন্নয়ন সমিতিৰ উদ্যোগত শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে অধিবক্তা গীতাঞ্জলি কলিতা লহকৰৰ ৰচনা আৰু পৰিচালনাত 'নতুন আশা-হৃদয়ৰ আঁৰে আঁৰে' নামৰ নাটখন মঞ্চস্থ কৰা হয়। নাটখনিত অভিনয় কৰে ভিক্টী চৌধুৰী, ৰীতা ডেকা, অজয় লহকৰ, নয়না দাস, ৰূপম তালুকদাৰ, শৰ্মিষ্ঠা তামুলী, অঞ্চলা কটকী, জোনালী ভট্টাচাৰ্য, যমুনা পাঠক, বৰ্ণালী দাস, ৰাস্না মিশ্ৰ, ৰবি দাস, কৰবী শৰ্মা, ভূপেশ শৰ্মা আৰু গীতাঞ্জলি কলিতাই। লগতে পূজাৰ আটাইকেইদিনত ধৰ্মমূলক প্ৰশ্নোত্তৰ প্ৰতিযোগিতা, আৰতি প্ৰতিযোগিতা, নাগৰা নাম অনুষ্ঠিত কৰাৰ লগতে মুকুত চন্দ্ৰ ডেকাৰ সভাপতিত্বত পাঁচগৰাকী বিশিষ্ট সমাজকৰ্মী তথা ধৰ্মপ্ৰাণ মহিলা ক্ৰমে ভাৰতী কাকতি, অমৰেন্দ্ৰ ডেকা, মীৰা চৌধুৰী, উজ্জ্বলা চৌধুৰী আৰু ফুলকুমাৰী দাসক সম্বৰ্দ্ধনা জনোৱা হয় বুলি পূজাৰ সম্পাদক গৌৰাংগ কুমাৰ দাসে জানিবলৈ দিয়ে।

## পাঞ্জাবাৰী জুৰিপাৰৰ কৃত্ৰিম বান সমস্যা সমাধান হোৱাৰ পথত

# ৩৭ কোটি টকা ব্যয় সাপেক্ষে পুনৰ পূৰ্ণোদ্যমে চলিছে পথ, নলা নিৰ্মাণৰ কাম

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** শেহতীয়াকৈ পূৰ্ণোদ্যমে আৰম্ভ হৈছে গুৱাহাটী পাঞ্জাবাৰীৰ জুৰিপাৰ অঞ্চলৰ নলা আৰু পথ নিৰ্মাণৰ কাম। ফলত মেঘালয়, ন-মাইল, যোৱাবাট আৰু খানাপাৰা আদি পাহাৰসমূহত বৰষুণ দিলেই কৃত্ৰিম বানৰ সৃষ্টি হোৱা গুৱাহাটী পাঞ্জাবাৰীৰ জুৰিপাৰ অঞ্চলৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ পথ প্ৰশস্ত হোৱাত সন্তোষ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে ২০২৫ চনতে প্ৰায় ৩৭ কোটি টকা ব্যয় সাপেক্ষে আৰম্ভ হোৱা অঞ্চলটোৰ নলা আৰু পথ নিৰ্মাণৰ কাম মাজতে দীৰ্ঘদিনধৰি স্তব্ধ হৈ পৰাত বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰিছিল ৰাইজৰ মাজত। তেনে সময়তে ৰাইজৰ এনে সমস্যা সন্দৰ্ভত দৈনিক অসমত কেইবাটাও প্ৰতিবেদন প্ৰকাশ পাইছিল। তাৰ পাছতে চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই পুনৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰে। জানিব পৰা মতে অঞ্চলটোৰ এই জ্বলন্ত সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ আৰু নগৰ উন্নয়ন বিভাগৰ সেই সময়ৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ উপস্থিতিত প্ৰায় ৩৭ কোটি টকা ব্যয় সাপেক্ষে ২০২৫ চনৰ ২৪ নৱেম্বৰত জুৰিপাৰ পথ আৰু নলা নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰা হৈছিল। সেই দিনা ভাষণত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকাই সমাগত বাৰিষাৰ পূৰ্বে এই কাম সম্পূৰ্ণ হ'লে জুৰিপাৰ কৃত্ৰিম বানমুক্ত হ'ব বুলি উল্লেখ কৰিছিল। কিন্তু বিভাগীয় ঠিকাদাৰে বিগত ১১ মাহ ধৰি পথ আৰু নলাৰ কাম অতি লেহেম গতিত চলোৱাৰ অভিযোগ উত্থাপন হৈছিল। তদুপৰি নিৰ্মাণৰ প্ৰায় ৫০ শতাংশ কাম হোৱাৰ পাছতে নিৰ্মাণ কাৰ্য স্তব্ধ হৈ পৰাত সচেতন নাগৰিকসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ফলত উক্ত নিৰ্মাণ কাৰ্য অতিশীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছিল একাংশ স্থানীয় ৰাইজে। আনহাতে অঞ্চলটোৰ বিগত সময়ৰ কৃত্ৰিম বানৰ ভয়াৱহ পৰিস্থিতি অসম চৰকাৰৰ মন্ত্ৰী কৌশিক ৰায়ে জুৰিপাৰ অঞ্চল পৰিদৰ্শন কৰে। কৃত্ৰিম বন্যাক্ৰান্ত অঞ্চলৰ ৰাইজৰ সমস্যাসমূহৰ স্থায়ী সমাধান কৰা, উন্নত জল নিষ্কাসন ব্যৱস্থা গঢ়ি তোলা আৰু চলি থকা নিৰ্মাণকাৰ্যসমূহ অধিক গতিশীল কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলৰ লগতে বিভাগীয় ঠিকাদাৰক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰিছিল।

## ৰাণীত ১৭৫ চি আৰ পি এফ বেটেলিয়নৰ আৰক্ষী স্মৃতি দিৱস পালন

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰাণী, ২৩ অক্টোবৰ ঃ** কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ চি আৰ পি এফৰ গুৱাহাটী মহানগৰীৰ পাৰ্শ্বৱৰ্তী ৰাণীৰ ১৭৫ বেটেলিয়ানৰ মুখ্য কাৰ্যালয় চৌহদত ২১ অক্টোবৰত আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। এই উপলক্ষে দেশৰ হকে কৰ্তব্যৰ সময়ত প্ৰাণ আহুতি দিয়া বীৰ-জোৱানসকলৰ প্ৰতি স্মৃতি নিবেদন কৰে ১৭৫ চি আৰ পি এফৰ ছেকেণ্ড কমাণ্ডেণ্ট অমিত সিন্‌হাই। লগতে বীৰ শ্বহীদ বিষয়া-জোৱানৰ চৰম আত্মত্যাগক সোঁৱৰণ কৰি চৌহদত দুই মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। অনুষ্ঠানত ছেকেণ্ড কমাণ্ডেণ্ট অমিত সিন্‌হাই আৰক্ষী স্মৃতি দিৱস পালনৰ তাৎপৰ্য দাঙি ধৰি কয়— ১৯৫৯ চনৰ ২১ অক্টোবৰত ভাৰত-চীন সীমান্তৰ লাডাখত চীনা সৈন্যই চি আৰ পি এফৰ এটা টহলদাৰী দলক আক্ৰমণ কৰি ১০গৰাকী বীৰ-জোৱান নিহত হোৱা ঘটনাৰ সোঁৱৰণত প্ৰতি বছৰে ২১ অক্টোবৰৰ দিনটোক সমগ্ৰ দেশজুৰি আৰক্ষী স্মৃতি দিৱস হিচাপে পালন কৰি অহা হৈছে। অনুষ্ঠানত ১৭৫ চি আৰ পি এফ বেটেলিয়ন কোম্পানীটোৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে।



## লালগণেশৰ উৰণ সেতুত ভয়ংকৰ পথ দুৰ্ঘটনা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** মহানগৰীৰ লালগণেশৰ উৰণ সেতুত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। এখন লোৰ ৰড কঢ়িওৱা তীব্ৰবেগী বাহন আৰু ইলেক্‌ট্ৰিক অ'টোৰ মুখামুখি সংঘৰ্ষ হয়। ফলত দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় অ'টো চালক হাৰুন আলী। লগতে আহত হ'ব লগা হয় অ'টোত থকা দুই যাত্ৰী। ঘটনাস্থলীত যান-বাহন আৰক্ষী আৰু একাংশ স্থানীয় লোক উপস্থিত হৈ আহত লোককেইজনক উদ্ধাৰ কৰে। লগতে আহতসকলক সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।



## বিনামূলীয়া চকু চিকিৎসা শিবিৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰাণী, ২৩ অক্টোবৰ ঃ** পলাশবাৰী সমষ্টিৰ দখলা ক'লনী অৰুণোদয় পুথিভঁৰালত কালি 'আদানী ফাউণ্ডেচন'ৰ উদ্যোগত এটি বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হয়। উক্ত চকু চিকিৎসা শিবিৰত আদানী ফাউণ্ডেচনৰ আউটৰিচ ইনচাৰ্জ প্ৰিয়ংকা দাস, চকু বিশেষজ্ঞ বিনোদ কুমাৰ পাল আৰু নিতু শীলে অঞ্চলটোৰ প্ৰায় ডেৰ শতাধিক পুৰুষ-মহিলাৰ চকু পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ প্ৰয়োজনীয় চছমা যোগান ধৰা হয়। আনহাতে কিছুসংখ্যক লোকক চছমা পোৱাৰ অনুযায়ী এমাহৰ ভিতৰত চছমা প্ৰদান কৰা হ'ব বুলি আদানী ফাউণ্ডেচনৰ বিষয়ববীয়াই জানিবলৈ দিয়ে। উক্ত চকু চিকিৎসা শিবিৰত দখলা গাঁও পঞ্চায়তৰ সদস্য পুলক দাস, স্থানীয় যুৱক অনুজ পাঠক, জ্যোতিপ্ৰসাদ কলিতা, সাংবাদিক জিতুমণি দাসৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



## ৰত্না দত্ত সোঁৱৰণী প্ৰাইজমানী প্ৰবন্ধ প্ৰতিযোগিতাৰ ফল ঘোষণা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** 'অভীক' আৰু 'দয়-কাও-ৰং একাডেমি'ৰ উদ্যোগত অনুষ্ঠিত কবি, ঔপন্যাসিক, নাৰীবাদী লেখিকা, অধ্যাপিকা, সমালোচক, আবৃত্তিকাৰ তথা অনাতাঁৰ শিল্পী ৰত্না দত্ত সোঁৱৰণী তৃতীয় প্ৰাইজমানী প্ৰবন্ধ প্ৰতিযোগিতা-২০২৬ৰ ফল কালি তেওঁৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ঘোষণা কৰা হয়। প্ৰতিযোগিতাখনৰ এইবাৰৰ প্ৰবন্ধৰ বিষয় আছিল— 'ৰত্না দত্তৰ উপন্যাসত প্ৰতিফলিত নাৰীবাদী চিন্তা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন'। আনহাতে ঘোষিত ফল অনুসৰি প্ৰতিযোগিতাত মনীষা বৰাই প্ৰথম, অনিন্দিতা বৰদলৈয়ে দ্বিতীয় আৰু অৰূপা নাথে তৃতীয় স্থান লাভ কৰে। ইফালে ৰূপালী গগৈ আৰু নাঙমু বুঢ়াগোহাঁইক উদগনি পুৰস্কাৰৰ বাবে নিৰ্বাচিত কৰা হয়। পুৰস্কাৰ প্ৰাপকসকললৈ আয়োজক পক্ষই আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী লেখক-লেখিকালৈ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰে। উল্লেখ্য যে ৰত্না দত্তৰ সাহিত্যকৰ্মৰ পুনৰ্পাঠ আৰু তেওঁৰ উপন্যাসসমূহত প্ৰতিফলিত নাৰীবাদী চিন্তাৰ বিশ্লেষণৰ জৰিয়তে অসমীয়া সাহিত্যৰ সমালোচনামূলক চৰ্চাক আগবঢ়াই নিয়াই এই প্ৰতিযোগিতাৰ অন্যতম উদ্দেশ্য আছিল বুলি আয়োজকদ্বয় স্বপ্না দত্ত ডেকা আৰু টুনুজ্যোতি গগৈয়ে জানিবলৈ দিয়ে।

## বিজ্ঞান কুইজ প্ৰতিযোগিতা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** বিজ্ঞানক অধিক আকৰ্ষণীয় আৰু আনন্দদায়ক ৰূপত উপস্থাপন কৰাৰ লগতে যুৱ প্ৰজন্মৰ মাজত বিজ্ঞানমনস্কতা আৰু জ্ঞানৰ প্ৰসাৰ ঘটোৱাৰ উদ্দেশ্যে 'বিজ্ঞান আলাপ'ৰ উদ্যোগত অহা ৭ নৱেম্বৰত গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত এখন বিজ্ঞান কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। 'We Talk Science' শীৰ্ষক মূলমন্ত্ৰৰে পৰিচালিত এই অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ মাজত বৈজ্ঞানিক মানসিকতা, অনুসন্ধিৎসা আৰু যুক্তিনিষ্ঠ চিন্তাধাৰা গঢ়ি তোলাৰ লক্ষ্য গ্ৰহণ কৰিছে। প্ৰতিযোগিতাত প্ৰতিটো দলত দুগৰাকী সদস্য থাকিব লাগিব। অসমৰ বিভিন্ন প্ৰান্তৰ আগ্ৰহী প্ৰতিযোগীসকলক অংশগ্ৰহণৰ বাবে আহ্বান জনোৱা হৈছে। পঞ্জীয়নৰ অন্তিম তাৰিখ ৫ নৱেম্বৰ বিয়লি ৫ বজালৈ। আগ্ৰহীসকলক ৯১-৯৭০৬৮৪৭০৭৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে উদোক্তাসকলে।

## গুৱাহাটীৰ নীতিন ভট্টাচাৰ্যৰ মৃত্যু



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা পথৰ চিত্ৰবন এনক্লেভ নিৱাসী নীতিন ভট্টাচাৰ্য (নিতু)-ৰ আজি পুৱা নিজ বাসভৱনত বাৰ্দ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, এটি নাতি আৰু নিজৰ পৰিয়ালৰ সদস্যসকলক এৰি থৈ যায়। উল্লেখ্য যে নামৰূপৰ অসম পেট্ৰ'কেমিকেলছৰ পৰা অৱসৰ গ্ৰহণ কৰা ভট্টাচাৰ্যই আন্তঃজিলা পৰ্যায়ৰ ক্ৰিকেট খেলত গুৱাহাটী আৰু ডিব্ৰুগড় জিলা দলক প্ৰতিনিধিত্ব কৰিছিল। কবি হীৰেন ভট্টাচাৰ্যৰ ভাতৃ নীতিন ভট্টাচাৰ্যই ক্ৰিকেটৰ উপৰি ফুটবলতো বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল। নামৰূপৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেওঁ জড়িত আছিল।

## শিলপুখুৰী ৰাজহুৱা নামঘৰৰ ৮৩ সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজাৰ সফল সমাপ্তি

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** শিলপুখুৰী ৰাজহুৱা নামঘৰত সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ উদ্যোগত উলহ-মালহেৰে আৰু সম্পূৰ্ণ বৈদিক নীতি-নিয়মেৰে ৮৩ সংখ্যক বাৰ্ষিক দুৰ্গা পূজাখনি ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ বিভিন্ন আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। ইয়াৰ সমান্তৰালভাৱে ২৫ অক্টোবৰত শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ বাৰ্ষিক পূজাও বৈদিক পৰম্পৰাৰে আগবঢ়োৱাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। পূজাৰ প্ৰথম দিনটোত ষষ্ঠী বিহিত পূজাৰ দিনা পুৱা ৭.৩০ বজাৰ পৰা শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ শুক্লা ষষ্ঠী কল্পৰম্ভ ষষ্ঠি বিহিত পূজা আৰু চণ্ডী পাঠেৰে পৰ্বৰ শুভাৰম্ভ কৰা হয়। এই দিনা সন্ধিয়া ৬ বজাত শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ আমন্ত্ৰণ আৰু অধিবাস আৰু সত্য নাৰায়ণ পূজা অনুষ্ঠিত হয়। ১৭ অক্টোবৰৰ সপ্তমী বিহিত পূজাৰ সন্ধিয়া ভাগত ছয়গাঁৱৰ প্ৰদীপ কলিতাৰ দ্বাৰা অসমীয়া সংস্কৃতিৰ অন্যতম অনুপম উপাদান নাও খেলৰ গীত আৰু চৈতেলী নাম পৰিৱেশন কৰা হয়, যিয়ে উপস্থিত ৰাইজৰ পৰা বিপুল সঁহাৰি লাভ কৰে। ১৮ অক্টোবৰ দিনৰ ১১ বজাত সমিতিৰ দ্বাৰা তৃতীয়বাৰৰ বাবে শ্ৰীশ্ৰী দুৰ্গা গোসাঁনীৰ মহিলাৰ নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহিলা বিভাগৰ মূল আহ্বায়ক তথা পৰিচালক পুষ্পা লতা দাসৰ পৰিচালনাত অনুষ্ঠিত এই প্ৰতিযোগিতাত কন্বাচলৰ তিলো দাসৰ দলে প্ৰথম শ্ৰেষ্ঠ নামতী দলৰ বঁটা লাভ কৰে। ইয়াৰ লগতে নুনমাটিৰ মেঘালী ভৰালীৰ দলে দ্বিতীয়, চানমাৰিৰ অনিতা গোস্বামীৰ দলে তৃতীয় আৰু নটৰাজ প্ৰগতি মহিলা দলে চতুৰ্থ স্থান দখল কৰি বঁটা লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত বিজয়ীসকলক বঁটাসমূহ বিতৰণ কৰে সমিতিৰ সভাপতি জ্যোতিৰ্ময় গোস্বামী, সাধাৰণ সম্পাদকদ্বয় মুনীন কাকতি আৰু নীৰেন গোস্বামীয়ে।

## ৰে'লযাত্ৰীৰ ভ্ৰমণ উন্নত কৰাৰ লক্ষ্যৰে 'ৰে'ল জন সংবাদ' কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ২৩ অক্টোবৰ ঃ** ৰাইজৰ অংশগ্ৰহণ আৰু সঁহাৰিমূলক প্ৰশাসন ব্যৱস্থা শক্তিশালীকৰণৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে উত্তৰ-পূব সীমান্ত ৰে'লৱেই কালিৰে পৰা ইয়াৰ অধীনস্থ সমগ্ৰ মণ্ডল আৰু ষ্টেচনসমূহত 'ৰে'ল জন সংবাদ' অভিযান কাৰ্যসূচী আৰম্ভ কৰিছে। উত্তৰ পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই এটা প্ৰেছ বিবৃতিত সদৰি কৰা অনুসৰি ভাৰত চৰকাৰৰ ৰে'ল মন্ত্ৰণালয়ৰ নিৰ্দেশনা অনুসৰি আৰু বিশেষ অভিযান ৬.০ৰ অংশ হিচাপে ৰূপায়ণ কৰা এই পদক্ষেপে ষ্টেচন চৌহদতে ৰে'লৱে কৰ্তৃপক্ষ আৰু যাত্ৰীসকলৰ মাজত প্ৰত্যক্ষ মত-বিনিময়ৰ এক মঞ্চ গঢ়ি তুলিছে। এই কাৰ্যসূচীৰ জৰিয়তে যাত্ৰীসকলে নিজৰ ভ্ৰমণৰ অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে বিভিন্ন সমস্যা উত্থাপন আৰু সেৱাৰ উন্নয়নৰ বাবে পৰামৰ্শ আগবঢ়োৱাৰ সুযোগ লাভ কৰিছে। যাত্ৰাকালত ৰে'লৰ ভিতৰত যাত্ৰীৰ আৰাম-সুবিধা, ষ্টেচনৰ আন্তঃগাঁথনিগত সা-সুবিধা আৰু খাদ্য যোগান সেৱাৰ গুণগত মান সম্পৰ্কে যাত্ৰীসকলৰ মতামত সংগ্ৰহৰ উদ্দেশ্যে ৰে'লৱেৰ বিষয়া, আগশাৰীৰ কৰ্মচাৰী আৰু বাণিজ্যিক পৰিদৰ্শকসকলক লৈ গঠিত নিৰ্দিষ্ট দলসমূহে ষ্টেচনৰ যাত্ৰী সমাগমস্থলী আৰু অপেক্ষা গৃহসমূহত যাত্ৰীসকলৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰে। এই পদক্ষেপে যাত্ৰীসকলক তেওঁলোকৰ সমস্যা আৰু অসুবিধাসমূহ দাঙি ধৰাৰ সুবিধা প্ৰদান কৰিছে। মহাপ্ৰবন্ধক, অতিৰিক্ত মহাপ্ৰবন্ধক আৰু মাণ্ডলিক ৰে'লৱে প্ৰবন্ধকসকলকে ধৰি জ্যেষ্ঠ ৰে'লৱে বিষয়াসকলৰ নেতৃত্বত ৰূপায়ণ কৰা এই অভিযানে 'জন কি আৱাজ, যুৱ কি সোচ আৰু ৰে'ল কা সমাধান' শীৰ্ষক দৰ্শনক আধাৰ হিচাপে গ্ৰহণ কৰিছে। যুৱ প্ৰজন্মৰ সৈতে সংযোগ স্থাপনৰ উদ্দেশ্যে গ্ৰহণ কৰা 'ৰে'ল জন যুৱ সংবাদ' শীৰ্ষক বিশেষ পদক্ষেপৰ জৰিয়তে যুৱ যাত্ৰী আৰু শিক্ষাৰ্থীসকলক ৰে'ল যাত্ৰাৰ অভিজ্ঞতা উন্নত কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যৱহাৰ সম্পৰ্কে নিজৰ মতামত, উদ্ভাৱনী ধাৰণা আৰু পৰামৰ্শ আগবঢ়াবলৈ উৎসাহিত কৰা হৈছে। তদুপৰি এই অভিযানে ৰে'ল যাত্ৰাৰ সুৰক্ষা সম্পৰ্কে যাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। ৰে'লৰ ফুটব'ৰ্ডত থিয় হৈ যাত্ৰা কৰা আৰু অসুৰক্ষিতভাৱে ৰে'লপথ অতিক্ৰম কৰাৰ দৰে বিপজ্জনক কাৰ্যৰ পৰা বিৰত থাকিবলৈ যাত্ৰীসকলক সজাগ কৰা হৈছে। ৰে'লৱেৰ কৰ্মচাৰীসকলে সুৰক্ষিত যাত্ৰাৰ নিয়মসমূহ মানি চলাৰ বাবে যাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত দায়িত্বশীল ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছে।

## গুৱাহাটী বিশ্ববিদ্যালয়ত ৰেড ৰান মাৰাথন প্ৰতিযোগিতা

### ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দুই শতাধিক প্ৰতিযোগীৰ অংশ গ্ৰহণ



**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ২৩ অক্টোবৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেড ৰিবন ক্লাবৰ উদ্যোগত আৰু অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ সহযোগত আজি গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজ্যিক পৰ্যায়ৰ ৰেড ৰান মাৰাথন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ মূল উদ্দেশ্য আছিল এইচ আই ভি-এইডছ সম্পৰ্কে সজাগতা সৃষ্টি কৰা, সুস্থ জীৱনশৈলী গঢ়ি তোলাত উৎসাহিত কৰা আৰু এইচ আই ভি প্ৰতিৰোধ, বৈষম্য হ্ৰাস তথা সামাজিক দায়বদ্ধতাৰ বাৰ্তা যুৱ প্ৰজন্মৰ মাজত প্ৰচাৰ কৰা। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমৰ ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে কয় যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেড ৰিবন ক্লাব আৰু অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ এই সহযোগিতাই যুৱ শক্তিৰ বিকাশ আৰু জনস্বাস্থ্য সম্পৰ্কীয় সজাগতা বৃদ্ধিৰ প্ৰতি উভয় পক্ষৰ উমৈহতীয়া দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে এনে পদক্ষেপে বিশ্ববিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ সংগঠনসমূহক সজাগতা, সহমৰ্মিতা আৰু সামাজিক পৰিৱৰ্তনৰ দূত হিচাপে যুৱ প্ৰজন্মক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ উৎসাহিত কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিশ্ববিদ্যালয় শ্ৰেণীসমূহৰ সচিব তথা ছাত্ৰ কল্যাণ সঞ্চালক ডঃ ৰঞ্জন কুমাৰ কাকতিয়ে আমন্ত্ৰিত অতিথিসকলক আদৰণি জনায়। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মাও উপস্থিত থাকে। তেওঁ শিক্ষানুষ্ঠান আৰু জনস্বাস্থ্যৰ সৈতে জড়িত সংস্থাসমূহৰ মাজত সহযোগিতা শক্তিশালী কৰি ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মক সজাগতা সৃষ্টিৰ কাৰ্যসূচীত জড়িত কৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তদুপৰি অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ প্ৰতিৰোধ শাখাৰ উপ-সঞ্চালক জে পি শৰ্মা, সহকাৰী সঞ্চালক ৰাজীৱ শৰ্মা আৰু যুৱ পৰিক্ৰমা শাখাৰ সহকাৰী সঞ্চালক পল্লৱজ্যোতি হাজৰিকা উপস্থিত থাকে। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ বিষয়ববীয়া আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ২০০ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ ল'ৰাৰ শাখাত মাটিবৰ আলীয়ে (সুৰেন দাস মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়) প্ৰথম স্থান, বিজু কিষাণে (ৰঙাপৰা মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়) দ্বিতীয় স্থান আৰু শুভম কুমাৰে (এল এন আই পি ই) তৃতীয় স্থান লাভ কৰে। ছোৱালীৰ শাখাত পাহী কেওটে (ডঃ বি কে বি মহাবিদ্যালয়) গুৱাহাটী বিশ্ববিদ্যালয়) প্ৰথম স্থান, চায়না খাতুনে (দক্ষিণ শালমৰা মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়) দ্বিতীয় স্থান আৰু গায়ত্ৰী দাসে (ৰঙাপৰা মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়) তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত বিজয়ীসকলক নগদ ধন, পদক, ট্ৰফী আৰু প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়।

## পুখুৰীসদৃশ প্ৰকাণ্ড গাঁত, যিকোনো মুহূৰ্ততে বিপদৰ আশংকা

# দৈগ্ৰোং নদীৰ বালি খননে বন্যহস্তীলৈ আনিছে ভাবুকি



**দৈনিক অসমৰ প্ৰতিনিধি**
**নুমলীগড়, ২৩ অক্টোবৰ ঃ** বনৰীয়া হাতীৰ নিৰাপদ বিচৰণৰ বাবে দায়বদ্ধ কোন? বনৰীয়া হাতীৰ অহা-যোৱা অব্যাহত থকা দৈগ্ৰোং নদীৰ বুকুত বালি খননৰ ফলত সৃষ্টি হোৱা পুখুৰীসদৃশ প্ৰকাণ্ড গাঁতবোৰে হাতীৰ জীৱনলৈ ভয়াৱহ বিপদ মাতি অনাৰ আশংকা সৃষ্টি কৰাৰ পাছতো বন বিভাগে কিয় ব্যৱস্থা গ্ৰহণ কৰা নাই? গোলাঘাট জিলাৰ দৈগ্ৰোং নদীৰ শেহতীয়া পৰিস্থিতিয়ে এই গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। আজি পুৱাৰ ভাগত দৈগ্ৰোং নদীৰ ১ নং চেঁচাবিলৰ পৰা নদীৰ সিটো পাৰৰ গিদিবস্তিৰ দিশলৈ গতি কৰা এজাক বনৰীয়া হাতীয়ে নদীৰ বুকুত সৃষ্টি হোৱা প্ৰকাণ্ড গাঁতসমূহৰ মাজেৰে পাৰ হ'বলৈ কৰা বিপজ্জনক প্ৰচেষ্টাৰ দৃশ্যই স্থানীয় লোকৰ লগতে প্ৰকৃতিপ্ৰেমীসকলকো উদ্বিগ্ন কৰি তুলিছে। নদীৰ বুকুত সৃষ্টি হোৱা এই গাঁতবোৰত হাতীৰ জাকটোৱে চুচৰি-বাগৰি পাৰ হ'বলৈ কৰা প্ৰচেষ্টাই বালি খননৰ ফলত সৃষ্টি হোৱা বিপজ্জনক পৰিস্থিতিৰ ভয়াৱহতা উদঙাই দিছে। বিশেষকৈ হাতীৰ জাকটোত নিচেই সৰু সৰু পোৱালি থকাৰ বাবে বিপদৰ আশংকা অধিক। প্ৰকাণ্ড গাঁতবোৰত পৰি যোৱা অথবা বোকা-পানীত আবদ্ধ হৈ পৰিলে হাতীৰ পোৱালিবোৰৰ জীৱন সংকটাপন্ন হৈ পৰিব পাৰে। বনৰীয়া হাতীৰ বিচৰণভূমি ক্ৰমাৎ সংকুচিত হৈ অহাৰ সময়তে নদীৰ কাষৰ এনে বিপজ্জনক পৰিস্থিতিয়ে হাতী-মানুহৰ সহাৱস্থানৰ ক্ষেত্ৰতো নতুন উদ্বেগৰ সৃষ্টি কৰিছে। উল্লেখ্য যে দৈগ্ৰোং নদীৰ পাৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চল বনৰীয়া হাতীৰ অহা-যোৱাৰ এক গুৰুত্বপূৰ্ণ পথ হিচাপে পৰিচিত। এনে অঞ্চলত বালি খননৰ ফলত সৃষ্টি হোৱা গভীৰ গাঁতসমূহে বন্যপ্ৰাণীৰ স্বাভাৱিক চলাচলত বাধাৰ সৃষ্টি কৰাৰ লগতে হাতীৰ পোৱালিৰ বাবে বিশেষভাৱে বিপজ্জনক হৈ উঠিব পাৰে। নদীৰ বুকুত পুখুৰীসদৃশ গাঁত সৃষ্টি কৰি এৰি দিয়াৰ ফলত বন্যপ্ৰাণীৰ সুৰক্ষাৰ দিশটো যে উপেক্ষিত হৈছে, সেই অভিযোগ উত্থাপন কৰিছে পৰিৱেশ সচেতন মহলে। আনহাতে, বকিয়াল খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ পৰা উক্ত স্থানসমূহৰ দূৰত্বও বন বিভাগৰ তৎপৰতাক লৈ প্ৰশ্ন উত্থাপনৰ কাৰণ হৈ পৰিছে। দৈগ্ৰোং নদীৰ এই শোচনীয় অৱস্থা আৰু বনৰীয়া হাতীৰ বিপজ্জনক পৰিস্থিতিৰ বিষয়ে পৰিৱেশ সচেতন মহলে পূৰ্বৰে পৰা উদ্বেগ প্ৰকাশ কৰি অহাৰ পাছতো আজিলৈকে বন বিভাগে কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। প্ৰশ্ন হৈছে, বন্যপ্ৰাণীৰ বিচৰণভূমিত এনে বিপজ্জনক গাঁত সৃষ্টি কৰি ৰখাৰ দায়িত্ব কাৰ? বালি খননৰ অনুমতি, খননকাৰ্যৰ নিয়মীয়া নিৰীক্ষণ আৰু খননৰ পাছত সৃষ্টি হোৱা গাঁতসমূহৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই নিজৰ দায়িত্ব পালন কৰিছেনে? হাতীৰ জাকটো বিপদত পৰা দৃশ্য পোহৰলৈ অহাৰ পাছতহে বন বিভাগৰ গা লৰিব নেকি? পৰিৱেশ সচেতন মহলে দৈগ্ৰোং নদীৰ বুকুত সৃষ্টি হোৱা গাঁতসমূহৰ জৰুৰী পৰিদৰ্শন, বালি খননৰ নীতি-নিয়ম উলংঘা হৈছে নেকি তাৰ তদন্ত আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ স্বাৰ্থত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। লগতে হাতীৰ নিৰাপদ বিচৰণৰ পথ বাধামুক্ত কৰি ৰখা আৰু ভৱিষ্যতে এনে বিপজ্জনক পৰিস্থিতিৰ পুনৰাবৃত্তি ৰোধ কৰাৰ বাবেও বন বিভাগৰ তৎপৰতা বিচাৰিছে। বনৰীয়া হাতীৰ সুৰক্ষা কেৱল বন বিভাগৰ দায়িত্বৰ বিষয়েই নহয়, ই অঞ্চলটোৰ পৰিৱেশগত ভাৰসাম্য ৰক্ষাৰ সৈতেও জড়িত। দৈগ্ৰোং নদীৰ বুকুত সৃষ্টি হোৱা এই বিপজ্জনক গাঁতসমূহৰ ক্ষেত্ৰত বন বিভাগে কেতিয়া আৰু কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়াহে লক্ষণীয় হ'ব।

## আজি মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**
**টীয়ক, ২৩ অক্টোবৰ ঃ** যোৰহাট জিলাৰ অন্যতম অগ্ৰণী শাস্ত্ৰীয় সংগীতৰ শিক্ষানুষ্ঠান মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান ২৪ অক্টোবৰত অনুষ্ঠিত হ'ব। তদুপলক্ষে আয়োজিত কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি বিদ্যুৎ বিকাশ গগৈয়ে। মুকলি সভাত তিতাবৰ কমলাবাৰী সত্ৰৰ বুঢ়াভকত অসম চৰকাৰৰ সাহিত্যিক, শিল্পী পেন্সনাৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম শৰ্মাক 'সত্ৰজ্যোতি সন্মান' প্ৰদান কৰাৰ লগতে ভাওনা সংস্কৃতিৰ একান্ত সাধক, অসম চৰকাৰৰ শিল্পী পেন্সনাৰ টীয়ক ৰজাবাৰীৰ কৃষ্ণপদ কলিতাক 'সংস্কৃতি সাধনা বঁটা' প্ৰদান কৰা হ'ব। এই সভাত ৰূপালী জয়ন্তী বৰ্ষৰ স্মাৰক গ্ৰন্থ 'মুকুল' উন্মোচন কৰিব সংস্কৃতৰ পণ্ডিত ডঃ অৰুণ চন্দ্ৰ শইকীয়াই। সন্ধিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অভিনীত 'শ্ৰীৰামবিজয়' অংকীয়া ভাওনা আৰু নিশা 'পাৰ্থ পৰাজয়' নামৰ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

প্ৰাক্তন আৰক্ষী বিষয়া ফটিক দত্ত গোস্বামীৰ মহানুভৱতা

## পিতৃ-মাতৃৰ সোঁৱৰণত মাজুলী মহাবিদ্যালয়লৈ গ্ৰন্থদান

**দৈনিক অসমৰ প্ৰতিনিধি**
**মাজুলী, ২৩ অক্টোবৰ ঃ** পিতৃ মাণিক দত্ত গোস্বামী আৰু মাতৃ সুৰপ্ৰভা দেৱী গোস্বামীৰ পৱিত্ৰ স্মৃতিত পুত্ৰ, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান, বিশিষ্ট লেখক ফটিক দত্ত গোস্বামীয়ে মাজুলী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ আগবঢ়ালে নগদ ত্ৰিশ হাজাৰ টকাৰ লগতে স্বৰচিত পোন্ধৰখন গ্ৰন্থৰ উপৰি ব্যক্তিগত পুথিভঁৰালৰ ভালেখিনি মূল্যৱান গ্ৰন্থ। গোস্বামীয়ে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ পিতৃ মাণিক দত্ত গোস্বামী আৰু মাতৃ সুৰপ্ৰভা দেৱী গোস্বামীৰ স্মৃতিত আলমাৰি ক্ৰয়ৰ বাবে আগবঢ়োৱা ধনৰ চেকৰ লগতে গ্ৰন্থৰ টোপোলাটো মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ হাতত অৰ্পণ কৰে। মাজুলী মহাবিদ্যালয়ে বিগত দহ বছৰে ধাৰাবাহিকভাৱে ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' নামৰ ব্যতিক্ৰমী গ্ৰন্থ সংগ্ৰহৰ কাৰ্যসূচীত ভাগ লৈ অৱসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান ফটিক দত্ত গোস্বামীয়ে কৰা আমন্ত্ৰণ অনুসৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই ভূগোল বিভাগৰ সহকাৰী অধ্যাপক আচাৰ্য মোহন দাসৰ সৈতে গৈ গুৱাহাটী বামুণীমৈদামৰ পৰাগ চন্দ্ৰ দাস পথত থকা গোস্বামীৰ বাসগৃহৰ পৰা গ্ৰন্থসমূহ সংগ্ৰহ কৰে। অধ্যক্ষগৰাকীয়ে ফটিক দত্ত গোস্বামী আৰু তেওঁৰ সহধৰ্মিণী কুমকুম গোস্বামীক মহাবিদ্যালয় পৰিয়ালৰ হৈ অংগবস্ত্ৰ, মুখা আদিৰে সম্ভাষণ জনায়। গ্ৰন্থসমূহ মহাবিদ্যালয়লৈ অনাৰ পাছতে অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ উদাৰতাৰ প্ৰতি কৃতজ্ঞতা জনাবলৈ যোৱা ৭ অক্টোবৰত মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত আয়োজিত বিশেষ সভাৰ আঁত ধৰে গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে। সভাত পৌৰোহিত্য কৰি অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই ফটিক দত্ত গোস্বামীয়ে প্ৰদৰ্শন কৰা মহানুভৱতাৰ প্ৰতি মাজুলীবাসীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে তেওঁৰ বহুমূলীয়া অনুদানে মাজুলীৰ দৰিদ্ৰ শিক্ষাৰ্থীসকলৰ অনেক উপকাৰ সাধিব বুলিও মন্তব্য কৰে। সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ডঃ অনুপ কুমাৰ দলে, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, মুখ্য সহায়ক উৎপল বৰুৱা, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা, সম্পাদক সদানন্দ ৰেগন প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীসকল উপস্থিত থাকে।

## শিৱসাগৰত বন্যাক্ৰান্ত কৃষকক সহায়ৰ বাবে হাঁহ-কুকুৰা, অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**
**লাকুৱা, ২৩ অক্টোবৰ ঃ** ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ অধীনস্থ পশ্চিমবংগৰ কল্যাণীস্থিত ৰাষ্ট্ৰীয় দুগ্ধ গৱেষণা প্ৰতিষ্ঠান (পূৰ্বাঞ্চল আঞ্চলিক কেন্দ্ৰ)ৰ বিত্তীয় সহযোগত অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ অধীনস্থ গুৱাহাটীস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ উদ্যোগত আৰু শিৱসাগৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত যোৱা ১৪ অক্টোবৰত শিৱসাগৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰাংগনত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বন্যাক্ৰান্ত পৰিয়ালক সহায় কৰাৰ এক মহৎ উদ্দেশ্য আগত ৰাখি এখন হাঁহ-কুকুৰা বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুৰব্বী ডঃ অৰুন্ধতী বৰদলৈৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা মুকলি সভাত কল্যাণীস্থিত ৰাষ্ট্ৰীয় দুগ্ধ গৱেষণা প্ৰতিষ্ঠান (পূৰ্বাঞ্চল আঞ্চলিক কেন্দ্ৰ)ৰ তৰফৰ পৰা মুখ্য বৈজ্ঞানিক ক্ৰমে ডঃ শান্তনু বণিক, ডঃ অজয় মণ্ডল, ডঃ ডি কে মণ্ডল, গুৱাহাটীস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ হাঁহ-কুকুৰা বিভাগৰ মুৰব্বী ডঃ ৰীমা শইকীয়া, সহযোগী অধ্যাপক ডঃ মিহিৰ শৰ্মা, ডঃ ৰফিকুল ইছলাম উপস্থিত থাকি বক্তব্য আগবঢ়ায়। আদৰণী ভাষণত ডঃ অৰুন্ধতী বৰদলৈয়ে হৈ যোৱা বানত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ কৃষি তথা কৃষিৰ লগত জড়িত আনুষংগিক বিভাগসমূহত বানে কৰা বিস্তৰ ক্ষয়ক্ষতিৰ পৰিসংখ্যা বিশেষজ্ঞসকলৰ আগত আগবঢ়োৱাৰ লগতে বানৰ সময়ত আৰু তাৰ পাছত আক্ৰান্ত কৃষকসকলক সহায় কৰাৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰই লোৱা পদক্ষেপৰ কথা বিশদভাৱে উল্লেখ কৰাৰ লগতে বন্যাক্ৰান্তক সহায় কৰাৰ উদ্যোগ লোৱাৰ বাবে ৰাষ্ট্ৰীয় দুগ্ধ গৱেষণা প্ৰতিষ্ঠান (পূৰ্বাঞ্চল আঞ্চলিক কেন্দ্ৰ) আৰু অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰীয় দুগ্ধ গৱেষণা প্ৰতিষ্ঠান (পূৰ্বাঞ্চল আঞ্চলিক কেন্দ্ৰ)ৰ মুখ্য বিজ্ঞানী ডঃ শান্তনু বণিকে হৈ যোৱা জলপ্ৰলয়ৰ দৰে অনাকাংক্ষিত প্ৰাকৃতিক দুৰ্যোগৰ পৰা শিক্ষা গ্ৰহণ কৰি ভৱিষ্যতৰ সময়ত আহিবলগীয়া এনে দুৰ্যোগৰ প্ৰতি মোকাবিলা কৰিব পৰাকৈ সদায় সাজু থাকিবলৈ আহ্বান জনায়। ডঃ ৰীমা শইকীয়াই তেওঁৰ ভাষণত এই আঁচনিখন সফলভাৱে ৰূপায়ণ কৰি বন্যাক্ৰান্তক সহায় কৰাত বিত্তীয়ভাৱে সহায় কৰাত ৰাষ্ট্ৰীয় দুগ্ধ গৱেষণা প্ৰতিষ্ঠানক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে উপস্থিত কৃষকসকলক প্ৰদান কৰা হাঁহ-কুকুৰা পোৱালিবিলাক কৃষি বিজ্ঞান কেন্দ্ৰৰ পৰা প্ৰয়োজনীয় সকলো দিহা-পৰামৰ্শ লৈ সঠিকভাৱে পালন কৰিবলৈ অনুৰোধ জনায়।



উক্ত অনুষ্ঠানত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ১৭৪জন কৃষকক উন্নতমানৰ হাঁহ-কুকুৰা, দানা, পালনৰ বাবে প্ৰয়োজনীয় সঁজুলি, ঔষধ, প্ৰতিষেধক চিটা ইত্যাদি প্ৰদান কৰা হয়। শিৱসাগৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীৰ সহযোগত সফলভাৱে অনুষ্ঠিত এই অনুষ্ঠানটোৰ বাবে উপস্থিত কৃষকসকলে তিনিওটা প্ৰতিষ্ঠানৰ শলাগ লয়।



## গোলাঘাটৰ পূজা মণ্ডপত স্বচ্ছ ভাৰত অভিযান

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**গোলাঘাট, ২৩ অক্টোবৰ ঃ** গোলাঘাট নগৰত পোন্ধৰখনৰো অধিক পূজা সমিতিয়ে এইবাৰ শাৰদীয় দুৰ্গা পূজা উদ্‌যাপন কৰে। নগৰখনত এক মেলাসদৃশ পৰিৱেশৰ মাজত বিভিন্ন সামগ্ৰী ক্ৰয়-বিক্ৰয় আৰু খাদ্য-সামগ্ৰীৰে উভৈনদী হৈ পৰে। এনেদৰে যোৱা দিনকেইটাত পথসমূহ যথেষ্ট আৱৰ্জনাৰে ভৰি পৰে। এই আৱৰ্জনাসমূহ পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত কালি বহু স্বেচ্ছাসেৱী সংগঠনকে ধৰি সচেতন নাগৰিকে আগভাগ লয়। দেৱী দুৰ্গাক বিসৰ্জন দিয়াৰ পাছত নগৰখন পৰিষ্কাৰ কৰাৰ লক্ষ্যৰে গোলাঘাট জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগতো পূজা মণ্ডপসমূহত স্বচ্ছ অভিযান চলায়। স্বচ্ছ ভাৰত অভিযানৰ এই কাৰ্যসূচীত নগৰখনৰ কেইবাটাও পূজা মণ্ডপত চাফাই অভিযান চলায়। এই অভিযানত স্বেচ্ছাসেৱক হিচাপে গৌৰৱ দাস, টুটুমণি ফুকন, ৰঞ্জিত দাস, দ্বীপেন দলে, বিকাশ ফুকন, মহেশ্বৰ ডেকা, মাধুৰ্য শইকীয়া, ৰেখা শইকীয়া ফুকনে নেতৃত্ব দিয়ে।

## গহপুৰত নতুন সাহিত্য পৰিষদৰ আলোচনা

### বিশিষ্ট শিক্ষাবিদ কবিৰাজ শৰ্মাক স্মৰণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**গহপুৰ, ২৩ অক্টোবৰ ঃ** নতুন সাহিত্য পৰিষদৰ সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি সাহিত্য সংগঠনটোৰ গহপুৰ শাখাৰ উদ্যোগত কালি এখন বিশেষ আলোচনাচক্ৰ অনুষ্ঠিত হয়। নতুন সাহিত্য পৰিষদৰ গহপুৰ শাখাৰ প্ৰতিষ্ঠাপক সভাপতি তথা বিশিষ্ট সমাজকৰ্মী, গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত কবিৰাজ শৰ্মাৰ ৮৬ সংখ্যক জন্মদিন উপলক্ষে 'বৈজ্ঞানিক মানসিকতাৰে সমাজ গঢ়াৰ ক্ষেত্ৰত কবিৰাজ শৰ্মাৰ ভূমিকা' শীৰ্ষক আলোচনাচক্ৰখন সম্পন্ন কৰা হয়। গহপুৰ সাৰ্বজনীন কলা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত কৰ্মশালাখনৰ আৰম্ভণিতে কবিৰাজ শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মাণিক গগৈয়ে। নতুন সাহিত্য পৰিষদৰ গহপুৰ শাখাৰ সম্পাদক গোপাল নেৱাৰে আদৰণী ভাষণ আলোচনাচক্ৰখন সঞ্চালনা কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ দত্তই। আলোচনাচক্ৰখনত আলোচক হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট সমাজকৰ্মী ধীৰেন শইকীয়া, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক হৰেন শৰ্মা আৰু গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক বীৰেন কাথ হাজৰিকাই কবিৰাজ শৰ্মাৰ বৈজ্ঞানিক মানসিকতা সন্দৰ্ভত তথ্যসমৃদ্ধ বক্তব্য আগবঢ়ায়। বীৰেন কাথ হাজৰিকাই বিশিষ্ট শিক্ষাবিদ তথা অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন বিষয়ববীয়া কবিৰাজ শৰ্মা এগৰাকী সাহসী আৰু যুক্তিবাদী ব্যক্তিত্বৰ অধিকাৰী আছিল বুলি মন্তব্য কৰে। অসম বিজ্ঞান সমিতিৰ গহপুৰ শাখাৰ লগত সুদীৰ্ঘ বছৰ ধৰি জড়িত হৈ বৃহত্তৰ গহপুৰ এলেকাৰ সৰ্বসাধাৰণ ৰাইজৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰা কবিৰাজ শৰ্মাই ছয়দুৱাৰ মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বুলিও আলোচক বীৰেন কাথ হাজৰিকাই মন্তব্য কৰে। আলোচকত্ৰয়ৰ বক্তব্যৰ পাছতে সমজুৱাৰ ফালৰ মাণিক গগৈ, সবিতা কোঁৱৰ, তিলক বড়ো, দীনেশ কুমাৰ কে চি, জিতেন বৰুৱা, ৰূপকোঁৱৰ মিলি আদিয়ে কবিৰাজ শৰ্মাৰ বিজ্ঞানমুখী ব্যক্তিত্বৰ আলোকপাত কৰে। কবিৰাজ শৰ্মাৰ সুযোগ্য পুত্ৰ তথা বিশিষ্ট শিক্ষাবিদ ডঃ দীপ শৰ্মাই এটি গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰা আলোচনাচক্ৰখনত নতুন সাহিত্য পৰিষদৰ গহপুৰ শাখাৰ সভাপতি ত্ৰিলোচন কৰ্টেল, আশা শৰ্মা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জগদীশ শৰ্মা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বিজয়া দত্তসহ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।



## পিথুবৰ মহাবিদ্যালয়ত 'গৱেষণা পদ্ধতি'ৰ কৰ্মশালা

**দৈনিক অসমৰ প্ৰতিনিধি**
**মৰাণ, ২৩ অক্টোবৰ ঃ** খোৱাং অঞ্চলৰ অগ্ৰণী উচ্চ শিক্ষা প্ৰতিষ্ঠান পিথুবৰ মহাবিদ্যালয়ত আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু গৱেষণা উন্নয়ন কোষৰ যৌথ উদ্যোগত ৭ আৰু ৮ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে 'গৱেষণা পদ্ধতি' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। গবেষণা কৰ্মৰ গুৰুত্ব, গৱেষণাৰ পদ্ধতি, নৈতিক দায়বদ্ধতা আৰু গৱেষণাৰ জৰিয়তে সমাজলৈ গঠনমূলক অৱদান আগবঢ়োৱাৰ বিভিন্ন দিশ কৰ্মশালাখনত বিস্তৃতভাৱে আলোচনা কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুৰভি গোহাঁই দুৱৰাই বন্তি প্ৰজ্বলনেৰে কৰ্মশালাখনৰ শুভাৰম্ভ কৰে। উদ্বোধনী ভাষণত অধ্যক্ষগৰাকীয়ে গৱেষণা কৰ্মৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি সফল গৱেষণাৰ বাবে পৰিকল্পিত আঁচনি প্ৰস্তুত কৰি সুসংগঠিতভাৱে আগবাঢ়িব লাগে বুলি মত প্ৰকাশ কৰে। অধ্যাপক যুগল চন্দ্ৰ সোণোৱালে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ সুধীৰ কুমাৰ দাসে কৰ্মশালাখন উদ্বোধন কৰে। ভাষণত তেওঁ গৱেষণা কৰ্মৰ পদ্ধতি, গৱেষণাৰ সামাজিক প্ৰাসংগিকতা আৰু নৈতিক দায়বদ্ধতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। গৱেষণাৰ জৰিয়তে সমাজৰ বিভিন্ন সমস্যা চিনাক্ত কৰাৰ লগতে সমাজ পৰিশোধন আৰু গঠনমূলক পৰিৱৰ্তনত গৱেষকসকলে কেনেদৰে ভূমিকা পালন কৰিব পাৰে, সেই সন্দৰ্ভতো তেওঁ বিস্তৃত আলোচনা আগবঢ়ায়। কৰ্মশালাখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ যোগেন চন্দ্ৰ কলিতা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগৰ অধ্যাপক ডঃ বিকাশ ডেকা, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ বৰুণ দে আৰু নিতাই পুখুৰী হেমচন্দ্ৰ গোস্বামী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ডঃ সুধীৰ কুমাৰ দাসে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। সমন ব্যক্তিসকলে গৱেষণাৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ উপস্থাপন কৰে। কৰ্মশালাখনত পিথুবৰ মহাবিদ্যালয়ৰ উপৰি মৰাণ মহিলা মহাবিদ্যালয়, মৰিচন মহাবিদ্যালয় আৰু ডিমৌ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অনলাইন আৰু অফলাইন— ব্লেণ্ডেড মোডত অংশগ্ৰহণ কৰে। অনলাইন কাৰিকৰী দিশত অধ্যাপিকা মনমিকা চাংমাই আৰু গ্ৰন্থাগাৰিক মাইলিনা গগৈয়ে সহযোগিতা আগবঢ়ায়। দুদিনীয়া কৰ্মশালাৰ সামৰণিত অংশগ্ৰহণকাৰীসকলক একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

## শতৰূপা নামতি দলৰ সাফল্য

**দৈনিক অসমৰ প্ৰতিনিধি**
**নকছাৰি, ২৩ অক্টোবৰ ঃ** দুৰ্গা পূজা উপলক্ষে আয়োজিত গোসাঁনী নাম প্ৰতিযোগিতাত যোৰহাটৰ 'শতৰূপা গোসাঁনী' নামৰ দলে বিশেষভাৱে জিলাখনত সফলতা লাভ কৰিছে। তেওঁলোকে গোসাঁনী নাম প্ৰতিযোগিতাত জাঁজী হাঁহচৰা, যোৰহাট তৰাজান, সৰ্বাইবন্ধাত প্ৰথম স্থান, দহোটীয়া, টিলিকি আম, বালিগাঁও, কেন্দুগুৰি, বড়ীগাঁও, কৃষ্ণ নগৰত দ্বিতীয় স্থান, মালৌ আলি, জগদুৱাৰ, কুশল নগৰ, জামুগুৰিত তৃতীয় স্থান লাভ কৰে। ইয়াৰ উপৰি অসমৰ আগশাৰীৰ টিভি চেনেলসমূহতো তেওঁলোকৰ নামে সমাদৰ লাভ কৰিছে। গীতাশ্ৰী ভট্টাচাৰ্য দলপতি হিচাপে থকা দলটোৰ আন সদস্যসকল হ'ল ক্ৰমে মৌচুমী দিজিলি, পল্লৱী দত্ত, প্ৰণামী বৰা, মৃদুস্মিতা পূজাৰী আৰু স্বপ্না বৰা।



## দাধৰাৰ সমাজসেৱী শিৱ প্ৰসাদ ফুকনৰ পৰলোক

**দৈনিক অসমৰ প্ৰতিনিধি**
**দেৰগাঁও, ২৩ অক্টোবৰ ঃ** মিছামৰাৰ দাধৰা নিৱাসী, সমাজসেৱী, ধৰ্মপ্ৰাণ ব্যক্তি শিৱ প্ৰসাদ ফুকনৰ ২১ অক্টোবৰৰ পুৱা পৰলোক হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৮০ বছৰ। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ফুকন সুদীৰ্ঘ দিন গ্ৰামাঞ্চলৰ স্বাস্থ্যসেৱাৰ লগতো জড়িত আছিল। নিয়মীয়াকৈ ডায়েৰী লিখাৰ অভ্যাস গঢ়ি তোলা ফুকনে প্ৰায় পঞ্চাশ বছৰ ধৰি দৈনিক কাম-কাজ লিপিবদ্ধ কৰি গৈছিল। সৰবৰহী নাগৰিকজনে মৃত্যুৰ সময়ত পত্নী,ভাতৃ,ভতিজাককে ধৰি বহু আত্মীয়ক এৰি থৈ যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

# টেঙাখাত উইল্টন চাহ বাগিচাত আটছাৰ কেন্দ্ৰীয় কৰম সন্মিলন



**দৈনিক অসম প্ৰতিনিধি**
**টেঙাখাত, ২৩ অক্টোবৰ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) টেঙাখাত শাখাৰ উদ্যোগত তথা অইল ইণ্ডিয়া দুলীয়াজান, উইল্টন, সুৰেশ নগৰ, গীতানগৰ চাহ বাগিচাৰ শ্ৰমিক গোট, মহিলা সমিতি, যুৱ সমাজ, টেঙাখাতবাসীৰ সহযোগত আৰু আটছাৰ উইল্টন উপ-শাখাৰ আতিথ্যত যোৱা ১৭ আৰু ১৮ অক্টোবৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে দুদিনীয়াকে টেঙাখাত উইল্টন চাহ বাগিচা খেলপথাৰত অনুষ্ঠিত ষষ্ঠদশ বাৰ্ষিক টেঙাখাত কেন্দ্ৰীয় কৰম সন্মিলনৰ সফলতাৰে সামৰণি মৰা হয়। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি ১৭ অক্টোবৰৰ পুৱা ৯ বজাত সন্থাৰ পতাকা উত্তোলন কৰে আচ্ছা টেঙাখাত শাখাৰ সভাপতি তিলক খালখ, কৰম পতাকা উত্তোলন কৰে কৰম উদ্‌যাপন সমিতিৰ সভাপতি দীপক পাতৰ, শ্বহীদ তৰ্পণ কৰে টেঙাখাত শাখাৰ সম্পাদক ৰবাৰ্ট ভূঞা, আটছাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত চাইমন সিং হ'বই আৰু প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক প্ৰয়াত সন্তোষ কুমাৰ তপ্নৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে উদ্‌যাপন সমিতিৰ সম্পাদক অনিল কাৱীৰ, হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে উইল্টন চাহ বাগিচাৰ সহকাৰী পৰিচালক প্ৰদীপ হাতীকাকতিয়ে। মঞ্চ মুকলি কৰে ডিকম চাহ বাগিচাৰ পৰিচালক সুন্দৰ বৰাই। দুপৰীয়া ১২.৩০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ বাবে কবিতা আবৃত্তি, চিত্ৰাংকন, কুইজ আৰু একক গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ৫ বজাৰ পৰা চাহ জনগোষ্ঠী জাতীয় সাজপাৰ পৰিধানেৰে কৰমা সুন্দৰী সৌন্দৰ্য প্ৰতিযোগিতা আৰু সন্ধিয়া পোনা মাঝিৰ পৌৰোহিত্যত কৰম আখড়াত কৰমডাল স্থাপন কৰি কৰম দেৱতাক ধৰ্মীয় পৰম্পৰা আৰু ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰি কৰমতিৰসকলৰ দ্বাৰা কৰম দেৱতাক বন্দনা কৰা হয়। স্থানীয় উদীয়মান কণ্ঠশিল্পী অণিমা তুৰি আৰু ভৰত কুৰ্মিয়ে কৰম আখড়া উদ্বোধন কৰি গীত পৰিৱেশন কৰে। উক্ত আখড়াত অসম চৰকাৰৰ চাহ জনজাতি উন্নয়ন আৰু শ্ৰম মন্ত্ৰী ৰামেশ্বৰ তেলী উপস্থিত থাকি বক্তব্য আগবঢ়ায়। ১৮ অক্টোবৰৰ নিচেই পুৱা বিধিগত নীতিৰে কৰমডাল নৈত বিৰ্সজন দিয়া হয়। ইয়াৰ পাছতে চাহ জনগোষ্ঠীয় আধুনিক নৃত্য, ঝুমইৰ আৰু ডমকইচ দলীয় প্ৰতিযোগিতাত ৰাখাল নাগ, মহেশ মুণ্ডা, বঞ্জিত একা বিচাৰক হিচাপে উপস্থিত থাকে। সাংবাদিক মনজিৎ বৰা আৰু জয়ন্ত শইকীয়াই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। নিশা ১০ বজাত তিলক খালস্বৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা, স্মৃতিগ্ৰন্থ আৰু বঁটা বিতৰণী সভাত ৰবাৰ্ট ভূঞাই আঁত ধৰা অনুষ্ঠানত অতিথিসকলক চাহ জনগোষ্ঠীৰ গামোচা, মমেণ্ট' আৰু ফুলৰ থোপাৰে আদৰণি জনোৱা হয়। আদৰণী ভাষণ আগবঢ়ায় উদ্‌যাপন সমিতিৰ সভাপতি দীপক পাতৰে। উদ্বোধনী ভাষণ আগবঢ়ায় আটছাৰ কেন্দ্ৰীয় কাৰ্যনিবাহক বাবুল বাঘোৱাৰে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি চাহ জনজাতি জাতীয় সন্মিলনী অসম, ডিব্ৰুগড় জিলা সমিতিৰ অধ্যক্ষ ৰবি বাৰলাই কৰম পৰৱৰ ইতিহাস আৰু চাহ জনগোষ্ঠীয় সমাজখনৰ জাতীয় চেতনা, সামাজিক, শৈক্ষিক, অৰ্থনৈতিক উন্নয়ন আৰু যুৱ সমাজৰ কৰ্তব্য সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সন্মানীয় অতিথি হিচাপে আটছা কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি লাজাৰ নন্দ, আটছা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিমল বাগ উপস্থিত থাকি বক্তব্য আগবঢ়ায়। 'কিশলয়' নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে আটছাৰ প্ৰাক্তন সভাপতি ৰাজেন কুমাৰে। সভাত উপস্থিত থাকে আটছাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক হেমন্ত কুজুৰ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বিচন মুণ্ডা, ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক চনু ওৰাওঁ, বাগুদিয়া চাহ বাগিচাৰ পৰিচালক বিপুল ভূমিজ, অসম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, বৃহত্তৰ অসমীয়া যুৱমঞ্চ, ডিব্ৰুগড় জিলাৰ সম্পাদক ললিত কুৰ্মি, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা টেঙাখাত আঞ্চলিকৰ সভাপতি ৰাজেশ চৰৱ, সম্পাদক শিৱা গড়, এজেৱাইচিপিৰ টেঙাখাত আঞ্চলিকৰ সভাপতি গৌতম বৰুৱা, আটছা টেঙাখাত আঞ্চলিকৰ সভাপতি গিলবাট ভেংবা, আটুৱা ডিব্ৰুগড় জিলা সমিতিৰ ক্ৰীড়া সম্পাদিকা জোনালী কন্দপান, সমাজকৰ্মী উমাকান্ত ভূমিজ, সাংবাদিক ত্ৰিদীপ চুতীয়া উপস্থিত থাকে। শ্ৰেষ্ঠ ঝুমইৰ দলটিক সমাজকৰ্মী সীতাৰাম কুম্ভকাৰ আৰু সুমিত্ৰা কুম্ভকাৰ সোঁৱৰণী বঁটা, দ্বিতীয় দলটিক মোহন ওৰাওঁৰ সোঁৱৰণী বঁটা, শ্ৰেষ্ঠ ডমকইচ দলটিক চিল্কা ভূমিজ সোঁৱৰণী বঁটা আৰু দ্বিতীয় দলটিক দেবেন কুমাৰ সোঁৱৰণী বঁটা পৰিয়ালসমূহৰ তৰফৰ পৰা প্ৰদান কৰা হয়। শ্ৰেষ্ঠ ঝুমইৰ দলটিক ৰবি বাৰলায়ে নগদ ৫০০১ টকাৰে পুৰস্কৃত কৰাৰ লগতে উদ্‌যাপন সমিতিৰ তৰফৰ পৰা নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়। নিশা জনপ্ৰিয় কণ্ঠশিল্পী মণ্টু কুমাৰৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানৰ পাছতে সকলো কাৰ্যসূচী সফলতাৰে সামৰণি মৰা হয়।

## বৌদ্ধিক বিকাশৰ প্ৰতিযোগিতা ঃ স্মৃতিগ্ৰন্থ 'কিশলয়' উন্মোচন



## বি চি চি আইৰ জুনিয়ৰ ৰাষ্ট্ৰীয় নিৰ্বাচক কমিটীত কৃষ্ণ দাস

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** ৰাজ্যৰ প্ৰাক্তন বেগী বলাৰ কৃষ্ণ দাসক বি চি চি আয়ে আজি জুনিয়ৰ ৰাষ্ট্ৰীয় ক্ৰিকেট কমিটীৰ সদস্য হিচাপে নিযুক্তি দিছে। এই নিৰ্বাচক কমিটীৰ অধ্যক্ষ হিচাপে ভাৰতৰ প্ৰাক্তন পেচাৰ পাৰৱিন্দৰ আৱানা আৰু সদস্য হিচাপে কৃষ্ণ দাসৰ লগতে ৰাকেশ পেটেল আৰু এন অৰ্জুন যাদৱ অন্তৰ্ভুক্ত হৈছে। উল্লেখ্য যে বৰপেটাৰ পেচ বলাৰ কৃষ্ণ দাসৰ ঘৰুৱা কেৰিয়াৰ আছিল আকৰ্ষণীয়, য'ত তেওঁ ৪৯খন প্ৰথম শ্ৰেণীৰ মেচ খেলি ১৬৬টা উইকেট দখল কৰিছিল। দাসে ভাৰতৰ ১৯ বছৰ অনূৰ্দ্ধ আৰু ভাৰত 'এ' দলৰ হৈ খেলিছিল। পৰৱৰ্তী সময়ত ভাৰতৰ ১৯ বছৰ অনূৰ্দ্ধ দলৰ বলিং প্ৰশিক্ষক হিচাপেও দায়িত্ব পালন কৰিছিল। অসম ক্ৰিকেট সন্থাৰ সম্পাদক সনাতন দাসে কৃষ্ণ দাসক অভিনন্দন জনোৱাৰ লগতে বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে আৰু এই নিযুক্তি অসম ক্ৰিকেটৰ বাবে এক গৌৰৱৰ মুহূৰ্ত আৰু ক্ৰিকেটীয় অভিজ্ঞতা তথা অৱদানক দিয়া এক স্বীকৃতি বুলিও দোহাৰে।

**মুখ্যমন্ত্ৰী, অসম ক্ৰিকেট সন্থাৰ অভিনন্দন অসম কন্যাক**

# এদিনীয়া আন্তঃৰাষ্ট্ৰীয়ত অভিষেক জিণ্টিমণিৰ



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** অসমৰ উদীয়মান অলৰাউণ্ডাৰ জিণ্টিমণি কলিতাই আজি বদোদৰাত জিম্বাবৱেৰ বিৰুদ্ধে ভাৰতীয় মহিলা দলৰ হৈ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত অভিষেক ঘটায়। অভিজ্ঞ ৰেণুকা সিং ঠাকুৰৰ অবৰ্তমানত দলত স্থান পাবলৈ সক্ষম হৈছিল মঙলদৈৰ পেচ বলাৰগৰাকীয়ে। জিম্বাবৱে মহিলা ক্ৰিকেট দলৰ বিৰুদ্ধে শৃংখলাৰ উদ্বোধনী মেচখনৰ পূৰ্বে টীম ইণ্ডিয়াৰ প্ৰাক্তন অধিনায়ক তথা জ্যেষ্ঠ খেলুৱৈ হৰমনপ্ৰীত কৌৰৰ পৰা আনুষ্ঠানিকভাৱে দলীয় টুপী গ্ৰহণ কৰে অসমৰ খেলুৱৈগৰাকীয়ে। উল্লেখ্য যে জিণ্টিমণি জিম্বাবৱেৰ বিৰুদ্ধে টী-২০ শৃংখলাৰ দলতো আছিল যদিও এখন মেচো খেলাৰ সুযোগ পোৱা নাছিল। আজি মূল একাদশত স্থান পোৱা জিণ্টিমণিয়ে বল হাতত লৈয়ে জিম্বাবৱেৰ ইনিংছত ক্ষুৰধাৰ বলিঙেৰে ব্যতিব্যস্ত কৰি তোলে। জিণ্টিমণিয়ে দলৰ হৈ ২.৫ অভাৰত জিম্বাবৱেৰ চি মুগেৰিটিৰিপানো (৪) আৰু ৭.৫ অভাৰত এম মুপাচিকাৱা (১৮)ৰ উইকেট দখলৰ সুযোগ পাইছিল যদিও ক্ৰমে উইকেটকীপাৰ ৰিচা ঘোষ আৰু দীপ্তি শৰ্মাই কেচ ড্ৰপ কৰে। সোঁহতীয়া পেচ বলাৰগৰাকীয়ে মুঠ ৫ অভাৰ বলিং কৰি ২৩ ৰান খৰচ কৰি উইকেট লাভৰ পৰা বঞ্চিত হয়। অৱশ্যে শ্ৰীচৰণীৰ বলত মিচেলী মাভুংগাৰ কেচ আয়ত্ত কৰে। ২২ বছৰীয়া খেলুৱৈগৰাকীয়ে ২০২৩ বৰ্ষতে মুম্বাই ইণ্ডিয়ানছৰ হৈ মহিলাৰ প্ৰিমিয়াৰ লীগত খেলাৰ বাবে চুক্তিবদ্ধ হৈছিল। দুটা ছিজনত মুম্বাই ইণ্ডিয়ানছৰ হৈ ১৩খন মেচ খেলাৰ পাছত ২০২৬ বৰ্ষত গুজৰাট জায়েণ্টছৰে চুক্তিবদ্ধ হৈছিল। ভাৰত 'এ' দলৰ হৈ ইংলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ বিৰুদ্ধেও কেইবাখনো মেচ খেলিছিল জিণ্টিমণিয়ে। উল্লেখ্য যে জিণ্টিমণিৰ পূৰ্বে ৰিয়ান পৰাগ আৰু উমা ছেত্ৰীয়ে ৰাষ্ট্ৰীয় ছিনিয়ৰ দলক প্ৰতিনিধিত্ব কৰিছিল। তদুপৰি ব্লাইণ্ড বিশ্বকাপ ক্ৰিকেটত চিমু দাসে দেশৰ হৈ খেলিছিল। জিণ্টিমণিৰ এই কৃতিত্বৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই খেলুৱৈগৰাকীক অভিনন্দন আৰু উজ্জ্বল ভৱিষ্যতৰ শুভ কামনা জনাই সামাজিক মাধ্যমযোগে কয়— অসমৰ ক্ৰিকেট জগতৰ বাবে এয়া আন এক গৌৰৱময় ক্ষণ।



জিম্বাবৱেৰ বিৰুদ্ধে প্ৰথমখন মহিলা এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ভাৰতীয় দলৰ হৈ অভিষেক ঘটাই অসম জীয়ৰী, প্ৰতিভাৱান বেগী বলাৰ জিণ্টিমণি কলিতাই ৰাজ্যলৈ কঢ়িয়াই আনিছে নতুন গৌৰৱ। অসমৰ গৌৰৱ উমা ছেত্ৰীৰ পাছত জিণ্টিমণিৰ এই আন্তঃৰাষ্ট্ৰীয় অভিষেক অসমৰ ক্ৰীড়াক্ষেত্ৰৰ বাবে আন এক মাইলৰ খুঁটি। ঘৰুৱা ক্ৰিকেটৰ পৰা মহিলা প্ৰিমিয়াৰ লীগ আৰু ভাৰত 'এ' দলৰ হৈ নিজৰ দক্ষতা প্ৰমাণ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উপনীত হোৱা জিণ্টিমণিৰ এই সাফল্যই অসমৰ ক্ৰীড়া জগতকো যথেষ্ট অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীয়ে। আনহাতে, অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈ আৰু এ চি এৰ সম্পাদক সনাতন দাসে জিণ্টিমণিক এই বিশেষ কৃতিত্বৰ বাবে অভিনন্দন জনাই এদিনীয়া আন্তঃৰাষ্ট্ৰীয়ৰ সফল কেৰিয়াৰৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

**জিম্বাবৱেৰ বিৰুদ্ধে মহিলাৰ এদিনীয়া ছিৰিজ**

## প্ৰতীকাৰ অনবদ্য চেঞ্চুৰীৰে সহজ জয় ভাৰতৰ



**বদোদৰা, ২৩ অক্টোবৰ ঃ** জিম্বাবৱেৰ বিৰুদ্ধে তিনিখন মেচৰ মহিলাৰ এদিনীয়া ছিৰিজৰ প্ৰথমখনত আজি ভাৰত ৯ উইকেটত সহজে জয়ী হয়। মেচখনত আলহী দলটোৱে প্ৰথমে বেটিং কৰি ১৯৭ ৰানতে অল আউট হয়। দলটোৰ হৈ বিলাভেড বিজাই ৬২ ৰান কৰে। মিচেল মাভুংগাই কৰে ২৯ ৰান। বাকী বেটাৰসকল ব্যৰ্থ হয়। ভাৰতৰ হৈ শ্ৰীচৰণীয়ে সৰ্বাধিক চাৰিটা উইকেট দখল কৰে। ১৯৮ ৰানৰ জয়ৰ লক্ষ্য আগত লৈ ভাৰতে সুন্দৰ আৰম্ভণি কৰে। অধিনায়ক স্মৃতি মান্ধানা ৩২ ৰান কৰি আউট হয় যদিও আনগৰাকী অ'পেনাৰ প্ৰতীকা ৰাৱালে শতকীয় ইনিংছ খেলে। শেফালি বাৰ্মাই ৩৩টা বলত ৬৪ ৰান কৰে। প্ৰতীকাই ৯৬টা বলত ১০০ ৰান কৰে। ১৫টা বাউণ্ডেৰীৰে তেওঁ অনবদ্য ইনিংছটো খেলে। ২৭.১ অভাৰত মাত্ৰ এটা উইকেট হেৰুৱাই ভাৰত মেচখনত জয়ী হয়। ছিৰিজৰ দ্বিতীয়খন এদিনীয়া দেওবাৰে অনুষ্ঠিত হ'ব।

**আইচি-নাগোয়া এছিয়ান পেৰা গেমছ**

## পদকৰ চেঞ্চুৰী সম্পূৰ্ণ ভাৰতৰ



**টকিঅ', ২৩ অক্টোবৰ ঃ** পেৰা এছিয়ান গেমছত ভাৰতে পদকৰ শতক সম্পূৰ্ণ কৰিছে। জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত ক্ৰীড়া সমাৰোহখনত আজি ভাৰতৰ খেলুৱৈয়ে ৯টা স্বৰ্ণ পদক লাভ কৰে। এনেদৰে ভাৰতৰ মুঠ পদকৰ সংখ্যা হয়গৈ ১১৪। ৩০টা স্বৰ্ণ, ৩৫টা ৰূপ আৰু ৪৯টা ব্ৰঞ্জৰ পদকেৰে ভাৰত পদক তালিকাৰ চতুৰ্থ স্থানত আছে। চীন, জাপান, উজবেকিস্তান আছে প্ৰথম তিনিটা স্থানত। আজি বেডমিণ্টনত ভাৰতৰ নীতেশ কুমাৰ, নবীন শিৱকুমাৰে স্বৰ্ণ পদক জয় কৰে। আৰ্চাৰীৰ পুৰুষৰ ডাবল্‌ছত হৰবিন্দৰ সিং আৰু বিজয় সুন্দিয়ে চীনৰ প্ৰতিদ্বন্দ্বীক হৰুৱাই স্বৰ্ণ জয় কৰে। ইফালে এথলেটিক্‌ছত ৪০০ মিটাৰ টি ৬৪ ইভেণ্টত জয়ী হৈ সন্দীপে ভাৰতৰ হৈ শততম পদকটো অৰ্জন কৰে। ৫২.২৮ ছেকেণ্ড সময় লৈ তেওঁ স্বৰ্ণ পদক লাভ কৰে। শ্বুটিঙত মোনা অগ্ৰৱালে বিশ্ব অভিলেখ ভংগ কৰি স্বৰ্ণ জয় কৰাৰ বিপৰীতে বেডমিণ্টনৰ মহিলাৰ ডাবল্‌ছত পুলাছিমথি মুৰুগেছন আৰু মানসী গিৰিশচন্দ্ৰ যোশীয়ে স্বৰ্ণ পদক নিজৰ নামত কৰে। আনহাতে, পুৰুষৰ জেভেলিনত হেনীয়ে এফ থ্ৰী ছেভেন/থ্ৰী এইট ইভেণ্টত স্বৰ্ণ পদক জয় কৰে।

**নিউজিলেণ্ডৰ বিৰুদ্ধে আজি দ্বিতীয় টী-২০**

## আঘাতপ্ৰাপ্ত ঈশানৰ স্থানত খেলিব বৈভৱে!



**নতুন দিল্লী, ২৩ অক্টোবৰ ঃ** নিউজিলেণ্ডৰ বিৰুদ্ধে কাইলৈ হ'বলগীয়া ছিৰিজৰ দ্বিতীয়খন টী-২০ মেচৰ পৰা বাহিৰ হৈছে ভাৰতৰ মাৰমুখী বেটাৰ ঈশান কিষান। প্ৰথমখন মেচত আঘাত পোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁ কাইলৈ খেলিব নোৱাৰিব। বি চি চি আয়ে আজি ছ'চিয়েল মিডিয়াযোগে এই কথা প্ৰকাশ কৰে। এই সন্দৰ্ভত টীম ইণ্ডিয়াৰ বেটিং প্ৰশিক্ষক সীতাংশু কোটাকে কয় যে ঈশানৰ স্থানত মূল একাদশত এতিয়া বৈভৱ সূৰ্যবংশীয়ে সুযোগ পাব পাৰে। উল্লেখ্য যে কালি প্ৰথমখন মেচত ঘৰুৱা দলটোৱে ২২৫ ৰান কৰিও পৰাস্ত হয়। ৫ খন মেচৰ ছিৰিজত এতিয়া টীম ইণ্ডিয়াই ১-০ৰ অগ্ৰগতি লাভ কৰিছে। কাইলৈৰ মেচত নবোদিত তাৰকা বৈভৱে খেলাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰি কোটাকে কয় যে বৰ্তমান দলত সঞ্জু ছেমছন, অভিষেক শৰ্মা, ঈশান কিষান আৰু বৈভৱ সূৰ্যবংশী এনেকুৱা খেলুৱৈ যিয়ে শীৰ্ষৰ তিনিটা স্থানত খেলিব পাৰে। সেই দিশৰ পৰা কাইলৈ অভিষেকৰ সৈতে বৈভৱে বেটিং মুকলি কৰাৰ সম্ভাৱনা আছে। বাঁওহতীয়া উদীয়মান বেটাৰজনে বিগত ছখন মেচত টীম ইণ্ডিয়াৰ মূল একাদশত স্থান পোৱা নাই। এছিয়ান গেমছৰ ফাইনেলত তেওঁ অন্তিমবাৰ খেলিছিল। কাইলৈৰ দ্বিতীয়খন টী-২০ মেচ ক্ৰাইষ্টচাৰ্চতে অনুষ্ঠিত হ'ব। বেটাৰৰ সহায়ক পিটচত কাইলৈও টছত জয়ী হোৱা দলৰ অধিনায়কে প্ৰথমে ফিল্ডিং কৰাৰ সম্ভাৱনাই অধিক। **কাইলৈৰ মেচৰ সময় ঃ** দিনৰ ১২.৩০ বজাৰ পৰা।

## ছেমিত অনাহত

**নিউয়ৰ্ক, ২৩ অক্টোবৰ ঃ** পি এছ এ ট্যুৰ গ'ল্ড লেভেল টুৰ্ণামেণ্টৰ ছেমি ফাইনেলত উপনীত হৈছে ভাৰতৰ নৱোদিত স্কোৱাছ খেলুৱৈ অনাহত সিং। ছিলিকন ভেলী অ'পেন টুৰ্ণামেণ্টখনৰ কোৱাৰ্টাৰ ফাইনেলত আজি বিশ্বৰ ১৪ নম্বৰ স্থানৰ খেলুৱৈ ছালমা হেনীক ৩-২ ব্যৱধানত পৰাস্ত কৰে তেওঁ। ৪২ মিনিটত মেচখনত জয়ী হয় অনাহতই। পি এছ এ ট্যুৰ পৰ্যায়ত প্ৰথমবাৰৰ বাবে ছেমিত উপনীত হৈছে ভাৰতীয় খেলুৱৈগৰাকী। ১৮ বছৰীয়া অনাহতই কালি বিশ্বৰ তিনি নম্বৰ স্থানৰ খেলুৱৈ নুৰ এল ছেৰবিনিক পৰাস্ত কৰি চমক দিছিল। এতিয়া ছেমিত তেওঁ সন্মুখীন হ'ব মালয়ছিয়াৰ শিৱাছংগাৰি সুব্ৰমণিয়ামৰ।

## মহিলা হকী লীগ

**দৈনিক অসমৰ প্ৰতিনিধি**

**কোকৰাঝাৰ, ২৩ অক্টোবৰ ঃ** কোকৰাঝাৰ চহৰৰ কঁঠালগুৰিস্থিত ছাই ষ্টেডিয়ামত ২৫ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'ব পূব মণ্ডল অস্মিতা ছাব-জুনিয়ৰ আৰু জুনিয়ৰ মহিলা হকী লীগ। বিটিচি চৰকাৰৰ উদ্যোগত আৰু কোকৰাঝাৰ হকী সন্থা, অসম হকী সন্থাৰ লগতে ইণ্ডিয়ান হকী সন্থাৰ যৌথ সহযোগত অনুষ্ঠিত হ'বলগা এই প্ৰতিযোগিতাত আঠটা দলে অংশ ল'ব।

## বীৰুপাৰাত লক্ষ্মী পূজা গ'ল্ড কাপ ফুটবল

**দৈনিক অসমৰ প্ৰতিনিধি**

**বেবেজীয়া, ২৩ অক্টোবৰ ঃ** কাৰ্বি আংলং জিলাৰ লাংহিনৰ বীৰুপাৰাৰ ৰংজালু ক্লাবৰ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো বীৰুপাৰা খেলপথাৰত ২৫ অক্টোবৰৰ পৰা সপ্তদশ লক্ষ্মী পূজা গ'ল্ড কাপ আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। সদৌ অসম ভিত্তিত আয়োজন কৰা এই প্ৰতিযোগিতাত কোকৰাঝাৰৰ জৌলৈ ইউনাইটেড এফ চি, হোজাইৰ থবাল এফ চি, যোৰহাট টাউন ক্লাব, ওদালগুৰিৰ হৰিশিঙা টাউন এফ চি, নগাঁৱৰ ব্ৰহ্মপুত্ৰ ডলফিন্‌ছ ফুটবল একাডেমী, কলগাছিয়াৰ ৰেডিয়েঞ্চ একাডেমী আদি দলে যোগদান নিশ্চিত কৰিছে। আয়োজক ৰংজালু ক্লাবৰ সভাপতি জলেশ্বৰ বসুমতাৰী আৰু সম্পাদক বিদিন্থা বসুমতাৰীয়ে জানিবলৈ দিয়া মতে, অসম ফুটবল সন্থা আৰু কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত এই প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত হোজাইৰ থবাল এফ চিয়ে কাৰ্বি আংলঙৰ পেৰাডাইজ এফ চিৰ বিৰুদ্ধে খেলিব। উদ্বোধনী অনুষ্ঠানত ৰাজ্যিক ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সহকাৰী সঞ্চালক ৰিলীপ ৰংহাং মুখ্য অতিথিৰূপে উপস্থিত থাকিব।

## কৃষক ইউনাইটেড ফাইনেলত

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ২৩ অক্টোবৰ ঃ** ৰঙিয়াৰ উত্তৰ বৰদল ইয়ং ডায়মণ্ড ক্লাবৰ উদ্যোগত বৰদল ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন ছেমি ফাইনেলত গুৱাহাটীৰ কৃষক ইউনাইটেড এফ চিয়ে ৰঙিয়া টাউন ক্লাবক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ২৫ অক্টোবৰত হাউলী ছেভেন ষ্টাৰ ক্লাব আৰু গুৱাহাটীৰ কৃষক ইউনাইটেড এফ চিৰ মাজত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

## জো ৰুটৰ কৃতিত্ব



**ৰাৱালপিণ্ডি, ২৩ অক্টোবৰ ঃ** ইংলেণ্ডৰ বেটাৰ জো ৰুটে এদিনীয়া আন্তঃৰাষ্ট্ৰীয়ত ৮,০০০ ৰানৰ মাইলৰ খুঁটিত উপনীত হৈছে। কালি ৰাৱালপিণ্ডিত শ্ৰীলংকাৰ বিৰুদ্ধে অনুষ্ঠিত মেচত ইংলেণ্ডৰ প্ৰথমজন বেটাৰৰূপে এই কৃতিত্বৰ অধিকাৰী হয় তেওঁ। ৬৬টা বলত খেলা ৬৯ ৰানৰ ইনিংছেৰে কেৰিয়াৰৰ ১৮৬ সংখ্যক এদিনীয়াত ৰুটে ৮,০০০ ৰান সম্পূৰ্ণ কৰে। ১৯৭ খন এদিনীয়াত সোঁহতীয়া বেটাৰজনৰ এতিয়া মুঠ সংগ্ৰহ ৮,০০৫ ৰান। ইয়াত আছে ২০টা শতক আৰু ৪৯টা অৰ্দ্ধশতক। সৰ্বাধিক এদিনীয়া ৰান সংগ্ৰহ কৰা ইংলেণ্ডৰ বেটাৰৰ তালিকাৰ দ্বিতীয় স্থানত আছে ইয়ন মৰ্গান।

**৪২৯ ৰান কৰিও হাৰিল ইংলেণ্ড ■ ৯৩টা বাউণ্ডেৰীৰ অভিলেখ**

## ৰাৱালপিণ্ডিত ঐতিহাসিক জয় শ্ৰীলংকাৰ



**ৰাৱালপিণ্ডি, ২৩ অক্টোবৰ ঃ** ৪২৯ ৰান কৰিও পৰাস্ত হ'ল ইংলেণ্ড। পাকিস্তানত চলিত ত্ৰিদেশীয় ছিৰিজৰ কালি নিশাৰ মেচত ঐতিহাসিক জয় সাব্যস্ত কৰে শ্ৰীলংকাই। ৪৩০ ৰানৰ জয়ৰ লক্ষ্য দলটোৱে অতিক্ৰম কৰে ৪৯.৫ অভাৰত। অবিশ্বাস্য, নাটকীয় বিজয়। এদিনীয়া আন্তঃৰাষ্ট্ৰীয়ৰ ইতিহাসত জয়ৰ লক্ষ্য অতিক্ৰম কৰি দ্বিতীয় সৰ্বাধিক ৰান সংগ্ৰহৰ অভিলেখ গঢ়ে দ্বীপৰাষ্ট্ৰখনে। মেচখনত মুঠ সংগৃহীত ৰান ৮৫৯। তদুপৰি বাউণ্ডেৰীৰ ক্ষেত্ৰতো সৃষ্টি হয় নতুন অভিলেখ। শ্ৰীলংকা আৰু ইংলেণ্ড দুয়োটা দলৰ মুঠ বাউণ্ডেৰীৰ সংখ্যা হৈছে ৯৩টা। অভাৰ বাউণ্ডেৰী ৩০টা। বাউণ্ডেৰীত সংগৃহীত মুঠ ৰান হৈছে ৫৫২। ইয়াৰ পূৰ্বে ২০০৬ চনত জোহান্সবাৰ্গত অষ্ট্ৰেলিয়া-দক্ষিণ আফ্ৰিকাৰ মাজৰ এদিনীয়াখনত দুয়োটা দলে মিলি ৮৭টা বাউণ্ডেৰী কোবাইছিল। সেই অভিলেখ কালি ভংগ হয় ৰাৱালপিণ্ডিত। ইফালে এখন এদিনীয়াত বাউণ্ডেৰীৰে সংগৃহীত মুঠ ৰানৰ ক্ষেত্ৰতো ২০১৯ চনৰ ৱেষ্ট ইণ্ডিজ-ইংলেণ্ডৰ মেচখনৰ অভিলেখ কালি ভংগ হয়। সেই মেচখনত বাউণ্ডেৰীৰ হিচাপত ৫৩২ ৰান সংগ্ৰহ হৈছিল। ৬৪টা বাউণ্ডেৰী আৰু ৪৬টা অভাৰ বাউণ্ডেৰীৰে অভিলেখ সৃষ্টি হৈছিল মেচখনত। কালি ৫৫২ ৰান বাউণ্ডেৰীৰে সংগ্ৰহ হয়। কালিৰ মেচখনত ইংলেণ্ডৰ বেটাৰে ৪৮টা আৰু শ্ৰীলংকাৰ বেটাৰে ৪৫টা বাউণ্ডেৰী কোবায়। ইফালে ইংলেণ্ডৰ হেৰী ব্ৰুকে ১১৪টা বলত খেলা দ্বি-শতকীয় দ্ৰুততম ইনিংছটো কালি অথলে যায়। শ্ৰীলংকাৰ পৱন ৰত্নায়কে ১০৬টা বলত ১৩০ ৰানৰ দুৰন্ত ইনিংছেৰে দলৰ জয়ত নিৰ্ণায়ক ভূমিকা লয়।

## ফ্ৰেন্স অ'পেন ঃ অস্মিতা বাহিৰ, সিন্ধু ছেমিত



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ অক্টোবৰ ঃ** অসমৰ তাৰকা শ্বাটলাৰ অস্মিতা চলিহাই য়নেক্স ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰা বিদায় লৈছে। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত মহিলাৰ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত ২৭ বৰ্ষীয় অসম জীয়ৰী অস্মিতাই জাপানৰ ন'জ'মি অকুহাৰাৰ বিৰুদ্ধে যুঁজ দি ১০-২১, ২১-১৭, ১৬-২১ ব্যৱধানত থমকি ৰয়। অস্মিতাৰ বিপৰীতে ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধুৱে ছেমি ফাইনেলত স্থান সুৰক্ষিত কৰিছে। দুবাৰৰ অলিম্পিক পদক জয়ী সিন্ধুৱে আজি অনুষ্ঠিত মহিলাৰ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত চাইনীজ টাইপেইৰ চিউ-পিন চিয়ানক ৩৯ মিনিটৰ যুঁজতে ২১-১৩, ২১-১৪ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। ছেমিত সিন্ধুৱে জাপানৰ হিনা আকেচিৰ মুখামুখি হ'ব।

## মুকালমুৱাত ফুটবল

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**নলবাৰী, ২৩ অক্টোবৰ ঃ** নলবাৰী ক্ৰীড়া সন্থাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত মুকালমুৱা ফুটবল ক্লাবৰ উদ্যোগত আৰু বৃহত্তৰ নাৰায়ণপুৰ ক্ৰীড়া সংঘৰ সহযোগত বৰক্ষেত্ৰী মিনি ষ্টেডিয়াম (কলেজ ফিল্ড) নাৰায়ণপুৰ, মুকালমুৱাত ২৫ অক্টোবৰৰ পৰা সদৌ অসম ভিত্তিত ধনোৰাম কলিতা আৰু যোগেন্দ্ৰ নাথ মেধি সোঁৱৰণী প্ৰাইজমানি (নৈশ) ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উদ্বোধনী খেলত অংশগ্ৰহণ কৰিব লাচিমা এফ চি আৰু বি এন কে এছ নাৰায়ণপুৰ এফ চি দলে।

## গোলাঘাট 'এ' ডিভিজন ফুটবল

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**গোলাঘাট, ২৩ অক্টোবৰ ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাই শালমৰা খেলপথাৰত আয়োজন কৰা 'এ' ডিভিজন লীগৰ আজিৰ উদ্বোধনী খেলখন খুমটাই উপ-ক্ৰীড়া সন্থা আৰু ফৰকাটিং উপ-ক্ৰীড়া সন্থাৰ মাজত ২-২ গ'লত অমীমাংসিতভাৱে সমাপ্ত হয়। ফৰকাটিঙৰ হৈ লকপল হাজৰিকা আৰু ৰঙাই বাউৰীয়ে গ'ল দুটা দিয়ে। খুমটাইৰ হৈ গ'ল দুটা পৰিশোধ কৰে সত্যজিৎ ৰবিদাস আৰু সুনীত মুড়াই।

## উলুপাৰা কে জে জে এফ চিৰ খিতাপ দখল



**দৈনিক অসমৰ প্ৰতিনিধি**

**আগিয়া, ২৩ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ বৰদামালৰ নিকটৱৰ্তী মাজেৰবড়ী দৌম্বায় ক্লাবৰ উদ্যোগত মাজেৰবড়ী ৰাজহুৱা খেলপথাৰত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ফাইনেলত উলুপাৰা কে জে জে এফ চিয়ে ৰামপুৰ বি টিম এফ চিক ৩-১ গ'লত পৰাস্ত কৰি বিজয়ীৰ খিতাপ অৰ্জন কৰে। ৰামপুৰ বি টিম এফ চিৰ মুকুন্দ ৰাভাই ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আৰু খনিভূষণ ৰাভাই সৰ্বাধিক গ'লদাতাৰ বঁটা লাভ কৰে। খেলৰ অন্তত পুৰস্কাৰ বিতৰণ কৰে গোৱালপাৰা পশ্চিম সমষ্টিৰ বিধায়ক পৱিত্ৰ ৰাভা আৰু মাজেৰবড়ী দৌম্বায় ক্লাবৰ সভাপতি গণেশ ৰাভা, সমাজসেৱক ৰঘুনাথ ৰাভা, কেমনাথ ৰাভা আৰু গিৰীন্দ্ৰ ৰাভাই।

## ভেৰগাঁৱত ভলীবল

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**ওদালগুৰি, ২৩ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ সদৰত কাইলৈ ১৬ বছৰ অনূৰ্দ্ধ প্ৰাইজমানি ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ভেৰগাঁও ভলীবল কোচিং চেণ্টাৰৰ উদ্যোগত হ'বলগীয়া এই প্ৰতিযোগিতাত ভেৰগাঁও ভলীবল কোচিং চেণ্টাৰ; হৰিশিঙা ভলীবল কোচিং চেণ্টাৰ; টংলা ভলীবল কোচিং চেণ্টাৰ; ৰয়েল ভলীবল ট্ৰেইনিং চেণ্টাৰ, বাইহাটা; বালি সত্ৰ ভলীবল কোচিং চেণ্টাৰ, ৰঙিয়া আৰু দগীয়াপাৰা ভলীবল কোচিং চেণ্টাৰ, দৰঙে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

## শ্বহীদ স্মৃতি ফুটবলত বৰপেটাৰ বাৰাদি এফ চি চেম্পিয়ন



**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**বৰপেটা, ২৩ অক্টোবৰ ঃ** বৰপেটাৰ বাৰাদি এফ চি একাদশে নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ বামুণবড়ী মূলাঘাটা খেলপথাৰত আয়োজিত ৩০ সংখ্যক শ্বহীদ স্মৃতি সদৌ অসম আমন্ত্ৰণমূলক প্ৰাইজমানি তথা চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ দখল কৰিছে। প্ৰতিযোগিতাৰ কালি নৈশালোকত অনুষ্ঠিত ফাইনেল মেচত বাৰাদি এফ চিয়ে গুৱাহাটীৰ সোণাপুৰ ডি বি আই এফ চিক ৩-২ গ'লত পৰাস্ত কৰি খিতাপৰ অধিকাৰী হয়। চেম্পিয়ন দলটোৰ হৈ হেটট্ৰিক অৰ্জন কৰা দুৰ্দান্ত ষ্ট্ৰাইকাৰ শেখৰ সিঙে লাভ কৰে ফাইনেলৰ শ্ৰেষ্ঠ, টুৰ্ণামেণ্টৰ শ্ৰেষ্ঠ আৰু শ্ৰেষ্ঠ গ'লদাতাৰ ট্ৰফী। আনহাতে, শ্ৰেষ্ঠ ডিফেণ্ডাৰৰ বঁটা লাভ কৰে বাৰাদিৰ ডিফেণ্ডাৰ দীপাংকৰ দাস মাইনুৰে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰশিক্ষক আৰু শ্ৰেষ্ঠ মেনেজাৰ হিচাপে বঁটা লাভ কৰে ক্ৰমে বাৰাদি এফ চিৰ প্ৰশিক্ষক ডিম্পল দাস আৰু বিপুল দাসে। আনহাতে, বিজয়ী দলৰ ৰিদীপে লাভ কৰে শ্ৰেষ্ঠ গ'লৰক্ষকৰ বঁটা। ফাইনেল মেচখন উদ্বোধন কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। চেম্পিয়ন বাৰাদি এফ চি দলে ৭০ হাজাৰ টকা প্ৰাইজমানিৰ লগতে ট্ৰফী, বিপৰীতে বিজিত দল ডি বি আই এফ চিয়ে ৫১ হাজাৰ টকা প্ৰাইজমানিৰ লগতে ট্ৰফী লাভ কৰে।

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা আৰ্কন আৰ্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্ৰকাশিত আৰু জি এল পাব্লিকেচন্‌ছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্ৰিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com

কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ